
# সত্যানুসন্ধান

# সত্যানুসন্ধান

গোপাল জালান

বিশাল প্ৰকাশন
গুৱাহাটী- ০৩




**SATYANUSANDHAN**

A collection of articles written by Gopal Jalan
and published by Brajendra Nath Deka on behalf of
Bishal Prakashan, Chandmari, Guwahati- 3.
First Edition :June, 2021 Price : Rs. 140/- only

ISBN : 978-93-82587-37-8

**সত্যানুসন্ধান**

গ্ৰন্থস্বত্ব ঃ লেখক
প্ৰকাশক ঃ বিশাল প্ৰকাশন
গুৱাহাটী- ৩
ফোন ঃ ৯৮৬৪০ ৩৮৮১৪
প্ৰথম প্ৰকাশ ঃ জুন, ২০২১
মূল্য ঃ ১৪০/- টকা
বেটুপাত ঃ মনজিত মালাকৰ
আৰ্হিপাঠ/অক্ষৰ বিন্যাস/অংগসজ্জা ঃ দুৰ্গাপ্ৰসাদ হাজৰিকা
মুদ্ৰণ ঃ বিশাল অফছেট প্ৰেছ
চানমাৰী, গুৱাহাটী- ৩

## উচৰ্গা...

পিতৃ-মাতৃৰ চৰণত...

# প্ৰকাশকৰ একাষাৰ

বৰ্তমান সময়ত গোপাল জালান এটি চিনাকি নাম। জালান এগৰাকী জনপ্ৰিয় নিবন্ধকাৰ। বৰ্তমান সময়ৰ অসমীয়া কাকত-আলোচনীত নিয়মীয়াভাৱে তেওঁৰ সাময়িক বিষয়ৰ লেখা পঢ়িবলৈ পোৱা যায়। যোগাত্মক দৃষ্টিৰে প্ৰতিটো বিষয় তেওঁ বিশ্লেষণ কৰে। তেওঁৰ লেখাসমূহ যথাসম্ভৱ চুটি, পঢুৱৈয়ে একেটা বহাতে পঢ়ি শেষ কৰিব পাৰে। প্ৰতিটো লেখাই পঢুৱৈসমাজকো চিন্তাৰ খোৰাক দিয়ে। সততে বিতৰ্ক এৰাই ফুৰা জালানৰ লেখাসমূহতো বিতৰ্ক নাথাকে। ই এটা যোগাত্মক দিশ।

গোপাল জালান কেৱল এগৰাকী নিবন্ধকাৰেই নহয়— তেওঁ এগৰাকী সাংস্কৃতিক কৰ্মীও। তেওঁ কেবাখনো তথ্যচিত্ৰ প্ৰযোজনা কৰিছে। প্ৰতিখন তথ্যচিত্ৰই সমাদৰো লাভ কৰিছে। ভ্ৰাম্যমাণ থিয়েটাৰ, অপেছাদাৰী নাট্যগোষ্ঠী, বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আদিৰ লগতো তেওঁ জড়িত হৈ থকা দেখিবলৈ পোৱা যায়। সামাজিক কাম-কাজতো তেওঁ সক্ৰিয়।

ইতিমধ্যে আমাৰ প্ৰকাশনৰ পৰা জালানৰ ছখন অসমীয়া ভাষাৰ আৰু তিনিখন হিন্দী ভাষাৰ গ্ৰন্থ প্ৰকাশ হৈছে। 'সত্যানুসন্ধান' লেখকৰ নৱমখন অসমীয়া গ্ৰন্থ। গোপাল জালানৰ পূৰ্বৰ গ্ৰন্থসমূহৰ দৰে এইখন গ্ৰন্থও পঢুৱৈ সমাজে আদৰি ল'লে লেখকৰ লগতে আমাৰো শ্ৰম সাৰ্থক হ'ব। আমিও আশাবাদী— লেখকে নিৰৱচ্ছিন্নভাৱে লিখি থাকক। সমাজৰ সূক্ষ্ম বিষয়বোৰ, সমস্যাবোৰ যোগাত্মকভাৱে বিশ্লেষণ কৰক। সমাজৰ সৰ্বদিশত উন্নতি হওক।

**ব্ৰজেন্দ্ৰনাথ ডেকা**

# লেখকৰ একাষাৰ

প্ৰায় ডেৰবছৰৰো অধিক দিন সমগ্ৰ বিশ্বত ক'ৰোনা মহামাৰীয়ে কালৰূপ দেখুৱাইছে। বিশ্বৰ অৰ্থনীতি থান্‌বান্ কৰি দিছে। উন্নত দেশৰ উন্নত চিকিৎসা ব্যৱস্থাক বৃদ্ধাংগুষ্ঠ দেখুৱাইছে এই কাল-ক'ৰোনাই। আমাৰ দেশ ভাৰতবৰ্ষ এখন দ্বিতীয় বৃহৎ জনসংখ্যাৰে উন্নয়নশীল দেশ। আমাৰ দৰে দেশৰ অৰ্থনৈতিক অৱস্থাৰ কথা ক'বই নোৱাৰি। একেবাৰে কঁকাল ভাঙি দিছে দুটাকৈ ক'ৰোনাৰ লহৰে। তথাপি নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে ক'ৰোনাৰ দুয়োটা লহৰতে সাহসেৰে মুখামুখি হৈছে। নিজৰ দেশৰ জনসাধাৰণৰ জীৱন-জীৱিকাৰ কথা ভবাৰ লগতে বিশ্ববাসীৰ কথাও ভাবিছে কেন্দ্ৰীয় চৰকাৰে। বহুকেইখন আগশাৰীৰ দেশক ঔষধ তথা চিকিৎসা সামগ্ৰী দি এক নজিৰ ৰাখিলে।

ক'ৰোনাৰ দ্বিতীয় লহৰে আমাৰ পৰিয়ালকো ভালকৈয়ে চুই গ'ল। আমি নিজেও আত্মীয়ৰ লগতে বহু সুহৃদক হেৰুৱাইছো। দেশৰ ৰাজধানী চহৰ দিল্লীত অক্সিজেনৰ বাবে, আই চি ইউ বেডৰ বাবে হাবাথুৰি খাব লগা অৱস্থাৰ মুখামুখি আমি নিজেই হৈছো। জীৱনৰ মূল্য কিমান, জীৱনৰ বাবে অক্সিজেন কিমান দৰকাৰী, আমাৰ শ্বাস-প্ৰশ্বাসৰ বাবে চিৰসেউজ গছ-গছনিৰ

কিমান প্ৰয়োজন এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছো। আমাৰ অভিভাৱকসদৃশ প্ৰখ্যাত সাহিত্যিক-সাংবাদিক হোমেন বৰগোহাঞিদেৰৰ লগতে প্ৰখ্যাত ঔপন্যাসিক লক্ষ্মীনন্দন বৰাদেৱক হেৰুৱাইছো। দুয়োগৰাকী মহীৰুহৰ মহাপ্ৰস্থানে আমাক মৰ্মাহত কৰিছে। ইয়াৰ মাজতে হিমন্ত বিশ্ব শৰ্মাৰ দৰে অভিজ্ঞ ৰাজনৈতিক নেতাৰ মুখ্যমন্ত্ৰিত্বৰ এখন নতুন চৰকাৰ পাই আমি আনন্দিতও হৈছো। এই চৰকাৰখনে অসমক এখন সৰ্বদিশত উন্নত ৰাজ্য হিচাপে গঢ়ি তুলিব বুলি আমি আশাবাদী।

বহুতৰে অৰ্থনৈতিক অৱস্থা শোচনীয় হৈছে। চৰকাৰী চাকৰিয়ালৰ বাহিৰে ব্যৱসায়ী, বেচৰকাৰী প্ৰতিষ্ঠানত কৰ্মৰত কৰ্মচাৰী, খাটি খোৱা কৃষক-বনুৱা আদি সকলোৰে অৱস্থা শোচনীয় হৈছে। বহুতৰে জীৱন-জীৱিকাৰ পথ সলনি হৈছে। গায়ক-গায়িকা তথা বাদ্যযন্ত্ৰীসকল, চলচ্চিত্ৰ তথা পেছাদাৰী অথবা অপেছাদাৰী নাট্যজগতৰ অভিনেতা-অভিনেত্ৰীৰ লগতে অন্যান্য কলাকুশলীসকলৰ জীৱনৰ কথা ভাবিবলৈকে ভয় লাগে। আগশাৰীৰ গায়ক-গায়িকা অথবা অভিনেতা-অভিনেত্ৰীসকলৰ জীৱন সাঁচতীয়া ধনেৰে চলি গৈছে, কিন্তু অন্যান্যসকলৰ জীৱন-নৌকা থৰক্-বৰক্। এইসকলৰ উপৰিও গ্ৰামাঞ্চলত বহুতো শিল্পী থাকে— যিসকলে ওজাপালি, নাগাৰানাম, ব্ৰেণ্ডপাৰ্টি, ঢুলীয়া-খুলীয়া হিচাপে ঘৰ-সংসাৰ চলাই আছিল। তেওঁলোকৰো জীৱন-জীৱিকাই আমাক মৰ্মাহত কৰে। নতুন চৰকাৰখনে এইসকল লোকৰ কথা ভাবিলে তেওঁলোক জীয়াই থাকিব পাৰিব।

আমাৰ এইখন গ্ৰন্থত উপৰোক্ত বিষয়সমূহো আলোচনা কৰা হৈছে। লগতে সাময়িক বিভিন্ন বিষয়ো আমি উনুকিয়াইছো। আমি কোনোধৰণৰ বিতৰ্কত থাকিব নিবিচাৰো। আমাৰ দৃষ্টিৰেহে বিষয়সমূহ আলোচনা কৰিছো। আশাকৰো এইখন গ্ৰন্থও পূৰ্বৰ গ্ৰন্থকেইখনৰ দৰে পঢ়ুৱৈসমাজে আদৰি ল'ব। আপোনালোকৰ দিহা-পৰামৰ্শই আমাক বাধিত কৰিব। বিশাল প্ৰকাশনৰ স্বত্বাধিকাৰ ব্ৰজেন্দ্ৰনাথ ডেকা আৰু গ্ৰন্থখনৰ অন্যান্য দিশসমূহ তদাৰক কৰা দুৰ্গাপ্ৰসাদ হাজৰিকাৰ ওচৰত এই লেখক সদায় ঋণী হৈ থাকিম।

**গোপাল জালান**

*গুৱাহাটী- ১*
*ফোন ঃ ৭০০২০ ৫৪৫৪৩*

# সূচীপত্র


■ মুখ্যমন্ত্রীৰ তৎপৰতা-মন্ত্রীৰ কামৰ গতি আৰু জনসাধাৰণৰ আশা ১৩
■ সমালোচনাৰ নামত প্ৰধানমন্ত্ৰীক আন ৰাষ্ট্ৰৰ দৃষ্টিত তুচ্ছ কৰে কিয়? ১৬
■ চৰকাৰ-আলফা (স্বাঃ)ৰ মাজত এৰা-ধৰাৰ মাজেৰে হওক আলোচনা ১৮
■ ওচৰৰপৰা লগ পোৱা হোমেন বৰগোহাঞি ২১
■ ক'ৰোনাসৃষ্ট পৰিস্থিতিত শিশুৰ মনোজগত ২৫
■ ক'ৰোনা আৰু কিছু প্ৰাসংগিক চিন্তা ২৮
■ ক'ভিডৰ বিৰুদ্ধে যুঁজিবলৈ মানসিকভাৱে শক্তিশালী হ'বই লাগিব ৩১
■ ভাৰতৰ বৈদেশিক নীতি আৰু ক'ভিডকালীন সাহায্য ৩৪
■ একেবাৰে ওচৰৰপৰা পোৱা হোমেন বৰগোহাঞি মানুহগৰাকী ৩৬
■ সহজ-সৰল ব্যক্তিত্বৰ অধিকাৰী আছিল ড° লক্ষ্মীনন্দন বৰা ৩৯
■ চৰকাৰেও এইবোৰ বিষয়ত দৃষ্টি নিবদ্ধ কৰক ৪২

■ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা সমীপেষু ৪৬
■ নতুন চৰকাৰৰ দায়িত্ব আৰু পদক্ষেপ কি হোৱা উচিত ৪৯
■ দিল্লীত ক'ৰোনাৰ সমানেই আতংক
বঢ়াইছে অক্সিজেন-ঔষধৰ নাটনিৰ ৫৩
■ সাহসেৰে ক'ৰোনাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হওক ৫৬
■ ক'ৰোনাৰ সংক্ৰমণ আৰু কিছু প্ৰাসংগিক চিন্তা ৫৯
■ নিৰ্বাচনৰ প্ৰচাৰ, উৎসৱ পালন আৰু ক'ৰোনাৰ দ্বিতীয় লহৰ ৬৩
■ এগৰাকী নিৰহংকাৰী ব্যক্তি আছিল ৰত্ন ওজা ৬৬
■ সতৰ্কতাৰে আয়োজন কৰক ৰঙালী বিহু ৬৯
■ ক'ৰোনাতংক, বিহুৰ আনন্দ আৰু মানসিকতাৰ পৰিৱৰ্তন ৭২
■ ব'হাগ বিহুত জ্যেষ্ঠজনক জনোৱা প্ৰণাম ৭৬
■ পৰিৱৰ্তনৰ দোমোজাত ব'হাগৰ আনন্দ ৭৮
■ প্ৰাৰ্থীয়েও ভোটাৰক ভোটাধিকাৰ
সাব্যস্ত কৰিবলৈ আহ্বান জনাওক ৮১
■ ৰাজ্যৰ অনগ্ৰসৰ অঞ্চলত স্থাপন কৰক উদ্যোগ ৮৩
■ গুৱাহাটী আৰু অধিক সৌন্দৰ্যময়ী হওক ৮৬
■ গাঁৱৰ খেলপথাৰৰপৰা আন্তৰ্জাতিক মঞ্চত প্ৰতিষ্ঠিত কাবাডী ৮৯
■ সংসদৰ অধিৱেশনৰ সময়, সাংসদৰ
শিশুসুলভ আচৰণ ইত্যাদি ৯২
■ কৃষক আন্দোলনে কিয় ল'লৈ হিংসাত্মক ৰূপ ৯৫
■ সাফল্যৰ শীৰ্ষত উঠিও নিজৰ
স্থিতিত অটল শিল্পী ঃ প্ৰভাত শৰ্মা ৯৯
■ গুৰু-শিষ্যৰ মিলন প্ৰতিখন শিক্ষানুষ্ঠানতেই অনুষ্ঠিত হওক ১০২
■ ২০২০ৰ নিৰাশাৰ মাজৰ সাফল্যবোৰ ১০৫
■ ট্ৰেন্সফৰ্মাৰৰ বেৰ আৰু বিদ্যুৎ বিভাগৰ পদক্ষেপ ১০৮
■ নৱবৰ্ষই সলনি কৰক জীৱনৰ গতিপথ ১১০
■ শীতৰ আনন্দ আৰু আমেজ ভৰা দিনবোৰ ১১২
■ ক'ৰোনা প্ৰতিৰোধৰ বাবে অধিক সতৰ্ক হ'ব লাগিব অসম ১১৫

■ জালুকবাৰীৰ উৰণীয়া সেতুৰ অবৈধ পাৰ্কিং আৰু লেতেৰা পৰিৱেশ ঃ দায়ী কোন ১১৭
■ প্ৰদূষণ প্ৰতিৰোধৰ বাবে সকলোৱে লওক সংকল্প ১২০
■ মূল পথত ৰিক্সা চলাচল কিয় ১২৩
■ কিয় অদ্বিতীয় ভ্ৰাম্যমাণ থিয়েটাৰ ১২৫
■ গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভক আক্ৰমণ আৰু একাংশৰ উল্লাস ১৩২
■ ফটকাবিহীন দীপাৱলীৰ আনন্দ লওক ১৩৫
■ গেৰেজৰ গাড়ী পথৰ ওপৰত কিয় থয়? ১৩৭
■ অসমত সুৰাপায়ী মহিলাৰ সংখ্যা বৃদ্ধিয়ে কঢ়িয়াইছে বিপদৰ আগজাননী ১৩৯
■ ৰাজহুৱা সম্পত্তি ধ্বংস আৰু লেতেৰা কৰাৰ মানসিকতা পৰিহাৰ কৰক ১৪২
■ অসম-মিজোৰামৰ সীমা সমস্যা ১৪৫
■ অকৃতজ্ঞতা জীৱনৰ মাপকাঠি নহয় ১৪৭
■ নতুন পৰিৱেশৰ মাজতে বিদ্যালয়ত পুনৰ পাঠদান ঃ এক ইতিবাচক চিন্তা ১৫০
■ অসহিষ্ণুতা বৃদ্ধিৰ আঁৰত সামাজিক মাধ্যম ১৫২
■ স্বাস্থ্যসন্মত কৰ্মপদ্ধতি আৰু মানসিকতাৰ পৰিৱৰ্তন ১৫৫
■ কৰ্মক্ষেত্ৰত পোছাক আৰু ব্যক্তিত্ব ১৫৮

# মুখ্যমন্ত্ৰীৰ তৎপৰতা-মন্ত্ৰীৰ কামৰ গতি আৰু জনসাধাৰণৰ আশা

অসমক দেশৰ শীৰ্ষ ৰাজ্যৰ ভিতৰত অন্তৰ্ভুক্ত কৰিবলৈ দৃঢ়প্ৰতিজ্ঞাবদ্ধ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। বিগত ডেৰ দশকত ৰাজ্যৰ ৰাজনীতিত খলকনিৰ সৃষ্টি কৰা মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰথমবাৰৰ বাবে ৰাজ্যৰ মুৰব্বীৰ দায়িত্ব গ্ৰহণ কৰিয়েই প্ৰথমবাৰৰ বাবে অসমমাতৃক অহা পাঁচ বছৰৰ ভিতৰত শীৰ্ষ স্থানত উপনীত কৰিবলৈ উপযুক্ত পৰিকল্পনা হাতত লৈছে। ইয়াৰ অংশ ৰূপেই নৱনিযুক্ত মন্ত্ৰীসকলক লৈ এনে কিছু পদক্ষেপ গ্ৰহণ কৰিবলগীয়া হৈছে— যিটো পূৰ্বৰ মন্ত্ৰীসকলৰ ক্ষেত্ৰত কিছুসংখ্যকৰ গাতহে এনে বৈশিষ্ট্য দেখা গৈছিল— যিখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে নিশা দুপৰলৈকে কামত ব্যস্ত থাকে সেই ৰাজ্যৰ মন্ত্ৰীসভাৰ সদস্যসকলেও দিন-ৰাতি একাকাৰ কৰি কাম কৰিবলৈ বাধ্য হয়। এতিয়া স্বাস্থ্যমন্ত্ৰীয়ে দুপৰনিশাও চিকিৎসালয় পৰিদৰ্শন কৰাৰ

উপৰি পুৰাই আকৌ আন ঠাইলৈ ঢাপলি মেলিছে। পূৰ্বৰ স্বাস্থ্যমন্ত্ৰীও আমি জনাত পুৱাৰ পৰা নিশা পৰ্যন্ত ব্যস্ত আছিল। এতিয়া ৰাজ্যৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ ওলোৱা মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁৰ মন্ত্ৰীপাৰিষদৰ সদস্যসকলক অৰ্পণ কৰা গুৰুদায়িত্ব পালন কৰিছে নে নাই সেই বিষয়ত চকু দিছে। ফলত প্ৰতিগৰাকী মন্ত্ৰীয়ে এতিয়া অহৰ্নিশে কাম কৰিবলগীয়া হৈছে।

বিজেপি নেতৃত্বাধীন বিগত চৰকাৰখনে যিমান কাম কৰিছিল তাতকৈ জনসাধাৰণে এইবাৰ বেছি আশা কৰিছে। বিগত চৰকাৰৰ দিনত ৰাস্তা-ঘাটৰ প্ৰভূত উন্নতি সাধনৰ লগতে শিক্ষা-স্বাস্থ্য, কৃষিখণ্ড আদিত যথেষ্ট সাফল্য অৰ্পণ কৰিছিল। অৱশ্যে কিছুমান কাম আধৰুৱা হৈ ৰৈছিল। বিশেষকৈ দলং আদিৰ নিৰ্মাণকাৰ্য কিছুমান ঠাইত আধৰুৱা হৈ থাকে। তদুপৰি অভিযান্ত্ৰিক মহাবিদ্যালয়, চিকিৎসালয় আদিৰ নিৰ্মাণ আধৰুৱা হৈ থাকোতে নিৰ্বাচনী অধিসূচনা জাৰি কৰে। ফলত নিৰ্মাণকাৰ্য আদিতো যতি পৰে। এইবাৰ যিহেতু পূৰ্বৰ চৰকাৰখনেই আকৌ এবাৰ ৰাজ্যৰ শাসন চলোৱাৰ দায়িত্ব লাভ কৰিলে, সেয়েহে পূৰ্বৰ আধৰুৱা কামসমূহ সম্পূৰ্ণ কৰিবলৈ ৰাইজে আৰু এবাৰ সুযোগ দিলে, সেয়েহে ইয়াৰ সদ্ব্যৱহাৰ হোৱাটো বাঞ্ছনীয়। সেইবাবে বিভাগীয় মন্ত্ৰীসকলে এইবাৰ পূৰ্বৰ তুলনাত অধিক আক্ৰমণাত্মক মনোভাবেৰে কাম কৰিবলৈ ধৰিছে। কাম নকৰাৰ বিকল্পও নাই। মন্ত্ৰীসকলক যিহেতু একো একোটা বিভাগৰ দায়িত্ব অৰ্পণ কৰিছে— এই বিভাগসমূহ শ্ৰেষ্ঠ হিচাপে পৰিগণিত কৰিবলৈ সকলোকে নিৰ্দেশ দিয়া হৈছে। শ্ৰেষ্ঠত্বৰ যুঁজত যি তিষ্ঠি থাকিব তেৱেঁই জনসাধাৰণৰ প্ৰিয়ভাজন হ'ব পাৰিব। পূৰ্বৰ দৰেই এতিয়া 'কৰিম', 'হ'ব' মনোভাবেৰে কাম কৰাৰ মানসিকতা থাকিলে নহ'ব। এৰাতিৰ ভিতৰত মোমাই কটা গড় নবনালেও কামৰ গতি যে ক্ষিপ্ৰতৰ কৰিব লাগিব সেয়া মুখ্যমন্ত্ৰীৰ কথা আৰু নিৰ্দেশত প্ৰমাণিত হৈছে। মন্ত্ৰী এগৰাকীৰ এক মিনিট সময়ো ৰাজ্যবাসীৰ বাবে মূল্যৱান। কাৰণ পাঁচ বছৰৰ ভিতৰত কাম-কাজ সম্পূৰ্ণ কৰিবলৈ হ'লে সঠিক সিদ্ধান্তৰে কাম আৰম্ভ কৰাটোও গুৰুত্বপূৰ্ণ। বিগত সময়ছোৱাত এটা কথা স্পষ্ট হৈ পৰিছিল যে চৰকাৰৰ যে কিছুমান বিভাগ আছে সেয়া ৰাইজে জনাই নাছিল। কাৰণ কিছুমান বিভাগৰ দায়িত্বত কোন মন্ত্ৰী থাকে সেই বিষয়ে বহুতেই নাজানে। নাজানে মানে মন্ত্ৰীগৰাকীয়ে

কাম নকৰাৰ বাবেহে ৰাইজ জ্ঞাত নহয়। এইবাৰ পিছে প্ৰতিটো বিভাগৰ মন্ত্ৰীয়ে অহৰ্নিশে কাম কৰিবলগীয়া হৈছে। এয়া সকলোৰে বাবে এটি ইতিবাচক দিশ। ৰাইজৰ মনত এনে মনোভাবে গা কৰিব উঠিবলৈ দিব নালাগে যে বিভাগটোৰ মন্ত্ৰীগৰাকী দক্ষতাহীন। পূৰ্বতে যিবোৰ বিভাগ নিষ্প্ৰভ হৈ আছিল সেইবোৰ বিভাগত হোৱা কাম-কাজ সম্পৰ্কে ৰাইজেও গুৰুত্ব প্ৰদান কৰা নাছিল। এতিয়া ছবিখন সুকীয়া হ'ল। কৃষিমন্ত্ৰীয়ে শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বহি আঁচনি প্ৰস্তুত কৰা দিন উকলিল। কৃষিমন্ত্ৰীয়ে কৃষকৰ স'তে মত বিনিময় কৰিবই লাগিব। পথাৰলৈ গৈ খেতিডৰা পৰীক্ষা নকৰাকৈ শূৰ পোকে খোৱা বুলি মন্তব্য দিব নোৱাৰিব। স্বাস্থ্যমন্ত্ৰীক ৰোগীয়ে নিশা দুপৰতো অভিযোগ কৰিলে ব্যৱস্থা গ্ৰহণ কৰিবই লাগিব। জলসম্পদ মন্ত্ৰীয়ে ভগ্ন মথাউৰি পৰিদৰ্শন নকৰাকৈ নিৰ্দেশ দিব নোৱাৰে। গড়কপ্তানী মন্ত্ৰীয়ে বিধ্বস্ত পথেৰে গৈহে পথৰ আঁচনি গ্ৰহণ কৰিব লাগিব। কাৰণ য'ত মুখ্যমন্ত্ৰীৰ কাৰ্যালয় চৌব্বিশ ঘণ্টাই খোলা থাকে তাত মন্ত্ৰীয়ে হাত সাবটি বহি থাকিব পাৰিব জানো?

# সমালোচনাৰ নামত প্ৰধানমন্ত্ৰীক আন ৰাষ্ট্ৰৰ দৃষ্টিত তুচ্ছ কৰে কিয় ?

গণতান্ত্ৰিক দেশ এখনত চৰকাৰ এখনৰ কাম-কাজৰ সাফল্যৰ আঁৰত চৰকাৰৰ মন্ত্ৰী-বিধায়ক তথা প্ৰশাসনিক বিষয়াসকলৰ যিমান অৱদান থাকে তাতকৈ অধিক ভূমিকা গ্ৰহণ কৰে বিৰোধী দল তথা বিধায়ক-সাংসদে। গঠনমূলক সমালোচনা আৰু চৰকাৰী কাম-কাজ, সিদ্ধান্তৰ দোষ-গুণসমূহ আঙুলিয়াই দিয়াৰ ক্ষেত্ৰত বিৰোধীৰ শক্তিশালী ভূমিকাৰ কথা সকলোৱে স্বীকাৰ কৰে। গ্ৰীক দাৰ্শনিক প্লেটো, এৰিষ্ট'টলেও এই বিষয়ে কেবাশতিকাৰ পূৰ্বেই উল্লেখ কৰি গৈছে। শক্তিশালী বিৰোধী থাকিলে কেতিয়াও চৰকাৰ স্বেচ্ছাচাৰী হ'ব নোৱাৰে। যেতিয়া গণতান্ত্ৰিক দেশ এখনত বিৰোধী দল দুৰ্বল হয় অথবা বিৰোধী দলৰ মৰ্যাদা লাভ কৰিবলৈকে সদস্য নাথাকে তেতিয়া চৰকাৰে যি ইচ্ছা যায় তাকেই কৰিব পাৰে। ইয়াৰ পৰিৱৰ্তে যেতিয়া বিৰোধীৰ ভূমিকা ৰাইজে পালন কৰিবলগীয়া হয় তেতিয়া সমালোচনাৰ অৰ্থ প্ৰতিটো ক্ষেত্ৰতে হৈ পৰে নেতিবাচক। কোনোবাই যদি অশ্ৰাব্য গালি-গালাজ কৰাৰ উপৰি এনে কিছু শব্দৰ প্ৰয়োগ কৰে— যিবোৰ সভ্য সমাজৰ কোনো ভদ্ৰলোকে গ্ৰহণ কৰিব নোৱাৰে। তদুপৰি চৰকাৰৰ কাম-কাজৰ সমালোচনা কৰিবলৈ গৈ বিদেশী ৰাষ্ট্ৰকহে পৰোক্ষভাৱে সহায় কৰা দেখা যায়। তদুপৰি দেশখনক বিদেশী ৰাষ্ট্ৰৰ দৃষ্টিত হেয় প্ৰতিপন্ন কৰা দেখা যায়।

অতিসম্প্ৰতি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক লৈ ছ'চিয়েল মিডিয়া, সংবাদ মাধ্যমত যিবোৰ নেতিবাচক সমালোচনা কৰিবলৈ প্ৰধানমন্ত্ৰীৰ দৰে পদটোক যি অপমান কৰা হৈছে সেয়া কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। বিগত দুবছৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ মাজতে হোৱা ক'ভিডসৃষ্ট পৰিস্থিতিৰ বাবে কিছু

সমস্যাৰ সৃষ্টি হৈছে। প্ৰতিষেধক আৰু অক্সিজেনৰ নাটনি হোৱাক লৈ এতিয়া চাৰিওফালে হৈছে মোদীবিৰোধী ঢৌ। এই ঢৌত যিসকলে উজান দি মোদীৰ বিৰুদ্ধে প্ৰচাৰ চলাইছে সেইসকলে কেৱল মোদীকেই উপলুঙা কৰা নাই, সমান্তৰালভাৱে প্ৰধানমন্ত্ৰী পদটোকো ভৰিৰে মোহাৰিবলৈ চেষ্টা কৰিছে। প্ৰধানমন্ত্ৰী পদটোত যিকোনো নিৰ্বাচিত প্ৰতিনিধিয়েই উপবিষ্ট হ'ব পাৰে। সকলো দলৰ পৰাই নিৰ্বাচিত প্ৰতিনিধিয়ে সৰ্বসন্মতিক্ৰমে প্ৰধানমন্ত্ৰী নিৰ্বাচিত হ'ব পাৰে। অৰ্থাৎ কোনো নেতাক সমালোচনা কৰিলেও তাৰো এটা সীমা থকা উচিত। পিছে একাংশ লোকৰ উচটনিত আন একাংশ লোকে মোদী সন্দৰ্ভত যি মন্তব্য কৰিছে আৰু চিত্ৰ অংকন কৰিছে সেই কাৰ্যই ভাৰতৰ প্ৰধানমন্ত্ৰীৰ পদটোক আন দেশৰ নেতা তথা ৰাইজৰ আগত তুচ্ছ কৰিছে। ক'ভিডৰ সংক্ৰমণৰ বাবে কেৱল চৰকাৰৰ ওপৰত দোষ জাপি দিবলৈকে সামাজিক মাধ্যম আদিত মোদীক যি ৰূপত উপস্থাপন কৰা হৈছে সেয়া কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। আনকি বহুতে প্ৰধানমন্ত্ৰীৰ ছবিত জোতা, চেণ্ডেল আদি আঁৰি দিয়াৰ লগতে ৰং সানি বিকৃত কৰিছে। অশ্লীল শব্দ প্ৰয়োগ কৰি গালি-গালাজ কৰিছে।

ভাৰতীয় সংবিধান অনুসৰি ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ পদ দুটা সন্মানীয় আৰু কোনো নাগৰিকে দুয়োটা পদৰ বিৰুদ্ধে অপমানসূচক মন্তব্য কৰিব নোৱাৰে। ছবি বিকৃত কৰাৰো অধিকাৰ নাই। কাৰণ এনে কৰাৰ লগে লগে আন্তৰ্জাতিক ক্ষেত্ৰত পদ দুটাৰ গুৰুত্ব তুচ্ছ হৈ পৰে। সমালোচনা কৰাৰ অৰ্থ এইটো নহয় যে যিকোনো অসামাজিক কাৰ্যৰ দ্বাৰা অশ্লীল শব্দ প্ৰয়োগ কৰি ক্ষোভৰ বহিঃপ্ৰকাশ ঘটাব— ফটোত জোতা-চেণ্ডেলৰ মালা আঁৰি দিব। মাৰ্জিত ভাষা আৰু গণতান্ত্ৰিক ভাষাৰেও সমালোচনা কৰাৰ উপৰি প্ৰতিবাদ জনাব পাৰি। অশালীন শব্দ প্ৰয়োগ আৰু ছবি বিকৃত কৰাটো— তাকো প্ৰধানমন্ত্ৰীৰ দৰে দেশৰ সৰ্বোচ্চ পদত অধিষ্ঠিত হোৱা নেতা এজনৰ ক্ষেত্ৰত এনেকুৱা হ'লে সেয়া কিছুমানৰ বাবে গ্ৰহণযোগ্য হ'লেও দেশৰ শীৰ্ষ পদৰ প্ৰতি অপমান কৰাটোৰে সূচায়। সমালোচনা কৰাৰ অধিকাৰ সকলোৰে আছে। প্ৰত্যেক ব্যক্তিয়ে প্ৰধানমন্ত্ৰীৰ পৰা আৰম্ভ কৰি বিদ্যালয়ৰ তৃতীয় বৰ্গৰ কৰ্মচাৰী এজনলৈকে সকলোকে সমালোচনা কৰিব পাৰে। এই সমালোচনা হ'ব লাগিব সাৱলীল শব্দ আৰু গণতান্ত্ৰিক পদ্ধতিৰ মাজত থকা পন্থা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কোনোবাই বেয়া পালে বুলিয়েই যিকোনো কাম কৰিব নোৱাৰিব। প্ৰধানমন্ত্ৰী মোদীক বিশ্বৰ আন ৰাষ্ট্ৰৰ দৃষ্টিত তুচ্ছ কৰিবলৈ চেষ্টা কৰা লোকসকলে এবাৰ হ'লেও ভাবক ভাৰতীয় গণতান্ত্ৰিক ইতিহাসৰ কথা।

# চৰকাৰ-আলফা (স্বাঃ)ৰ মাজত এৰা-ধৰাৰ মাজেৰে হওক আলোচনা

আলফা (স্বাধীন)ৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই শেহতীয়াভাৱে অসম চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই অইলৰ অপহৃত কৰ্মচাৰী ৰিতুল শইকীয়াক সসন্মানে মুকলি কৰি দিলে। সুদীৰ্ঘ দিনৰ পাছত আলফাৰ মুখ্যজনৰ পৰা সঁহাৰি জনোৱা পদক্ষেপে অসমত শান্তি স্থাপন আৰু চৰকাৰ-আলফাৰ মাজত ভৱিষ্যতে হ'বলগা আলোচনাৰ পথ আৰু এখোজ আগুৱালে। অইলৰ অপহৃত কৰ্মচাৰীজনক মুকলি কৰি দি পৰেশ বৰুৱাই কৈছে যে যদি কোনোবাই তেওঁলোকৰ প্ৰতি বিনয়ীভাৱে আহ্বান জনাই তেনেহ'লে তেনে আহ্বানৰ প্ৰতি সঁহাৰি জনোৱাত আপত্তি নাই। ইয়াৰ বিপৰীতে যদি কোনোবাই তেওঁলোকৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰে তেনেহ'লে আলফা (স্বাধীন)-এ ইয়াৰ প্ৰত্যুত্তৰ দিব। এটা উগ্ৰপন্থী সংগঠনে যদি চৰকাৰৰ আহ্বানৰ প্ৰতি এনেদৰে সঁহাৰি জনায়, তেনেহ'লে এয়া শান্তি আলোচনাৰ সুন্দৰ পদক্ষেপ বুলি ক'ব লাগিব। আলফাৰ জন্মলগ্নৰে পৰাই চৰকাৰে উগ্ৰপন্থী সংগঠনটোক হিংসাৰ পথ পৰিহাৰ কৰি মূল সুঁতিলৈ আহিবলৈ আহ্বান জনাই আহিছে যদিও আলফাই স্বাধীন অসমৰ বিষয়টো মুখ্য হিচাপে লৈহে আলোচনাত

বহিব বুলি স্থিতি স্পষ্ট কৰি আহিছে। পিছে গণতান্ত্ৰিক দেশ এখনত অংগৰূপে থকা ৰাজ্য এখনক সুকীয়া ৰাষ্ট্ৰৰ মৰ্যাদা দিয়াটো কোনো চৰকাৰৰ বাবে সহজ বিষয় নহয়। অসমক সুকীয়া ৰাষ্ট্ৰৰ মৰ্যাদা দিয়া মানে দেশৰ সাৰ্বভৌমত্ব, অখণ্ডতাৰ প্ৰতি ভাবুকি অহা। সেইবাবে সাৰ্বভৌম বিষয়টো বাদ দি যিকোনো বিষয়ত চৰকাৰেও আলোচনা কৰিবলৈ সাজু। গতিকে দুয়োপক্ষই যদি এৰা-ধৰাৰ মাজেদি আলোচনাৰ বাবে আগবাঢ়ি আহে তেনেহ'লে নিশ্চয় এটি সমাধানৰ পথ ওলাব। শেহতীয়াভাৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাক জনোৱা আহ্বান আৰু আলফাই অইলৰ বিৰুদ্ধে গ্ৰহণ কৰা স্থিতি সন্দৰ্ভত কিছু ইতিবাচক দিশ স্পষ্ট হৈ পৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই উগ্ৰপন্থী সংগঠনটোক এইবুলি আশ্বাস দিছে যে অইলে অসমৰ উন্নয়নৰ বাবে আলফাই যিবোৰ চৰ্ত আৰোপ কৰিছে সেয়া সমাধানৰ বাবে অইলৰ স'তে আলোচনাত মিলিত হ'ব। অৰ্থাৎ আলফাই বিচৰা ধৰণেই অইলে যাতে কাম কৰিবলৈ আগবাঢ়ি আহে তাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্টভাৱে কোৱাত আলফায়ো সঁহাৰি দিছে। মুখ্যমন্ত্ৰী ড° শৰ্মা যিহেতু এগৰাকী সুদক্ষ নেতা সেইবাবে তেওঁৰ ওপৰত নিশ্চয় আলফাৰো বিশ্বাস জন্মিছে।

বিগত সময়ছোৱাত বিশেষকৈ যোৱা দহ বছৰত অসমত কেবাটাও উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ আৰু ৰূপায়ণৰ ক্ষেত্ৰত ড° হিমন্ত বিশ্ব শৰ্মাই বিশেষ ভূমিকা গ্ৰহণ কৰাটো সকলোৰে জ্ঞাত। আনকি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ সমস্যা সমাধানৰ ক্ষেত্ৰতো বিশেষ ভূমিকা গ্ৰহণ কৰাৰ বিষয়ে নিশ্চয় সকলোৰে মনত আছে। সেইবাবে অসমৰ মুখ্যমন্ত্ৰীৰ ওপৰত প্ৰায়ভাগৰে বিশ্বাস জন্মিছে।

পৃথিৱীত এনে কোনো সমস্যা নাই— যাৰ সমাধান সূত্ৰ নোলোৱাকৈ আছে। তাৰ মাজতে কিছুমান সমস্যা সমাধান কৰিবলৈ ইচ্ছা নকৰে। ৰাজনৈতিক সমস্যা সমাধান হ'লে সান্দহ খোৱা বালি তল যাব। চৰকাৰে জনসাধাৰণৰ আশা-আকাংক্ষাক বাস্তৱত ৰূপ দিয়াটো প্ৰধান কৰ্তব্য। তাকে নকৰি সমস্যা জীয়াই ৰখাটো যদি কৰ্তব্য বুলি ভাবে তেনেহ'লে সেয়া ভুল হ'ব। আলফাই স্বাধীন অসমৰ দাবী জনাই আহিলেও যদি চৰকাৰে 'স্বাধীন

অসম'ৰ পৰিৱৰ্তে অসমখনক দেশৰ ভিতৰতে শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত কৰি সকলো অধিকাৰ ভোগ কৰিব পাৰে তাৰ প্ৰস্তাৱ চৰকাৰে আগবঢ়ালেও নিশ্চয় আলফাই বিষয়টোৰ ক্ষেত্ৰত আলোচনা নকৰাকৈ নাথাকে। অসমক স্বাধীন ৰাষ্ট্ৰ নিদিলে আলোচনা সম্ভৱ নহয় বুলি কৈ আহিলেও শেহতীয়াভাৱে উগ্ৰপন্থী সংগঠনটোৱে গ্ৰহণ কৰা স্থিতিয়ে এটা কথা স্পষ্ট কৰি দিয়ে যে আলফা (স্বাধীন)ই যদি উপযুক্ত ক্ষেত্ৰ এখন পায় তেনেহ'লে আলোচনা কৰাত আপত্তি নাই। কেন্দ্ৰীয় চৰকাৰে আলফাকো বিশ্বাস নিয়াব লাগে যে তেওঁলোকৰ দাবীসমূহ পূৰণৰ বাবে আগ্ৰহী। 'স্বাধীন অসম' প্ৰসংগটো এৰাই চলাৰ পৰিৱৰ্তে ইয়াৰ সলনি কি কৰিলে সংগঠনটোৱে মান্তি হ'ব তাক লৈয়ো নিশ্চয় প্ৰস্তাৱ আগবঢ়াব পাৰে।

শেহতীয়াভাৱে আলফা (স্বাধীন)ই ৰাইজৰ আহ্বান আৰু চৰকাৰৰ অনুৰোধৰ প্ৰতি সন্মান জনাই কুইপ'ৰ অপহৃত বিষয়া দুজনক মুকলি কৰি দিছিল। কেইদিনমান পূৰ্বে অইলৰ কৰ্মচাৰী এজনক সসন্মানে মুকলি কৰি দিয়াত আলফায়ো যে ৰাইজৰ আহ্বানক আওকাণ কৰা নাই সেয়া প্ৰকাশ পাইছে। মুখ্যমন্ত্ৰী ড° শৰ্মায়ো আলোচনাৰ বাবে পথ এখোপ আগুৱাই দিলে। আলফাৰ বাবে এয়া সোণালী সুযোগ। গতিকে এনে সুযোগ যাতে কোনো কাৰণতে দুয়োপক্ষই নেহেৰুৱাই তাৰ বাবে ৰাইজেও আহ্বান জনাইছে। অসম আৰু অসমীয়া জাতিৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ স্বাৰ্থত দুয়োপক্ষই কিছু এৰা-ধৰাৰ মাজেদি আগবাঢ়ক। সুদক্ষ নেতা হিচাপে ৰাইজৰ মাজত জনপ্ৰিয়তা লাভ কৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কৌশলৰ ওপৰতে সকলোখিনি নিৰ্ভৰ কৰিছে।

# ওচৰৰপৰা লগ পোৱা হোমেন বৰগোহাঞি

১.

হোমেন বৰগোহাঞিক এগৰাকী সাহিত্যিক আৰু সাংবাদিক হিচাপে নিচেই ওচৰৰ পৰা লগ পোৱাৰ সৌভাগ্য হৈছিল। বিভিন্ন সময়ত বেলেগ বেলেগ কামৰ বাবে বৰগোহাঞিৰ ওচৰ চপাৰ সুযোগ লাভ কৰিছিলো। সৰুৰেপৰাই হোমেন বৰগোহাঞিৰ লেখনিসমূহ পঢ়ি তেওঁক ওচৰৰ পৰা লগ পোৱাৰ বৰ ইচ্ছা আছিল। তেওঁ কেনেদৰে অধ্যয়ন কৰে, কেনেকৈ লিখে, মানুহজন কেনেকুৱা ইত্যাদি প্ৰশ্নবোৰে মাজে মাজে মনত ভুমুকি মাৰিছিল। সুযোগৰ অপেক্ষা কৰি থাকোতে 'আমাৰ অসম' কাকতখনত পাঠশালাৰ সংবাদদাতা হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগ লাভ কৰিছিলো। ১৯৯৩ চনৰপৰা ১৯৯৭ চনলৈকে পাঠশালাৰ স্থানীয় সংবাদদাতা হিচাপে কাম কৰিছিলো। সেইসময়ত 'আমাৰ অসম' কাকতখনৰ সম্পাদক আছিল হোমেন বৰগোহাঞি। সংবাদ কেনেদৰে পৰিৱেশন কৰিব লাগে আৰু এজন সাংবাদিকৰ দায়িত্ববোধ কেনে হোৱা উচিত ইত্যাদি বিষয়বোৰ তেওঁৰপৰাই জানিব পাৰিছিলো। এবাৰ কাকতৰ কাৰ্যালয়লৈ আহোতে তেওঁক লগ ধৰোতে

কৈছিল যে এজন সাংবাদিক নিৰ্ভীক হোৱাৰ উপৰি সমাজ-জীৱনত প্ৰতিফলিত হোৱা বাতৰি পৰিৱেশন কৰিব লাগে। তদুপৰি কোনো বিষয়তে আপোচ নকৰিবলৈ উপদেশ দিছিল। যিকোনো বিষয়ে সুধিলে সুন্দৰভাৱে বুজাই দিছিল। কেতিয়া কোনো কাৰণত বাতৰি পৰিৱেশনত পলম হ'লে অথবা দুৰ্বল হ'লেও ধনক দিয়াৰ পৰিৱৰ্তে নিজৰ দায়িত্ববোধ সম্পৰ্কে সচেতন নহ'লে ভাল সাংবাদিক হোৱাটো উজু নহয় বুলি কৈছিল। চাৰি বছৰ তেওঁৰ অধীনত বাতৰি কাকতত কাম কৰি যি অভিজ্ঞতা লাভ কৰিছিলো পৰৱৰ্তী সময়ত সেইবোৰ মোৰ বাবে সম্পদ হৈ পৰে। পাছত বিভিন্ন বিষয়ক কেন্দ্ৰ কৰি লিখা-মেলা কৰোতে তেওঁৰপৰা লাভ কৰা পৰামৰ্শ তথা অভিজ্ঞতাসমূহ ব্যৱহাৰ কৰিব পাৰিছো। এয়া মোৰ বাবে এক উল্লেখযোগ্য ঘটনা।

২.

২০০০-২০০১ চনত হোমেন বৰগোহাঞিয়ে অসম সাহিত্য সভাৰ সভাপতি হৈ থাকোতেও এইগৰাকী বৰেণ্য সাহিত্যিকৰ স'তে কেবাখনো সভালৈ গৈছিলো। অসম সাহিত্য সভাৰ সভাপতি হৈ থাকোতেই এবাৰ পাঠশালালৈ এখন সভাত তেওঁক গুৱাহাটীৰপৰা নিয়াৰ দায়িত্ব মই ল'বলগীয়া হৈছিল। পাঠশালাত অনুষ্ঠিত উক্ত সভাখনত বৰগোহাঞিয়ে সাৰুৱা বক্তব্য প্ৰদান কৰাৰ পাছতে ৰাইজে তেওঁৰ হাতত এটি ধনৰ টোপোলা দিছিল। অসম সাহিত্য সভাই প্ৰণয়ন কৰা বিশ্বকোষৰ বাবে সেই সময়ত বহুতেই স্বেচ্ছাই ধন আগবঢ়াইছিল। এইগৰাকী বৰেণ্য সাহিত্যিকৰ ইচ্ছা আৰু আগভাগ দেখি ৰাইজে সম্পূৰ্ণৰূপে সহযোগিতা আগবঢ়াইছিল। উক্ত সভাখনত কোনো পূৰ্ব পৰিকল্পনা নোহোৱাকৈয়ে ৰাইজে বিশ্বকোষৰ বাবে তেওঁৰ হাতত এই ধনৰ টোপোলাটো তুলি দিছিল। দৰাচলতে তেওঁৰ ভাষণ আছিল সকলো ৰাইজৰ মন চুব পৰা শব্দৰ সমষ্টি। সেইবাবে তেওঁৰ বিৰোধ কৰা লোকসকলেও ভাষণ শুনাৰ পাছত অনুৰাগী হ'বলৈ বাধ্য হৈছিল। উক্ত সভাৰ পাছত তেওঁৰ স'তে গুৱাহাটীলৈ একেখন বাহনতে আহোতে বহুতো কথা ক'লে। সৰু-সুৰা কথাবোৰে প্ৰত্যেকৰে জীৱনত কেনেদৰে প্ৰভাৱ পেলায় সেই বিষয়ে কৈছিল। আনকি তেওঁৰ জীৱনত সংঘাত হোৱা বহুতো কথা কৈছিল। সৰুতে

কেনেদৰে বিদ্যালয়লৈ যাবলগীয়া হৈছিল আৰু সেইসময়ত তেওঁৰ লগৰীয়াবোৰ কেনেকুৱা আছিল সেইবিষয়ে অলপ-অচৰপ কৈছিল। কথাবোৰ শুনি বৰ ভাল লাগিছিল।

৩.

২০১৫ চনমানৰ কথা। এবাৰ তেওঁৰ স'তে ওদালগুৰিৰ বৰঙাজুলি সত্ৰলৈ গৈছিলো। লগত আছিল তেতিয়াৰ জিলা উপায়ুক্ত থানেশ্বৰ মালাকৰ। একেখন বাহনতে গুৱাহাটীৰ পৰা সত্ৰখনলৈ গৈছিলো। অসমৰ সামাজিক জীৱনত সত্ৰসমূহে গ্ৰহণ কৰা ভূমিকা আৰু ইয়াৰ স'তে জড়িত থকা লোকসকলৰ জীৱনশৈলী কিমান সু-শৃংখলাবদ্ধ সেই সম্পৰ্কে সুন্দৰভাৱে ব্যাখ্যা কৰিছিল। সত্ৰখনত বহু সময় কটাইছিলো। তদুপৰি সত্ৰাধিকাৰৰ পৰা তেওঁ অঞ্চলটোত সত্ৰ স্থাপনৰ সময়ৰে পৰা হোৱা পৰিৱৰ্তন সম্পৰ্কে ভালদৰে শুনিছিল। ঘৰলৈ উভতি আহোতে তেওঁ মোক কৈছিল— ‘বুইচা গোপাল, এনে একোগৰাকী অন্তঃকৰণেৰে সত্ৰীয়া সংস্কৃতিৰ স'তে জড়িত ব্যক্তিৰ পৰা জীৱন সম্পৰ্কে শিকিবলগীয়া বহুতো আছে। এগৰাকী ব্যক্তিয়ে কেনেদৰে জীৱন মাৰ্গত সু-শৃংখলিতভাৱে আগবাঢ়ি যাবলৈ পাৰে সেয়া এইসকল ব্যক্তিৰপৰাই আহৰণ কৰিব পাৰে।’ এইগৰাকী প্ৰখ্যাত সাহিত্যিক তথা কথাশিল্পীৰপৰা এনে কথা শুনি মনটো ভাল লাগিল। তাৰমানে তেওঁ য'লৈকে গৈছিল তাতেই সৰু-বৰ বুলি কথা নাই— যিকোনো বিষয় সম্পৰ্কে সুধি-পুচি সেইবোৰ নিজৰ স্মৃতিত সংৰক্ষণ কৰি ৰাখিছিল।

৪.

কৰুণাধাৰাৰ স'তে জড়িত থকাৰ বাবে মাজে-সময়ে বৰগোহাঞিয়ে মোক ফোন কৰি তেওঁৰ ঘৰলৈ মাতে। উক্ত অনুষ্ঠানৰ স'তে জড়িত হৈ হৈ কেনেদৰে অসহায়জনক সহায়ৰ হাত আগবঢ়াব পাৰি সেই সম্পৰ্কে কৈছিল। ময়ো যিমান পাৰো তেওঁৰ পৰামৰ্শ মতেই উক্ত অনুষ্ঠানটোৰ স'তে জড়িত হওঁ। বিগত বৰ্ষৰ ক'ভিড সংক্ৰমণৰ বাবে আৰম্ভ হোৱা তলাবন্ধৰ সময়তো তেওঁ মোৰ স'তে আলোচনা কৰিছিল।

বহুতে কয়— তেওঁ মানুহৰ স'তে কম কথা পাতে। ঘৰলৈ গ'লে সময়মতেহে যাব লাগে। কথাটো সঁচা। পিছে কাৰণটো মানুহে ভবাৰ দৰে নহয়। অবাবত সময় নষ্ট কৰাৰ পক্ষপাতী নহয়। তদুপৰি তেওঁৰ ঘৰলৈ এনে কিছু লোক আহে— যিসকলৰ কোনো উদ্দেশ্য নাথাকে। কেৱল আড্ডা মাৰিবলৈহে আহে। চাহ-পানী খাই আনৰ বদনাম গাবলৈ বিচৰাটো তেওঁ কেতিয়াও সমৰ্থন কৰা নাছিল। সেইবাবে ঘৰৰ সন্মুখত তেওঁক অন্য লোকে দেখা কৰাৰ সময় লিখি দিছিল। আড্ডা মৰাৰ পৰিৱৰ্তে সৃষ্টিশীল কামত ব্যস্ত থকাতহে তেওঁ গুৰুত্ব প্ৰদান কৰিছিল। এদিন এই বিষয়ে সোধোতে তেওঁ কৈছিল যে জীৱনৰ বহুমূলীয়া সময়ছোৱা আনৰ কুৎসা ৰটনা কৰাতকৈ আত্মবিশ্লেষণ কৰাটোহে গুৰুত্বপূৰ্ণ কথা বুলি কৈছিল। তেওঁক যিমান দিন লগ পাইছো সিমান দিন হাঁহিৰে কথোপকথন হৈছে। তেওঁক সভা-সমিতিলৈ নিমন্ত্ৰণ কৰিলে সময়ত উপস্থিত হোৱাত গুৰুত্ব দিছিল। কেতিয়াও নিৰ্দিষ্ট সময়তকৈ আগত অথবা পিছত যোৱাৰ পক্ষপাতী নাছিল।

# ক'ৰোনাসৃষ্ট পৰিস্থিতিত শিশুৰ মনোজগত

বিগত এবছৰ ধৰি ক'ৰোনাসৃষ্ট পৰিস্থিতিৰ বাবে স্তব্ধ হৈ পৰিছে শিক্ষাব্যৱস্থা। যদিও মাজে-সময়ে শ্ৰেণী আৰম্ভ হৈছিল পিছে ক'ৰোনাৰ সংক্ৰমণ দ্ৰুত হোৱাৰ লগে লগে আকৌ ব্যাঘাত জন্মিল। বহুতে ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত নামভৰ্তি কৰাৰ পাছতে বিদ্যালয়ৰ মজিয়া গচকি নোপোৱাকৈয়ে এটা শৈক্ষিক বৰ্ষৰ কে'বাটাও মাহ অতিক্ৰম কৰিলে। শিক্ষকে শ্ৰেণীত 'ক খ' বা 'এ বি চি ডি' শিকোৱাৰ পূৰ্বেই ঘৰতে আবদ্ধ থাকিবলগীয়া হ'ল। শিশুসকলৰ অধ্যয়নত অৰ্থাৎ বিদ্যালয়ত শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াত অংশ নোলোৱাকৈয়ে মূল্যৱান সময়বোৰ অতিবাহিত কৰিবলগীয়া হৈছে। ফলত এক নিৰ্দিষ্ট পৰিসীমাৰ মাজতে সকলোবোৰ শিশু আবদ্ধ হৈ পৰিছে। শৈশৱৰ গতি যেন স্তব্ধ হৈছে। এই গতি কেতিয়া দ্ৰুতৰূপ ল'ব সেয়া কোনোৱে ক'ব নোৱাৰে। শৈশৱৰ মাদকতা নোপোৱা এইসকল শিশুৰ এতিয়া লগৰী হৈ পৰিছে এণ্ড্ৰইড ম'বাইল অথবা টিভি, ভিডিঅ' গেম আৰু কম্পিউটাৰ। এই সকলোবোৰৰ ভিতৰত সবাতোকৈ বেছি ব্যৱহাৰ হয় ম'বাইল ফোন। এতিয়া শৈশৱো যেন এই ম'বাইলৰ মাজতে সীমাবদ্ধ। এই যন্ত্ৰটোৰ অত্যধিক ব্যৱহাৰৰ ফলত সোণোৱালী শৈশৱ ধ্বংসমুখী হৈছে। এনে ধ্বংসস্তূপৰ মাজতে শিশুসকলে নিজকে বিচাৰি চাব খোজে। ফলত তৰিৎগতিত সলনি হৈছে

শিশুৰ মানসিকতা। ক্ৰমাৎ অধিক আত্মকেন্দ্ৰিক হ'বলৈ ধৰা শিশুসকলৰ চৰিত্ৰৰো হৈছে ব্যাপক পৰিৱৰ্তন।

কিছুদিন পূৰ্বে হোজাইৰ এটি শিশুৱে টোপনিতো অস্বাভাৱিক আচৰণ কৰাৰ বাতৰি প্ৰকাশ পাইছিল। ছ'চিয়েল মিডিয়াত শিশুটিৰ অস্বাভাৱিক আচৰণ দেখি সকলোৱে আচৰিত হৈছে। কাৰণ শিশুটিয়ে টোপনিতো কাৰ্টুন, ভিডিঅ' গেম আদিত দেখা চৰিত্ৰবোৰৰ দৰে আচৰণ কৰিছিল। শিশুটিৰ নাছিল কোনো মানসিক ৰোগ। পিছে ক'ৰোনাই সৃষ্টি কৰা পৰিস্থিতিৰ বাবে ঘৰতে আবদ্ধ হৈ থাকিবলগীয়া হোৱাত পিতৃ-মাতৃয়ে সন্তানক অনবৰতে ম'বাইল ফোনটো হাতত তুলি দিয়ে গেম খেলিবৰ বাবে। আজিকালি ম'বাইল ফোনত ইণ্টাৰনেট উপলব্ধ হোৱাৰ বাবে যিকোনো বিষয়ে নিজৰ ইচ্ছামতে চাব পাৰে। সাধাৰণতে শিশুসকলে ভূতৰ কথা, মাৰপিটৰ ছবি বা গেম খেলি ভাল পায়। তদুপৰি হিংস্ৰ জীৱ-জন্তুৰ যুঁজ বা চিকাৰ আদিৰো গেম শিশুৰ বাবে আকৰ্ষণীয়। শিশু-মনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল— কোমল মনটোৱে নেতিবাচক বিষয়সমূহ সহজে মনত ৰাখে আৰু আকৰ্ষিত হয়। দীৰ্ঘদিন ধৰি ম'বাইলত এনেদৰে মাৰপিট, ভূত আদিৰ গেমসমূহ নিয়মীয়াকৈ বেছি সময় খেলি থকাৰ ফলত শিশুটি ইয়াৰ স'তে একাত্ম হৈ পৰে। মনটোৱে অনবৰতে এইবোৰ বিচাৰি থাকে বাবে অশান্ত হৈ থাকে। টোপনিৰ সময়তো মনটোৱে এইবোৰকে বিচাৰি থাকে। দীৰ্ঘদিন ধৰি এনে সমস্যাই গা কৰি উঠাৰ ফলত মানসিকভাৱে ভাৰসাম্যহীন হৈ পৰে। হোজাইৰ শিশুটিৰ ক্ষেত্ৰতো একেই ছবি ফুটি উঠিছে।

এতিয়া ম'বাইল ফোন দৈনন্দিন জীৱনৰ অপৰিহাৰ্য বিষয় হৈ পৰিছে। অতিসম্প্ৰতি শিক্ষাৰ্থীসকলেও ক'ৰোনাকালীন সমস্যাৰ বাবে অনলাইন ক্লাচ কৰিবলগীয়া হৈছে। গতিকে ম'বাইল ফোনটোৰ প্ৰয়োজন হ'বই। পিছে তাৰ অৰ্থ এইটো নহয় যে দিনটোত অনবৰতে ম'বাইলটোকে পিটিকি থাকিব। পঢ়াৰ সময়ত ম'বাইলটো ব্যৱহাৰ কৰক। কাৰণ তেতিয়া শিক্ষকে শিকোৱা বিষয়সমূহ আয়ত্ত কৰিব পাৰিব। পিছে বহুতো পিতৃ-মাতৃ তথা অভিভাৱকে সন্তানৰ হাতত ম'বাইলটো তুলি দি দায়িত্ব সামৰে। সন্তানেও ক্লাচ শেষ হোৱাৰ পাছত গেম খেলাত ব্যস্ত হয়। তদুপৰি একাংশ পিতৃ-মাতৃয়ে সন্তানক

ব্যস্ত ৰাখিবৰ বাবে ম'বাইলটো গেম খেলি থাকোতে এসময়ত ই 'নিচা'ত পৰিণত হয়। যেতিয়া ম'বাইলৰ প্ৰতি নিচাসক্ত হৈ পৰে তেতিয়া এই নিচাৰ পৰিধিৰ পৰা শিশুটিক উলিয়াই অনাটো সম্ভৱ নহয়। এনে পৰিস্থিতিৰ সৃষ্টি হ'লে মনোৰোগ বিশেষজ্ঞৰ পৰামৰ্শ ল'বলগীয়া হয়। কাৰণ এনেধৰণৰ নিচাৰ পৰা মুক্ত কৰিবলৈ সহজ নহয়। আনকি কেতিয়াবা ঔষধৰো প্ৰয়োজন হ'ব পাৰে। যদিহে এনে ধৰণৰ সমস্যাৰ সৃষ্টি হৈছে তেনেহ'লে কাউন্সেলিং কৰাৰো প্ৰয়োজন হয়। আজিকালি কাউন্সেলিং কৰি বহুতেই সুফল লাভ কৰিছে। কাউন্সেলিং কৰাৰ অৰ্থ এইটো নহয় যে কোনো এগৰাকী ব্যক্তি বা শিশুটি উন্মাদ। কেতিয়াবা মানসিক সমস্যা সমাধানৰ বাবেও কাউন্সেলিঙৰ প্ৰয়োজন। শিশুটিৰ ক্ষেত্ৰত যিমান সম্ভৱ সিমান সোনকালে মনোৰোগ বিশেষজ্ঞ অথবা কাউন্সেলিঙৰ ওচৰলৈ নি পৰামৰ্শ গ্ৰহণ কৰা উচিত। তেতিয়া সোনকালে সুফল লাভ কৰাটো সম্ভৱ।

শিশুটিক ম'বাইলটো অপ্ৰয়োজনীয়ভাৱে দিয়াৰ মানসিকতা পিতৃ-মাতৃয়ে পৰিহাৰ কৰিব লাগিব। যিমানেই ব্যস্ত নহওক কিয়— শিশুটিক ব্যস্ত ৰাখি নিজে কাম কৰাৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে সেয়া ভুক্তভোগী পৰিয়ালৰ বাহিৰে আনে বুজি নাপাব। এনেধৰণৰ পলায়নবাদী মানসিকতাৰ পিতৃ-মাতৃৰ লগতে অভিভাৱকে ত্যাগ কৰিবই লাগিব। ক'ৰোনাৰ বাবে সৃষ্টি হোৱা পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলৈ চেষ্টা কৰাৰ পৰিৱৰ্তে যদি এনেধৰণৰ নেতিবাচক মনোভাবেৰে সন্তানৰ স'তে ব্যৱহাৰ কৰি থাকে সেয়া পৰৱৰ্তী জীৱনৰ বাবে নিশ্চয় অভিশাপ স্বৰূপ হৈ পৰিব।

ব্যস্ততাৰ মাজতো সন্তানক চোৱা-চিতা কৰাৰ দায়িত্ব পিতৃ-মাতৃৰেই। গতিকে কৰ্মব্যস্ততাৰ মাজতো সন্তানৰ হাতত তুলি দিয়া ম'বাইল ফোনটোত অনলাইন ক্লাচ কৰি আছে নে গেম খেলাত ব্যস্ত আছে তালৈও মন কৰক। ভিডিঅ' গেম আদিৰ নেতিবাচক দিশসমূহ পিতৃ-মাতৃয়ে অধ্যয়ন কৰক। সুফল পাব। আনৰ দৃষ্টিত সন্তানক 'স্মাৰ্ট' দেখুৱাবলৈ অপ্ৰয়োজনীয়ভাৱে সন্তানক অনবৰতে ভিডিঅ' গেম, ম'বাইল ফোন, কম্পিউটাৰ আদিত ব্যস্ত নাৰাখিব।

# ক’ৰোনা আৰু কিছু প্ৰাসংগিক চিন্তা

১.

বিগত বৰ্ষৰ মাৰ্চৰ শেষৰফালে দেশজুৰি আৰম্ভ হোৱা তলাবন্ধই সকলো শ্ৰেণীৰ লোককে চুই গৈছে। ব্যৱসায়ীৰ পৰা আৰম্ভ কৰি হাজিৰা কৰা মানুহজনলৈকে সকলোৰে ওপৰত প্ৰভাৱ পৰিছিল। হঠাতে হোৱা বন্ধই প্ৰায়সংখ্যক লোককে উদ্বিগ্ন কৰি তোলে। নিজৰ ঘৰৰ পৰা কৰ্মৰ সন্ধানত বহিঃৰাজ্যলৈ যোৱা আৰু আন ৰাজ্যত কাম কৰি থকা লোকসকলে যি পৰিস্থিতিৰ সন্মুখীন হ’বলগীয়া হৈছিল সেয়া ভুক্তভোগীৰ বাহিৰে আনে বুজি নাপাব। পকেটত ধন নাই, নাই খাবলৈ খাদ্য। ঘৰৰ পৰা ওলাই আহিব নোৱাৰে আৰু সোমাই থাকিলেও লঘোনে থাকিব লাগে। কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰসমূহে যিদৰে পাৰে প্ৰায়সংখ্যক লোককে সহায় কৰিলে। ইয়াৰ মাজতে বহুতে অনাহাৰে, অৰ্ধাহাৰে বিনিদ্ৰ ৰজনী কটাবলগীয়া হ’ল। পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক হ’বলৈ ধৰাত লাহে লাহে কঠোৰ তলাবন্ধ শিথিল কৰি তলা খোলা প্ৰক্ৰিয়া আৰম্ভ কৰিলে। মহাৰাষ্ট্ৰ, দিল্লীৰ দৰে ৰাজ্যত ক’ভিড- ১৯ৰ প্ৰভাৱ থাকিল যদিও অসমত তদানীন্তন স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত

বিশ্ব শৰ্মাই অহৰ্নিশে চলোৱা অভিযান তথা উপযুক্ত পদক্ষেপৰ বাবে ৰাজ্যখনত ক'ভিড- ১৯ৰ সংক্ৰমণ প্ৰতিৰোধ হৈছিল। ক'ভিড চিকিৎসা কেন্দ্ৰসমূহো খালী হ'ল। মানুহে স্বাস্থ্যমন্ত্ৰী ড° শৰ্মাৰ ওপৰত বিশ্বাস জন্মা আৰু তেওঁৰ অভয়বাণীৰ বাবে প্ৰায়সংখ্যক লোকেই কাম-কাজত লাগিল। স্বাভাৱিকভাৱে কাম-কাজ পৰিচালনা কৰিবলৈ ধৰিলে। মুকলি মনেৰে মানুহে আকৌ কামত লাগিল। নতুন উদ্যমেৰে সকলোৱে ক'ভিড- ১৯ৰ বিৰুদ্ধে যুঁজ দিবলৈ নতুন নতুন উপায়ৰ কথা চিন্তা কৰিলে। এনে সময়তে আকৌ আৰম্ভ হ'ল ক'ভিড- ১৯ৰ দ্বিতীয় লহৰ।

২.

যদিও সম্পূৰ্ণ তলাবন্ধ হোৱা নাই, তথাপি সকলো ঠাইতে দিনৰ বাৰ বজাৰ পিছত ঘৰৰ বাহিৰলৈ ওলোৱাটো নিষিদ্ধ। ক'ভিড- ১৯ৰ দ্বিতীয় লহৰ প্ৰতিহত কৰিবলৈ সান্ধ্য আইন কঠোৰভাৱে বলৱৎ কৰিবলৈ নতুন চৰকাৰে চেষ্টা চলাইছে। যদিও পুৱা পাঁচ বজাৰ পৰা দিনৰ এঘাৰ বজালৈকে দোকান-পোহাৰ খোলা দিছে, তথাপি বহুতো লোকেই সমস্যাৰ সন্মুখীন হ'ল। কাৰণ ইমান কম সময়ৰ ভিতৰতে ব্যৱসায়-বাণিজ্য কৰা, প্ৰয়োজনীয় দৈনন্দিন খাদ্যসম্ভাৰ সংগ্ৰহ কৰাটো উজু নহয়। বিছনাৰ পৰা উঠিয়ে এতিয়া দোকানলৈ দৌৰ দিবলগীয়া হৈছে। যিসকলে নিশা কামৰ কৰা (নৈশ কৰ্তব্য) আহি পলমকৈ টোপনি মাৰে তেওঁলোকে শোৱাপাটী ত্যাগ কৰে মানে বজাৰ বন্ধ হৈ পৰে। আনকি একাংশই এতিয়া ৰগৰ কৰি ক'বলৈ ধৰিছে বোলে— এতিয়া দোকানীয়ে ধূপকাঠি জ্বলাই ধূপ নুনুমাওঁতেই দোকান বন্ধ কৰিবৰেই হয়।

৩.

এনে এক পৰিস্থিতিত সমস্যাৰ সন্মুখীন হৈছে ক্ষুদ্ৰ ব্যৱসায়ী, দিন হাজিৰা কৰা লোক, অট'ৰিক্সা, টেম্প', টেক্সি আদিৰ চালকসকল। সৰ্বসাধাৰণে এইসকল লোকে দিনটো কাম কৰি গধূলি চাউল, দাইল কিনে। সামান্য পৰিমাণে যদিহে সম্ভৱ জমা ৰাখে বিপদ-আপদৰ বাবে। এনে

পৰিস্থিতিৰ মাজত ধন জমা ৰখাটো দূৰৈৰ কথা পেটৰ ভাতমুঠি জোগাৰ কৰিব নোৱাৰা হৈছে। গাড়ী আনি নচলিলে জেপলৈ ধন নাহে। দিবই বা কিয়? প্ৰায়সংখ্যক লোকৰে একেই অৱস্থা। তলি উদং। ক্ষুদ্ৰ ব্যৱসায়ীসকলে ঘৰৰ পৰা বজাৰলৈ সোনকালে আহিলেও বজাৰত শাক-পাচলি, ফলমূল আদি তৎক্ষণাৎ কিনিবলৈ গ্ৰাহক নৈ নাথাকে। আনহাতে এই ব্যৱসায়ীসকলেও দূৰলৈকে বিক্ৰী কৰিবলৈ যাব নোৱাৰা অৱস্থা। কাৰণ দূৰলৈ গ'লেও উভতি আহোতে নিৰাপত্তাৰক্ষীৰ লাঠিৰ কোব খাব লাগিব। নহ'লে আঁঠু কাঢ়ি, বুকডাউন নতুবা চাইকেল কান্ধত ওলোমাই ঘৰলৈ যাব লাগিব। গাখীৰ বিক্ৰেতাসকলৰো সেই একেই অৱস্থা। আগতে যদি কাৰোবাৰ ঘৰে ঘৰে গাখীৰ দিছিল, এতিয়া গৃহস্থয়ো ঘৰৰ চৌহদত প্ৰৱেশ কৰিবলৈ নিদিয়ে ক'ৰোনাৰ সংক্ৰমণৰ ভয়ত। আনহাতে ব্যৱসায়ীসকলৰ উৎপাদিত কৃষিজাত খাদ্যসমূহো জমা কৰি ৰাখিব নোৱাৰে। বজাৰলৈ নিব নোৱাৰিলেও গছতেই 'বুঢ়া' হ'ব, অথবা নষ্ট হৈ যাব। কৃষকসকলে শাক-পাচলি নুতুলিলেও নহয় আৰু বজাৰলৈও নিব নোৱাৰে।

৩.

এতিয়া প্ৰায়সংখ্যক দুখীয়া পৰিয়ালতে এসাঁজ খোৱাৰ বাবে হাঁহাকাৰ। চৰকাৰে দুখীয়াৰ বাবে আঁচনি দিছে যদিও বাস্তৱ ক্ষেত্ৰত এনে আঁচনিয়ে বহুতো লোকক ঢুকিয়ে পোৱা নাই। গ্ৰামাঞ্চললৈ গ'লেই এই ছবিখন এতিয়া ফুটি উঠিব। দোষ চৰকাৰৰ নহয়, হিতাধিকাৰী বাছনি কৰা একাংশ স্থানীয় নেতাৰহে। কোনোফালে ওলাব নোৱাৰা পৰিস্থিতিৰ বাবে এই লোকসকল ঘৰতে আবদ্ধ থাকিলে কেনেকৈ ক্ষুধা নিবাৰণ হ'ব? কোনোবাই কাৰোবাৰ ঘৰত ঝাড়ু দিয়ে, ভাত ৰান্ধে, আনৰ ল'ৰা-ছোৱালীৰ যতন লয়, হাজিৰা কৰি পেটৰ ভাতমুঠি জোগাৰ কৰা লোক। তলাবন্ধসদৃশ পৰিৱেশত এওঁলোকৰো জীয়াই থকাৰ অধিকাৰ আছে।

# ক'ভিডৰ বিৰুদ্ধে যুঁজিবলৈ মানসিকভাৱে শক্তিশালী হ'বই লাগিব

এতিয়া চৌদিশে আতংক। সন্ত্রাসবাদ বা প্রাকৃতিক দুর্যোগৰ বাবে সৃষ্টি হোৱা আতংক নহয়। নাই কোনো বিশ্বযুদ্ধৰ আখৰা। শ্রেষ্ঠত্ব প্রতিপন্ন কৰাৰ যুঁজো নহয়। এতিয়া যুঁজখন চলিছে এক অজান শত্রুৰ বিৰুদ্ধে। বিশ্বৰ প্রতিখন দেশকে চুই যোৱা ক'ভিড- ১৯ৰ দ্রুতগতিয়ে স্তব্ধ কৰিছে বিশ্ববাসীৰ গতি। সকলোৰে প্রতিটো মুহূর্ততে আতংকিত হৈছে। মৃত্যুৰ বিভীষিকা দেখি সকলোৰে মনত এতিয়া এটাই প্রশ্ন— ইয়াৰ পৰা কেনেকৈ পৰিত্রাণ পাব পাৰি? মৃত্যু-ভয়ে সকলোকে শংকিত কৰে। সন্মুখত মৃত্যুৰ আখৰা দেখি হৃদয় কম্পিত হ'লেও এতিয়া যেন কৰিবলৈ একোৱেই নাই। নিৰাশাই মানুহবোৰক এফালৰ পৰা গিলিবলৈ ধৰিছে।

নিৰাশাৰ বাবে এতিয়া মানুহবোৰ হতাশাগ্রস্ত হৈছে। মানুহ হতাশাৰ মাজত ডুব গৈ থাকিলে উৰাদিহ নোপোৱা হয়। কি কৰিব, কি নকৰিব সেয়া ভাবিবই নোৱাৰে। কেৱল নেতিবাচক মনোভাবেহে গা কৰি উঠে। প্রতিটো বিষয়তে নেতিবাচক ছবি এখন ফুটি উঠাৰ বাবে লাহে লাহে মনবোৰ দুর্বল হয়। দুর্বল মন হ'ল ৰোগ সৃষ্টিৰ ক্ষেত্র। 'হলা গছ দেখিলে বাগি কুঠাৰ মৰা'ৰ

দৰে কথা। যেতিয়া মনটো দুৰ্বল হৈ থাকে তেতিয়া ৰোগ প্ৰতিৰোধী ক্ষমতাও দুৰ্বল হৈ পৰে। মন দুৰ্বল হ'লে ইয়াৰ প্ৰভাৱ শৰীৰৰ ওপৰতো পৰাৰ আশংকা থাকে। কাৰণ যেতিয়া মানসিকভাৱে দুৰ্বল হৈ থাকে তেতিয়া খাবলৈ মন নাযায়। নিদ্ৰাহীনতাৰ সমস্যাই গা কৰি উঠে। উপযুক্তভাৱে সময়মতে আহাৰ গ্ৰহণ নকৰা মানেই শাৰীৰিক দুৰ্বলতা। শাৰীৰিক দুৰ্বলতাই শৰীৰটোৰ বিভিন্ন ৰোগ প্ৰতিৰোধ কৰিব পৰা শক্তি নাইকিয়া কৰে। মানুহৰ শৰীৰটো সুস্থ কৰি ৰাখিবলৈ কিছুমান উপাদানৰ প্ৰয়োজন। এই উপাদানসমূহৰ ভিতৰত অন্যতম হ'ল ইতিবাচক চিন্তা-চৰ্চা। খাদ্য, পানীৰ সমান্তৰালভাৱে যদি ইতিবাচক চিন্তা-চৰ্চা কৰা হয় তেতিয়াহ'লে যিকোনো ৰোগৰ ভাইৰাছ আদিয়ে আক্ৰমণ কৰিবলৈ সুযোগ নাপায়।

অতিসম্প্ৰতি ক'ৰোনাৰ বিৰুদ্ধে যুঁজ দিবলৈ ইতিবাচক চিন্তা-চৰ্চাৰ খুবেই প্ৰয়োজন হৈছে। কাৰণ ক'ভিড- ১৯ বা ক'ৰোনাৰ সংক্ৰমণৰ বাবে যিমান লোকৰ মৃত্যু হৈছে তাতকৈ অধিক লোকে প্ৰাণ হেৰুৱাইছে— কেৱল আতংকিত হৈ হৃদক্ৰিয়া বন্ধ হোৱাৰ বাবে। বেমাৰ হ'লে মানুহৰ মৃত্যু নহয়। আনহাতে বেমাৰ নহ'লেও যে মানুহৰ মৃত্যু হ'ব বুলি মুনিহে সকলো কাম-বন এৰি বহি থাকিলে নহ'ব। মাথোন সকলোৱে সতৰ্কতা অৱলম্বন কৰিব লাগিব। সতৰ্কতা অৱলম্বন কৰিয়ে দৈনন্দিন কাৰ্য সম্পাদন নকৰিলে জীৱনৰ গতিপথ একেবাৰে স্তব্ধ হৈ পৰিব। কোনো চৰকাৰে কাম কৰিবলৈ মানা কৰা নাই, মাথোঁ সতৰ্ক হ'বলৈহে কৈছে। ঘৰৰ চাৰি বেৰ, চৌহদৰ মাজত থাকিও যিবোৰ কাম কৰাটো সম্ভৱ, সেইবোৰ কৰিলেও বহুতো কাম আগবাঢ়ি যাব। যিমানেই আতংকিত হ'ব সিমানেই মনটো গধুৰ হ'ব। দুশ্চিন্তাই বাহ ল'লে এই পৰিধিৰ পৰা সহজে ওলাই অহাটো সম্ভৱ নহয়। সকলো কথাই দুইধৰণে গ্ৰহণ কৰিব পাৰি। যদি মানুহে নেতিবাচক পথ এৰি ইতিবাচকৰ ফালে ধাবিত হয় তেতিয়াহ'লে নিশ্চয় জীৱনটো দুৰ্যোগৰ মাজতো সবল ৰূপত আগুৱাই নিয়াটো সম্ভৱ হ'ব।

মানুহ মৰণশীল। গৌতম বুদ্ধৰ ওচৰলৈ আহি যেতিয়া এগৰাকী মহিলাই তেওঁৰ একমাত্ৰ পুত্ৰক জীয়াই দিবলৈ প্ৰাৰ্থনা জনাইছিল, তেতিয়া গৌতম বুদ্ধই এনে এটা পৰিয়ালৰ পৰা এমুঠি সৰিয়হ আনিবলৈ কৈছিল— যাৰ

ঘৰত কোনো লোকৰ মৃত্যু হোৱা নাই। কেইবাটাও পৰিয়ালৰ ওচৰলৈ গৈ যেতিয়া বিফল মনোৰথে মহিলাগৰাকীয়ে ভগৱান গৌতম বুদ্ধৰ ওচৰলৈ উভতি আহিছিল তেতিয়া বুদ্ধদেৱে মহিলাগৰাকীক মানুহ মৃত্যুৰ পৰিধিৰ পৰা আঁতৰি থাকিব নোৱাৰে বুলি বুজনি দিছিল। যাৰ যিমান আয়ুস সিমান দিনেই জীয়াই থাকিব। কাৰোবাৰ যদি মৃত্যু আছেই, তেওঁ ক'ভিডত নমৰি আন ৰোগতো আক্ৰান্ত হৈ মৃত্যুমুখত পৰিব পাৰে। সেইবাবে মৃত্যুক ভয় কৰি নিজৰ নিজৰ কাৰ্যক্ষেত্ৰৰ পৰা আঁতৰি থাকিব নালাগে। অৱশ্যে অতিসম্প্ৰতি যিধৰণৰ পৰিস্থিতিৰ সৃষ্টি হৈছে তাত সাৱধানতা অৱলম্বনৰ বিকল্প নাই। নিজে সাৱধান হোৱা মানে আন দহজন সুৰক্ষিত। সমাজখন সুৰক্ষিত মানে পৰিয়ালটোও সুৰক্ষিত হৈ থাকিব। ভয় নহয়, সাহসেৰে যুঁজ দিব লাগিব। ভয় দুৰ্বল মনৰ পৰিচায়ক। সেইবাবে আত্মবিশ্বাসেৰে কাম কৰক।

ৰোগ প্ৰতিৰোধী ক্ষমতা বুদ্ধিৰ নামত এতিয়া প্ৰায়সংখ্যক মানুহেই ফাৰ্মাচীৰ পৰা ভিটামিন 'চি'ৰ পৰা আৰম্ভ কৰি কফ্ চিৰাপ, অন্য ভিটামিন, শক্তিসম্পন্ন পাউদাৰ (এনাৰ্জি ড্ৰিংকছ), ব্ৰংকাইটিছ আৰু পেৰাচিতামল আদি ক্ৰয় কৰিছে। আনকি বহুতে তিনি-চাৰিমাহৰ ঔষধ ক্ৰয় কৰিছে। ৰোগ প্ৰতিৰোধী ক্ষমতা একেদিনেই লাভ কৰিব নোৱাৰে। ইয়াৰ বাবে জীৱনশৈলী পৰিৱৰ্তন কৰিবই লাগিব। অনবৰতে ঔষধ খাই থাকিলেই যে ক'ভিডৰ পৰা পৰিত্ৰাণ পাব তেনে নহয়। মানুহ যেতিয়ালৈকে সজাগ তথা সতৰ্ক নহয় তেতিয়ালৈকে ৰোগ হৈয়ে থাকিব।

অনবৰতে ক'ভিডত আক্ৰান্ত হ'ব বুলি ভাবি লাভ নাই। বৰং আক্ৰান্ত হ'লে কেনেধৰণৰ মোকাবিলা কৰিব পাৰি সেই বিষয়েহে চিন্তা কৰা উচিত। সাধাৰণ লক্ষণ ফুটি উঠিলে চিকিৎসকৰ পৰামৰ্শ অবিহনে ফাৰ্মাচীৰ পৰা গোপনে ঔষধ কিনিবলৈ যোৱাৰ মানসিকতা সলনি কৰিবই লাগিব। মানসিকভাৱে শক্তিশালী লোকক ৰোগে সহজে আক্ৰমণ কৰিব নোৱাৰে। স্বাস্থ্যসন্মত খাদ্য খাওক। ঘৰৰ পিছফালে থকা বাৰীৰ শাক-পাচলিয়ে বৃদ্ধি কৰিব ৰোগ প্ৰতিৰোধী ক্ষমতা।

# ভাৰতৰ বৈদেশিক নীতি আৰু ক'ভিডকালীন সাহায্য

ক'ৰোনাৰ ভয়াৱহ সংক্ৰমণৰ বাবে আজি ভাৰত সংকটৰ গৰাহত। নিতৌ হাজাৰ হাজাৰ লোকৰ মৃত্যু হৈছে ক'ৰোনাকেন্দ্ৰিক সমস্যাৰ বাবে। ক'ভিড- ১৯ত মৃত্যু হোৱা লোকৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাৰ ফলত শংকিত হৈছে দেশৰ জনগণ। দেশৰ চিকিৎসালয়সমূহত ৰোগীৰ বাবে বিছনাৰ অভাৱ। বহুতো ৰোগীৰ মৃত্যু হৈছে অক্সিজেনৰ অভাৱত। সমগ্ৰ দেশতে আজি ক'ভিড প্ৰতিষেধকৰ বাবে হাঁহাকাৰ অৱস্থা। বেচৰকাৰী চিকিৎসালয়ৰ কথা বাদেই— চৰকাৰী চিকিৎসালয়সমূহতো এটা প্ৰতিষেধকৰ বাবে ৰাইজে পুৱতিনিশাৰে পৰা শাৰী পাতিবলগীয়া হৈছে। জৰুৰীকালীন অৱস্থাৰ ঘোষণা হোৱা নাই যদিও দেশে এতিয়া ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হৈছে।

ক'ভিড- ১৯ৰ দ্বিতীয় লহৰত আজি সকলো দিশহাৰা। সকলোৱে বিচাৰিছে ভিটামিন 'চি'-'ডি', অক্সিজেন আৰু ৰোগ প্ৰতিৰোধী ক্ষমতা বৃদ্ধি কৰা খাদ্যসামগ্ৰী। ভাৰতৰ এনে এক দুৰ্যোগৰ সময়ত বিদেশী ৰাষ্ট্ৰবোৰৰো দৃষ্টি নিবদ্ধ হৈছে। আন্তৰ্জাতিক ক্ষেত্ৰত ভাৰতৰ অৱস্থাৰ বিষয়ে প্ৰচাৰ হোৱাৰ লগে লগে প্ৰায়বোৰ দেশে ভাৰতক সহায় কৰাৰ বাবে আগবাঢ়ি আহিছে। বন্ধু ৰাষ্ট্ৰ হিচাপে আমেৰিকা, ইংলেণ্ড, ইটালি, সংযুক্ত আমীৰ শ্বাহী আদিয়ে ভাৰতক এই বিপদৰ সময়ত বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়োৱাৰ উপৰি বিপদৰ সময়ত প্ৰতিটো মুহূৰ্ততে দেশখনৰ স'তে থিয় দিব বুলি ঘোষণা কৰিছে। ভাৰতৰ বাবে এয়া নিশ্চয় আশাৰ বতৰা। দৰাচলতে বিগত পাঁচ বছৰত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিদেশী ৰাষ্ট্ৰসমূহৰ স'তে গঢ়ি তোলা শক্তিশালী সম্পৰ্কৰ বাবেই আজি প্ৰায়সংখ্যক দেশেই ভাৰতৰ বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়াইছে। বিজেপিশাসিত নৰেন্দ্ৰ মোদী শাসনাধিষ্ঠিত চৰকাৰখনৰ বৈদেশিক নীতিৰ বাবে আজি ভাৰতে এনে এক স্থিতিত উপনীত হ'বলৈ সক্ষম হৈছে।

বিগত সময়ত ভাৰতে, বিশেষকৈ যোৱা বৰ্ষত ক'ভিডৰ সংহাৰী ৰূপে সমগ্ৰ বিশ্বকে ত্ৰাসিত কৰোতে আমেৰিকা,ব্ৰাজিলকে ধৰি বহুতো দেশক ক'ৰোনা সম্পৰ্কীয়

ঔষধ প্ৰস্তুতৰ বাবে কেঁচা সামগ্ৰী যোগান ধৰিছিল। কেৱল সেয়াই নহয়— বিগত সময়ছোৱাত ভাৰতত প্ৰস্তুত কৰা প্ৰতিষেধক কেবাখনো ৰাষ্ট্ৰলৈ সহায় হিচাপে আগবঢ়াইছে। ব্ৰাজিল, বাংলাদেশ আদিৰ উপৰিও কেবাখনো দেশলৈকো এই প্ৰতিষেধক বন্ধুত্বৰ চিন স্বৰূপে আগবঢ়াই প্ৰধানমন্ত্ৰী মোদী প্ৰশংসাৰ পাত্ৰ হৈছিল। আনকি ব্ৰাজিলে ভাৰতৰ এনে পদক্ষেপক বিষল্যকৰণীৰ স'তে ৰিজাইছিল। বিশ্ব স্বাস্থ্য সংস্থায়ো ভাৰতৰ এনে ভূমিকাক প্ৰশংসা কৰিছিল। ভাৰতে বিগত সময়ত ক'ৰোনা প্ৰতিৰোধৰ বাবে চলা আন্তৰ্জাতিক যুঁজখনত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। সন্মুখৰ পৰাই এই যুঁজখনক নেতৃত্ব দিয়া আগশাৰীৰ দেশৰ স'তে ভাৰতে খোজ মিলাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন দেশলৈ আগবঢ়োৱা সহায়ৰ হাতৰ কথা বন্ধু ৰাষ্ট্ৰসমূহে পাহৰিব পৰা নাই। সেইবাবে আজি আমেৰিকা, ৰাছিয়া, ইংলেণ্ড আদিৰ দৰে দেশে ভাৰতক সহায় কৰিছে। কোনোবাই যদি অক্সিজেন, পি পিই কিট দিছে, আন কোনো ৰাষ্ট্ৰই আকৌ চিকিৎসাৰ বাবে ব্যৱহৃত ঔষধ আৰু ঔষধ প্ৰস্তুত কৰিব পৰা কেঁচা সামগ্ৰী, ভেণ্টিলেটৰ আদি ভাৰতলৈ প্ৰেৰণ কৰিছে।

যিকোনো দেশ এখন কেতিয়াবা বিপদত পৰিলে বিশ্বৰ আন দেশসমূহে সহায় কৰা বিষয়টো নিৰ্ভৰ কৰে দেশখনৰ বৈদেশিক নীতিৰ ওপৰত। বিগত পাঁচ বছৰত ভাৰতৰ বৈদেশিক নীতিৰ বহুতো পৰিৱৰ্তন হ'ল। যিবোৰ ৰাষ্ট্ৰৰ স'তে আগতে কোনোধৰণৰ যোগাযোগ নাছিল, সেইবোৰতো ভাৰতে খোপনি পুতিলে। আনকি পূৰ্বে ভাৰতৰ বিৰোধিতা কৰি অহা কেবাখনো ৰাষ্ট্ৰই এতিয়া ভাৰতৰ বন্ধু ৰাষ্ট্ৰ হৈ পৰিছে। আৰবৰ নিচিনা ঠাইত মন্দিৰ প্ৰতিষ্ঠা হ'ল। কেবাখনো দেশে ভাৰতীয় সংস্কৃতিৰ প্ৰসাৰৰ বাবে আগবাঢ়ি আহিছে। যিসময়ত ভাৰতে বিদেশী ৰাষ্ট্ৰক ক'ভিড প্ৰতিষেধক আদি প্ৰেৰণ কৰাৰ বাবে প্ৰধানমন্ত্ৰী মোদীক ক্ষুৰধাৰ সমালোচনা কৰিছিল, তেওঁলোকে অন্ততঃ এটা কথা বুজি পোৱা উচিত যে ভাৰতে সেই সময়ত সহায় কৰাৰ বাবেহে আজি বহুতো দেশে মুক্তহস্তে সহযোগিতা আগবঢ়াইছে। ভাৰতে এতিয়া ক'ৰোনাৰ সমান্তৰালভাৱে চুবুৰীয়া ৰাষ্ট্ৰৰ আগ্ৰাসন প্ৰতিৰোধৰ বাবেও সমানেই গুৰুত্ব প্ৰদান কৰিবলগীয়া হৈছে। গতিকে এই সময়ত দেশৰ ভিতৰতে যদি বিৰোধীসকলেও মোদীক আঘাত কৰিবলৈ সাজু হয় তেনেহ'লে ভৱিষ্যতে এয়া হ'ব দেশৰ বাবে অভিশাপস্বৰূপ। বিৰোধীয়ে এতিয়া কেন্দ্ৰীয় চৰকাৰ তথা প্ৰধানমন্ত্ৰীক শত্ৰুৰ দৰে আক্ৰমণ কৰাহে পৰিলক্ষিত হৈছে। বিৰোধীৰ গঠনমূলক পৰামৰ্শইহে চৰকাৰক এই যুঁজখনত আগবাঢ়ি যোৱাত সহায় কৰিব। নহ'লে নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰাৰ দৰে হ'ব।

# একেবাৰে ওচৰৰপৰা পোৱা
# হোমেন বৰগোহাঞি মানুহগৰাকী

প্ৰথিতযশা সাহিত্যিক, প্ৰবীণ সাংবাদিক হোমেন বৰগোহাঞিদেৱৰ ১২ মে', ২০২১ত মহাপ্ৰস্থানৰ লগে লগে অসমীয়া সাহিত্য-সাংবাদিকতাৰ জগতৰ অপূৰণীয় ক্ষতি হ'ল। দুটা প্ৰজন্মৰ মাজত সৰ্বাধিক জনপ্ৰিয় সাহিত্যিক-সাংবাদিকগৰাকীক ওচৰৰ পৰা লগ পোৱাৰ সৌভাগ্য সকলোৰে হোৱা নাই। কাৰণ তেওঁ সদায় সকলোধৰণৰ লোকৰ সংস্পৰ্শৰ পৰা আঁতৰি আছিল। অৱশ্যে মানুহক বেয়া পাই যে আঁতৰি আছিল তেনে নহয়। তৈলমৰ্দন, অপ্ৰয়োজনীয় কামত ব্যস্ত থাকি সমাজৰ লগতে নিজৰো সময় ব্যয় কৰা আদিৰ মানসিকতা নথকা বাবেহে কিছুমান শ্ৰেণীৰ লোকৰ পৰা আঁতৰত আছিল। তেওঁৰ দৃষ্টিভংগীৰ স'তে কাৰোবাৰ মতৰ অমিল হ'লেও কোনোদিনে তেনে ব্যক্তিক আক্ৰমণৰ লক্ষ্য কৰি লোৱা নাছিল। বৰং সমালোচনাৰ মুখামুখি হ'ব পৰাকৈহে এখন ক্ষেত্ৰ দৃষ্টি কৰাৰ পক্ষপাতী আছিল বৰগোহাঞিদেৱ। তেওঁৰ বিৰুদ্ধে সমালোচনা কৰিলেও সেইবোৰক তীক্ষ্ণ কলমেৰে প্ৰত্যুত্তৰ দিছিল। যাৰবাবে বহুতো সমালোচক পৰৱৰ্তী সময়ত তেওঁৰ অনুগামী হৈ পৰিছিল। এনে ব্যক্তিত্বসম্পন্ন লোক-সমাজত খুব কম পোৱা যায়।

হোমেন বৰগোহাঞিদেৱক সহজতে লগ পোৱা নাযায় বুলি বহুতেই অভিযোগ কৰিছিল। পিছে তেওঁ তেনে ব্যক্তি নাছিল। কাৰণ বিভিন্ন কামত যেতিয়াই তেওঁৰ ওচৰলৈ গৈছিলো তেতিয়াই সঁহাৰি জনাইছিল। বিশেষকৈ

সভা-সমিতিৰ বাবে আক্ৰমণ কৰিবলৈ চালে বিশেষ অসুবিধা নাথাকিলে কোনোদিনেই নিৰাশ কৰা নাছিল। তেওঁৰ স'তে কেবাঠাইলৈ যোৱাৰ সময়ত বহুতো কথা সুধিছিলো। সামাজিক, ৰাজনৈতিক, দৈনন্দিন জীৱনৰ কথাবোৰ বৰগোহাঞিদেৱে খুব সুন্দৰভাৱে বৰ্ণনা কৰিছিল। সাধাৰণ কথা অথচ অতি গুৰুত্বপূৰ্ণ। কথা-প্ৰসংগতে তেওঁক সুধিছিলো— যিকোনো সময়তে মানুহক কিয় লগ কৰা নাছিল? দিনটোৰ ভিতৰত এটা নিৰ্দিষ্ট সময়তহে বৰগোহাঞিদেৱে মানুহক লগ ধৰিছিল। ইয়াৰ কাৰণ তেওঁ সুন্দৰভাৱে বৰ্ণনা কৰিছিল। এনে কিছুমান মানুহ পুৱাই ঘৰত ওলাইহি— কি উদ্দেশ্য লৈ আহিছে ব্যক্তিজনে নিজেই নাজানে। আবোল-তাবোল কথা বলকি মূল্যৱান সময়খিনি নষ্ট কৰি চাহ খাই গুচি যায়। কেৱল সেয়াই নহয়— বহুতো লোক আহে সন্মুখত প্ৰশংসা কৰি ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ বাবে সুযোগ বিচাৰি। আন কিছুমান আহে আনৰ বদনাম গাবলৈ। এইবোৰ এটাও গুৰুত্বপূৰ্ণ বিষয় নহয়। দৰাচলতে এনেধৰণৰ ব্যক্তিৰ পৰা আঁতৰি থাকিবলৈহে তেওঁক লগ কৰাৰ সময় নিৰ্দিষ্ট কৰিছিল। তদুপৰি দিনটোৰ ভিতৰত সৃষ্টিশীল কৰ্মৰাজিৰ বাবে সময় উলিয়াব লাগিছিল। তাৰ মাজতে বাতৰিকাকতৰ দায়িত্ব, টিভি চেনেল আদিত সাক্ষাৎগ্ৰহণ আদিৰ দায়িত্বও পালন কৰিবলগীয়া হৈছিল। মাজতে সভা-সমিতিত অংশগ্ৰহণ ইত্যাদি থাকেই। বৰগোহাঞিদেৱ ব্যক্তি নাছিল, আছিল এটা অনুষ্ঠান। সেইবাবে তেওঁক সকলোৱে সহজে ঢুকি পোৱা নাছিল।

বৰগোহাঞিদেৱৰ দৃষ্টিভংগী আছিল ইতিবাচক। 'কৰুণাধাৰা'ই ইয়াৰ জ্বলন্ত সাক্ষী। এইগৰাকী বিশিষ্ট ব্যক্তিৰ প্ৰচেষ্টাতেই 'কৰুণাধাৰা'ই বিশেষভাৱে সক্ষম কিশোৰ-কিশোৰী, যুৱক-যুৱতীক সহায়ৰ হাত আগবঢ়োৱাৰ লগতে সৃষ্টিশীল কামৰ বাবে উৎসাহিত কৰিছিল। ফলত অসমৰ বিভিন্ন জিলাৰ কেবাগৰাকী যুৱক-যুৱতীয়ে মূল্যৱান গ্ৰন্থ ৰচনা কৰাৰ লগতে আন দহগৰাকী ব্যক্তিৰ দৰে জীয়াই থকাৰ অনুপ্ৰেৰণা লাভ কৰিছে। 'কৰুণাধাৰা'ই কম সময়ৰ ভিতৰতে মানুহৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। কাৰোবাক ব্যক্তিগতভাৱে সহায় কৰি বাঃ বাঃ লোৱাৰ পৰিৱৰ্তে সমাজৰ আন দহগৰাকী ব্যক্তিৰ স'তে মিলি কাম কৰাৰ প্ৰতিহে তেওঁ গুৰুত্ব প্ৰদান কৰিছিল। স্থায়ীভাৱে

কাম কৰাৰ ওপৰতহে তেওঁ গুৰুত্ব প্ৰদান কৰাৰ বাবে আজি কৰুণাধাৰাৰ দৰে অনুষ্ঠান এটাই পৰিসৰ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। এবাৰ সভা এখনলৈ তেওঁৰ লগত যাওঁতে এইবোৰ কথা কৈছিল।

অসম সাহিত্য সভাৰ সভাপতি হৈ থাকোতে 'বিশ্বকোষ'ৰ দৰে গ্ৰন্থ প্ৰকাশৰ বাবে কৰা পৰিকল্পনা অসমীয়া সাহিত্যৰ এক উল্লেখযোগ্য দিশ। তেওঁৰ প্ৰচেষ্টাতে কেবাটাও খণ্ডৰ, কেবাটাও বিষয়ৰ 'বিশ্বকোষ' প্ৰকাশ পালে। ফলত অসমৰ বহুতো অপ্ৰকাশিত তথ্য বিশ্বৰ আন আন তথ্যৰ স'তে প্ৰকাশ পাইছে। এয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও উপযোগী হোৱাত ইয়াৰ পৰিসৰো বৃদ্ধি পালে। এনে দৃষ্টিভংগীৰ বাবে আজি সকলোৱে একমুখে স্বীকাৰ কৰিছে ইয়াৰ গুৰুত্ব তথা প্ৰয়োজনীয়তা। তেওঁৰ দূৰদৰ্শিতাৰ বাবে সাহিত্য সভায়ো এসময়ত গতি লাভ কৰা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। যিটো কথা আমি চিন্তা নকৰো সেইবোৰ কথা বৰগোহাঞিদেৱে আগতেই ভাবিছিল।

নিয়মানুৱৰ্তিতা বৰগোহাঞিদেৱৰ সাফল্যৰ এক উল্লেখযোগ্য দিশ। সময়তকৈ কেতিয়াও এক মিনিট আগত যোৱা নাছিল। সেইবাবে কোনোবাই তেওঁক সভা-সমিতিলৈ আমন্ত্ৰণ কৰিলে প্ৰথমে সদায় নিৰ্ধাৰিত সভাখন বা অনুষ্ঠানটো আৰম্ভ হ'ব নে নহয় সুধিছিল। হয়তো এনেদৰে সোধাৰ বাবে কিছুমানে বেয়াও পাইছিল। অৱশ্যে বেয়া পালেও তেওঁ সেইবোৰলৈ কৰ্ণপাত কৰা নাছিল। সেইবাবে তেওঁ আজিৰ এই অৱস্থালৈ আহিব পাৰিছিল। এখন অখ্যাত গাঁৱৰ পৰা আহি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা বৰগোহাঞিদেৱৰ ব্যক্তিত্ব আছিল প্ৰশান্ত মহাসাগৰৰ দৰে বৃহৎ পৰিসৰৰ আৰু গভীৰ।

এইগৰাকী মহান ব্যক্তিৰ নাছিল খং আদি। কাৰোবাৰ ওপৰত খং উঠিলেও সেয়া মনতে ৰাখিহে কথা পাতিছিল। খং আদি নিয়ন্ত্ৰণ কৰাৰ বাবে হয়তো সু-স্বাস্থ্যৰো অধিকাৰী হ'ব পাৰিছিল। এনে এগৰাকী ব্যক্তি আমাৰ মাজৰ পৰা হেৰাই গ'লেও তেওঁ আগবঢ়োৱা অৱদানৰ বাবে চিৰদিন স্মৰণীয় হৈ থাকিব।

## সহজ-সৰল ব্যক্তিত্বৰ অধিকাৰী আছিল
# ড° লক্ষ্মীনন্দন বৰা

অসমীয়া সাহিত্যৰ এটি তেনেই চিনাকি নাম ড° লক্ষ্মীনন্দন বৰা। ক'ভিডসৃষ্ট জটিল সন্ধিক্ষণৰ মাজতে তেওঁ আমাৰ মাজৰপৰা ৩ জুন, ২০২১ত বিদায় ল'লে— যেন যাওঁ বুলিয়েই গুচি গ'ল। অসমবাসীয়ে হেৰুৱালে এগৰাকী প্ৰাণোচ্ছল সুহৃদক। তেওঁক কেৱল এগৰাকী সাহিত্যিক বুলি ক'লে ভুল হ'ব। কাৰণ ড° বৰা আছিল এগৰাকী সমাজ সংস্কাৰক, মনস্তাত্ত্বিক বহুতো কথা সৃষ্টি কৰা ব্যক্তি, ৰসিক তথা সৌন্দৰ্যপিপাসু ব্যক্তি। তেওঁ লেখনিসমূহৰ জৰিয়তে সমাজ সংস্কাৰৰ বাবে চেষ্টা চলাইছিল। আমাৰ চৌপাশে চলি থকা সমাজখনৰ সৰু-বৰ ঘটনাসমূহক তেওঁ সৃষ্টিৰ মাজেৰে উপস্থাপন কৰিছিল। হয়তো সেইবাবেই তেওঁৰ লেখনিসমূহে ৰাষ্ট্ৰীয় পৰ্যায়তো সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। যাঠিখনৰো অধিক মূল্যৱান গ্ৰন্থ সৃষ্টিৰে চহকী কৰি গ'ল অসমীয়া সাহিত্যৰ ভঁৰাল। সৰস্বতী, পদ্মশ্ৰী আৰু সাহিত্য অকাডেমিৰ দৰে সন্মানীয় পুৰস্কাৰ তথা সন্মান অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

ড° বৰা আছিল এগৰাকী বিৰল ব্যক্তিত্বসম্পন্ন ব্যক্তি। তেওঁৰ বাবে

সকলো আছিল আপোন। এইগৰাকী বিশিষ্ট ব্যক্তিক নিচেই ওচৰৰ পৰা পাইছো। তেওঁৰ ওচৰলৈ গ'লে সময়বোৰ কেনেদৰে অতিবাহিত হয় ক'বই নোৱাৰি। দৰাচলতে ড° বৰাৰ কথাৰ মাজত থকা ৰসৰ বাবে ঘণ্টাৰ পাছত ঘণ্টা সময় কথোপকথন হ'লেই গমেই পোৱা নাযায়। ৰসাল কথাবোৰৰ মাজেদিও সমাজৰ এনে কিছুমান বিষয়বস্তু দাঙি ধৰিছিল— যিবোৰ সচৰাচৰ সাধাৰণ দৃষ্টিভংগীত ধৰা নপৰে। কোনো কথা লুক-ঢাক নকৰাকৈ সকলোবোৰ কথা প্ৰকাশ কৰিছিল। কিবা কথা ক'লে আনে বেয়া পাব বুলি নোকোৱাকৈ থকা নাছিল। ব্যক্তিগৰাকী সততা আৰু নিৰ্ভীক ব্যক্তিসম্পন্ন হোৱাৰ বাবে সকলো কথা প্ৰাণখুলি লিখিব পাৰিছিল। জাতিটোৰ জটিল সন্ধিক্ষণত বহুতো মূল্যৱান লেখনিৰে ৰাইজক উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ জাতিটোৰ প্ৰতি থকা ভালপোৱা সকলো সময়তে আছিল। তেওঁৰ ওচৰলৈ অহা ব্যক্তি-সংগঠনক যিকোনো কথা সহজ কথাৰে বুজাব পাৰিছিল।

ড° বৰাই যিবোৰ ঠাইলৈ যায় আৰু দৈনন্দিন জীৱনত সংঘটিত ঘটনাক মূল বিষয়বস্তু হিচাপে লৈ ৰচনা কৰা গ্ৰন্থসমূহৰ বাবে নৱপ্ৰজন্মৰ মাজতো সদায় জীয়াই থাকিব। তেওঁৰ অৱদান সদায় সোণোৱালী আখৰেৰে জিলিকি থাকিব। যাঠিখনতকৈও অধিক গ্ৰন্থ ৰচনা কৰাৰ পাছতো নাছিল কোনো গৰ্ব। তেওঁ সদায় 'আমি' শব্দটোহে ব্যৱহাৰ কৰাৰ বাবে হয়তো মনত কোনোদিনেই অহং ভাবৰ সৃষ্টি হোৱা নাছিল। কেতিয়াবা সাহিত্য সৃষ্টি সন্দৰ্ভত ড° বৰাৰ স'তে আলোচনা কৰিলে হাঁহি হাঁহি এনে কিছু কথা কৈছিল— যিটো সাধাৰণতে বহুতো বিশিষ্ট ব্যক্তিয়ে ক'ব নোখোজে। কেবাবাৰো অসম সাহিত্য সভাৰ কামৰ উপৰি আন বহুতো সভালৈ যাওঁতে মনৰ কথা বহুতো কৈছিল। তেতিয়া বুজিব পাৰিছিলো ব্যক্তিগৰাকী কিমান সৰল আৰু উদাৰ মনৰ। সভা-সমিতিলৈ গ'লে নিয়মানুৱৰ্তিতা বজাই ৰাখিছিল। তেওঁৰ বাবে আন লোকে সভাত এক মিনিট সময়ো অপেক্ষা কৰিবলগীয়া নহয় তাৰ বাবে গুৰুত্ব প্ৰদান কৰিছিল। আনকি কেতিয়াবা সভালৈ নিমন্ত্ৰণ কৰিবলৈ গ'লে প্ৰথমতে সময়ৰ কথা সুধিছিল। তদুপৰি সভালৈ নিবলৈ গ'লেও নিৰ্দিষ্ট সময়তকৈ আগতেই তেওঁৰ ঘৰলৈ গৈছিলো। কাৰণ নিৰ্দিষ্ট সময়ৰ পূৰ্বেই সাজু হৈছিল ড° বৰা।

পোছাক পৰিধানৰ ক্ষেত্ৰতো ড° বৰা আছিল সদা সতৰ্ক। সভা-সমিতিলৈ গ'লেতো বাদেই, এনেয়েও ঘৰত থকা সময়তো সদায় পৰিপাটি হৈ পোছাক পৰিধান কৰিছিল— যিকোনো কাৰণত তেওঁৰ ঘৰলৈ গ'লেই সেয়া প্ৰত্যক্ষ কৰিছিলো। এবাৰ কথা প্ৰসংগত তেওঁক এই বিষয়ে সোধোতে কৈছিল— 'পোছাক-পৰিচ্ছদেও এজন ব্যক্তিৰ ব্যক্তিত্ব প্ৰকাশ কৰে। আনকি মনৰ ভাববোৰো প্ৰকাশ কৰে।' এবাৰ আমি বৰঙাজুলি সত্ৰলৈ তেওঁৰ স'তে গৈছিলো এক বিশেষ অনুষ্ঠানৰ বাবে। সত্ৰাধিকাৰ হৰেকৃষ্ণ বাপৰ স'তে আমি আটায়ে বহুতো কথা হ'লো। সত্ৰ সম্পৰ্কীয় যিবোৰ কথা ড° বৰাই যিবোৰ কথা ক'লে আৰু সত্ৰাধিকাৰ হৰেকৃষ্ণ মহন্তৰ পৰা শুনা কথাবোৰ পাছত কেবাটাও লেখনিত প্ৰকাশ কৰিছিল।

১৯৩২ চনৰ ১৫ জুনত নগাঁৰৰ হাতীচোঙৰ কুঁজিডাঁহত জন্মগ্ৰহণ কৰা ড° বৰাই বিদেশী বিতাড়ন আন্দোলনৰ সময়ত অংশগ্ৰহণ কৰি কেবাবাৰো কাৰাবাস খাটিছিল। ইয়াৰ পৰাই এটা কথা স্পষ্ট হৈ পৰে ড° বৰাৰ অসম-মাতৃক কিমান ভাল পাইছিল। অসমীয়া জাতিটোৰ ভৱিষ্যৎ সুৰক্ষাৰ বাবে সময়ে সময়ে কলমেৰে নিগৰিছিল তীক্ষ্ণ শব্দ। এই শব্দবোৰ অসমীয়া জাতি আৰু অসমৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচনা কৰাসকলক আঘাত কৰিছিল। ইয়াৰ মাজতো কিন্তু তেওঁ অধ্যাপনা, সাহিত্য সৃষ্টি সমানেই আগবঢ়াই নিছিল। অসমৰ পৰা জাৰ্মানীলৈ পৰিৱেশ সম্পৰ্কীয় শিক্ষা দিবলৈ বা ভাষণ আগবঢ়াবলৈ আমন্ত্ৰণ লাভ কৰাটোৱে তেওঁৰ জ্ঞানৰ পৰিসৰ কিমান গভীৰ আছিল সেয়া প্ৰকাশ পাইছিল। অসমবাসীৰ বাবে এয়া গৌৰৱৰ কথা নহয়নে? পৰিৱেশ সম্পৰ্কে তেওঁ সদা সতৰ্ক আছিল। প্ৰদূষিত পৰিৱেশৰ মাজত থাকিলে মনবোৰো দূষিত হয়। পৰিৱেশ সম্পৰ্কে আমি সচেতন নহ'লে আপোনা-আপুনি প্ৰদূষণমুক্ত হ'ব নোৱাৰে। তাৰেই প্ৰকাশ ঘটিছিল ড° বৰাৰ বহুতো লেখাত। 'পাতাল ভৈৰৱী' আদিতো এইবোৰ বিষয়ৰ উমান পাওঁ। তেওঁ সাহিত্য সভাৰ সভাপতি পদত অধিষ্ঠিত হোৱাৰ সময়তো পৰিৱেশ প্ৰদূষণমুক্ত কৰা আদিৰ বাবেও সমানেই যুঁজ দি আছিল।

# চৰকাৰেও এইবোৰ বিষয়ত দৃষ্টি নিবদ্ধ কৰক

১.

ৰাজ্যবাসীয়ে লাভ কৰিলে এগৰাকী নতুন মুখ্যমন্ত্ৰী। কৰ্মদক্ষ নেতা হিচাপে ছাত্ৰাৱস্থাৰ পৰাই পৰিচিত হিমন্ত বিশ্ব শৰ্মাই কাৰ্যভাৰ গ্ৰহণ কৰাৰ লগে লগে ৰাইজৰ আশা-আকাংক্ষাবোৰো ক্ৰমশঃ বৃদ্ধি পালে। 'ভুকুতে কলটো নপকে' বুলি জানিওৰাইজে অতি কম দিনৰ ভিতৰতে অসমখনক এখন আগশাৰীৰ ৰাজ্য হিচাপে পৰিগণিত কৰাটো বিচাৰিছে। অসমৰ অৰ্থনীতিৰ শক্তিশালী ছবি এখনৰ লগতে প্ৰতিটো বিভাগতে যাতে সকলো কাম-কাজ সুচাৰুৰূপে সম্পাদিত হয় তাৰবাবে নতুন মুখ্যমন্ত্ৰীগৰাকীয়ে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব তাৰ অপেক্ষাতে আছে ৰাজ্যৰ কোটি কোটি জনতা।

২.

অসমত স্মাৰ্ট থানাৰ উন্নীতকৰণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। ৰাজ্যখনৰ কেবাখনো আৰক্ষী থানা নতুন ৰূপত সজাই-পৰাই তোলা হৈছে। পিছে প্ৰায়সংখ্যক আৰক্ষী থানা অথবা আৰক্ষী চকীৰ সন্মুখত জমা হৈ আছে গাড়ী-মটৰৰ দ'ম। বহুতো থানা বা আৰক্ষী চকী ঘাইপথ অথবা জনবহুল স্থানত স্থাপন হোৱাৰ বাবে তাৰ আশে-পাশে থকা যান-বাহনৰ দ'মসমূহে ঠাইখিনিৰ সৌন্দৰ্য ম্লান কৰাৰ লগতে বহুতো ঠাইত যান-জঁটৰ সৃষ্টি কৰিছে। আনকি এনে দ'মৰ বাবে বহুতো ভয়াৱহ দুৰ্ঘটনাও সংঘটিত হোৱাৰ নজিৰ আছে। এইবোৰ যান-বাহন দুৰ্ঘটনাত পতিত হোৱা অথবা চুৰি হোৱাৰ পাছত উদ্ধাৰ কৰা। এইবোৰ যান-বাহনৰ গৰাকীৰ বিৰুদ্ধে গোচৰ ৰুজু হৈ থকাৰ লগতে চোৰৰ কবলৰ পৰা উদ্ধাৰ কৰা বাহনসমূহৰ প্ৰকৃত গৰাকী নোলোৱা নতুবা গৰাকীয়ে নিবলৈ নহা বাবে এনেদৰে পৰি আছে। এইবোৰ বিভাগে বিক্ৰী কৰো বুলিও কৰিব নোৱাৰে। আনহাতে, এনেদৰে সৌন্দৰ্য ম্লান হোৱাৰ লগতে যান-জঁটৰ সৃষ্টি হোৱাটোও ৰাইজৰ বাবে অপকাৰী। সেইবাবে ৰাইজৰ সুবিধাৰ বিষয়টোৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰি চৰকাৰে গৃহ বিভাগক এইক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াব লাগে। এইবোৰ বিবাদ যদি আইনী প্ৰক্ৰিয়াৰে মীমাংসা কৰি নিলামত দিয়াৰ ব্যৱস্থা কৰিলে বৃহৎ পৰিমাণৰ ধন চৰকাৰৰ ঘৰত সোমাব। চৰকাৰে সময়ে সময়ে যদি এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰি থাকে তেনেহ'লে ৰাইজেও নিশ্চয় সমৰ্থন কৰিব বুলি আমি ভাবো।

৩.

ৰাজ্যখনৰ কেবাটাও বিভাগত, বিশেষকৈ পৰিবহণ বিভাগত বহুতো গাড়ী অচল হৈ আছে। অলপ মেৰামতি কৰিলেই গাড়ীসমূহ চলাচলৰ উপযোগী হ'ব। অথচ ৰাজ্যৰ প্ৰতিখন জিলাতে পৰিবহণ নিগমৰ বহুতো বাছ এনেয়ে পৰি আছে। এইবোৰ সামান্য মেৰামতি কৰি বিভিন্ন ঠাইলৈ চলাচল কৰালে আওহতীয়া ঠাইৰ ৰাইজ নিশ্চয় উপকৃত হ'ব। এইখিনিতে উল্লেখ কৰিব

পাৰি যে সামান্য মেৰামতিৰ বাবে অচল হৈ থকা বহুতো যান-বাহনৰ বিপৰীতে এতিয়াও নিয়োজিত হৈ আছে চালক-কৰ্মচাৰী। এই কৰ্মচাৰীসকলে কাম নকৰাকৈয়ে চৰকাৰী ধন অৰ্থাৎ মাহিলি দৰমহা লাভ কৰি আছে। এইক্ষেত্ৰত চৰকাৰে চকু দিব লাগে। যিবোৰ গাড়ী একেবাৰে বেয়াই হৈছে বা ভাল কৰিও লাভ নাই— সেইবোৰ নিলামত দিয়াৰ ব্যৱস্থা কৰিব লাগে। তদুপৰি বিভাগটোত কিমান গাড়ী চলাচলৰ উপযোগী হৈ আছে আৰু কিমান অনুপযোগী তাৰ প্ৰকৃত তথ্য উলিয়াই এইবোৰৰ বিপৰীতে কিমানসংখ্যক কৰ্মচাৰী নিয়োজিত হৈ আছে তাৰ প্ৰকৃত সংখ্যা নিৰ্ণয় কৰিব লাগে। এনে কৰিলে পৰিবহণ নিগমৰ অৱস্থা নিশ্চয় পূৰ্বতকৈ সবল হ'ব।

৪.

অসমৰ বিভিন্ন ঠাইত বহুতো ৰাজহুৱা খণ্ডত স্থাপিত উদ্যোগ অকাৰ্যক্ষম হৈ আছে। কেবাটাও উদ্যোগৰ কোটি কোটি টকীয়া মূল্যৱান যন্ত্ৰসমূহ নষ্ট হৈছে, মামৰে ধৰিছে অথবা জহি-খহি গৈছে। বহুতো উদ্যোগৰ পৰাই মূল্যৱান যন্ত্ৰাংশ চুৰি হৈ আছে। তদুপৰি জংঘলে আবৰি থকা মৃতপ্ৰায় উদ্যোগসমূহৰ আৱাস আদি অসামাজিক কাৰ্যকলাপৰ ঘাটিলৈ পৰ্যবসিত হৈছে। এনেধৰণৰ কেবাটাও উদ্যোগত ৰখীয়াৰ নামত কৰ্মচাৰী নিয়োজিত হৈ আছে যদিও ৰক্ষকেই ভক্ষক হৈছে। চৰকাৰী দৰমহা এনেয়ে লাভ কৰি আছে। এই যন্ত্ৰসমূহ নিলামত দি প্ৰয়োজনসাপেক্ষে নতুন যন্ত্ৰ স্থাপনৰ ব্যৱস্থা কৰিব লাগে নৱগঠিত চৰকাৰখনৰ সংশ্লিষ্ট বিভাগটোৱে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পদক্ষেপ গ্ৰহণ কৰিব বুলি অসমৰ কোটি কোটি জনগণে আশাৰে বাট চাই আছে।

৫.

ঘাইপথেই হওক অথবা গড়কাপ্টানী পথতেই নহওক কিয়— বহুতো লোকে বেদখল কৰি পথৰ কাষৰ সৌন্দৰ্য ম্লান কৰিছে। তদুপৰি এইবোৰ স্থান অসামাজিক কাৰ্যকলাপৰ ঘাটি হৈ পৰিছে। এইবোৰ স্থানত ড্ৰাগছ ব্যৱসায়ৰ পৰা আৰম্ভ কৰি হত্যা-ধৰ্ষণ আদি ঘটনা সংঘটিত হৈ আহিছে। সন্ধিয়া

হোৱাৰ লগে লগে জুম খাই থাকে বহুতো অচিন লোকে। অসামাজিক কাৰ্য সংঘটিত কৰিবলৈকে যেন এইবোৰে লগ লাগে। তদুপৰি দিন দুপৰতে এনে কিছু কাৰ্য সংঘটিত হৈ থাকে— যাৰ বাবে সাধাৰণ ৰাইজে তেনে স্থানৰ কাষেদি পাৰ হৈ যাবলৈ সাহস নকৰে। এনেবোৰ স্থানত বেদখলকাৰীৰ বিৰুদ্ধে সংশ্লিষ্ট বিভাগে স্থানীয় প্ৰশাসনক উচ্ছেদ চলাবলৈ কঠোৰ নিৰ্দেশ দিয়ক। প্ৰশাসনকো কোনো ৰাজনৈতিক শক্তিৰ পক্ষপাত নোলোৱাকৈ কাৰ্য সম্পাদন কৰিব পৰাকৈ দায়িত্ব অৰ্পণ কৰক।

**৬.**

নতুন মুখ্যমন্ত্ৰীৰ সন্মুখত বহুত দায়িত্ব। ক'ভিড অতিমাৰীৰ বিৰুদ্ধে যুঁজ দিব লাগিব। এগৰাকী সুদক্ষ নেতা হিচাপে প্ৰতিটো বিভাগকে মুখ্যমন্ত্ৰীয়ে সন্মুখৰ পৰাই নেতৃত্ব দিয়ক। এগৰাকী মন্ত্ৰীৰ ওপৰত সমস্ত দায়িত্ব অৰ্পণ কৰিলেও প্ৰতিটো বিভাগতেই মুখ্যমন্ত্ৰীয়ে তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰিব বুলি আশা কৰিছে ৰাইজে। কাৰণ বিগত সময়ছোৱাত এনে কেবাগৰাকী নেতাক দেখা গ'ল যে যদিও কোনো বিভাগৰ দায়িত্ব মূৰ পাতি ল'লে, তথাপি দায়িত্ব সম্পূৰ্ণৰূপে পালন কৰাৰ পৰিৱৰ্তে পলায়নবাদী মানসিকতাহে গ্ৰহণ কৰিলে। ফলত কিছুমান বিভাগৰ আঁচনি সম্পূৰ্ণ ৰূপায়ণেই নহ'ল। আনকি আবণ্টিত ধনো উপযুক্তভাৱে ব্যয় কৰাত ব্যৰ্থ হৈছে। মুখ্যমন্ত্ৰীয়ে এইবাৰ নিশ্চয় বিভাগসমূহৰ এনে বিষয়ত গুৰুত্ব প্ৰদান কৰিব।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা সমীপেষু

অসমৰ গনগণে এজন নতুন মুখ্যমন্ত্ৰী লাভ কৰিলে। সমস্যা জৰ্জৰিত ৰাজ্যখনত মুখ্যমন্ত্ৰীৰ দায়িত্ব লাভ কৰিয়ে ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। কাৰণ ৰাজ্যবাসীৰ সন্মুখত দেশৰ আন প্ৰান্তৰ দৰে ক'ভিড-১৯ৰ দ্বিতীয় লহৰে যি আতংকময় পৰিৱেশৰ সৃষ্টি কৰিছে তেনে পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাৰ্যভাৰ গ্ৰহণৰ দিনাৰ পৰাই সাজু হ'ব লাগিব। তদুপৰি বিগত নিৰ্বাচনৰ সময়ত তেওঁ অবিৰতভাৱে চলোৱা প্ৰচাৰ অভিযানত ৰাইজক যিবোৰ প্ৰতিশ্ৰুতি দিছিল সেইবোৰ পূৰণ কৰিব লাগিব। কাৰণ নতুন মুখ্যমন্ত্ৰীৰ পৰা ৰাইজে বহুত আশা কৰিছে। পূৰ্বৰ মুখ্যমন্ত্ৰীসকলতকৈ ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা ৰাইজে এশগুণ বেছি আশা কৰিছে। বিগত সময়ছোৱাত তেওঁ স্বাস্থ্য, শিক্ষা আৰু লোকনিৰ্মাণ বিভাগত যি দক্ষতাৰ পৰিচয় দিলে সেইবোৰৰ ওপৰত ভিত্তি কৰিয়ে ৰাইজে এইবাৰ নতুন মুখ্যমন্ত্ৰীৰ পৰা আশা বেছিকৈ কৰিছে। কৰাটো অস্বাভাৱিক কথা নহয়। ৰাজ্যবাসী এটা কথাত নিশ্চিত যে ড° শৰ্মাই একমাত্ৰ মন্ত্ৰী আছিল— যিয়ে বিগত ডেৰ দশকত ৰাজ্যৰ কে'বাটাও বিভাগৰ ছবিখন সলনি কৰিবলৈ সক্ষম হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা আৰম্ভ কৰি ৰাজ্যৰ বিভিন্ন ঠাইত স্থাপন হোৱা চিকিৎসা মহাবিদ্যালয়, চিকিৎসালয়, ক'ভিড চিকিৎসা কেন্দ্ৰ আদিত বিগত সময়ছোৱাত প্ৰায়

উপস্থিত হৈ চিকিৎসক, চিকিৎসাকৰ্মী, কৰ্মচাৰীসকলক যিদৰে উৎসাহিত কৰিছে সেয়া তুলনাবিহীন। বিগত বৰ্ষত যিসময়ত দেশৰ আন ৰাজ্যত ক'ভিড-১৯ৰ পৰিস্থিতিয়ে ভয়াৱহ ৰূপ লৈছিল অসমত তেনে জটিল অৱস্থাৰ সৃষ্টি নোহোৱাৰ মূলতে আছিল স্বাস্থ্যমন্ত্ৰী ড° শৰ্মা। সেয়েহে এইবাৰ ৰাইজে মুখ্যমন্ত্ৰীৰ পৰা এনে পদক্ষেপ বিচাৰিব— যাৰ দ্বাৰা সকলোৱে সুৰক্ষিত অনুভৱ কৰে আৰু শংকামুক্ত হ'ব পাৰে।

নিৰ্বাচনী প্ৰচাৰৰ সময়ত মহিলাসকলক দিয়া মাইক্ৰ'ফাইনেন্সৰ ঋণ মাফৰ প্ৰতিশ্ৰুতি নতুন মুখ্যমন্ত্ৰীয়ে কেনেদৰে পূৰণ কৰে সেয়া লক্ষণীয় বিষয় হ'ব। কাৰণ অসমৰ গ্ৰামাঞ্চলত কাঠফুলাৰ দৰে গঢ়ি উঠা মাইক্ৰ'ফাইনেন্স কোম্পানীসমূহে মহিলাসকলক হাতোৰাৰে যিদৰে চেপিছে তাৰ ফলত বহুতো পৰিয়ালৰ অৱস্থা শোচনীয় হৈ পৰিছে। আনকি আত্মহত্যাৰ দৰে ঘটনাও সংঘটিত হৈছে। এনেধৰণৰ ঋণৰ পৰা মুক্তি লাভৰ আশাতেই বহুতেই বিজেপি তথা মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোটদান কৰিছে। আগন্তুক পাঁচ বছৰৰ ভিতৰত এই ঋণ ৰেহাই প্ৰক্ৰিয়াটো কেনেদৰে আগুৱাই নি মহিলাসকলৰ মনত থকা বিশ্বাস ৰক্ষা কৰিব পাৰিব তাৰ ওপৰতো ৰাজ্যবাসীৰ দৃষ্টি নিবদ্ধ থাকিব। ক'ৰণাকালত এনেয়ে বহুতো পৰিয়ালৰ আৰ্থিক অৱস্থা শোচনীয় হৈ পৰিছে। গতিকে কিছু পৰিমাণে হ'লেও যদি এনে ঋণৰ পৰা মুক্তি লাভ কৰিব পাৰে তেতিয়াও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইসকল পৰিয়ালৰ পৰা সহযোগিতা লাভ কৰিব পাৰিব। পিছে লাখ লাখ টকাৰ মাইক্ৰ'ফাইনেন্সৰ ঋণ পৰিশোধ বা মাফ কৰি দিয়াটোও উজু কাম নহ'ব। ইয়াৰ বাবে প্ৰয়োজন হ'ব এখন অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ। কাৰণ কেৱল মাইক্ৰ'ফাইনেন্সেই নহয়, ৰাজ্যৰ আন অৰ্থনৈতিক অৱস্থাৰ পৰা উদ্ধাৰ পাবলৈ হ'লে অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ খুবেই প্ৰয়োজন। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যদিহে অৰ্থনৈতিক উনেদেষ্টা পৰিষদ এখন গঠন কৰিলেহেঁতেন তেনেহ'লে হয়তো আমাৰ আজিৰ অৰ্থনৈতিক ভগ্ন ছবি এখনৰ সৃষ্টি নহ'লহেঁতেন। সেয়েহে নতুন মুখ্যমন্ত্ৰীগৰাকীয়ে নিশ্চয় এইক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব। নহ'লে মাইক্ৰ'ফাইনেন্স আদিৰ ঋণ ৰেহাই বিষয়সমূহ সমাধান কৰাটো নিৰ্বাচনী প্ৰতিশ্ৰুতিত দিয়াৰ দৰে উজু নহ'ব।

আনহাতে 'মামা' হিচাপে নৱপ্ৰজন্মৰ মাজত অধিক জনপ্ৰিয় হোৱা নেতাগৰাকীয়ে মুখ্যমন্ত্ৰীৰ আসনত উপবিষ্ট হোৱা বাবে এতিয়া যুৱক-যুৱতীসকলৰ আশা আৰু বেছিকৈ বৃদ্ধি পালে। যুৱকসকলে 'বুলেট' লাভৰ বাবে কৰা আশা বাস্তৱত ৰূপায়িত হ'ব বুলি অধিক বিশ্বাসী হৈ উঠিছে। যুৱতীসকলেও স্কুটী লাভৰ বাবে কৰা (যিসকল বঞ্চিত) যুঁজখন আৰু অধিক আকৰ্ষণীয় হ'ব। গতিকে এইসকল ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকলক কেনেদৰে সন্তুষ্ট কৰিব পাৰে সেয়াও নতুন মুখ্যমন্ত্ৰীৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ থাকিব। বুলেট-স্কুটী আদি নিদিলেও এইসকল যুৱক-যুৱতীক কেনেদৰে সন্তুষ্ট কৰিব পাৰিব তাৰ বাবেও পৰিকল্পনা যুগুত কৰিব লাগিব।

ৰাজ্যখন ভৰি পৰিছে নিবনুৱা সমস্যাৰে। তাতে আকৌ ভূতৰ ওপৰত দানহ পৰাদি ক'ৰোনা অতিমাৰীৰ বাবে বহুতে চাকৰি হেৰুৱাই দিক্-বিদিক নোপোৱা অৱস্থা হৈছে। এতিয়া আকৌ ক'ৰোনাই অধিক ভয়াৱহ ৰূপ লৈছে। ব্যক্তিগত কোম্পানী আদিত কৰ্মী চাটাই অভিযান চলি আছে। কিছুমানে আকৌ আধা দৰমহাতে কাম কৰিবলগীয়া হৈছে। দিনক দিনে বৃদ্ধি হোৱা শিক্ষিত নিবনুৱাৰ সমস্যা সমাধানৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব সেয়া লক্ষণীয় বিষয় হ'ব। এগৰাকী দক্ষ নেতা হিচাপে জনসাধাৰণৰ স্পন্দন বুজি পোৱা ড° শৰ্মাই যদিহে অহা পাঁচ বছৰৰ ভিতৰত অৰ্ধেক শিক্ষিত নিবনুৱাকো কৰ্মসংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব পাৰে তেনেহ'লে পৰৱৰ্তী নিৰ্বাচনৰ সময়ত যুৱ প্ৰজন্মই আৰু অধিক আঁকোৱালি ল'ব। ৰাজ্য এখনৰ সৰ্বাংগীণ উন্নয়ন নিৰ্ভৰ কৰে যুৱশক্তিৰ ওপৰত। গতিকে যুৱশক্তিক উৎসাহিত কৰা আৰু উপযুক্ত কৰ্মসংস্থাপনৰ বাবে এখন ক্ষেত্ৰ তৈয়াৰ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিশ্চয় পদক্ষেপ গ্ৰহণ কৰিব। এগৰাকী সুদক্ষ নেতা হিচাপে ছাত্ৰ অৱস্থাৰ পৰাই যিবোৰ কাম সফলভাৱে কৰি আহিছে তাৰ ওপৰত ভিত্তি কৰিয়ে অসমৰ ৰাইজে এইবাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা আশা কৰাতকৈও এশগুণ বেছি আশা কৰিছে— নতুন পৰিকল্পনাৰে অসমখনক দেশৰ ভিতৰতে সৰ্বশ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত কৰিবলৈ।

# নতুন চৰকাৰৰ দায়িত্ব আৰু পদক্ষেপ কি হোৱা উচিত

প্ৰতিগৰাকী ভোটাৰে জনপ্ৰতিনিধি নিৰ্বাচিত কৰে বহুতো আশা বুকুত বান্ধি। কোনোবাই যদি দেশ বা ৰাজ্যৰ মংগলৰ বাবে কাম কৰিবলৈ এজন উপযুক্ত প্ৰতিনিধি নিৰ্বাচিত কৰে, আন এজনে আকৌ উন্নয়ন, নিবনুৱা সমস্যা সমাধান, অন্ন-বস্ত্ৰ-বাসস্থানৰ আশা, আঁচনিৰ জৰিয়তে উপকৃত হোৱাৰ আশাবোৰক বাস্তৱত ৰূপায়িত কৰিবলৈ ভোটাধিকাৰ সাব্যস্ত কৰে। প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে ভোটাধিকাৰ সাব্যস্ত কৰে সংবিধানপ্ৰদত্ত অধিকাৰসমূহ বাস্তৱত ৰূপায়িত হ'বলৈ। কেতিয়াবা পূৰ্বৰ আধৰুৱা কামবোৰ সম্পূৰ্ণ কৰিবলৈ আৰু আন কেতিয়াবা নতুন পৰিকল্পনাবোৰে যাতে বাস্তৱত ৰূপায়িত হয় তাৰ বাবেই নিৰ্বাচিত কৰে জনপ্ৰতিনিধি। গণতান্ত্ৰিক ব্যৱস্থাত প্ৰতিগৰাকী জনপ্ৰতিনিধিৰে ৰাইজৰ আশা-আকাংক্ষাবোৰক বাস্তৱত ৰূপায়িত কৰাটো প্ৰধান কৰ্তব্য। একেৰাহে দুবাৰ সুযোগ দিয়াৰ অৰ্থ হ'ল পূৰ্বৰ কৰ্মৰাজিৰ ওপৰত থকা বিশ্বাস। জনপ্ৰতিনিধিয়ে বিশ্বাস ভংগ কৰা মানেই পৰৱৰ্তী সময়ত ইয়াৰ প্ৰত্যুত্তৰ লাভ কৰাটো নিশ্চিত। জনসাধাৰণেই যিহেতু চৰকাৰ

এখনৰ জনপ্ৰতিনিধি নিৰ্বাচিত কৰাৰ প্ৰধান ইন্ধন, সেয়েহে ৰাইজৰ আশা-আকাংক্ষাবোৰ পূৰণ কৰিবই লাগিব। তদুপৰি দেশ বা ৰাজ্য এখনৰ সৰ্বাংগীণ উন্নয়নৰ সমান্তৰালভাৱে জনসাধাৰণৰ সমস্যাসমূহ সমাধান কৰাটো জনপ্ৰতিনিধিৰ অন্যতম কৰ্তব্য।

অসমত এখন নতুন চৰকাৰ নিৰ্বাচিত হ'ল। মিত্ৰজোঁটৰ চৰকাৰখনক ৰাইজে আৰু পাঁচ বছৰৰ বাবে শাসনভাৰ চলাবলৈ দায়িত্ব অৰ্পণ কৰিলে। সাধাৰণতে এটা দল বা জোঁটক একেৰাহে দ্বিতীয়বাৰৰ বাবে শাসনৰ বাঘজৰীডাল অৰ্পণ কৰাৰ আঁৰত থাকে চৰকাৰখনৰ কাম-কাজ তথা সিদ্ধান্তৰ ওপৰত অগাধ বিশ্বাস। নতুন চৰকাৰখনৰ পৰা ৰাইজে কেনেধৰণৰ কাম বিচাৰিছে সেয়া নৱনিৰ্বাচিত জনপ্ৰতিনিধিসকলে নিশ্চয় বুজিব পাৰিছে। সেইবোৰ এতিয়া বাস্তৱত ৰূপায়িত কৰিবলৈ নতুন চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

বিগত এবছৰত ক'ভিড-সৃষ্ট পৰিৱেশৰ মাজতো সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনে ৰাইজক যি সহায়-সহযোগিতা আগবঢ়ালে তাৰ প্ৰতিদান চৰকাৰখনে ৰাইজৰ পৰা নিশ্চয় লাভ কৰিলে। যিসময়ত দেশৰ অন্য ৰাজ্যত ক'ভিড- ১৯ত আক্ৰান্ত হৈ শ শ লোক দৈনিক মৃত্যুমুখত পৰিছিল সেই সময়তো অসমত এই হাৰ যথেষ্ট কম আছিল। স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহৰ্নিশে গ্ৰহণ কৰা পদক্ষেপ আৰু প্ৰচেষ্টাৰ বাবে যে অসমত প্ৰথম পৰ্যায়ৰ ঢৌৱে বিশেষ প্ৰভাৱ পেলাব পৰা নাছিল সেয়া সকলোৱে একমুখে স্বীকাৰ কৰিছে। পিছে এইবাৰৰ পৰিস্থিতি বেলেগ। এতিয়া অসমত ক'ভিডৰ সংক্ৰমণে ভয়াৱহ ৰূপ লৈছে। ইতিমধ্যে শতাধিক লোকে প্ৰাণ হেৰুৱাইছে। কমবয়সীয়া লোকো এইবাৰ বেছিকৈ আক্ৰান্ত হোৱাটোৱে সকলোকে চিন্তান্বিত কৰিছে। সেইবাবে নতুন চৰকাৰখনে ৰাইজক এইক্ষেত্ৰত শংকামুক্ত কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰক। স্বাস্থ্যমন্ত্ৰীয়ে ইতিমধ্যে ঘোষণা কৰিছে যে গুৱাহাটী মহানগৰীত যিকোনো মুহূৰ্ততে ৰোগীৰ বাবে বিছনাৰ নাটনি হ'ব। জনসাধাৰণৰ আশা চৰকাৰেই। এইবাৰ নতুন চৰকাৰখনে স্বাস্থ্যখণ্ডত অধিক গুৰুত্ব প্ৰদান কৰক। কাৰণ দেশত বা ৰাজ্যত মঠ-মন্দিৰ-মছজিদতকৈ চিকিৎসালয়ৰ প্ৰয়োজন বেছি হৈছে। বিশেষকৈ ক'ৰোনাৰ

সংক্ৰমণে পূৰ্বৰ ধাৰণা বা পৰিকল্পনা সলনি কৰিবলৈ সকীয়াই দিছে। আমাক মন্দিৰ, মছজিদ, গিৰ্জা, সত্ৰও লাগিব। কিন্তু ক'ৰোনাই সৃষ্টি কৰা পৰিস্থিতিয়ে এটা কথা স্পষ্ট কৰি দিছে যে ধৰ্মীয় অনুষ্ঠানসমূহতকৈ চিকিৎসালয়ৰ গুৰুত্ব অধিক বুলি জনসাধাৰণে উপলব্ধি কৰিছে। প্ৰথমে জীৱন ৰক্ষা আৰু তাৰ পাছতহে ধৰ্মীয় চৰ্চা। অসমত কিছুবছৰ আগলৈকে মেলেৰিয়া, এন্‌কেফেলাইটিছ আদি ৰোগে ভয়াৱহ ৰূপ ধাৰণ কৰিছিল। এতিয়া সেইবোৰ ৰোগ বহু পৰিমাণে নিয়ন্ত্ৰিত হৈছে স্বাস্থ্য বিভাগৰ উপযুক্ত পদক্ষেপৰ বাবে। ক'ৰোনাৰ সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰতো চৰকাৰে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰক।

নতুন চৰকাৰখনে এইবাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শৈক্ষিক ক্ষেত্ৰখনতো নতুন পৰিকল্পনা গ্ৰহণ কৰিব লাগিব। কাৰণ ক'ভিড-সৃষ্ট পৰিস্থিতিয়ে বিদ্যালয়লৈ যোৱাৰ পৰিৱেশ নোহোৱা কৰিছে। ইতিমধ্যে শিক্ষা গ্ৰহণ কৰা-নকৰাৰ মাজেৰেই ছাত্ৰ-ছাত্ৰীয়ে এটা বৰ্ষ অতিক্ৰম কৰিলে। শিশুসকলে জীৱনৰ শৈক্ষিক ক্ষেত্ৰখনৰ প্ৰথম খোজতে প্ৰত্যাহ্বানৰ সন্মুখীন হ'ল। গতিকে এইসকল ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কথা ভাবিয়েই নতুন চৰকাৰখনে উপযুক্ত শিক্ষানীতি, শিক্ষাপদ্ধতি গ্ৰহণ কৰিব লাগিব। নহ'লে এইসকল শিশুক ভৱিষ্যতে সুনাগৰিক হিচাপে গঢ় দিয়াটো সম্ভৱ নহ'ব। এইখিনিতে উল্লেখ কৰিব লাগিব যে এখন ৰাজ্য বা দেশৰ সৰ্বাংগীণ উন্নয়ন নিৰ্ভৰ কৰে যুৱশক্তিৰ ওপৰত। যদিহে শিশুসকলে শৈশৱৰেপৰা উপযুক্ত শিক্ষা লাভ নকৰে তেনেহ'লে যুৱ অৱস্থাত দেশ বা ৰাজ্যখনৰ বিকাশৰ বাবে চিন্তা কৰিব নোৱাৰিব। যিহেতু ক'ৰোনাক এই পৃথিৱীৰ পৰা বিদায় দিয়াটো বৰ্তমানলৈকে সম্ভৱ হোৱা নাই, সেয়েহে এনে পৰিস্থিতিৰ স'তে সহাৱস্থান কৰিয়েই আগুৱাই যাব পৰাকৈ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰক।

তলাবন্ধৰ দৰে হোৱা পৰিস্থিতিৰ মাজত ক্ষুদ্ৰ ব্যৱসায়ীৰ পৰা আৰম্ভ কৰি কৃষকলৈ সকলোবোৰ লোকে যাতে জীয়াই থকাৰ বাবে পথৰ সন্ধান কৰিব পাৰে তাৰ ওপৰতো গুৰুত্ব দিব লাগিব। কৃষকৰ উৎপাদিত ফচল উপযুক্তভাৱে যাতে বজাৰলৈ যাব পাৰে আৰু তেওঁলোকে উচিত মূল্য লাভ কৰে তাৰ বাবেও চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ক্ষুদ্ৰ ব্যৱসায়ীসকলেও যাতে তেওঁলোকৰ ব্যৱসায় চলাই নিব পাৰে তাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিব

লাগিব। আংশিক তলাবন্ধ দিলেও যে এওঁলোকৰ ওপৰত প্ৰভাৱ পৰিব সেই বিষয়সমূহো নতুন চৰকাৰখনে নাভাবিলে বহুতৰ জীৱন-জীৱিকাৰ প্ৰতি চৰম ভাবুকি আহি পৰিব।

ৰাজ্যৰ সৰ্বাংগীণ বিকাশৰ বাবে যিবোৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে তাৰ ওপৰত গুৰুত্ব দিবই লাগিব। জনসাধাৰণে যি বিশ্বাসেৰে জনপ্ৰতিনিধিসকলক নিৰ্বাচিত কৰিলে সেই বিশ্বাস নিশ্চয় অটুট ৰাখিব। চৰকাৰে নিবনুৱা সমস্যাও সমাধান কৰিব লাগিব আৰু ক'ভিডৰ বিৰুদ্ধেও যুঁজখন অব্যাহত ৰাখিব লাগিব। সমালোচনাবোৰক ইতিবাচক দৃষ্টিভংগীৰে বিশ্লেষণ কৰি সেয়া জনগণৰ উন্নতিৰ বাবে বাস্তৱায়িত কৰক। ভুকুতে কলটো নপকে। তথাপি সাম্প্ৰতিক পৰিস্থিতিত দ্ৰুত পদক্ষেপ আৰু উন্নয়নৰ অতিকৈ প্ৰয়োজন হৈছে।

# দিল্লীত ক'ৰোনাৰ সমানেই আতংক বঢ়াইছে অক্সিজেন-ঔষধৰ নাটনিৰ

সমগ্ৰ দেশতে এতিয়া ক'ৰোনাতংক। ক'ভিড- ১৯ৰ দ্বিতীয় লহৰক লৈ দেশবাসী আতংকিত হোৱাত সকলোৱে ইয়াৰ পৰা পৰিত্ৰাণৰ উপায় বিচাৰিছে। ক'ভিডৰ দ্বিতীয় লহৰে সকলো বয়সৰ লোককে কোবাই গৈছে। ইয়াৰ ভয়াৱহ ৰূপত তচ্‌নচ্‌ দেশবাসী। এতিয়া মৃত্যুৰ কিৰীলি দেখি কঠোৰ হৃদয়ৰ লোকেও কান্দিছে। দেশৰ প্ৰতিখন ৰাজ্যকে ক'ভিড- ১৯ৰ কোবাল ঢৌৱে স্পৰ্শ কৰিলেও দিল্লী, মহাৰাষ্ট্ৰ আদিত যি অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি যে হৈছে সেয়া স্বচক্ষে প্ৰত্যক্ষ নকৰাজনে হয়তো অনুমানেই কৰিব নোৱাৰিব। বহুতো ৰোগীয়ে ঔষধ আৰু অক্সিজেনৰ বাবে হাস্পতালৰ বাহিৰতে ছট্‌ফটাই থাকিবলগীয়া হৈছে। ইয়াৰ মাজতে এটা শ্ৰেণীয়ে ক'ভিডক লৈ আৰম্ভ কৰা ব্যৱসায়ৰ কথা জানিলে সকলোৰে চকু কপালত উঠিব। এটা পাঁচ হাজাৰ টকীয়া চিলিণ্ডাৰ পঞ্চাশ হাজাৰ টকাত ৰোগীৰ পৰিয়ালে ক্ৰয় কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। বহুতো ৰোগীয়ে হাস্পতালৰ বাৰাণ্ডালৈকে যাবলৈ সক্ষম হোৱা নাই। দীঘলীয়া শাৰী পাতিও ঔষধ আৰু চিলিণ্ডাৰ নোপোৱা লোকৰ সংখ্যা কম নহ'ব।

দিল্লীত সৃষ্টি হোৱা অভাৱনীয় পৰিস্থিতিৰ মাজতে এজন নিকটাত্মীয়ক লৈ দিল্লীৰ চিকিৎসালয় এখনলৈ যাবলগীয়া হোৱাত কেইদিনমান তাত

থাকি যি পৰিস্থিতি প্ৰত্যক্ষ কৰিলো সেয়া সকলোৰে বাবে সহ্য কৰাটো সম্ভৱ নহয়। ক'ভিডত আক্ৰান্ত আত্মীয়জনক এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ পাছতো এসপ্তাহে পোৱা নগ'ল আই চি ইউত বেড এখন। এটা অক্সিজেন চিলিণ্ডাৰৰ বাবেও সকলোকে ফোন কৰিবলগীয়া হৈছে। দিল্লীৰ চিকিৎসালয়ত ৰোগীয়ে বিছনাখন পোৱাটোৱে এতিয়া ৰোগীৰ লগতে পৰিয়ালৰ বাবে সৌভাগ্য বুলি ক'ব লাগিব। ৰোগীয়ে হাস্পতালত বিছনা পোৱাৰ পৰিৱৰ্তে পথতে অক্সিজেন লৈ সংগ্ৰাম কৰিবলগীয়া হৈছে। এতিয়া এনে এক পৰিৱেশৰ মাজত সকলোৱে বিচাৰিছে অক্সিজেন চিলিণ্ডাৰ। অক্সিজেনৰ বাবে যি হাঁহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে সেয়া জীৱনত প্ৰথমবাৰৰ বাবে প্ৰত্যক্ষ কৰিলো। পিছে ইয়াৰ মাজতে একাংশই অপ্ৰয়োজনীয়ভাৱে অক্সিজেনৰ চিলিণ্ডাৰৰ বাবে ঠেলা-হেঁচা কৰি আছে। কাৰণ বিশেষজ্ঞসকলে বাৰে বাৰে ৰাইজক সজাগ হ'বলৈ আহ্বান জনাইছে। লগতে কৈছে সকলোৰে বাবে অক্সিজেনৰ প্ৰয়োজন নাই। কিছুমান ৰোগীকহে এই জীৱনদায়িনীৰ প্ৰয়োজন। তৎসত্ত্বেও বহুতেই চিলিণ্ডাৰ বেছি দামত কিনি মজুত ৰাখিছে। ক'লা বজাৰত অধিক দামত অক্সিজেন চিলিণ্ডাৰ বিক্ৰীৰ বাবেও একাংশই এনে এক আতংক ৰাইজৰ মাজত সুমুৱাই দিছে যে ক'ভিড- ১৯ত আক্ৰান্ত মানেই অক্সিজেনৰ প্ৰয়োজন।

ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বাবে হোৱা দীঘলীয়া শাৰী দেখিছো। আন্তৰ্জাতিক ক্ৰিকেট খেলৰ টিকটৰ বাবেও নিশাৰে পৰা শাৰী পাতি থিয় হোৱা লোকৰ ছবি সকলোৱে প্ৰত্যক্ষ কৰিছো। দিল্লীত অক্সিজেন চিলিণ্ডাৰ ৰিফিলিঙৰ বাবে খালী চিলিণ্ডাৰ লৈ দীঘলীয়া শাৰীত থিয় হৈছে হেজাৰ হেজাৰ লোক। ছয়-সাত ঘণ্টা শাৰীত থিয় হৈয়ে যে তেওঁলোকে অক্সিজেন ৰিফিল সংগ্ৰহ কৰিব পাৰিব সেয়াও নিশ্চিত নহয়। দীঘলীয়া সময় ৰ'দ-বৰষুণৰ মাজত থাকিও যে পাব সেয়া নিশ্চিত নহয় বুলি জানিও এনে কৰিছে কেৱল জীয়াই থকাৰ তাড়নাত। আত্মীয়সকলৰ জীৱন ৰক্ষা কৰিবলৈ এনে কষ্টক কষ্ট বুলিয়েই নাভাবে। এনেদৰে থিয় হোৱা লোকসকলৰ প্ৰায়সংখ্যকেই আকৌ সলনা-সলনিকৈ থিয় দিয়াও প্ৰত্যক্ষ কৰিছো।

দিল্লীৰ চৰকাৰী বা বেচৰকাৰী সকলো চিকিৎসালয়ত যি পৰিস্থিতিৰ

সৃষ্টি হৈছে সেয়া কল্পনাতীত। ৰোগীৰ পৰিয়ালৰ লোকে ঔষধ, খাদ্য আদি লৈ চিকিৎসালয়ৰ বাহিৰত দীৰ্ঘ সময় অপেক্ষা কৰিবলগীয়া হৈছে। কাৰণ ভিতৰত ৰোগীৰ সংখ্যা সমানেই বেছি যে শুশ্ৰূষা কৰিবলৈকে উপযুক্ত লোকৰ অভাৱ। বহুতেই আনকি খাদ্যখিনি দিব নোৱাৰি চিকিৎসালয়ৰ বাহিৰতেই অশ্ৰুসিক্ত নয়নেৰে থাকিবলগীয়া হৈছে। প্ৰত্যেকে আত্মীয়ৰ অৱস্থাৰ বিষয়ে জানিবলৈ বাহিৰত, পথৰ ওপৰত বোন্দাপৰ দিবলগীয়া হোৱাটোৱে প্ৰমাণ কৰে এতিয়া দেশৰ ৰাজধানী চহৰখনত কেনেধৰণৰ পৰিস্থতিৰ উদ্ভৱ হৈছে। সকলোৱে এতিয়া চিকিৎসকক ভগৱান জ্ঞান কৰিছে। ইয়াৰ মাজতে আকৌ একাংশই চিকিৎসক, চিকিৎসাকৰ্মী, চিকিৎসালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে কুৎসা ৰটনাত ব্যস্ত হৈছে। এয়া অশুভ সংকেত।

দিল্লীত এতিয়া চিকিৎসালয়ত বিছনা নাই। নাই পৰ্যাপ্ত ঔষধ। অক্সিজেনৰ নাটনিৰ কথা ক'বই নালাগে। ফাৰ্মাচীবোৰত ঔষধৰ বাবে দীঘলীয়া শাৰী পাতিছে— জানোচা ঔষধ পায়েই। পাঁচ হাজাৰ টকীয়া অক্সিজেন চিলিণ্ডাৰ এটাৰ দাম পঞ্চাশ হাজাৰ টকা হৈছে। একো একোটা ৰেমডেছিভিৰ মূল্য আনকি পঁচিশ হাজাৰ টকা হৈছেগৈ। চৰকাৰী চিকিৎসালয়ৰ কথাতো বাদেই— নাৰ্ছিংহোমতো এনে প্ৰতিষেধকৰ নাটনি। ইয়াৰ বিপৰীতে অসমত এনে পৰিস্থিতিৰ এতিয়াও উদ্ভৱ হোৱা নাই। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ পৰা প্ৰয়োজনত যিকোনো চিকিৎসালয়ে বা ৰোগীয়ে ৰেমডিচিভিৰ বেজী ১৫৬০ টকাতে ক্ৰয় কৰিব পাৰে। তদুপৰি চিকিৎসালয়তো বিছনা সাজু হৈ আছে। অসমৰ চৰকাৰী চিকিৎসালয়সমূহত অক্সিজেনৰ পৰা আৰম্ভ কৰি বিছনা, ঔষধ আদি সকলো সাজু। গতিকে অসমৰ ৰাইজে হাঁহাকাৰ অৱস্থাৰ সৃষ্টি কৰাৰ নিশ্চয় প্ৰয়োজন নাই।

দিল্লী, মহাৰাষ্ট্ৰ আদিত একাংশ লোকে মুনাফা লাভৰ বাবে ৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰিছে। সেইবাবে বহুতো অক্সিজেন চিলিণ্ডাৰ আজি ক্ৰয় কৰি মজুত ৰাখিছে। কিছুমানৰ প্ৰয়োজন নোহোৱা সত্বেও আতংকিত হৈ এনে কৰাৰ ফলতো নিশ্চয় ঔষধৰ পৰা আৰম্ভ কৰি অক্সিজেনলৈকে সকলো নাটনি হৈছে। চৰকাৰে এইবোৰ দিশত গুৰুত্ব প্ৰদান কৰা উচিত। সকলোৱে প্ৰয়োজনীয় ব্যক্তিক সহায়ৰ হাত আগবঢ়াওক।

# সাহসেৰে ক'ৰোনাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হওক

ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই মানৱ জাতিয়ে প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে। সময়ৰ পৰিৱৰ্তন আৰু মানুহৰ বোধশক্তিৰ উন্নতিৰ সমান্তৰালভাৱে বিজ্ঞানে উন্নতিৰ জখলাৰ শীৰ্ষস্থানত উপনীত হোৱা বুলি বিজ্ঞানীসকলে দাবী কৰিছে। সাগৰৰ তলিত মাণিক বুটলাৰ পৰা আৰম্ভ কৰি হিমালয়ৰ সু-উচ্চ শৃংগলৈকে সকলোতে বিজ্ঞানৰ চমক। মানৱ শৰীৰৰ প্ৰতিটো অংগ-প্ৰত্যংগ বাহনৰ সঁজুলিৰ দৰে খুলিব পৰাকৈ বিজ্ঞানে চিকিৎসাশাস্ত্ৰৰ উন্নতি সাধন কৰি আহিছে। প্ৰকৃতিৰ ধ্বংসযজ্ঞৰ পৰা মানৱ জাতিক উদ্ধাৰ কৰিবলৈ বিজ্ঞানীসকলে অহৰ্নিশে ব্যস্ত হৈ আছে। চিকিৎসাশাস্ত্ৰত অভূতপূৰ্ব সাফল্য লাভ কৰা বুলি গৱেষক বিজ্ঞানীসকলে দাবী কৰাৰ সময়তে অতিসম্প্ৰতি ক'ভিড-১৯ অতিমাৰীয়ে সমগ্ৰ বিশ্বক ঢোকে ঢোকে পানী খুৱাইছে। বিজ্ঞানীসকলৰ বাবে প্ৰত্যাহ্বান হিচাপে থিয় দিছে ক'ভিড-৯ৰ সংক্ৰমণ। অতিমাৰী ক'ৰোনাৰ আক্ৰমণৰ প্ৰতিৰোধী ব্যৱস্থা হিচাপে গৱেষক তথা

বিজ্ঞানীসকলে গৱেষণা কৰি প্ৰতিষেধক প্ৰস্তুত কৰিছে। ইয়াৰ পাছতো ক'ভিডৰ দ্বিতীয় লহৰে বিশ্ববাসীক শংকিত কৰিছে। অৰ্থাৎ মানৱ জাতিয়ে যিমানেই উন্নতিৰ শিখৰত উপনীত হোৱা বুলি দাবী নকৰক কিয়— প্ৰকৃতিক আজিও সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰিব পৰা নাই।

এতিয়া সকলো প্ৰত্যাহ্বান নেওচি মানৱ জাতিয়ে আগুৱাই যাব লাগিব। সন্মুখত নৈ থাকিলে যদি নৈখনত দলং নাথাকে তেতিয়া পাৰ হ'বলৈ হয় নাও নতুবা সাঁতুৰি পাৰ হোৱাৰ বাহিৰে আন বিকল্প নথকাৰ দৰে এতিয়া মানৱ জাতিয়ে সন্মুখত সৃষ্টি হোৱা প্ৰত্যাহ্বানৰ বাবে হয় প্ৰতিষেধক ল'ব লাগিব নতুবা সাৱধানতা অৱলম্বন কৰিবই লাগিব। ইয়াৰ পৰিৱৰ্তে আতংকিত হোৱাৰ কোনো কাৰণ নাই। যিমানেই আতংকিত পৰিৱেশৰ সৃষ্টি হ'ব— সিমানেই সকলোৰে ক্ষতি হ'ব। এতিয়া সকলোৱে এনে পৰিৱেশৰ স'তে সহাৱস্থান কৰিয়ে নিজৰ নিজৰ কৰ্তব্য পালন কৰিব লাগিব। নহ'লে উন্নয়নৰ গতি স্তব্ধ হৈ পৰিব। উন্নয়নৰ গতি স্তব্ধ মানে নিবনুৱাৰ সমস্যাই জটিল ৰূপ ধাৰণ কৰা। নিবনুৱা বৃদ্ধি মানে ইয়াৰ বোজা বহন কৰিব লাগিব চৰকাৰে। চৰকাৰে যদি কৰ্মক্ষেত্ৰৰ সৃষ্টি কৰিব নোৱাৰে তেতিয়া বিনিয়োগ কৰিবলৈ কোনোৱে আগবাঢ়ি নাহিব। এনে হ'লে শিক্ষাখণ্ডৰ পৰা আৰম্ভ কৰি স্বাস্থ্যখণ্ড আদি সকলো ক্ষেত্ৰতে বিনিয়োগ নহ'ব। তেতিয়া দেশৰ ভৱিষ্যৎ অন্ধকাৰৰ দিশে আগবাঢ়িব।

দেশৰ ভৱিষ্যতৰ লগতে নিজৰ সুৰক্ষা নিশ্চিত কৰিবলৈ হাঁহাকাৰ অৱস্থাৰ সৃষ্টি কৰাতকৈ সুস্থ পৰিৱেশৰ মাজেৰে সমস্যাৰ সমাধান কৰিবলৈহে সকলোৱে আগবাঢ়ি অহা উচিত। এতিয়া সমালোচনা কৰাৰ সময় নহয়। যি হ'বলগীয়া আছিল হৈ গ'ল। যি নাছিল তাকে লৈ চৰ্চা কৰি থাকিও লাভ নাই। আগতে যি নাছিল সেয়া এতিয়াও কৰিব পাৰি। ভৱিষ্যতে নহ'ব যে তাৰ কোনো কাৰণ নাই। এতিয়াও আমি পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলৈ কি কি কৰিব পাৰি আৰু কৰিব লাগে তাক লৈহে চৰ্চা হোৱা উচিত। দেশত যিধৰণৰ পৰিস্থিতিৰ সৃষ্টি হৈছে তেনে পৰিস্থিতি দুই-এদিনতে চম্ভালাটো কোনো চৰকাৰৰ পক্ষে সম্ভৱ নহয়। হঠাতে উদ্ভৱ হোৱা পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলৈ চৰকাৰ সাজু থাকিব লাগে। কিন্তু এইবাৰ যিধৰণৰ

পৰিস্থিতিৰ সৃষ্টি হৈছে সেয়া নিয়ন্ত্ৰণ কৰাটো কোনো চৰকাৰৰ বাবে সম্ভৱ নহয়। বিশেষকৈ ভাৰতত ১৩৫ কোটিৰো অধিক জনসংখ্যা আছে। সৰু সৰু দেশ বা জনসংখ্যা কম থকা দেশসমূহত নিয়ন্ত্ৰণ কৰাটো সম্ভৱ হৈছে একমাত্ৰ জনসংখ্যা কম থকাৰ বাবেহে। গতিকে সেইবোৰ দেশৰ স'তে ভাৰতৰ পৰিস্থিতি তুলনা কৰিলে নহ'ব।

প্ৰতিষেধকৰ গুণাগুণ সম্পৰ্কে আলোচনা কৰাৰ পৰিৱৰ্তে সময়মতে ক'ৰোনাৰ প্ৰতিষেধক লোৱাটোহে গুৰুত্বপূৰ্ণ বিষয়। প্ৰতিষেধক লোৱাৰ পাছতো ক'ভিডত আক্ৰান্ত হৈছে। হোৱাটো স্বাভাৱিক কথা। কাৰণ প্ৰতিষেধকে ভাইৰাছৰ আক্ৰমণৰ গতি আৰু মৃত্যুৰ আশংকাহে হ্ৰাস কৰে, আক্ৰান্ত হোৱাৰ পৰা এশ শতাংশ ৰক্ষা কৰিব নোৱাৰে। গতিকে প্ৰতিষেধক সকলোৱে লোৱাৰ বাবে আগবাঢ়ি আহক। আজিয়েই ল'ব লাগিব তেনে নহয়, পৰ্যায়ক্ৰমে ল'লেও সু-ফল পোৱা যাব। আতংক আৰু হাহাকাৰ অৱস্থাৰ সৃষ্টি কৰাৰ পৰিৱৰ্তে সকলোৱে সহযোগিতা আগবঢ়াওক।

# ক'ৰোনাৰ সংক্ৰমণ আৰু কিছু প্ৰাসংগিক চিন্তা

১.

সমগ্ৰ দেশজুৰি আৰম্ভ হৈছে ক'ভিড- ১৯ৰ দ্বিতীয় লহৰ। ২০২০ৰ ফেব্ৰুৱাৰীত দেশজুৰি আৰম্ভ হোৱা তলাবন্ধৰ সময়ত প্ৰতিগৰাকী ব্যক্তিয়ে উপলব্ধি কৰিছিল এইবিধ ৰোগৰ আক্ৰমণ কিমান ভয়াৱহ হ'ব পাৰে। প্ৰথমে প্ৰায়সংখ্যক লোকেই বিশ্ব স্বাস্থ্য সংস্থা আৰু স্বাস্থ্য বিভাগে জনোৱা আহ্বানৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰা নাছিল। সামাজিক দূৰত্ব মানি চলা, সঘনাই হাত চাবোনেৰে ভালদৰে ধোৱা, ছেনিটাইজাৰ ব্যৱহাৰ কৰা আৰু মাস্ক পৰিধান কৰিবলৈ বিশ্ব স্বাস্থ্য সংস্থাই নিৰ্দেশনা জাৰি কৰিছিল। মাস্ক পৰিধানৰ ক্ষেত্ৰত দেখা গ'ল যে বহুতে ব্যৱহাৰ কৰিব নোখোজে। অসমৰ লগতে দেশৰ আন ৰাজ্যত মাস্ক পৰিধান নকৰিলে জৰিমনা বিহাৰ ব্যৱস্থা কৰিলে। যিসকলে ব্যৱহাৰ কৰা নাছিল তেওঁলোকে সদায়েই জৰিমনা বিহাৰ ভয়তে মুখত মাস্ক

পিন্ধিলে। পিছে আন কিছুমান লোকৰ বাবে মাস্কখন হৈ পৰিল ফেশ্বনৰ আহিলা। বহুতে মাস্কখন মুখত পিন্ধাৰ পৰিৱৰ্তে থুঁতৰিত ওলোমালে। আন কিছুমানে ডিঙি, কাণত ওলোমাই থয় জৰিমনা বিহাৰ ভয়তে— ক'ৰোনাৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে নহয়। যেতিয়ালৈকে নিজে আক্ৰান্ত নহয় তেতিয়ালৈকে এইসকল লোকে মাস্ক আদি পৰিধান কৰাৰ গুৰুত্ব কিমান বুজি নাপায়। তদুপৰি তেনে লোকৰ ঘৰৰ কোনো সদস্য ক'ভিডত আক্ৰান্ত হৈ মৃত্যু মুখত পৰা নাই বাবে হয়তো মাস্কখন মুখত পিন্ধাৰ পৰিৱৰ্তে ডিঙিত আঁৰি লয়। এনে মানসিকতাৰ লোকৰ বাবে আনৰো ক্ষতি সাধন হয়। এনেধৰণৰ মানসিকতাৰ লোকে উপলব্ধি কৰিব নোৱাৰে যে ক'ভিডত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিলে পৰিয়ালৰ সদস্য হ'লেও শ্মশানলৈ নিব নোৱাৰে। এনে দৃশ্য কিমান বেদনাদায়ক সেয়া উপলব্ধি কৰিব নোৱাৰাসকলেহে মাস্ক পৰিধান নকৰে।

২.

বজাৰত ভিৰ হোৱাতো স্বাভাৱিক কথা। পিছে ক'ৰোনা প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগে প্ৰতিগৰাকী ব্যক্তিকে ক'ভিডৰ নিয়ম মানি সকলো কাম-কাজ কৰিবলৈ আহ্বান জনায়। সন্মুখত মৃত্যুৰ কিৰীলি দেখিও যেন একাংশ লোক সচেতন হোৱা নাই। বজাৰলৈ গৈ ভিৰ কৰাটোৱে যেন প্ৰায়সংখ্যক লোকৰে স্বভাৱ। ঠেলা-হেঁচা কৰি হ'লেও বজাৰত তেওঁকহে বস্তুখিনি প্ৰথমে বিক্ৰেতাই দিব লাগিব তেনে মনোভাবেৰেই আগবাঢ়ে। বজাৰৰ অন্তিমটো বস্তুহে যেন আনিবলৈ গৈছে তেনে মনোভাবেৰে বহুতো লোক বজাৰলৈ যায়। ইমানৰ পাছতো প্ৰায়সংখ্যক লোকে সামাজিক ব্যৱধান মানিব নোখোজে। মাস্কবিহীনভাৱেই ইজনৰ গাত সিজনে স্পৰ্শ কৰি ঠেলি-হেঁচি বজাৰ কৰি আছে। এওঁলোকক দেখিলে মনত এনে ভাব হয় যেন লোকসকলৰ সামাজিক দায়িত্ববোধৰ অভাৱ। তেওঁলোকক সচেতন ব্যক্তি বুলি ক'ব নোৱাৰি। নিজৰ পৰিয়ালৰ লগতে কণ কণ সন্তানৰ কথাও নাভাবে। কাৰণ বজাৰত ভিৰৰ মাজত থকা মানে কাৰোবাৰ পৰা সংক্ৰমিত হোৱাৰ আশংকা থাকে। লোকজন সংক্ৰমিত হোৱাৰ পাছত ঘৰলৈ গৈ পৰিয়ালৰ

আন সদস্যৰ স'তে মিলা-মিছা কৰা মানে ৰোগবিধ বিয়পোৱা। নিজৰ পৰিয়াললৈ পৰোক্ষভাৱে বিপদ মাতি অনাৰ দৰে নহ'বনে বাৰু? গতিকে সকলোৱে যদি সামাজিক ব্যৱধান মানি চলে তেনেহ'লে প্ৰতিগৰাকী ব্যক্তি সুৰক্ষিত হ'ব আৰু ঘৰখনলৈও বিপদ নাহিব। নিজে আক্ৰান্ত নহ'ল বুলিয়ে যে হঠাতে বিপদ নাহিব তেনে কোনো কথা নাই। সকলোৱে ক'ৰোনাৰ সংক্ৰমণ প্ৰতিৰোধ আৰু ক'ভিড- ১৯ৰ দ্বিতীয় লহৰৰ পৰা হাত সাৰিবলৈ সকলোৱে সামাজিক ব্যৱধান ৰক্ষা কৰা উচিত। বজাৰত অযথা ভিৰ কৰাৰ পৰিৱৰ্তে ব্যৱধান ৰক্ষা কৰাৰ ওপৰত সকলোৱে গুৰুত্ব প্ৰদান কৰক।

৩.

ক'ভিড পৰীক্ষা বাধ্যতামূলক কৰা হৈছে। বিশেষকৈ বহিঃৰাজ্যৰ পৰা অহা লোকসকলৰ এই পৰীক্ষা বাধ্যতামূলক কৰা হৈছে। পিছে ৰে'ল ষ্টেচন আদিত বহুতো যাত্ৰীয়ে পৰীক্ষা কৰাৰ পৰিৱৰ্তে বিভিন্ন কৌশলেৰে পলায়নহে কৰিবলৈ লৈছে। ষ্টেচন পোৱাৰ পূৰ্বেই অথবা ৰে'লখন ৰখোৱাৰ পাছতে সকলো যাত্ৰীয়ে একেলগে নমাৰ পাছত সকলোৰে ওপৰত চকু দিয়াটোও নিৰাপত্তাৰক্ষীৰ বাবে সহজ নহয়। ইয়াৰে সুযোগ লৈ বহুতো যাত্ৰীয়ে ষ্টেচনত পৰীক্ষা নকৰাকৈয়ে পলায়ন কৰি আছে। ফলত এনে লোকৰ পৰা ক'ৰোনা সংক্ৰমণৰ আশংকা বৃদ্ধি পাইছে। এই লোকসকলে বুজি পোৱা উচিত যে তেওঁলোকৰ সামান্য ভুলৰ বাবে লাখ লাখ লোকৰ জীৱনলৈ বিপৰ্যয় নামি আহিব পাৰে। প্ৰাণ হেৰুৱাব পাৰে আপোনজনেও। এনে পৰীক্ষাত পজিটিভ হ'লে হোম কোৱাৰেণ্টাইন হ'বলগীয়া হোৱাৰ ভয়তে বহুতেই ষ্টেচনত পৰীক্ষা নকৰাকৈয়ে পলায়ন কৰিছে। আনকি বিমানকোঠ আদিতো বহুতো লোকে বিভিন্ন কৌশলেৰে পলায়ন কৰিছে। এই লোকসকলে ভাবি চোৱা উচিত যে এনেধৰণৰ পৰীক্ষা সকলোৰে মংগলৰ বাবেই কৰা হৈছে। সন্মুখত বিপদৰ কথা ভাবিয়েই সকলোৱে সহযোগহে কৰিব লাগে। কাৰণ সকলোৱে সজাগ হোৱাৰ লগতে সহযোগিতা আগবঢ়ালেহে ক'ৰোনা প্ৰতিৰোধ অভিযানত সফল হ'ব পাৰিব।

৪.

ক'ৰোনা প্ৰতিৰোধৰ বাবে চৰকাৰে যিবোৰ পদক্ষেপ গ্ৰহণ কৰিছে সেয়া সকলোৱে আদৰণি জনাব লাগে। বিৰোধ কৰা মানে লাখ লাখ লোকৰ জীৱনলৈ চৰম বিপৰ্যয় নামি আহিব। চৰকাৰে প্ৰতিষেধক ল'বলৈকে সকলোকে আহ্বান জনাইছে। নিৰ্দিষ্ট নিয়ম আৰু নিৰ্দেশনাৰ মাজেদি সকলোৱে প্ৰতিষেধক লোৱা উচিত। তদুপৰি সাংস্কৃতিক অনুষ্ঠান, সভা-সমিতি আদি অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত যিবোৰ নিয়ম বান্ধি দিছে সেয়া সকলোৱে আখৰে আখৰে পালন কৰা উচিত। তদুপৰি সকলোৱে মাস্ক পৰিধান কৰা, সামাজিক ব্যৱধান মানি সকলো কাম কৰা উচিত। মনত ৰাখিব জীৱন অমূল্য সম্পদ। এবাৰ হেৰুৱালে কেতিয়াও উভতি নাহে।

# নিৰ্বাচনৰ প্ৰচাৰ, উৎসৱ পালন আৰু ক'ৰোনাৰ দ্বিতীয় লহৰ

এতিয়া চৌদিশে ক'ৰোনা ভাইৰাছৰ দ্বিতীয় লহৰ আৰম্ভ হৈছে। বিগত বৰ্ষৰ আৰম্ভণিৰে পৰাই ক'ভিড- ১৯ৰ আতংকই ত্ৰাসৰ সৃষ্টি কৰাৰ পাছত চৌদিশে সজাগ আৰু সতৰ্কতা সন্দৰ্ভত সকলোৱে আগভাগ লৈছিল। মুখত মাস্ক আৰু ছেনিটাইজ কৰাৰ অভ্যাস প্ৰায়সংখ্যক লোকেই গঢ়ি তুলিছিল। মৃত্যুৰ কিৰীলি দেখি সকলোৱে সতৰ্কতা অৱলম্বন কৰিছিল। কাৰণ সতৰ্কতাৰ বিকল্প নাছিল কাৰোৱে হাতত। মৃত্যুৰ শংকা আৰু চিকিৎসাৰ বিকল্প নথকাৰ বাবে সজাগ-সতৰ্ক হোৱা লোকসকলেই এতিয়া আকৌ সতৰ্কতা অৱলম্বন নকৰা হৈছে। ক'ভিডৰ প্ৰতিষেধক বজাৰত উপলব্ধ হোৱাৰ লগে লগে ক'ভিড-১৯ৰ দ্বিতীয় লহৰকো কেৰেপ নকৰা লোকৰ সংখ্যাই এতিয়া বেছি। বিগত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত আৰম্ভ হোৱা 'তলাবন্ধ'ৰ পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে প্ৰত্যাহাৰ কৰাৰ পাছত মানুহৰ মনত যেন আগতে সৃষ্টি হোৱা ক'ভিড-শংকা নোহোৱা হ'ল। ক'ভিড সম্পৰ্কীয় মৃত্যুৰ আশংকা নোহোৱা হোৱাত এতিয়া চৌদিশে পূৰ্বৰ দৰেই ভিৰ পৰিলক্ষিত হৈছে। ক্ৰীড়াংগণৰ পৰা আৰম্ভ কৰি

সংগীতানুষ্ঠানলৈ, নিৰ্বাচনী প্ৰচাৰৰ পৰা ধৰ্মীয় অনুষ্ঠানলৈকে সকলোতে অভাৱনীয় ভিৰ, দীঘলীয়া শাৰী। কাৰোৰে মুখত নাই মাস্ক, ব্যৱহাৰ নকৰে ছেনিটাইজাৰ।

ক'ৰোনাৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে এতিয়া বিভিন্ন ৰাজ্যত তলাবন্ধ সদৃশ পৰিৱেশৰ সৃষ্টি হৈছে। এতিয়া যিহেতু তলাবন্ধ দিলেও ক'ৰোনাৰ সংক্ৰমণ প্ৰতিৰোধ নহয় বুলি একাংশই মন্তব্য কৰিছে, সেয়েহে তলাবন্ধৰ পৰিৱৰ্তে চৰকাৰে কিছুমান নিয়ম বান্ধি দিছে। মহাৰাষ্ট্ৰত সান্ধ্য আইন জাৰি কৰিছে। দিল্লীতো ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হৈছে। দিল্লী, মহাৰাষ্ট্ৰত নিতৌ ক'ভিডত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি হৈছে, মৃত্যু হোৱা লোকৰ তালিকাখনো দীঘল হৈ আছে। এই সকলোবোৰ ঘটি থকাৰ পাছতো নিৰ্বাচনো অনুষ্ঠিত হৈছে। আৰম্ভ হৈছে কুম্ভমেলা। এইবোৰত মানুহৰ ভিৰ দেখিলে মনত এনে লাগে যেন  ক'ৰোনামুক্ত হৈছে ভাৰতবৰ্ষ। অসমত ক'ৰোনাৰ বাবে বিটিচিৰ নিৰ্বাচন পিছুৱাই দি পাছত অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ পিছতেই আৰম্ভ হ'ল বিধানসভাৰ নিৰ্বাচন। বিগত নিৰ্বাচনৰ সময়ছোৱাত কোনোৱে ক'ৰোনাৰ কথা উল্লেখ কৰা নাছিল। মুখত মাস্ক অবিহনেই হেজাৰ হেজাৰ লোকৰ সমাৱেশ ঘটিছিল। দুই-এজন ৰাজনৈতিক নেতাৰ মুখত মাস্ক দেখিলেও আনবোৰে কোনোধৰণৰ সতৰ্কতা অৱলম্বন কৰা নাছিল। নিৰ্বাচনৰ পাছত আৰম্ভ হ'ল বিহু। ৰঙালী বিহুৰ অনুষ্ঠানতহে যেন ক'ৰোনাই গা কৰি উঠিব। এতিয়া অসমত আকৌ আৰম্ভ হৈছে ক'ৰোনাৰ বিৰুদ্ধে সজাগতা অভিযান। বিহুতলীত মাস্ক পৰিধান কৰিব লাগিব। চৰকাৰে নীতি-নিয়ম বান্ধি দিছে। ফলত প্ৰতিবাদো হ'ল। পিছে এটা কথাহে সাধাৰণ মানুহৰ বোধগম্য হোৱা নাই যে বিহু অনুষ্ঠান আদিৰ সময়তহে ক'ৰোনাৰ সংক্ৰমণ ঘটিব। কিন্তু আন সময়ত কিয় নহয়? আনহাতে, নিৰ্বাচনৰ সময়ত ক'ৰোনাৰ নাম-গোন্ধ নোহোৱাকৈ সকলোৱেই একাকাৰ হ'ল। নিৰ্বাচনৰ পাছতহে যেন আকৌ ক'ৰোনাৰ দ্বিতীয় লহৰ সক্ৰিয় হৈছে। তাৰমানে নিৰ্বাচনৰ সময়ত ক'ৰোনাই ভয়াৱহ ৰূপ লৈছিল নেকি? তদুপৰি যদিহে লৈছিল তেনেহ'লে সংশ্লিষ্ট কৰ্তৃপক্ষই কিয় ৰাইজক সজাগ কৰা নাছিল? এইবোৰ কথাই এতিয়া ৰাইজৰ মনত সৃষ্টি হৈছে। আনহাতে, পশ্চিমবংগত নিৰ্বাচন তুংগত উঠাৰ বাবে সেই

ৰাজ্যত ক'ৰোনাৰ প্ৰসংগ তল পৰি আছে। অথচ পশ্চিমবংগতো বিগত সময়ছোৱাত ক'ভিডে ভয়াৱহ ৰূপ ধাৰণ কৰি কে'বাশ লোকৰ প্ৰাণ কাঢ়ি নিছিল। নিৰ্বাচনৰ ঢৌ উঠাৰ সমান্তৰালভাৱে সেই ৰাজ্যখনতো ক'ৰোনাৰ প্ৰসংগ কোনেও উত্থাপন নকৰা হ'ল। তাৰ মানে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰত ব্যাঘাত জন্মা বা সভাত মানুহৰ উপস্থিতি কম হ'ব বুলি ভাবিয়েই ক'ৰোনাৰ প্ৰসংগ আঁতৰাই ৰাখিছে নেকি? ইপিনে, কুম্ভমেলাতো সমৱেত হৈছে হেজাৰ হেজাৰ লোক। হৰিদ্বাৰত আৰম্ভ হোৱা এই কুম্ভমেলাত হেজাৰ হেজাৰ লোকৰ সমাগম হোৱাটো স্বাভাৱিক কথা। এইবোৰত জানো ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ নহ'ব? এনেবোৰ কথা কোনোবাই ভাবি চাইছে জানো? নিৰ্বাচনৰ ফলাফল ঘোষণা হ'ব, কুম্ভমেলাৰো সামৰণি পৰিব, বিভিন্ন উৎসৱ-পাৰ্বণো সীমিত ৰূপত পালন কৰা হ'ব যদিও ইয়াৰ সমান্তৰালভাৱে ক'ৰোনাৰ সংক্ৰমণ নোহোৱা হ'বনে? তলাবন্ধ, সান্ধ্য আইন আদিৰ জৰিয়তেও জানো ক'ৰোনাৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ সম্ভৱ হ'ব? যদি নহয় তেনেহ'লে সকলোৱে হ'ব লাগিব সতৰ্ক। প্ৰতিগৰাকী ব্যক্তিয়ে যদি সতৰ্ক হয় তেনেহ'লে প্ৰতিৰোধ হ'ব ক'ৰোনাৰ সংক্ৰমণ।

# এগৰাকী নিৰহংকাৰী ব্যক্তি আছিল ৰত্ন ওজা

অসমত বাটৰ নাটৰ বাটকটীয়া ৰত্ন ওজা। অসমৰ কলা-সংস্কৃতিৰ ক্ষেত্ৰখনত দীৰ্ঘদিন ধৰি সেৱা তথা অৱদান আগবঢ়াই আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে গুচি যোৱা ৰত্ন ওজাৰ অসমবাসীলৈ যি অৱদান আছে— তাৰ আজিও উপযুক্তভাৱে মূল্যায়ন হোৱা নাই। অসম চুক্তি অনুসৰি পাঞ্জাবাৰীত নিৰ্মিত কলাক্ষেত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত ওজাই আগভাগ লোৱাৰ কথা সকলোৱে জ্ঞাত। নিঃস্বাৰ্থভাৱে তেওঁ কলাক্ষেত্ৰ নিৰ্মাণৰ স'তে জড়িত আছিল। তদুপৰি বাটৰ নাট আদিৰ জৰিয়তেও যে সমাজ সংস্কাৰ কৰিব পাৰি, তাৰেই নিদৰ্শন দাঙি ধৰিছিল ওজাই। সমাজৰ প্ৰতিটো স্তৰতে ঘটি থকা সৰু সৰু কথা বা বিষয়সমূহ জনসাধাৰণৰ মাজত উপস্থাপন কৰিবলৈ তেওঁ অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে বাটৰ নাট জনপ্ৰিয় কৰিছিল। কুসংস্কাৰ, অন্ধবিশ্বাস, নিচা সেৱনৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে আৰু পাৰিবাৰিক সংঘাত প্ৰতিৰোধ কৰিবলৈ প্ৰচলন কৰা বাটৰ নাটক আজি সমাজৰ প্ৰতিটো স্তৰৰ লোকে গ্ৰহণ কৰিছে।

ৰত্ন ওজা আছিল তেনেই সহজ-সৰল ব্যক্তি। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ স'তে তেওঁ সহজেই মিলি যাব পাৰিছিল। হয়তো সেইবাবেই তেওঁ সকলোৰে মাজত সহজেই খোপনি পুতিবলৈ সক্ষম হৈছিল। কোনোবা এগৰাকী ব্যক্তিয়ে যদি এবাৰ ৰত্ন ওজাক লগ পায়, তেওঁ চিৰজীৱন মনত ৰাখিছিল। ক'ৰবাত লগ পালেই প্ৰথমতে ৰত্ন ওজায়েই আগ বাঢ়ি যায়। কোনোবাই যদি কিবা কথা সুধি পৰামৰ্শ বিচাৰিছিল তেওঁ নিৰাশ কৰা নাছিল। বৰং সকলোকে ওজাই মৰণেৰেহে বুজাই দিছিল। এয়া আছিল তেওঁৰ ব্যক্তিত্বৰ অন্যতম চানেকি। এইখিনিতে উল্লেখ কৰিব লাগিব যে সমাজত সেইসকল ব্যক্তিয়েহে সকলোৰে পৰা মৰম, শ্ৰদ্ধা পায়। কোনোৱে নিজকে শ্ৰদ্ধা কৰিবলৈ আনক বাধ্য কৰাব নোৱাৰে। শ্ৰদ্ধা, ভক্তি আদি বিষয় অন্তৰৰ পৰা সৃষ্টি হোৱা বিষয়। সেয়া ওজাই অন্তৰেৰে উপলব্ধি কৰিব পাৰিছিল। সাহিত্যৰ পৰা আৰম্ভ কৰি সাংস্কৃতিক ক্ষেত্ৰৰ উপৰি আন ক্ষেত্ৰতো তেওঁ যথেষ্ট অৱদান আগ বঢ়াই যোৱা ব্যক্তিজনে যদিও আজি আমাৰ মাজত নাই, তথাপি তেওঁৰ সৃষ্টিৰাজিয়ে সকলোৰে মাজত সজীৱ কৰি ৰাখিছে। অসমৰ বিভিন্ন ঠাইলৈ গৈ ৰত্ন ওজাই মানুহৰ মন বুজিবলৈ চেষ্টা কৰিছিল। অতি ভিতৰুৱা অঞ্চললৈকে গৈ বিভিন্ন ক্ষেত্ৰত আলোচনা কৰিছিল। সেইবাবে মৃত্যুৰ পাছতো ওজাৰ নাম সকলোৰে মনত সজীৱ হৈ আছে। আটাইতকৈ ডাঙৰ কথাটো হ'ল— কেতিয়াও কাকো খং কৰা নাছিল। সদায় মুখত হাঁহিটো বিৰিঙি আছিল। হাঁহিমুখেৰেই সকলোকে সম্ভাষণ জনোৱা ওজাৰ যদি কাৰোবাৰ কামৰ ওপৰত খঙো উঠিছিল তেওঁ নিজৰ খংটো দমাই ৰাখিহে কথোপকথন হৈছিল। আনজনে গমেই নাপাই যে ওজাই তেওঁৰ ওপৰত খৰ্গহস্ত হৈছে। সাধাৰণতে সমাজত এনেধৰণৰ লোকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। সমাজত এনে ব্যক্তিত্বসম্পন্ন লোকৰ খুবেই প্ৰয়োজন।

ৰত্ন ওজাই নিয়মানুৱৰ্তিতা ৰক্ষাৰ ওপৰত সদায় গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ সদায় সময়ৰ কাম সময়মতে কৰিবলৈ চেষ্টা কৰিছিল। কাৰোবাক যদি কিবা কাম কৰিবলৈ দিব বুলি কৈছিল, সেয়া সময়মতে সম্পাদন কৰাটো আছিল ওজাৰ কামৰ নিদৰ্শন। মিছা কথাৰ আশ্ৰয় লোৱাসকলৰ পৰা সদায় সাত খোজ আঁতৰত থকা ওজাক যদি কোনোবাই কামৰ ক্ষেত্ৰত ফাঁকি

দিছিল, তেতিয়া তেওঁৰ স'তে দ্বিতীয়বাৰ কাম কৰাৰ আগ্ৰহ প্ৰকাশ কৰা নাছিল। তদুপৰি তেনে লোকক ওজাই কেতিয়াও তেওঁৰ কামৰ মাজত সোমাবলৈ প্ৰশ্ৰয় দিয়া নাছিল। যদিও তেওঁ কাকো খং কৰা নাছিল, তথাপি সময়মতে কাৰ্য সম্পাদনৰ ক্ষেত্ৰত কোনোবাই গাফিলতি কৰিলে কঠোৰ নোহোৱাকৈ নাছিল।

যিকোনো কামত সন্মুখৰ পৰা নেতৃত্ব দিব পৰা গুণ আছিল ৰত্ন ওজাৰ। সেইবাবে তেওঁৰ নেতৃত্বত কাম কৰাত কাৰো আপত্তি নাছিল। যদি কেতিয়াবা কোনো অনুষ্ঠান বা কামৰ বাবে নেতৃত্ব লোৱা নামটো ৰত্ন ওজা বুলি প্ৰস্তাৱ উত্থাপন কৰে, তেনেহ'লে কোনোবাই ইয়াৰ বিৰোধ কৰা মনত নপৰে। তেওঁৰ মতে বিভিন্ন সামাজিক, সংস্কৃতিক কামত বহু ঠাইলৈ গৈছো। একেলগে কাম কৰিছিলো। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল ৰত্ন ওজাই যিকোনো কামৰ সুপৰিকল্পনা কৰিব পাৰিছিল। যিকোনো কামৰ পৰিকল্পনা ৰচনা কৰাৰ পূৰ্বে ওজাই প্ৰায়ভাগ লোকৰ স'তে বিষয়সমূহ খৰচি মাৰি আলোচনা কৰিছিল।

বক্তা হিচাপে ৰত্ন ওজা আছিল সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু। যিকোনো সাংস্কৃতিক, সামাজিক বিষয়ত তেওঁ সাৱলীলভাৱে বক্তৃতা দিব পাৰিছিল। তেওঁৰ বক্তৃতা আদিত কেতিয়াও পক্ষপাতিত্বমূলক মনোভাব প্ৰকাশ পোৱা নাছিল। তেনে মানসিকতা নথাৰ বাবে যিকোনো সভা-সমিতিত তেওঁৰ ভাষণ শ্ৰোতা ৰাইজে বৰ মনোযোগেৰে শুনিছিল। তদুপৰি তেওঁ যিকোনো বিষয় খৰচি মাৰি অধ্যয়ন কৰিছিল। কোনোবাই যদি নতুন বিষয় তেওঁৰ আগত কয় সেয়া অতি মনোযোগেৰে শুনিছিল। তদুপৰি কিতাপ আদি দিলেও অতি আগ্ৰহেৰে পঢ়িছিল। গতিকে এনে এজন গুণসম্পন্ন লোকক আমি যদি অতি সোনকালে পাহৰি যাওঁ, তেনেহ'লে তেওঁৰ প্ৰতি অকৃতজ্ঞতাহে প্ৰকাশ কৰা হ'ব।

সাহিত্য সৃষ্টিৰ ক্ষেত্ৰতো তেওঁ পিছ পৰি থকা নাছিল। বিশেষকৈ সাংস্কৃতিক বিষয়, শিশুসকলৰ বাবে লিখা সকলোবোৰ লেখনি পাঠকৰ বৰে মনোগ্ৰাহী। তেওঁৰ লেখাসমূহত সূক্ষ্ম বিশ্লেষণত সদায় গুৰুত্ব আৰোপ কৰিছিল। অসমীয়া ভাষা-সাহিত্যলৈ তেওঁ যি বৰঙণি আগবঢ়াই গৈছে তাৰ বাবে চিৰদিন স্মৰণীয় হৈ ৰ'ব।

# সতৰ্কতাৰে আয়োজন
# কৰক ৰঙালী বিহু

১.

ব'হাগ বিহু পালন কৰিবই লাগিব। কাৰণ বিগত বৰ্ষতো অসমীয়া ৰাইজে বাপতি সাহোন বিহুটো পালন কৰিব নোৱাৰিলে বিশ্বত্ৰাস ক'ৰোনা ভাইৰাছৰ ভয়াৱহতাৰ বাবে। মনত বহুত বেজাৰ লাগিছিল, যেন বছৰটোৰ কিবা এটা কাম কৰিবলৈ বৈ গ'ল। সকলোৱে অনুভৱ কৰিলে বাপতি সাহোন উৎসৱ এটি পালন কৰিব নোৱাৰিলে মনত কিমান বেজাৰ লাগে। ৰঙালী বিহুত সকলোৱে মুকলি মনেৰে প্ৰতিটো মুহূৰ্তই উপভোগ কৰে। পৰম্পৰাগতভাৱে দোমাহীৰ দিনাখন দীঘলতি, মাখিয়তী পাত, তৰাপাত বিচৰাৰ আনন্দই বেলেগ। লগ-সমনীয়াৰ স'তে নৈত গৰু ধুৱাই নতুন পঘাৰে বান্ধি 'লাউ খা বেঙেনা খা' আদি গোৱা শব্দবোৰ প্ৰতিধ্বনি হৈ সকলোৰে কৰ্ণকুহৰত প্ৰৱেশ কৰে। আনহাতে ৰাজ্যখনৰ বিভিন্ন ঠাইত ভিন্নধৰণে পালন কৰা কিছুমান নিয়ম পালন কৰি সকলোৱে আনন্দেৰে সময় অতিবাহিত কৰে। এইবাৰ পিছে ক'ৰোনাৰ আতংকৰ বাবে সকলোৱে এনেদৰে আনন্দ মনেৰে পালন

কৰিব নে নকৰে তাক লৈ দোদুল্যমান অৱস্থাত আছে। এই সকলোবোৰ পৰিহাৰ কৰি সতৰ্কতাৰ মাজেৰে বিহু পালন তথা আয়োজন কৰিবলৈ সকলোৰে মানসিকভাৱে সুদৃঢ় হওক। সাৱধানতাৰ মৰণ নাই। গতিকে সকলোৰে সাৱধানতা অৱলম্বন কৰি ৰঙালী বিহুৰ বাবে সাজু হোৱা উচিত। সাৱধানতাৰে সকলোৰে কৰণীয়খিনি কৰক।

২.

ব'হাগ বিহুত শিল্পীসকল সাজু হয় মঞ্চত গীত পৰিৱেশনৰ বাবে। এই শিল্পীসকলৰ লগতে বাদ্যশিল্পীসকলো সাজু হয় বাদ্যযন্ত্ৰ পৰিৱেশনৰ বাবে। এইসকল শিল্পী আৰু বাদ্যযন্ত্ৰীয়ে ব'হাগ বিহুৰ সময়ত কিছুপৰিমাণে হ'লেও ধন সংগ্ৰহ কৰে। নিশা দুপৰলৈকে দৰ্শকৰ সন্মুখত সংগীত পৰিৱেশন কৰি উপাৰ্জন কৰা ধনেৰে পৰিয়ালক পোহপাল দিয়ে। শিল্পীসকলতকৈও বাদ্যযন্ত্ৰীসকলৰ বাবে এইখিনি সময় তেনেই গুৰুত্বপূৰ্ণ। বিগত বৰ্ষত তলাবন্ধৰ বাবে বিহুৰ অনুষ্ঠান ক'তো অনুষ্ঠিত নোহোৱাত শিল্পী তথা বাদ্যযন্ত্ৰীসকলৰ অৱস্থা খুব ভাল হোৱা বুলি ক'ব নোৱাৰি। শিল্পীসকলে বিগত বৰ্ষত এটকাও উপাৰ্জন কৰিব নোৱাৰিলে। কিছুমান শিল্পীৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে হৈছে। বাদ্যযন্ত্ৰী, শব্দযন্ত্ৰীসকলে যদিহে নিয়মীয়াকৈ কাৰ্য সম্পাদন কৰিব নোৱাৰে, তেনেহ'লে পৰিয়ালক পোহপাল দিয়াটো সম্ভৱ নহয়। তদুপৰি যদিহে এইবাৰো ব'হাগ বিহুৰ মঞ্চত অনুষ্ঠান পৰিৱেশন কৰিব নোৱাৰে, তেনেহ'লে বহুতে বিপৰ্যয়ৰ সন্মুখীন নিশ্চয় হ'ব লাগিব। সেইবাবে সকলোৰে সতৰ্কতা অৱলম্বন কৰা উচিত। আনহে নালাগে, শিল্পীসকলৰ (গ্লেমাৰ থকা শিল্পীৰ কথা কোৱা নাই) পৰিয়ালসমূহৰ বিষয়ে ভাবিয়েই সকলোৰে বিষয়টো ইতিবাচক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰা উচিত।

৩.

ৰঙালী বিহুৰ স'তে শিপিনীসকলৰ জীৱন-জীৱিকাও জড়িত হৈ থাকে প্ৰত্যক্ষ বা পৰোক্ষভাৱে। আজিকালি আত্মসহায়ক গোটসমূহে ৰঙালী বিহুৰ সময়ত গামোচা আদি বজাৰত বিক্ৰীৰ বাবে মুকলি কৰি দিয়ে। কেৱল

সেয়াই নহয়, আন কাপোৰ আদিও বিক্ৰীৰ বাবে সাজু কৰে। যদিহে এইবাৰ বজাৰত বিক্ৰী নহয় তেনেহ'লে শিপিনীসকলে আৰ্থিকভাৱে লোকচানৰ সন্মুখীন হ'বলগীয়া হ'ব। এতিয়াও সমাজত এনে কিছু পৰিয়াল আছে— যিবোৰৰ তাঁতশালৰ মাকোৰ শব্দইহে আশাৰ ৰেঙনি কঢ়িয়াই আনে। অৰ্থাৎ শালত প্ৰস্তুত কৰা কাপোৰ বিক্ৰী হ'লেহে আখলত জুই জ্বলে। বিগত বৰ্ষত ক'ৰোনাকেন্দ্ৰিক জটিলতাৰ বাবে বজাৰত বিহুৱান আদিৰ বিক্ৰী আছিল নগণ্য। ক'ৰবাত এখন দুখন বিক্ৰী হ'লেও সেয়া যথেষ্ট বুলি ক'ব নোৱাৰি। তদুপৰি এইবাৰো সন্মুখত অনিশ্চিত ভৱিষ্যতৰ বাবে হুতে নতুন বস্ত্ৰ সাজু কৰি ৰাখিছে যদিও মানসিকভাৱে বিহুৱান আদি বিক্ৰীৰ বাবে যদি উপযুক্ত বজাৰ এখন লাভ কৰে তেনেহ'লে বহুতো পৰিয়ালৰ মুখত হাঁহি বিৰিঙিব। আনহাতে, বহিঃৰাজ্যৰ পৰা গামোচাসদৃশ চিন্থেটিক কাপোৰ আদিৰ বিক্ৰীও বন্ধ হ'ব। গামোচা আদিৰ বজাৰৰ প্ৰসাৰো বৃদ্ধি নিশ্চয় পাব।

৪.

ব'হাগ বিহুৰ স'তে বহুতো লোক প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ থাকে। কিছুমানে স্মৰণিকা প্ৰকাশ কৰে। আন কিছুমানে স্মৃতিগ্ৰন্থ আদি প্ৰকাশৰ স'তে জড়িত থাকে। বহুতো লোক ৰভা-তোৰণ আদি নিৰ্মাণত ব্যস্ত হয়। কিছুমান লোক পোহৰৰ ব্যৱস্থাত জড়িত থাকে। শব্দ বা ছাউণ্ড ছিষ্টেম আদিতো কিছুমান লোক জড়িত হয়। এইসকল লোক যদিও বিহু আয়োজন আদিত প্ৰত্যক্ষভাৱে জড়িত নহ'লেও এনে লোক অবিহনে একো একোখন সমিতিয়ে কৃতিত্ব অৰ্জন কৰিব নোৱাৰে। গতিকে এইসকল লোকৰ বাবে ব'হাগ বিহুয়ে আশাৰ বতৰা কঢ়িয়াই আনে। কাৰণ বিভিন্ন ঠাইত যিকোনো অনুষ্ঠানৰ বাবে প্ৰয়োজন হয় এইসকল প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত লোকক। এইবাৰো বহু অনুষ্ঠান আয়োজনক লৈ অনিশ্চয়তাত থকাত সকলোৱে হতাশ হৈছে। এনে লোকৰ বাবেও পৰিয়ালক পোহপাল দিয়া আৰু নিজৰ মাজত নিজক বিচাৰি চাব পাৰিব, যদিহে অনুষ্ঠান, সভা-সমিতিত জড়িত থাকে। ব'হাগ বিহুৰ সময়ত সকলোৱে যাতে মুকলি মনেৰে আনন্দ উপভোগ কৰিব পাৰে, তাৰ বাবে সকলোৱে ইতিবাচক মনোভাবেৰে আগবাঢ়ি অহা উচিত।

# ক’ৰোনাতংক, বিহুৰ আনন্দ আৰু মানসিকতাৰ পৰিৱৰ্তন

১.

অসমৰ বাপতি সাহোন ৰঙালী বিহুটিক আদৰিবলৈ এমাহ আগৰে পৰাই সকলোৱে সাজু হয়। পৰম্পৰাগতভাৱে পালন কৰি অহা ৰঙালী বিহুটিত সকলোৱে আনন্দৰ সীমা নোহোৱা হয়। পিছে বিগত বৰ্ষত অতিমাৰী ক’ৰোনাক লৈ বিশ্বজুৰি সৃষ্টি হোৱা ত্ৰাসৰ বাবে ৰঙালী বিহুটি পালনত ব্যাঘাত জন্মে। গাত মাহ-হালধি আৰু আমৰ মিশ্ৰণ সানি গা ধোৱা, গৰুক গা ধুৱালেও সমূহীয়াভৱে এই কাৰ্য সম্পাদন কৰিব পৰা নাছিল। সকলোৱে ব্যক্তিগতভাৱে ঘৰতে এনে কাৰ্য সম্পাদন কৰিছিল যদিও আনন্দ নাছিল বুলি ক’লেও ভুল নহ’ব। এইবাৰো মানুহৰ মাজত বিহুক লৈ বিশেষ উৎসাহ পৰিলক্ষিত হোৱা নাই। বিহু পালন কৰিব নে নকৰে তাক লৈ দোদুল্যমান অৱস্থাত আছে। যদিও নিৰ্বাচনী বতাহে ৰাজ্যখন গৰম কৰি ৰাখিছে, তথাপি ক’ৰোনাৰ আতংক মানুহৰ মনৰ পৰা আঁতৰি যোৱা নাই। ৰাজ্যত পুনৰ ক’ৰোনাত আক্ৰান্তৰ খবৰে সকলোকে শংকিত কৰিছে। উৎসৱ-পাৰ্বণ পালন কৰিবলৈ এটি সুস্থ পৰিৱেশৰ প্ৰয়োজন। কাৰণ অশান্ত পৰিৱেশ বা ভীতিগ্ৰস্ত হৈ উৎসৱ আদিত কোনোৱে আনন্দ উপভোগ কৰিব নোৱাৰে। এইবাৰ

যদিও বিহু আয়োজনৰ বাবে বহুতে প্ৰস্তুতি চলাইছে, তথাপি আয়োজকসকলো আশ্বস্ত হ'ব পৰা নাই। হয়তো মুকলি মনেৰে এইবাৰ বিহু উদ্‌যাপন কৰিব নোৱাৰাৰ মানসিকতাই প্ৰায়সংখ্যক লোকৰে মনত গঢ় লৈ উঠিছে।

২.

বিগত পাঁচ বছৰমানৰ পৰাই বিহুৱানক লৈ বিতৰ্কৰ সৃষ্টি হৈছে। বিষয়টোক লৈ বিতৰ্ক হোৱাৰ মূলতে হ'ল বহিঃৰাজ্যৰ গামোচা। অসমীয়াৰ ফুলাম গামোচাখন অসমীয়াৰ বাবে স্বাভিমান। পৰম্পৰাগতভাৱে এইখন গামোচাই বিশ্ব দৰবাৰত এক সুকীয়া পৰিচয় দাঙি ধৰি আহিছে। বিগত কে'বাবছৰ ধৰি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন সময়ত অসমীয়াৰ এই স্বাভিমান ফুলাম গামোচাখন ব্যৱহাৰ কৰাটো সকলোৰে জ্ঞাত। বিগত লোকসভাৰ নিৰ্বাচনৰ সময়ত বলিউডৰ মহাতাৰকা অক্ষয় খান্নাৰ প্ৰধানমন্ত্ৰী মোদীৰ স'তে হোৱা এক সাক্ষাৎকাৰত প্ৰধানমন্ত্ৰীয়ে এইবুলি উল্লেখ কৰিছিল যে তেওঁ পাহাৰলৈ উঠিলে ভৰি দুখন ভালদৰে নচলা হ'লে অৰ্থাৎ কষ্ট অনুভৱ হ'লে ভৰিত গামোচা বান্ধি কষ্ট লাঘৱ কৰে বুলি উল্লেখ কৰিছিল। কেৱল সেয়াই নহয়— বিশ্ব যোগ দিৱস আদিতো তেওঁ ডিঙিত গামোচাখন লোৱা দৃশ্য সকলোৰে পৰিচিত। ইমানৰ পাছতো বিগত পাঁচ-ছয় বছৰমানত গামোচাখনক লৈ যি বিতৰ্কৰ সৃষ্টি হৈছে সেয়া অসমীয়াৰ বাবে লজ্জাজনক বিষয়। কাৰণ বহিঃৰাজ্যৰ পৰা আমদানিকৃত চিন্থেটিকৰ গামোচাৰে বিহু পাতিবলৈ ধৰাটো জাতিটোৰ বাবে চৰম অপমান। অসমৰ শিপিনীসকলৰ বিশ্ব দৰবাৰত যি সুনাম আছিল সেই সন্মানত একাংশ অসাধু ব্যৱসায়ীয়ে আঘাত হানিছে। আনহাতে নিজ স্বাৰ্থত ব্যৱহাৰ কৰা লোকসকলক চিনাক্তকৰণৰ পিছত কঠোৰ শাস্তি দিয়াৰ বাবে দাবী উত্থাপন হৈছে। এতিয়া প্ৰশ্ন হ'ল— যদিহে আমি বহিঃৰাজ্যৰ গামোচাসদৃশ বস্ত্ৰসমূহ ব্যৱহাৰ নকৰো তেনেহ'লে অসাধু ব্যৱসায়ীয়ে বজাৰত মুকলি কৰি দিব নোৱাৰে, আমাৰ মাজত তেনে গামোচাৰ চাহিদা বৃদ্ধি হোৱাটো অশুভ লক্ষণ। ব'হাগ বিহুত অসমীয়া শিপিনীয়ে সুন্দৰকৈ প্ৰস্তুত কৰা গামোচা আদি ব্যৱহাৰ কৰিবলৈ সকলোৱে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

৩.

এতিয়া ব'হাগত কপৌফুল আৰু নাচনীৰ খোপা বিষয়টোক লৈ বিগত সময়ত বিতৰ্কৰ সূত্ৰপাত নোহোৱাকৈ থকা নাই। আগতে বসন্তৰ আগমনৰ লগে লগে নাচনীসকলে খোপাত কপৌ গুজিবলৈ মনতে আশা পুহি ৰাখে। প্ৰিয়জনে কপৌ বিচাৰি আনি দিলেহে নাচনীৰ মনটোত আনন্দৰ লহৰ উঠে। আগতে বনত কপৌ ফুল ফুলিছিল। প্ৰায়সংখ্যক পৰিয়ালৰ ঘৰৰ পিছফালে বা বস্তিৰ গছত কপৌফুলৰ লতাই মেৰিয়াই ধৰিছিল। এতিয়া বন, জংঘল আদি সংকুচিত হৈ অহাৰ লগে লগে কপৌফুলো হ্ৰাস পাইছে। অৱশ্যে ইয়াৰ মাজতো নাচনীয়ে নৃত্যত অংশ ল'লেই কপৌফুল খোপাত গুজি লয়। পিছে নাচনীৰ খোপাত জিলিকি থকা কপৌফুলপাহ সঁচা ফুল নে চীনৰ পৰা আমদানিকৃত প্লাষ্টিকৰ কপৌফুল সেয়া বহুতেই জ্ঞাত নহয়। ছিন্থেটিক বিহুৱান (গামোচা)খনৰ সমানেই প্লাষ্টিকৰ কপৌফুলেও যে অসমত এখন বৃহৎ বজাৰৰ সৃষ্টি কৰিছে, সেয়া কোনোৱে ভাবি নাচায়। আনকি কেৰু, মণি, থুৰিয়া আদিও এতিয়া চীনৰ পৰাই আমদানি হয়। আজিকালি বহু ঠাইত কপৌ ফুলৰ খেতি কৰি কিছুমান যুৱক-যুৱতীয়ে স্বাৱলম্বিতাৰ নিদৰ্শন দেখুৱাইছে। তেওঁলোকে ব্যৱসায়িক ভিত্তিত এনেদৰে কপৌফুলৰ খেতি কৰি লাভৱান হোৱাই নহয়, দেশ তথা ৰাজ্যৰ অৰ্থনীতিলৈও বৰঙণি যোগাইছে। আমি প্ৰত্যেকেই আনলৈ দোষ ঠেলি দিয়াৰ পৰিৱৰ্তে কপৌফুলৰ খেতি আদি নিজেই ব্যৱসায়িক ভিত্তিত কৰি ৰাজ্যৰ লগতে আন দেশলৈও ৰপ্তানি কৰিব পাৰো। তদুপৰি নাচনীয়েও খোপাত প্লাষ্টিকৰ কপৌ গুজিলে পৰম্পৰাও ৰখা হ'ব। তদুপৰি চীনৰ দৰে ভাৰতৰ বৈৰী দেশ এখনৰ পৰাও ইয়াৰ আমদানি বন্ধ হ'ব।

৪.

হুচৰি এতিয়া মঞ্চতে সীমাবদ্ধ হৈছে। অথচ এসময়ত ৰংঘৰৰ বাকৰি শুৱনি কৰিছিল বিহু হুচৰিয়ে। ৰজাই ডেকা-গাভৰুৰ নৃত্য উপভোগ কৰি পুৰস্কৃত কৰিছিল। সেই সময়ত আজিকালিৰ দৰে কোনোধৰণৰ প্ৰতিযোগিতা

নাছিল যদিও প্ৰতিটো হুচৰি দলেই শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা নাছিল। স্থানীয়ভাৱেই চলিছিল এনেধৰণৰ অঘোষিত প্ৰতিযোগিতা। সময়ৰ লগে লগে হুচৰি দলৰ সংখ্যা বৃদ্ধি পালে। নিয়ম আদিৰ ক্ষেত্ৰত কিছুমান সলনি হ'ল। বহুতে আকৌ এতিয়া বিকৃত ৰূপত উপস্থাপন কৰিবলৈ ধৰিছে। এনেদৰে কৰাৰ ফলত বিতৰ্কৰো সৃষ্টি হৈছে। এটা কথা ঠিক যে আজিকালি প্ৰতিযোগিতাৰ আকৰ্ষণীয় পুৰস্কাৰ নাথাকিলে অংশগ্ৰহণকাৰী বা নৃত্য প্ৰদৰ্শন কৰিবলৈ আগবাঢ়ি অহা যুৱক-যুৱতীৰ সংখ্যা হ্ৰাস পায়। নৱপ্ৰজন্মৰ মাজত বিহুনৃত্য আৰু হুচৰি আদিৰ প্ৰতি আগ্ৰহ পূৰ্বৰ দৰে দেখা পোৱা নাযায়। কেৱল প্ৰতিযোগিতামুখীহে হৈছে। শুদ্ধ ৰূপত শিকিবলৈ আগ্ৰহ নাই। আনকি বহুতো যুৱক-যুৱতীয়ে নাজানে বিহুনৃত্য, হুচৰি আদিত কেনে সাজ পৰিধান কৰিব লাগে। কি কি উপাদানৰ প্ৰয়োজন সেই বিষয়ে জানিবলৈও ইচ্ছা প্ৰকাশ নকৰে। সময়ৰ লগে লগে হোৱা এয়া যেন দ্ৰুত পৰিৱৰ্তন। আজিকালি আনকি ঠায়ে ঠায়ে নৱপ্ৰজন্মক হুচৰি আদি শিকাবলৈ 'বিহু কৰ্মশালা' আদি অনুষ্ঠিত কৰিবলগীয়া হৈছে। কিছুমানে আকৌ এনেধৰণৰ কৰ্মশালা ধন ঘটা আহিলা হিচাপেহে ব্যৱহাৰ কৰিবলৈ লৈছে। আন একাংশৰ বাবে এনে কৰ্মশালাত অংশগ্ৰহণ কৰাটো ফেশ্বন হৈছে। সি যি নহওক, এতিয়া আৰু আগৰ দৰে আন্তৰিকতাৰে বিহুনৃত্য-হুচৰি আদিত অংশগ্ৰহণ কৰা ডেকা-গাভৰু পাবলৈ নাই। প্ৰতিযোগিতাই সকলোকে এফালৰ পৰা গ্ৰাস কৰিছে।

# ব'হাগ বিহুত
# জ্যেষ্ঠজনক জনোৱা প্ৰণাম

উৎসৱ-পাৰ্বণ কেৱল আনন্দৰ বুলি ক'লে ভুল হ'ব। কাৰণ প্ৰতিটো জাতি-জনগোষ্ঠীয়ে পালন কৰি অহা উৎসৱ-পাৰ্বণৰ স'তে জড়িত হৈ আছে কিছুমান বিশ্বাস। পৃথিৱীৰ প্ৰতিটো অঞ্চলতে বসবাস কৰি থকা লোকসকলে বিভিন্ন ঋতুত উৎসৱ-পাৰ্বণ আদিৰ আয়োজন কৰে। ঋতু অনুযায়ী পালন কৰা উৎসৱসমূহত একোটা অঞ্চলত বসবাস কৰি অহা লোকসকলৰ বাস্তৱ জীৱনৰ ছবি একোখন প্ৰতিফলিত হয়। এই দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে বসন্তকালীন উৎসৱসমূহৰ স'তে অসমত বসবাস কৰা লোকসকলৰ কেনে ধৰণৰ সম্পৰ্ক জড়িত হৈ আছে সেয়া ব্যাখ্যাৰ নিষ্প্ৰয়োজন। অসমত পালন কৰা বসন্তকালীন উৎসৱসমূহৰ ভিতৰত অন্যতম হ'ল ব'হাগ বিহু বা ৰঙালী বিহু। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতৰ ভাষাৰে ক'ব পাৰি— ই অসমীয়া জাতিৰ আয়ুসৰেখা। অসমত বসবাস কৰা প্ৰতিগৰাকী ব্যক্তিৰ বাবে ব'হাগ বিহু মানে আনন্দৰ বতৰা। নতুন বৰ্ষ এটিক আঁকোৱালি লোৱাৰ সময়ত প্ৰকৃতিয়ে ন ৰূপ লোৱাৰ বতৰ।

ভাৰতীয় পৰম্পৰা অনুসৰি উৎসৱ-পাৰ্বণসমূহত জ্যেষ্ঠসকলৰ পৰা আশীৰ্বাদ লোৱা হয়। নতুন বছৰটোত জ্যেষ্ঠজনৰ পৰা আশীৰ্বাদ লয় ঘৰৰ আটাইৰে মংগলৰ বাবে। জ্যেষ্ঠজনেও আশীৰ্বাদ দিয়ে কুশলে থাকিবলৈ। ব'হাগ বিহুৰ কেইদিনত প্ৰত্যেকে জ্যেষ্ঠজনৰ পৰা আশীৰ্বাদ বিচাৰি সেৱা জনায়। পৰম্পৰা অনুসৰি জ্যেষ্ঠজনেও মৰমৰ চিন স্বৰূপে আগবঢ়ায় বিহুৱান। আনহাতে কনিষ্ঠসকলেও সামৰ্থ্যৱান হ'লে জ্যেষ্ঠজনৰ পৰা আশিস ল'বলৈ বিহুৱান আগবঢ়ায়। ৰঙালী বিহুৰ সময়ত কেৱল আপোনজনৰ মাজতে বিহুৱান আদান-প্ৰদান কৰা হয় বুলি ক'লে ইয়াৰ পৰিসৰ এক নিৰ্দিষ্ট পৰিসীমাৰ মাজতে সীমাবদ্ধ থাকিব। সাধাৰণতে ঘৰখনৰ দায়িত্ব লয় জ্যেষ্ঠজনে। যদিহে

কনিষ্ঠসকল কৰ্মক্ষম হয় অথবা উপাৰ্জনকাৰী হয় তেতিয়া নতুন বছৰত জ্যেষ্ঠজনক এখনি নতুন বস্ত্ৰ দিবলৈ ইচ্ছা প্ৰকাশ কৰে। ফুলাম গামোচা, ধুতী, চুৰিয়া, গেঞ্জী আদি দিয়ে। মহিলাসকলক চাদৰ-মেখেলা, কপৌফুল, গামখাৰু, থুৰিয়া আদি উপহাৰ দিয়ে। কাৰণ এইবোৰৰ স'তে ব'হাগ বিহুৰ আছে এক ওতপ্ৰোত সম্পৰ্ক।

জ্যেষ্ঠজনক সন্মান জনোৱাৰ আঁৰত থাকে আত্মিক সম্পৰ্ক। শ্ৰদ্ধা-ভক্তি তাত থাকে, য'ত আত্মিক সম্পৰ্ক আদি জড়িত। উৎসৱ-পাৰ্বণ বিশেষকৈ বিহু আদিত জ্যেষ্ঠজনক সেৱা জনাবলৈ বহুতে সাত সাগৰ তেৰ নদী পাৰ হৈ ঘৰলৈ আহে। বিহুত পিতৃ-মাতৃৰ উপৰি গুৰুজনাক সেৱা জনোৱাটো পৰম্পৰা। ইয়াৰ বাবে কোনোৱে কাকো হেঁচা বা চাপ অথবা নিৰ্দেশ দিবলগীয়া নহয়। ইয়াৰ সৃষ্টি হয় অন্তৰত। জ্যেষ্ঠজনক সন্মান জনোৱা, উৎসৱ-পাৰ্বণত সেৱা কৰাৰ আঁৰতো থাকে জীৱনৰ নিয়মানুৱৰ্তিতা। পিতৃ-মাতৃয়ে যদি শহুৰ-শাহুৰক বিহুত সন্মান জনায়, তেনেহ'লে তেওঁলোকৰ ল'ৰা-ছোৱালীয়েও পাছত সেৱা জনাব।

এতিয়া পিছে এনে মানসিকতাৰ সলনি হ'বলৈ ধৰিছে। বিহু-উৎসৱ আদিত কেৱল ঘূৰা-ফুৰা, খাদ্য সম্ভাৰ গ্ৰহণ কৰা, দামী দামী উপহাৰ দিয়াটোৱে যেন এতিয়া আনন্দ। আনকি জ্যেষ্ঠজনৰ সন্মুখতে দীৰ্ঘসময় থকাৰ পাছতো সেৱা নকৰে। পিতৃ-মাতৃয়ে নকৰাটো দূৰৈৰ কথা, সন্তানকো নকয় ককা-আইতাক বিহুৰ দিনাখন এটা সেৱা জনাবলৈ। ঘৰখনৰ জ্যেষ্ঠ বুলি ক'লে সাধাৰণতে নাতি-নাতিনীৰ বাবে ককা-আইতাই থাকে। এতিয়া পিছে একক পৰিয়াল হোৱাৰ পাছত ককা-আইতাৰ মুখ বহুতেই নেদেখা হ'ল। তদুপৰি এতিয়া নৱপ্ৰজন্মৰ বাবে 'ককা-আইতা' শব্দ দুটা 'বুঢ়া-বুঢ়ী'লৈ পৰ্যবসিত হোৱাত মৰমবোৰ যেন ঠেক হ'বলৈ ধৰিছে। তদুপৰি মৰমভৰা ককা-আইতা শব্দবোৰ এতিয়া নৱপ্ৰজন্মৰ বাবে বোজাহে হৈছে।

পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি আকৃষ্ট নৱপ্ৰজন্মই ব'হাগ বিহুত জ্যেষ্ঠজনক সেৱা কৰাটো দূৰৰে কথা, গোসাঁই ঘৰ, নামঘৰতেই মূৰ দোঁৱাবলৈ অনীহা প্ৰকাশ কৰে। এনে এক সন্ধিক্ষণতো যদি পিতৃ-মাতৃয়ে সন্তানক বিহুত পিতৃ-মাতৃ, গুৰু, ককা-আইতাক সেৱা জনাবলৈ শিকায়, তেনেহ'লে পৰম্পৰা ৰক্ষা হ'ব।

# পৰিৱৰ্তনৰ দোমোজাত ব'হাগৰ আনন্দ

ব'হাগ বিহুৰ আনন্দ এতিয়া আৰু নাই। মানুহ যিমানেই ব্যস্ত হৈছে সিমানেই উৎসৱ-পাৰ্বণসমূহো সংকুচিত হ'বলৈ ধৰাৰ দৰে ব'হাগৰ আনন্দও যেন ম্লান পৰিছে। দেখাত নিশা বহুতো সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰিলেও সেইবোৰে ব'হাগৰ আনন্দ দিব পৰা নাই। আধুনিকতাৰ ৰং-চঙত কিছুসময়ৰ বাবে সাংস্কৃতিক অনুষ্ঠানত বিলীন হ'লেও তাত যেন আন্তৰিকতাৰ অভাৱ। দোমাহীৰ দিনা গৰুক গা ধুৱাবলৈ সময় নোহোৱা একাংশ লোকৰ আকৌ বিহুৰ সাংস্কৃতিক অনুষ্ঠান আয়োজনৰ ধুম কি চাবা। দোমাহীৰ দিনা মাহ, হালধি, আমৰ মিশ্ৰণ গাত ঘঁহি নোপোৱা একাংশ লোকৰ বাবে বিহু হ'ল বাহ্যিক দৃষ্টিকোণৰ পৰা বিশ্লেষণেৰে কিছুসময় জীৱনটো উপভোগ কৰাৰ মুহূৰ্ত। এনে লোকৰ পৰিয়ালত বিহুৰ সময়ত ফুলাম গামোচা 'বিহুৱান' হিচাপে দিয়াৰ পৰিৱৰ্তে 'টাৱেল' চোলা-পেণ্ট আদিহে উপহাৰ দিয়া হয়। যিখন বিহুৱান অবিহনে ৰঙালী বিহুৰ মাদকতাই নাথাকে সেইখন অসমীয়াৰ স্বাভিমানৰ বস্ত্ৰক বাদ দি বিহুৰ চিত্ৰ অংকন কৰিলেও সেয়া সম্পূৰ্ণ বুলি ক'ব নোৱাৰি।

এতিয়া ব'হাগ বিহুৰ নামত কেৱল সাংস্কৃতিক অনুষ্ঠান শক্তিশালীভাৱে অনুষ্ঠিত কৰাৰ মানসিকতাহে প্ৰায়সংখ্যক লোকৰে গঢ় লৈ উঠিছে। এতিয়া নৱপ্ৰজন্মৰ বাবে ব'হাগৰ বিহু ব'হাগ মাহজুৰি চলি থকা উৎসৱ। যিকোনো উৎসৱ আদি দীঘলীয়া সময়ৰ বাবে চলি থাকিলে তাৰ গুৰুত্বও হ্ৰাস পায়। এতিয়া ব'হাগ বিহুৰ ক্ষেত্ৰতো একেই ছবি ফুটি উঠিছে। ব'হাগক আদৰা আৰু জেঠ মাহত ব'হাগী বিদায় উৎসৱ পালন কৰাৰ ধুম উঠিছে। জেঠ মাহত ব'হাগী বিদায় আয়োজন কৰাৰ কিবা অৰ্থ থাকে বুলি মনে নধৰে। কাৰণ ব'হাগী বিদায় অনুষ্ঠানত ব'হাগ বিহুৰ উপাদান আদি এটাও দেখিবলৈ পোৱা নাযায়। যিহেতু ইয়াত কোনো বিহুৰ বৈশিষ্ট্যই নাথাকে, গতিকে বিহুৰ নামত এনে অনুষ্ঠানৰ নিশ্চয় প্ৰয়োজন নাই। তাতকৈ ব'হাগ বিহুৰ সাতদিনত সকলোৱে আনন্দ উপভোগৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত।

অতীতৰ গছৰ তলত অথবা মুকলি পথাৰত, স্বৰ্গদেউসকলৰ মনোৰঞ্জনৰ বাবে ৰংঘৰৰ বাকৰিত আয়োজন কৰা বিহুনৃত্য, হুচৰি আদিৰ কথা আজিও চৰ্চাৰ বিষয়। তেতিয়া প্ৰকৃতিৰ বুকুত সম্পূৰ্ণ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল হৈ সকলোখিনি কৰিছিল। ডেকা-গাভৰুৱে গীত-নৃত্য পৰিৱেশন কৰিছিল প্ৰকৃতিৰ স'তে একাত্ম হৈ। প্ৰকৃতিৰ পৰা প্ৰস্তুত কৰা ৰং সানি নাচনীয়ে প্ৰদৰ্শন কৰা নৃত্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰাৰ উপৰি প্ৰিয়জনৰ ওচৰলৈ এখোপ আগুৱাই যোৱাৰ সুযোগ উলিয়াইছিল। প্ৰতিগৰাকী ডেকা-গাভৰুৱে প্ৰেম নিবেদন কৰাৰ এয়াই উপযুক্ত সময় হিচাপে বিবেচিত কৰিছিল। তদুপৰি বিহু মৰাৰ ছলেৰে ডেকা-গাভৰুসকলে পৰস্পৰৰ ওচৰ চপাৰ সুযোগ পাইছিল। কাৰণ ৰক্ষণশীল সমাজখনত ডেকা-গাভৰুসকলে মুকলিলৈ মিলা-মিছা কৰাৰ উপৰি প্ৰেম নিবেদন কৰাৰ সুযোগ পোৱা নাছিল। চেনাইধনৰ ঢোলৰ শব্দত নাচনীয়ে মন্ত্ৰমুগ্ধ সাপৰ দৰে বিহুতলীলৈ ওলাই আহিছিল। কেতিয়া ঘৰৰ মানুহে জনাকৈ আৰু আন কেতিয়াবা পৰিয়ালৰ সদস্যসকলৰ অগোচৰে ওলাই আহিছিল। কিছুমান ডেকা-গাভৰুৱে যুগ্ম জীৱনৰ পাতনি মেলিবলৈ সিদ্ধান্ত লৈছিল। 'ছোৱালী পলুৱাই নিয়া'ৰ ঘটনা ব'হাগ বিহুৰ সময়ত বেছি হৈছিল। তেতিয় যিহেতু ম'বাইল ফোন, লেণ্ডফোন বা হোৱাটছএপ, ফেচবুক আদিৰ দৰে সামাজিক মাধ্যম নাছিল। সেয়েহে গাঁৱৰ ওচৰতে থকা ডেকা-

গাভৰুসকলে একেলগে বিহু মাৰোতে প্ৰেম হৈছিল। কাৰোবাৰ মনত লুকাই থকা প্ৰেমৰ কথাবোৰ প্ৰকাশ কৰিছিল। ইয়াৰ মাজতো আছিল শ্ৰদ্ধা, শংকা, আৱেগ আদি। এতিয়া পিছে এইবোৰ কথা নৱপ্ৰজন্মৰ বাবে সাধুকথা। এওঁলোকৰ বাবে ব'হাগ বিহু হ'ল সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰা উৎসৱ। এই বিহুটিৰ প্ৰকৃতিৰ স'তে যে সম্পৰ্ক আছে সেই কথা বহুতেই জ্ঞাত নহয়। কেৱল সন্তানেই নহয়, বহুতো অভিভাৱক-অভিভাৱিকাৰ মনতো সেই একেই ছবি।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সকলোখিনি সলনি হোৱাটো স্বাভাৱিক কথা। পিছে পৰিৱৰ্তনৰ মাজতো বিহুৰ মৌলিক বৈশিষ্ট্য সলনি কৰাটো অনুচিত। কাৰণ ব'হাগ বিহু অসমীয়া জাতিৰ আয়ুসৰেখা। এই আয়ুসৰেখা অবিহনে অসমীয়া সংস্কৃতিৰ চিত্ৰ অংকন কৰাটো অসম্ভৱ। সকলোৱে সংকল্প লওঁ আহক এইবাৰ বিহু সম্পূৰ্ণ পৰম্পৰাগতভাৱে পালন কৰাৰ সংকল্প লওঁ আহক। সকলোৱে এদিনৰ বাবে হ'লেও সম্পূৰ্ণ অসমীয়া সাজপাৰ পৰিধান আৰু থলুৱা খাদ্যসম্ভাৰ গ্ৰহণ কৰো আহক।

# প্ৰাৰ্থীয়েও ভোটাৰক ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাওক

গণতান্ত্ৰিক সমাজ ব্যৱস্থাত নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে নিৰ্বাচন অনুষ্ঠিত হয়। ভোটাৰসকলো নিৰ্বাচনক লৈ আগ্ৰহী হৈ পৰে। কাৰণ তেওঁলোকে নিজৰ পছন্দৰ প্ৰাৰ্থী একোজন নিৰ্বাচিত কৰিব পাৰে ভোটাধিকাৰৰ দ্বাৰা। ভোটাধিকাৰ প্ৰতিগৰাকী নাগৰিকৰে সাংবিধানিক অধিকাৰ। এই অধিকাৰৰ পৰা কোনেও বঞ্চিত কৰিব নোৱাৰে। তথাপি নিৰ্বাচনৰ সময়ত দেখা যায় যে ভোটাধিকাৰৰ হাৰ নিচেই কম। পূৰ্বৰ তুলনাত এতিয়া বৃদ্ধি পাইছে যদিও ভোটদানৰ হাৰ আজিও আশাব্যঞ্জক নহয়। কাৰণ এতিয়াও প্ৰায়ভাগ লোকেই নিজৰ ভোটাধিকাৰ সম্পৰ্কে জ্ঞাত নহয়। নিজৰ ভোটটো কিমান মূল্যৱান সেই বিষয়ে বেছিভাগেই সতৰ্ক নোহোৱাৰ বাবে ভোটাধিকাৰৰ হাৰ দ্ৰুতগতিত বৃদ্ধি পোৱা নাই।

ভোটাৰ ৰাইজক সজাগ কৰিবলৈ বিগত কেবাবছৰৰ পৰা নিৰ্বাচন আয়োগে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। সজাগতা বৃদ্ধিৰ বাবে বিজ্ঞাপনৰ পৰা আৰম্ভ কৰি হৰ্ডিং, বাটৰ নাট আদিৰ ব্যৱস্থা কৰিছে বিভিন্ন ঠাইত। জিলা প্ৰশাসন আদিয়েও বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাত পূৰ্বৰ তুলনাত ভোটাধিকাৰৰ হাৰ কিছু পৰিমাণে বৃদ্ধি পাইছে। শুভংকৰ, বাটৰ নাট, আকৰ্ষণীয় গৃহ আদি নিৰ্মাণৰ জৰিয়তেও ভোটাৰ ৰাইজক সতৰ্ক কৰাৰ প্ৰচেষ্টা অব্যাহত আছে।

ভোটাৰ ৰাইজক সজাগ কৰিবলৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা ৰাজনৈতিক দল, নিৰ্দলীয় প্ৰাৰ্থী আদিয়েও এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা উচিত। এই দল বা নিৰ্দলীয় প্ৰাৰ্থীয়ে নিজা নিজা প্ৰচেষ্টাত ভোটাৰ ৰাইজক আকৰ্ষিত আৰু সজাগ কৰিবলৈ আহ্বান জনাবই লাগিব। ভোটাৰ ৰাইজক কওক— 'ভোট কাক দিয়ে নিজৰ কথা।' কিন্তু সকলোৱে ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ ভোটকেন্দ্ৰলৈ যাবলৈ ভোটাৰ ৰাইজক আহ্বান জনাওক। প্ৰতিটো দল আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে এনেদৰে আহ্বান জনালে নিশ্চয় ভোটাৰ

ৰাইজৰ মাজত কিছুপৰিমাণে হ'লেও সতৰ্কতা বৃদ্ধি পাব। বাস্তৱ ক্ষেত্ৰত দেখা যায় যে প্ৰতিটো দলীয় প্ৰাৰ্থী অথবা নিৰ্দলীয় প্ৰাৰ্থীয়ে নিজৰ নিজৰ ভোটাৰকহে ভোট দিবলৈ আহ্বান জনায়। কেনেবাকৈ নিজে বিজয়ী হোৱাৰ বাবে প্ৰয়োজনীয় ভোটকেইটা লাভ কৰাৰ পাছত বাকীবোৰে এটাও নাপালেও কথা নাই। যদি এনে মনোভাব সকলোৰে হয় তেনেহ'লে নিৰ্বাচনত ভোটদানৰ হাৰ বৃদ্ধি পোৱাটো অসম্ভৱ।

এখন দেশ বা ৰাজ্যৰ নাগৰিকসকল যেতিয়ালৈকে ৰাজনৈতিকভাৱে সচেতন নহয়, তেতিয়ালৈকে তেওঁলোকে দেশৰ সংবিধানে প্ৰদান কৰা অধিকাৰসমূহ ভোগ কৰিব নোৱাৰে। ভোগ কৰিলেও সম্পূৰ্ণ অধিকাৰৰ পৰা একাংশ লোকে বৃহৎসংখ্যকক বঞ্চিত কৰি ৰাখিব নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে। সেইবাবে প্ৰতিগৰাকী নাগৰিক ৰাজনৈতিকভাৱে সচেতন হ'বলৈ প্ৰথমে ভোটাধিকাৰ সাব্যস্ত কৰিবই লাগিব। নিজৰ লগতে পৰিয়ালৰ প্ৰতিগৰাকী সদস্যই ভোট দিবলৈ যোৱাৰ মানসিকতা গঢ়ি তুলিছে নে নাই সেই বিষয়েও সতৰ্ক হোৱা উচিত। প্ৰতিটো পৰিয়ালৰে অন্ততঃ এজনকৈ লোকেও যদি এইক্ষেত্ৰত আগ-ভাগ লয়, তেনেহ'লে ভোটদানৰ হাৰ নিশ্চয় বৃদ্ধি পাব।

ভোটাধিকাৰ সাব্যস্ত কৰিলেও একো লাভ নহয় বুলি বহুতেই ভাবে। অৰ্থাৎ যিগৰাকী জনপ্ৰতিনিধিক বিজয়ী কৰিলে তেওঁৰ পৰা ভোটদাতাজনৰ ব্যক্তিগতভাৱে লাভ নহয় বুলি ভবা লোকো কম নহয়। কিন্তু ভোটদাতাজনে যে ভোট নিদিলে আন এটা পক্ষই সুযোগ ল'ব সেই কথা ভাবি নাচায়। যেতিয়ালৈকে এশ শতাংশই ভোটাধিকাৰ সাব্যস্ত নকৰে তেতিয়ালৈকে শোষণ-বঞ্চনা-দুৰ্নীতি দূৰ নহয় যে সেয়া নিশ্চিত। কাৰণ উপযুক্ত প্ৰাৰ্থীজন নিৰ্বাচিত কৰাত আমি সফল নহওঁ। অতিসম্প্ৰতি নিৰ্বাচন আয়োগ, জিলা প্ৰশাসন আদিয়ে যিবোৰ পদক্ষেপ গ্ৰহণ কৰিছে সেইবোৰ বাস্তৱত সম্পূৰ্ণৰূপে ৰূপায়ণ হ'বলৈ হ'লে সকলোৰে সহযোগিতাৰ নিশ্চয় প্ৰয়োজন। কাৰণ সজাগতা সৃষ্টিৰ বাবে সকলোৱে যেতিয়া একগোট হৈ কাম কৰে তেতিয়া সফল হ'বই। সকলোৱে ইতিবাচক মনোভাবেৰে সহযোগ কৰিলে নিশ্চয় এশ শতাংশ ভোটাৰে নিজৰ নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ ওলাই আহিব। এশ শতাংশ ভোটাধিকাৰ সাব্যস্ত নকৰা অসম বা ভাৰতৰে সমস্যা নহয়, আমেৰিকাৰ দৰে দেশতো এশ শতাংশ লোকে আজিও ভোট দিবলৈ বিভিন্ন কাৰণত অনীহা প্ৰকাশ কৰে।

# ৰাজ্যৰ অনগ্ৰসৰ অঞ্চলত স্থাপন কৰক উদ্যোগ

ইতিহাসৰ পৃষ্ঠা মেলি চালে এটা কথা স্পষ্ট হৈ পৰে যে পৃথিৱীত যিমান বাণিজ্যিক চহৰ গঢ়ি উঠিছে সেইবোৰৰ প্ৰায়ভাগেই বৃহৎ নদী, সাগৰ-মহাসাগৰৰ উপকূলত। ইয়াৰ মূল কাৰণ হ'ল যাতায়াত ব্যৱস্থা। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই মানুহে ব্যৱসায়-বাণিজ্যিৰ বাবে জলপথ ব্যৱহাৰ কৰি আহিছে। যাতায়াতৰ ক্ষেত্ৰত আগতে পদপথ সিমান সুচল নাছিল। তদুপৰি আকাশী পথেৰে ব্যৱসায় কৰাটো সকলোৰে বাবে সম্ভৱ নাছিল। সেই দৃষ্টিকোণৰ পৰা চালে গুৱাহাটী মহানগৰীখনো ব্ৰহ্মপুত্ৰৰ পাৰত গঢ়ি উঠিছিল। সেইবাবে হয়তো এই মহানগৰীৰ আশে-পাশে গঢ়ি উঠিছিল সৰু-বৰ উদ্যোগ। তেতিয়া মহানগৰীখনৰ পৰিসৰ আছিল তেনেই সীমিত। সময়ৰ লগে লগে মানুহৰ ভিৰ বৃদ্ধি হোৱাত মহানগৰীত মুকলিকৈ উশাহ লোৱাটোৰে

অসম্ভৱ হৈছে। সেইবাবে এতিয়া উদ্যোগ, কল-কাৰখানা আদি মহানগৰীৰ পৰা আঁতৰত নিৰ্মাণ কৰিবলৈ ধৰিছে। ইয়াৰ মাজতে এটা প্ৰশ্ন মনত উদয় হয়— মহানগৰীৰ পৰা বহু আঁতৰত উদ্যোগ, কাৰখানা আদি স্থাপন কৰিব নোৱাৰিনে? কেৱল মহানগৰীৰ সমীপতেই উদ্যোগ স্থাপন কৰিলে লাভান্বিত হ'ব পাৰিনে? ইয়াৰ পৰা বহু আঁতৰত উদ্যোগ, কল-কাৰখানা আদি স্থাপন হ'লে পৰিবহণ ব্যয় বেছি হ'ব নেকি? এনেবোৰ কথা যিমানেই মনলৈ আহে সিমানেই অসমৰ উদ্যোগ, কল-কাৰখানাৰ ছবিখন স্পষ্ট হৈ পৰে।

অসমৰ প্ৰায়বোৰ জিলাতেই আছে সৰু-বৰ উদ্যোগ। অঞ্চলভেদে যিবোৰ বস্তু উৎপাদন হয় সেইবোৰ উৎসক কেন্দ্ৰ কৰি উদ্যোগ স্থাপন কৰা হয়। ৰাজ্যখনৰ তিনিচুকীয়া, বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা, বৰপেটা, নলবাৰী, কামৰূপ, দৰং, শোণিতপুৰ, নগাঁও, যোৰহাট, শিৱসাগৰ আদি জিলাত সৰু-বৰ কেবাটাও উদ্যোগ স্থাপন কৰা হৈছে। বাঁহ-বেতৰ পৰা আৰম্ভ কৰি কাঁহ, পিতল, চিলভাৰৰ উদ্যোগ গঢ়ি উঠাৰ সমান্তৰালভাৱে ৰাজ্যৰ অৰ্থনীতিও টনকিয়াল কৰিছে। ইমানৰ পাছতো পিছে বহুতেই মহানগৰীৰ আশে-পাশেহে উদ্যোগ স্থাপনত গুৰুত্ব প্ৰদান কৰিছে কিয়?

সাধাৰণতে একো একোটা উদ্যোগ স্থাপন কৰিলে সেই অঞ্চলটোৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ পৰাটো নিশ্চিত। কাৰণ উদ্যোগটোৰ পৰা ওলোৱা ধোঁৱা আৰু পেলনীয়া পদাৰ্থসমূহে অঞ্চলটো প্ৰদূষিত কৰে। তদুপৰি এক অস্বাস্থ্যকৰ কোলাহলে জনজীৱন বিতুষ্ট কৰি তোলে। সেইবাবে এই উদ্যোগ সদায় জনবসতিপূৰ্ণ স্থানৰ পৰা আঁতৰত গঢ়ি উঠে। তেনে স্থানত গঢ়ি উঠা উদ্যোগে সৃষ্টি কৰা বৰ্জনীয় দ্ৰব্য আৰু কোলাহলৰ পৰাও মুক্ত হয়। ই জনসাধাৰণৰ বাবে হানিকাৰক নহয়। পিছে গুৱাহাটী মহানগৰীৰ সমীপত গঢ়ি উঠা উদ্যোগে জনজীৱনৰ প্ৰতি ভাবুকি সৃষ্টি কৰিছে। যদিহে মহানগৰীৰ সমীপত গঢ়ি উঠে তেতিয়া যাতায়াতৰ ব্যয় কিছু পৰিমাণে কম হয়। তদুপৰি উদ্যোগটোৰ পৰা বিভিন্ন স্থানলৈ উৎপাদিত সামগ্ৰী পঠিওৱাত সহায় হয়। পৰিবহণ ব্যয় কম আৰু যাতায়াতৰ সুচল হোৱাৰ বাবে মহানগৰীৰ আশে-পাশে উদ্যোগ স্থাপনৰ বহুতেই পোষকতা কৰে। যদি এইবোৰ উদ্যোগ মহানগৰীৰ পৰা বহু দূৰত স্থাপন কৰা হয় তেতিয়া কেনে অসুবিধাৰ সৃষ্টি হয়

সেয়া বিশ্লেষণ কৰাৰ সময় আহি পৰিছে। একো একোটা অনগ্ৰসৰ অঞ্চলত যেতিয়া এটা উদ্যোগ স্থাপন কৰা হয় তেতিয়া সেই অঞ্চলটোৰ বাট-পথৰ উন্নয়ন হোৱা দেখা যায়। তদুপৰি উদ্যোগটোৰ ওচৰে-পাঁজৰে ব্যৱসায়িক কেন্দ্ৰও গঢ়ি উঠে। এনে ব্যৱসায়িক কেন্দ্ৰৰ জৰিয়তে বহুতো নিবনুৱা যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰে। তদুপৰি সেই অঞ্চলটোৰ চেহেৰা সলনি হৈ যায়। আনহাতে এই উদ্যোগ স্থাপনৰ পাছত আন আন উদ্যোগ স্থাপনৰ বাবেও বহুতে আগবাঢ়ি আহে। এই দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে উদ্যোগ, কল-কাৰখানা আদি গুৱাহাটী মহানগৰীৰ পৰা আঁতৰত স্থাপন কৰাটোৱে লাভজনক। ৰাজ্যখনৰ যিকোনো অনগ্ৰসৰ জিলাৰ যদি অতি পিছ পৰা অঞ্চলত উদ্যোগ স্থাপন কৰা হয় তেতিয়া সেই জিলাখনৰ সংযোগ আৰু যাতায়াত মহানগৰীৰ পৰা সঘনাই হ'ব।

চৰকাৰে উদ্যোগ স্থাপনৰ বাবে অনুমতি প্ৰদান কৰাৰ সময়তে এইবোৰ দিশ বিশ্লেষণ কৰা উচিত। নহ'লে ৰাজ্যৰ উন্নতি সমভাৱে হোৱাটো অসম্ভৱ। এতিয়া প্ৰায়কেইখন জিলাই ৰে'ললাইন সংযোগৰ মানচিত্ৰত অন্তৰ্ভুক্ত। পৰিবহণ ব্যয় হ্ৰাস কৰাৰ ক্ষেত্ৰত ৰে'লপথে বিশেষ ভূমিকা গ্ৰহণ কৰিব। ৰে'ললাইন বা ষ্টেচনৰ সমীপত উদ্যোগ স্থাপন কৰিলে বহুতো সমস্যাৰো সমাধান হ'ব। গতিকে চৰকাৰ তথা সংশ্লিষ্ট বিভাগে উদ্যোগসমূহ মহানগৰীৰ সমীপৰ পৰিৱৰ্তে বিভিন্ন জিলাৰ অনগ্ৰসৰ অঞ্চলত স্থাপনত গুৰুত্ব প্ৰদান কৰা উচিত।

# গুৱাহাটী আৰু অধিক সৌন্দৰ্যময়ী হওক

Beauty is power; a smile is its word. 'সৌন্দৰ্য হ'ল শক্তি আৰু হাঁহি ইয়াৰ শব্দ' বাক্যষাৰে এটা কথা স্পষ্ট কৰি দিয়ে যে সৌন্দৰ্য হ'ল সকলোকে আকৰ্ষণ কৰিব পৰা এবিধ অমোঘ অস্ত্ৰ। সৌন্দৰ্য কেৱল মানুহৰ ৰূপ-লাৱণ্যতে সীমাবদ্ধ নাথাকে। প্ৰকৃতিৰ বুকুতো বিচাৰি পোৱা যায়। ইয়াক মানুহে সৃষ্টি কৰিব পাৰে। সেইবাবে কোনো কোনো অঞ্চলক আকৰ্ষণৰ কেন্দ্ৰবিন্দু কৰিবলৈ প্ৰায়সংখ্যক লোকেই চেষ্টা চলায়। সভ্যতা-সংস্কৃতিৰ বিকাশৰ লগে লগে মানুহে সৃষ্টি কৰা নগৰ-চহৰ, মহানগৰ আদি সুন্দৰ ৰূপত নিৰ্মাণ কৰি বসবাসৰ বাবে উপযোগী কৰি তুলিলে। অসমতো মহাবাহু ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি গঢ়ি উঠিছে বহুতো নগৰ-চহৰ তথা এখন মহানগৰী। শক্তিশালী মোগলক পৰাজিত কৰি ইতিহাস ৰচনা কৰা বীৰ লাচিত বৰফুকনে যি ঠাইত বিচৰণ কৰিছিল কালক্ৰমত সেই বৃহত্তৰ অঞ্চলটোত জনবসতি বৃদ্ধি পাবলৈ ধৰিলে। কালক্ৰমত গুৱাহাটীয়ে নতুন ৰূপ লাভ কৰি থাকিলে। জনবসতি বৃদ্ধিৰ লগে লগে ইয়াৰ পৰিসৰো বৃদ্ধি হ'ল। এতিয়া বিশ্ববাসীৰ মাজত পৰিচিত হোৱা এই বৃহত্তৰ অঞ্চলটোৱেই হ'ল গুৱাহাটী মহানগৰী।

বিগত চাৰি দশকত গুৱাহাটী মহানগৰীৰ ৰূপ সলনি হ'ল। শেহতীয়াভাৱে মহানগৰীখনত বহুতো আকৰ্ষণীয় অট্টালিকাৰ পৰা আৰম্ভ কৰি পাৰ্ক, উৰণীয়া সেতু, ঐতিহ্যমণ্ডিত পুখুৰীৰ সৌন্দৰ্য বৰ্ধন, পদপথৰ পুনৰ নিৰ্মাণ, উৰণীয়া পদসেতু, পথ বহল, পথৰ দুয়োফালে বেৰ দিয়া, খেলপথাৰ আদিৰ উন্নীতকৰণ আদিয়ে মহানগৰীখনক নতুন ৰূপ দিছে।

যিমানেই এইখন মহানগৰীৰ সৌন্দৰ্য বৰ্ধন হ'বলৈ ধৰিছে সিমানেই ইয়ালৈ ঢাপলি মেলা লোকৰ সংখ্যাও বৃদ্ধি হৈছে। নতুন নতুন লোকৰ সমাগম ঘটিছে। পৰিসৰ-পৰিসীমা বৃদ্ধি হোৱাত মহানগৰীৰ এটা মূৰৰ পৰা আনটো মূৰলৈ যাবলৈ বহু ঘণ্টাৰ প্ৰয়োজন। কেৱল সেয়াই নহয়, এতিয়া এটা পথৰ ইপাৰ-সিপাৰ হওঁতেই সময় লাগে বেছি। পথৰ মাজত থকা বিভাজকসমূহ ইমান ওখ কৰা হৈছে যে ইয়াক অতিক্ৰম কৰাটো অসম্ভৱ। সেইবাবেই ঠায়ে ঠায়ে যন্ত্ৰচালিত চিৰিযুক্ত উৰণীয়া সেতু নিৰ্মাণ কৰা হৈছে। সাধাৰণতে এনেধৰণৰ অত্যাধুনিক উৰণীয়া পদসেতু উন্নত দেশবোৰতহে পোৱা যায়।

পথৰ মাজত নতুনকৈ নিৰ্মাণ কৰা পথ বিভাজকসমূহত এতিয়া ফুল আৰু সৰু সৰু গছ-গছনি ৰোপণ কৰা হৈছে। এইবোৰে লাহে লাহে সৌন্দৰ্য বৰ্ধন কৰিবলৈ সাজু হৈছে। কিছুবছৰৰ পাছত সৰু সৰু গছবোৰ পথৰ মাজত সেউজীয়া দলিচাৰ দৰে হ'লে ই অধিক আকৰ্ষণীয় হৈ উঠিব। পিছে এইবোৰ কিমান সুৰক্ষিত হৈ থাকিব তাক লৈহে এতিয়া সকলোৰে মাজত চৰ্চা হৈছে। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা পদপথ আৰু পথৰ মাজৰ বেৰসমূহত কিছুমান অবিবেচক লোকে তামোলৰ পিক, চাধা, গুট্খা আদিৰ পিক পেলোৱাৰ উপৰি বিড়ি-চিগাৰেটৰ টুকুৰাবোৰ পেলাই সৌন্দৰ্য বিনষ্ট কৰিছে।

যিদৰে অপৰাধমূলক কাৰ্য সম্পাদিত কৰিলে বিভিন্ন আইনৰ দ্বাৰা শাস্তি বিহাৰ লগতে অৰ্থ জৰিমনাৰে দণ্ডিত কৰা হয়, তেনেদৰে মহানগৰীখন যিসকল লোকে লেতেৰা কৰে তেনে লোককো শাস্তি বিহাৰ ব্যৱস্থা কৰিব লাগে। মহানগৰীৰ বিভিন্ন ঠাইত চি চি টিভি কেমেৰা সংগোপনে স্থাপন কৰি ইয়াৰ নিৰীক্ষণ কৰিবলৈ বিশেষ দল এটা গঠন কৰিব লাগিব। এই দলটোৱে চি চি কেমেৰা অনবৰতে নিৰীক্ষণ কৰি মহানগৰীখন লেতেৰা কৰা লোকক চিনাক্ত কৰিব লাগে। এই দলটোক কিছুমান ক্ষমতা অৰ্পণ কৰিব লাগে, যাতে তাৎক্ষণিকভাৱে শাস্তি প্ৰদান কৰিব পাৰে। তদুপৰি মহানগৰীৰ সৌন্দৰ্য লাঘৱ কৰা লোকক জৰিমনা পাঁচ-ছয় হাজাৰ টকা কৰিব লাগে। কাৰণ এশ-দুশ টকা জৰিমনা বিহিলে উলংঘাকাৰীৰ গাত নালাগে। অৰ্থাৎ অৰ্থদণ্ডৰে দণ্ডিত কৰাটো অনুভৱ নহয়। যেতিয়া দিনটোৰ ভিতৰত এজন লোকে পাঁচ হাজাৰ টকাকৈ ভৰিব লাগিব, তেতিয়াহে নিজে কৰা ভুলৰ বিষয়ে জ্ঞাত

হ'ব। তদুপৰি সেইজন লোকে ভৱিষ্যতে তেনে কাম কৰাৰ পৰা আঁতৰি থাকিব। আনহাতে এনে লোকৰ ফটো যদি বাতৰি কাকতত প্ৰচাৰ কৰা হয় তেতিয়া শিক্ষা লাভ কৰিব। নিয়ম ভংগ কৰা লোকৰ পৰা জৰিমনাৰে সংগ্ৰহ কৰা ধনেৰেই কাকতত এনে লোকক ফটোসহ বিজ্ঞাপন দিলে সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা কোনো লোকচান নহ'ব। এইখন সমাজত নিয়ম বান্ধি দিলেও একাংশৰ বাবে নিয়ম প্ৰয়োগ কৰাটো অসম্ভৱ হয়। নিয়ম মানিবই নোখোজে। পিছে জৰিমনাৰ পৰিমাণ বেছি হ'লে নিজে নিজেই নিয়ম মানিবলৈ বাধ্য হ'ব।

উৰণীয়া পদসেতুৰ সমীপত কিছুমান লোকে অযথা গাড়ীবোৰ ৰখাই থয়। আনকি উৰণীয়া সেতুৰ তলৰ পৰা চিৰি বগোৱা পথৰ কাষতো বহুতে দুচকীয়া আৰু সৰু চাৰি চকীয়া বাহন ৰখাই থৈ নিজৰ নিজৰ কামলৈ যায়। ঘণ্টাৰ পাছত ঘণ্টা ধৰি তেনেদৰে বাহনবোৰ ৰখাই থোৱাৰ ফলত ৰাইজৰ যাতায়াতত ব্যাঘাত জন্মে। আনকি কেতিয়াবা খোজ কাঢ়ি যাবলৈকো চিন্তা কৰিবলগীয়া হয়। তদুপৰি উৰণীয়া সেতু অথবা উৰণীয়া পদসেতুৰ সমীপত ৰখাই থোৱা বাহনসমূহৰ বাবে অযথা যান-জঁটৰ সৃষ্টি হোৱা দেখা যায়। গতিকে এনেদৰে যান-জঁট সৃষ্টি কৰা বাহনৰ গৰাকীয়ে জৰিমনা বিহিব লাগে। তদুপৰি তেওঁলোকক লাজ দিবলৈ ফুলৰ তোৰা হাতত গুজি দি সংশ্লিষ্ট কৰ্তৃপক্ষই সেয়া ফটো আকাৰে প্ৰকাশ কৰিলেও ভৱিষ্যতে এনে কাৰ্য কৰাৰ পৰা আঁতৰি থাকিব।

আজিকালি বিশ্বৰ বিভিন্ন ঠাইত বাণিজ্যিক মহানগৰসমূহক এনেদৰে সুন্দৰ ৰূপত সজাই তোলা হৈছে যে ই হৈ পৰিছে পৰ্যটনৰ কেন্দ্ৰবিন্দু। অট্টালিকা নিৰ্মাণ, পাৰ্ক, ফুলনি আদি সজোৱা, আলোকসজ্জাৰে বিশ্বৰ কেবাখনো মহানগৰী এতিয়া হৈ পৰিছে পৰ্যটন নগৰী। পৰ্যটনথলীসমূহ চৰকাৰৰ উপাৰ্জনৰ উৎস। তদুপৰি পৰ্যটকক কেন্দ্ৰ কৰি গঢ়ি উঠিছে নিবনুৱা সমস্যা সমাধানৰ উৎস। গুৱাহাটী মহানগৰীৰো সৌন্দৰ্য বৃদ্ধিৰ বাবে আৰু অধিক পদক্ষেপ লোৱাত সংশ্লিষ্ট কৰ্তৃপক্ষই গুৰুত্ব দিয়ক। দেশৰ ভিতৰতে লেখত ল'বলগীয়া মহানগৰী হিচাপে স্বীকৃতি লাভ কৰক। মহানগৰীৰ উন্নয়নৰ গতি যাতে কেতিয়াও স্তব্ধ হৈ নপৰে।

# গাঁৱৰ খেলপথাৰৰ পৰা আন্তৰ্জাতিক মঞ্চত প্ৰতিষ্ঠিত কাবাডী

ভাৰতৰ পৰম্পৰাগত খেলসমূহৰ ভিতৰত অন্যতম হ'ল কাবাডী। এইবিধ খেল কেতিয়াৰ পৰা আৰম্ভ হৈছিল সেই বিষয়ে নিশ্চিত তথ্য পাবলৈ নাই। কাবাডী লেখবিধ ভাৰতৰ প্ৰতিখন ৰাজ্যত পূৰ্বৰ দৰে আজিও সমানেই জনপ্ৰিয়। অৱশ্যে মাজতে ক্ৰিকেট আৰু ফুটবল খেলৰ বাবে কাবাডীৰ জনপ্ৰিয়তা কিছুপৰিমাণে ম্লান হৈছিল। ইয়াৰ আঁৰত আন এক কাৰণো নথকা নহয়। এইবিধ খেল দুই দশকমান আগলৈকে আন্তৰ্জাতিক বৃহৎ প্ৰতিযোগিতাত অন্তৰ্ভুক্ত নোহোৱা বাবে নৱপ্ৰজন্মই খেলবিধৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰা নাছিল। যেতিয়াৰে পৰা কাবাডী বৃহৎ আন্তৰ্জাতিক প্ৰতিযোগিতাত অন্তৰ্ভুক্ত হ'ল তেতিয়াৰে পৰা গ্লেমাৰৰ আশাত ইয়াৰ প্ৰতি আকৰ্ষিত হ'বলৈ ধৰিলে। এছিয়ান গেমছৰ পৰা আৰম্ভ কৰি বিশ্বকাপ কাবাডী প্ৰতিযোগিতালৈকে সকলোবোৰ প্ৰতিযোগিতাই এতিয়া আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। আন্তজাৰ্তিক কাবাডী ফেডাৰেচন গঠন হোৱাৰ পাছত খেলবিধৰ প্ৰসাৰ আৰু প্ৰচাৰ পূৰ্বৰ তুলনাত বহুখিনি সম্প্ৰসাৰিত হ'ল। এইবিধ খেলক কাউডি, পক্কাড়া, হা-ডুগুু, ভাৰিটিক, ছাডুকুডা, হু-টু-টু হিমোছিকা আদি নামেৰে পৰিচিত।

বাংলাদেশৰ ৰাষ্ট্ৰীয় খেলবিধ হ'ল কাবাডী। ভাৰতৰ অন্ধ্ৰ প্ৰদেশ, বিহাৰ, কেৰালা, হাৰিয়ানা, ওড়িশা, পাঞ্জাব, তামিলনাডু আদিৰ উপৰি অসমতো কম-বেছি পৰিমাণে এইবিধ খেলৰ প্ৰচলন আছে।

বিশ্বৰ বিভিন্ন ঠাইত খেলবিধৰ প্ৰচলন আছে যদিও মূলতঃ ভাৰত, বাংলাদেশ, নেপাল, পাকিস্তান, ইৰান, ইংলেণ্ড আদিতহে বেছিকৈ প্ৰসাৰ হোৱা দেখা যায়। ১৯২০ চনত ভাৰতত সংগঠিত ৰূপত প্ৰতিযোগিতাৰ মাজেদি খেল হিচাপে স্বীকৃতি দিয়া হয়। ১৯৫০ চনত ভাৰতত গঠন কৰা হয় সদৌ ভাৰত কাবাডী ফেডাৰেচন। ১৯৫১ চনত দিল্লীত অনুষ্ঠিত প্ৰথম এছিয়ান গেমছত এইবিধ খেল প্ৰথমবাৰৰ বাবে সংগঠিত ৰূপ প্ৰদৰ্শন কৰা হয়। গাঁৱৰ খেলপথাৰত খেলা খেলবিধ সংগঠিত ৰূপত বিশ্ববাসীৰ মাজত প্ৰতিষ্ঠিত কৰাৰ এয়া আছিল প্ৰথম পদক্ষেপ। ১৯৮২ চনত এছিয়ান গেমছত পুনৰ প্ৰদৰ্শন কৰাত ১৯৯০ চনৰ পৰা এছিয়ান গেমছত এইবিধ খেল অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ পাছত আন্তৰ্জাতিক কাবাডী প্ৰতিযোগিতা অনুষ্ঠিত কৰে। উল্লেখ্য যে তিনিওবাৰেই চেম্পিয়ন হয় ভাৰত। ইয়াৰ পাছতে এছিয়ান কাবাডী চেম্পিয়নশ্বিপ, ছুপাৰ কাবাডী লীগ, ইণ্ডো ইণ্টাৰনেচনেল প্ৰিমিয়াৰ কাবাডী লীগ, কাবাডী মাষ্টাৰ্ছ, জুনিয়ৰ বিশ্ব কাবাডী চেম্পিয়নশ্বিপ, ইউৰোপিয়ান কাবাডী চেম্পিয়নশ্বিপ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই ভাৰতৰ বিভিন্ন গাঁৱত পথাৰৰ মাজত কাবাডী আদি খেল স্থানীয়ভাৱে অনুষ্ঠিত হোৱাৰ নজিৰ আছে। আগতে একো একোটা অঞ্চলৰ লোকসকলৰ ভিতৰত যিসকল শাৰীৰিকভাৱে সুস্থ আৰু সুন্দৰ চেহেৰাৰ আছিল তেওঁলোকে বল আৰু বুদ্ধিৰ খেলত অৱতীৰ্ণ হৈ দক্ষতা প্ৰদৰ্শনৰ বাবে আগ্ৰহী আছিল। যিহেতু আগতে টিভি আদিৰ প্ৰচলন নাছিল, সেয়েহে কাবাডী জাতীয় খেলসমূহ একো একোটা বিশেষ অঞ্চলতহে বেছি জনপ্ৰিয় আছিল। অঞ্চলটোৰ পাহোৱাল যুৱকসকলৰ মাজত প্ৰতিযোগিতাত হৈছিল। পিছে এইবোৰ প্ৰতিযোগিতা আজিৰ দৰে নাছিল। বিজয়ীসকলক স্থানীয় বিশেষ বস্তুৰেই সন্মান জনোৱা হৈছিল। আনকি ৰজা-মহাৰজাসকলৰ দিনতো এইবিধ খেল বিভিন্ন ৰূপত প্ৰদৰ্শন কৰি ডেকাসকলে ৰজাৰ দ্বাৰা পুৰস্কৃতও কৰা হৈছিল।

আন্তৰ্জাতিক মঞ্চত খেলবিধ প্ৰতিষ্ঠিত হোৱাৰ আগলৈকে বিশেষ নিয়ম নাছিল। স্থানীয় অঞ্চলসমূহত বিভিন্ন নিয়মৰ মাজেদি খেল অনুষ্ঠিত হৈছিল। অৰ্থাৎ খেলৰ নিয়ম আদি স্থানীয়ভাৱেই নিৰ্ধাৰণ কৰা হৈছিল বাবে অঞ্চলভেদে খেলবিধৰ নিয়ম ভিন্ন হোৱাটোৱে স্বাভাৱিক।

কাবাডী খেলত প্ৰতিপক্ষৰ শিবিৰত আঘাত হানি পইণ্ট অৰ্জনৰ বাবে শক্তি আৰু বুদ্ধিৰ প্ৰয়োজন। কাৰণ এক নিৰ্দিষ্ট সময়ৰ ভিনৰত বুদ্ধি আৰু কৌশলেৰে প্ৰতিপক্ষৰ শিবিৰৰ পৰা নিজৰ শিবিৰলৈ লক্ষ্মণৰেখা পাৰ হৈ আহিব লাগে। প্ৰতিপক্ষৰ শক্তিশালী খেলুৱৈয়ে ধৰি ৰাখিব নোৱাৰাকৈ নিজেও বলৱান হ'ব লাগিব। গতিকে এনেধৰণৰ খেলৰ জৰিয়তে শাৰীৰিক-মানসিক বিকাশ হয়। হয়তো এনে এক দৃষ্টিকোণৰ পৰাই ভাৰতীয় লোকসকলে এইবিধ খেলৰ ওপৰত সদায় গুৰুত্ব প্ৰদান কৰি আহিছে।

অসমতো গ্ৰামাঞ্চলত খেলবিধ প্ৰচলিত হৈ আহিছে। সময়ৰ লগে লগে কাবাডী প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'বলৈ ধৰিলে। পেছাদাৰী মনোভাবেৰে খেলুৱৈসকলেও যেতিয়াৰে পৰাই খেলপথাৰত নামি পৰিল তেতিয়াৰে পৰাই বিভিন্ন ঠাইত প্ৰাইজমানি প্ৰতিযোগিতা আদিৰ সংখ্যাও বৃদ্ধি পালে। এনে ধৰণৰ প্ৰতিযোগিতাৰ আয়োজনেৰে একো একোটা বৃহত্তৰ অঞ্চলৰ যুৱ শক্তিক উৎসাহ আৰু প্ৰেৰণা যোগোৱা হয়। কাবাডী আদি খেলৰ জৰিয়তেও যে আজি আন্তৰ্জাতিক মঞ্চত নিজকে প্ৰতিষ্ঠা কৰিব পাৰি সেই বিষয়ে বহুতে নিজকে প্ৰস্তুত কৰাৰ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। অতি সম্প্ৰতি পেছাদাৰী কাবাডী লীগ আদি আৰম্ভ হৈছে। গতিকে সন্মান আৰু অৰ্থ দুয়োবিধেই কাবাডীৰ জৰিয়তে অৰ্জন কৰাটো সম্ভৱ। গাঁৱৰ খেলপথাৰৰ পৰা আন্তৰ্জাতিক মঞ্চত স্বীকৃতি লাভ কৰা এইবিধ খেলৰ আৰু অধিক প্ৰসাৰ হওক। দ্ৰুতগতিময় হওক কাবাডী খেল।

# সংসদৰ অধিৱেশনৰ সময়, সাংসদৰ শিশুসুলভ আচৰণ ইত্যাদি

গণতন্ত্রত ৰাইজেই ৰজা। সেইবাবে গণতান্ত্রিক দেশসমূহত এক নির্দিষ্ট সময়ৰ ব্যৱধানত নির্বাচন অনুষ্ঠিত কৰি ৰাইজেই জনপ্রতিনিধি নির্বাচিত কৰে। একোটা নির্দিষ্ট অঞ্চলৰ পৰা ৰাইজে জনপ্রতিনিধি নির্বাচিত কৰে ৰাইজৰ সমস্যাসমূহ বিধানসভা-সংসদত উত্থাপিত কৰি সমাধানৰ বাবে প্রধানমন্ত্রীৰ দৃষ্টি আকর্ষণ কৰাৰ বাবে। কাৰণ প্রধানমন্ত্রী-মুখ্যমন্ত্রীয়ে অকলে দেশ বা ৰাজ্যৰ প্রতিটো অঞ্চলৰ স্থানীয় মূল সমস্যাৰ বিষয়ে জ্ঞাত নহয়। বিধানসভা অতবা সংসদত সমস্যাসমূহ সমাধানৰ বাবে আগ-ভাগ ল'বলৈ যিগৰাকী প্রতিনিধিক ৰাইজে নির্বাচিত কৰে তেওঁ সেই বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ মনৰ কথা বুজি পাব লাগিব। ৰাইজৰ সমস্যা সমাধানৰ বাবে নির্বাচিত প্রতিনিধিজনৰ এই দৃষ্টিকোণৰ পৰা চালে প্রতিটো মুহূর্তই গুৰুত্বপূর্ণ। তেওঁলোকক বিধানসভা-সংসদলৈ ধর্ণা দিবলৈ পঠিওৱা নহয়। নতুবা বিধানসভা-সংসদৰ পৰা ওলাই আহি চৰকাৰৰ বিৰুদ্ধে প্রতিবাদ কৰিবলৈ

পঠিওৱা হয়নে? সংসদৰ মজিয়াৰ পৰা ওলাই আহি প্ৰতিবাদ জনোৱাটোৱে যে সমস্যা সমাধানৰ একমাত্ৰ পথ তেনে নহয়। সংসদৰ মজিয়াত প্ৰতিটো মিনিটেই গুৰুত্বপূৰ্ণ। কাৰণ বিধানসভা বা সংসদ এক নিৰ্দিষ্ট সময়ৰ ব্যৱধানত কেইদিনমানৰ বাবেহে অনুষ্ঠিত হয়। এই সময়ছোৱাত যদি ৰাইজৰ সমস্যাসমূহ উত্থাপন কৰা নহয়, তেনেহ'লে অধিৱেশনৰ অন্তৰ পাছত সম্ভৱ হয় জানো? এইবোৰ বিষয় জনপ্ৰতিনিধিজনে উপলব্ধি কৰা উচিত।

প্ৰতিখন অধিৱেশনৰ সময়ত চৰকাৰ আৰু বিৰোধী পক্ষই সংসদৰ সময়ৰ অপব্যৱহাৰ নকৰাৰ সংকল্প লয়। পিছে এইবোৰ বাস্তৱত ফুটুকাৰ ফেনহে হোৱা দেখা যায়। সংসদৰ পঞ্জীভূত তথ্য অনুসৰি ২০১৫ চনৰ পৰা ২০১৯লৈ প্ৰশ্নোত্তৰ কালছোৱাৰ মাত্ৰ ৪০ শতাংশ সময়হে আলোচনা হৈছে। ৬০ শতাংশ সময়ত সংসদ বৰ্জন অথবা ব্যাঘাত জন্মোৱাৰ বাবে অযথা ব্যয় হৈছে। অৰ্থাৎ এই সময়ছোৱাত ৩৩২ ঘণ্টাৰ ভিতৰত ১৩৩ ঘণ্টা ১৭ মিনিটহে আলোচনাৰ বাবে ব্যৱহাৰ হৈছে। ২০১৭তহে মাত্ৰ ৫০ শতাংশ প্ৰশ্নোত্তৰ সময়ত আলোচনা কৰিছে। ২০১৮ চনত আটাইতকৈ কম সময় আলোচনা হৈছিল। নিৰ্দিষ্ট সময়ৰ মাত্ৰ ২২.২৮ শতাংশহে আলোচনাৰ বাবে সাংসদসকল মিলিত হৈছিল। এই দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে প্ৰায়সংখ্যক সাংসদেই নিজৰ কৰ্তব্য সম্পৰ্কে সচেতন নহয়। শাসক দলৰেই হওক বা বিৰোধীৰেই নহওক কিয় প্ৰায়সংখ্যকে যেন ৰাইজে তেওঁলোকক কিহৰ বাবে সংসদৰ মজিয়ালৈ পঠিয়াইছে সেই কথা পাহৰি যায়।

সংসদৰ অধিৱেশন অনুষ্ঠিত হোৱাৰ প্ৰতিটো মিনিটেই গুৰুত্বপূৰ্ণ। কাৰণ সংসদৰ মজিয়াতে দেশ পৰিচালনাৰ পৰিকল্পনাবোৰ বাস্তৱত ৰূপায়িত কৰা হয়। বিভিন্ন বিষয়ত বিধেয়ক উত্থাপন, আইনলৈ কাৰ্যকৰিতা কৰাৰ ক্ষেত্ৰত আগভাগ লোৱা, দেশৰ অৰ্থব্যৱস্থাৰ পৰা আৰম্ভ কৰি পৰ্যটন ক্ষেত্ৰলৈকে সকলোবোৰ বিষয়ত নীতি-আঁচনি আদি প্ৰস্তুত কৰা হয় সংসদৰ মজিয়াত। আভ্যন্তৰীণ আৰু আন্তৰ্জাতিক ক্ষেত্ৰত সৃষ্টি হোৱা বিবাদ, সমস্যা আদিৰো সমাধান কৰাৰ বাবে পৰিকল্পনা যুগুত কৰা হয় সংসদৰ মজিয়াতে। গতিকে ইমানবোৰ গুৰুত্বপূৰ্ণ বিষয় থকাৰ পাছতো সাংসদ এজনে যদি সংসদৰ

মজিয়াত কেৱল শিশুসুলভ আচৰণ প্ৰদৰ্শন কৰিয়ে সময়ৰ অপব্যৱহাৰ কৰে, তেনেহ'লে দেশবাসীৰ বাবে এয়া বৃহৎ ক্ষতি নহ'বনে? তদুপৰি সংসদৰ মজিয়াত বিধেয়কৰ প্ৰতিলিপি আদি ফালি পেলোৱা, কাৰোবাক মাৰিবলৈ চোঁচা লোৱা, আচবাব লণ্ড-ভণ্ড কৰা আদি কাৰ্যত যেতিয়া সংসদত লিপ্ত হয় তাতকৈ লজ্জাজনক বিষয় আন কিবা হ'ব পাৰে জানো? আজিকালি সংসদত সকলোবোৰ কাম-কাজ টিপি চেনেল আদিৰ উপৰি সামাজিক মাধ্যমত সম্প্ৰচাৰ কৰা হয়। যেতিয়া সংসদৰ ভিতৰত এনেবোৰ দৃশ্য ৰাইজে প্ৰত্যক্ষ কৰে তেতিয়া মনত এনে ভাব হয় যে জনপ্ৰতিনিধিসকলক কিছুমান শিক্ষা বা প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন। তেওঁলোকৰ বাবে যেন 'বিশেষ পাঠ্যক্ৰম'ৰ প্ৰয়োজন। তেওঁলোকৰ বাবে যেন 'বিশেষ পাঠ্যক্ৰম'ৰ প্ৰয়োজন আছে। এনে জনপ্ৰতিনিধিক দেখি নৱপ্ৰজন্মই কি শিকিব সেয়া সহজেই অনুমেয়। প্ৰতিবাদ মানেই যে কাৰোবাক মাৰিবলৈ খেদি যাব লাগিব, সংসদৰ পৰা ওলাই যোৱা, হুলস্থূল কৰিবই লাগিব বুলি কোনো কথা নাই। সংসদৰ মূল্যৱান সময়ৰ ওপৰত প্ৰতিজন সাংসদে গুৰুত্ব প্ৰদান কৰা উচিত। শক্তিশালী বিৰোধীৰ প্ৰয়োজন চৰকাৰৰ একনায়কত্ব প্ৰতিৰোধ কৰিবলৈ। পিছে বিৰোধীয়ে সংসদৰ সময় আৰু দেশৰ প্ৰগতিৰ কথাও চিন্তা কৰিব লাগিব।

# কৃষক আন্দোলনে কিয় ল'লে হিংসাত্মক ৰূপ

হিংসাত্মক কাৰ্যকলাপেৰে সমস্যা সমাধান হোৱাৰ নজীৰ বিচাৰি পাবলৈ টান। উত্তেজনাৰ বশৱৰ্তী হৈ যিকোনো কাম কৰিলে ইয়াৰ পৰিণতিও ভয়াৱহ হয়। সেইবাবে হিংসাৰ পথেৰে আন্দোলন কৰি সমস্যা সমাধান কৰাটো সম্ভৱ নহয় বুলি স্পষ্ট হৈ পৰে— যদিহে ইতিহাসৰ পৃষ্ঠা মেলি চাওঁ এই কথাকে প্ৰমাণিত কৰে। শান্ত পৰিৱেশৰ মাজেদি আগবাঢ়ি গ'লে সন্মুখৰ সকলোবোৰ দুৱাৰ খোলা থাকে। যেতিয়াই-তেতিয়াই প্ৰৱেশ কৰাৰ অনুমতি পোৱা যায়। মাৰ্টিন লুথাৰ কিঙৰ পৰা আৰম্ভ কৰি মহামানৱ মহাত্মা গান্ধী, নেলচন মেণ্ডেলালৈকে এইসকলৰ নেতৃবৃন্দই এটা কথা স্পষ্ট কৰি গৈছে যে অহিংস পথেৰে আগুৱাই গ'লেহে সমস্যা নহয়। এনেধৰণৰ উদাহৰণ সোণোৱালী আখৰেৰে জিলিকি থকাৰ পাছতো মহাত্মা গান্ধীৰ দেশখনত উদণ্ড কৃষকে দেশৰ আকৰ্ষণৰ অন্যতম লালকিল্লাত বিদ্ৰোহী কৃষকে অপমান কৰিলে ভাৰতীয় জাতীয় পতাকাক। লালকিল্লাত ত্ৰিৰংগা উৰি ভাৰতৰ স্বাধীনতা আন্দোলনৰ গৌৰৱোজ্জ্বল কাহিনীৰ সাক্ষী হৈ থাকোঁতে বিদ্ৰোহী কৃষকে পতাকাখনক অপমানিত কৰি 'নিচান চাহিব'ৰ পতাকা উত্তোলন কৰাটো উচিত আছিল নে নাই সেয়া সময়েহে উত্তৰ দিব।

গণতান্ত্ৰিক দেশত সকলোৱে গণতান্ত্ৰিকভাৱে আন্দোলন কৰাৰ অধিকাৰ আছে। সংবিধানপ্ৰদত্ত অধিকাৰ আৰু প্ৰাপ্য তথা কোনো বিষয়ক কেন্দ্ৰ কৰি

আন্দোলন-প্ৰতিবাদ কৰিব পৰাৰ অধিকাৰ দেশৰ সংবিধানখনে প্ৰদান কৰিছে। শান্তিপূৰ্ণভাৱে সমৱেত হোৱাৰো অধিকাৰ প্ৰতিগৰাকী ভাৰতীয় লোকেই উপভোগ কৰিব পাৰে। পিছে শান্তিপূৰ্ণ আন্দোলনক প্ৰতিবাদে হিংসাত্মক ৰূপ ধাৰণ কৰোৱাৰ অধিকাৰ সংবিধানে কোনো লোককে প্ৰদান কৰা নাই। ৰাজহুৱা সম্পত্তি কোনেও ধ্বংস কৰিব নোৱাৰে।

কেন্দ্ৰীয় চৰকাৰে প্ৰৱৰ্তন কৰা কৃষি আইন বাতিলৰ দাবীত বিগত দুমাহে হেজাৰ হেজাৰ কৃষকে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি অহাৰ মাজতে হঠাতে ট্ৰেক্টৰ ৰেলীৰে দিল্লীৰ লালকিল্লাত ধৰ্মীয় পতাকা উৰুওৱা, আৰক্ষীৰে সংঘৰ্ষত লিপ্ত হোৱাৰ লগতে ৰাজহুৱা সা-সম্পত্তিৰ ক্ষতিসাধন কৰাৰ পাছত এতিয়া কৃষক আন্দোলনক লৈ চলিছে ব্যাপক চৰ্চা। ২৬ জানুৱাৰীত দেশবাসীয়ে যেতিয়া গণৰাজ্য দিৱস পালনেৰে জাতীয় পতাকা উৰুওৱাত ব্যস্ত হৈ আছিল সেইসময়তে একাংশ বিদ্ৰোহী কৃষকে লালকিল্লাত উৰুৱালে 'নিচান চাহিব'। কৃষক আন্দোলনক লৈ বিগত দুমাহে বিশ্বৰ বিভিন্ন দেশৰ নেতাসকলে প্ৰতিক্ৰিয়া প্ৰক্ৰিয়া প্ৰকাশ কৰাৰ সময়ত আৰু সমৰ্থন জনোৱাৰ পাছতো আন্দোলনে হঠাতে হিংসাত্মক ৰূপ ধাৰণ কৰে। শতাধিক আৰক্ষী আহত হোৱা ঘটনাটো এতিয়া কোনেও সহজভাৱে ল'ব পৰা নাই।

কৃষক আন্দোলনে হঠাতে কিয় হিংসাত্মক ৰূপ ল'লে? এয়া কৃষকসকলৰ পূৰ্বপৰিকল্পিত আক্ৰমণ আছিল নেকি? যদি আছিল তেনেহ'লে আৰক্ষী-চোৰাংচোৱা বিভাগে কিয় একো সংকেত নাপালে? এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি এতিয়া সকলোৰে মনত কৌতূহল সৃষ্টি হৈ আছে। বিক্ষিপ্ত ঘটনাৰ পাছত এতিয়া দিল্লী-হাৰিয়ানাৰ সিংঘু বৰ্ডাৰৰ সমীপতে এতিয়া স্থানীয় ৰাইজে কৃষক আন্দোলনস্থলীৰ সমীপতে আন্দোলনকাৰীৰ বিৰুদ্ধে ধৰ্ণা দিছে ৰাজপথ মুকলি কৰি দিয়াৰ দাবীত। এখন আইন বাতিলৰ দাবীত হিংসাত্মক আন্দোলন চলোৱা এইসকল কৃষকৰ মাজত এতিয়া বিভাজন হোৱাটো প্ৰকট হৈ পৰিছে। কেৱল সেয়াই নহয়— আন্দোলনত অংশগ্ৰহণ কৰা কৃষকসকলৰ বহুতেই যে প্ৰকৃত কৃষক নহয় সেয়াও স্পষ্ট হৈছে। এই আন্দোলনৰ আঁৰত থকা তৃতীয় শক্তিয়ে আন্দোলনকাৰী কৃষকৰ কান্ধত বন্দুক থৈ ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপত লিপ্ত হ'বলৈ সুযোগ গ্ৰহণ কৰিছে। কাৰণ আইন বাতিলৰ বাবে

কৰা আন্দোলনত অংশগ্ৰহণ কৰা একাংশ লোকৰ হাতত থকা তৰোৱাল আদিয়ে এই কথাকে প্ৰমাণ কৰিছে। চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ কৰিলেই যে আন্দোলনে হিংসাত্মক ৰূপ ল'ব লাগিব তাৰ কোনো যুক্তি থাকিব নোৱাৰে।

কৃষক আন্দোলনটোৰ উদ্দেশ্য যুক্তিসংগত আছিল যদিও দিন বাগৰাৰ লগে লগে ইয়াক লৈ একাংশ ৰাজনৈতিক দলে যেতিয়াৰে পৰা ৰাজনীতি কৰিবলৈ আৰম্ভ কৰিলে তেতিয়াৰেপৰাই আন্দোলনটোৱে অন্যফালে গতি কৰিলে। একাংশ তথাকথিত ৰাজনৈতিক নেতাই নিজৰ নিজৰ উদ্দেশ্যত উপনীত হৈ মুনাফা লুটিবলৈ আন্দোলনকাৰীৰ স'তে মিলিত হোৱা আৰু সমৰ্থন আগবঢ়োৱাৰ পাছতেই এই আন্দোলনৰ বাবে যে একাংশ লোকে প্ৰৰোচনা কৰিছে সেই কথা লাহে লাহে ৰাইজে বুজি পালে। চৰকাৰেও অপেক্ষা কৰিছিল এই আন্দোলনকাৰীসকলে ধৈৰ্যৰ বান্ধ ছিঙি হিংসাত্মক কাৰ্যত লিপ্ত হওক। ছমাহৰ বাবে ট্ৰাক-ট্ৰেক্টৰত খাদ্য সামগ্ৰী মজুত ৰাখি আন্দোলনত নমা লোকসকলে ৰাজপথত যিধৰণে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিলে সেই দৃশ্য দেখাৰ পাছত সৰ্বসাধাৰণ ৰাইজৰ মাজত এটি প্ৰশ্ন উদয় হ'ল— এনে বিলাসিতা আন্দোলন কেৱল কৃষি আইন বাতিল কৰিবলৈ কৰিছে নে তৃতীয় পক্ষক লাভালাভৰ বাবে সুযোগ দিবলৈ অব্যাহত ৰাখিছে?

কৃষক আন্দোলনে সংগঠিত ৰূপত চৰকাৰৰ আগত দাবী উত্থাপন কৰিবলৈ চেষ্টা কৰিলে যদিও উপযুক্ত কৃষক নেতাৰ অভাৱত শান্তিপূৰ্ণভাৱে চলি থকা আন্দোলনে হঠাতে ভয়াৱহ ৰূপ ধাৰণ কৰিলে। আন্দোলন সফল হ'বলৈ হ'লে উপযুক্ত নেতাৰ প্ৰয়োজন। ইতিহাসৰ পৃষ্ঠা মেলি চালে এই কথাকে প্ৰমাণ কৰে। মহামানৱ মহাত্মা গান্ধীয়ে শক্তিশালী বৃটিছৰ বিৰুদ্ধে অহিংস নীতিৰে আন্দোলন কৰিছিল। মাৰ্টিন লুথাৰ কিঙে কৃষ্ণাংগৰ বাবে কৰা আন্দোলন আছিল অহিংস নীতিৰ ওপৰত প্ৰতিষ্ঠিত। দক্ষিণ আফ্ৰিকাৰ নেলচন মেণ্ডেলাই অহিংস পথেৰেই আন্দোলন চলাইছিল। সফলো হৈছিল। একো একোটা মহাশক্তিৰ বিৰুদ্ধে অহিংস নীতিৰে দীৰ্ঘদিন আন্দোলন চলাই সফল হৈছিল। এনে আদৰ্শৰ বিপৰীতে দেশৰ একাংশ বিদ্ৰোহী কৃষকে কৃষি আইন বাতিলৰ বাবে ল'লে হিংসাৰ পথ। কাৰণ এই আন্দোলন কেবাটাও

সংগঠনে আৰম্ভ কৰিছিল যদিও নেতাসকলৰ নাই আদৰ্শ। কেৱল চৰকাৰৰ বিৰুদ্ধে আন্দোলন কৰিব লাগে বুলিয়েই এনেদৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। কোনো নেতাৰ নিয়ন্ত্ৰণত নাই আন্দোলনকাৰী। একাংশৰ বাবে 'মোদীবিৰোধী' শ্ল'গান দিয়াটোৱেই যেন কৃষক আন্দোলনৰ লক্ষ্য কৰি ল'লে। তদুপৰি আন্দোলনকাৰীৰ প্ৰকৃতি লক্ষ্য কৰিলে সন্দেহ হয় তেওঁলোকে যেন কাৰোবাৰ নিৰ্দেশতহে প্ৰতিবাদ কৰিছে। ক'ৰবাত যদি ম'বাইল টাৱাৰ ভাঙিছে, আন ক'ৰবাত আকৌ যোগাযোগ বিচ্ছিন্ন কৰিছে। যেন উৰহৰ খং ভগা ঢাৰিতহে জাৰিছে।

কোনোবাই আন্দোলন কৰে কৰি থাকক। অধিকাৰ সাব্যস্ত কৰিবলৈ আন্দোলন কৰাৰ অধিকাৰ সকলোৰে আছে। পিছে সেই অধিকাৰে দেশৰ অখণ্ডতা, স্বাভিমান আৰু গৌৰৱক ধূলিসাৎ কৰিব নোৱাৰে। ঐতিহাসিক সম্পদ ধ্বংস বা ক্ষতিসাধন, ৰাষ্ট্ৰীয় সম্পদ, ধ্বজা আদিক অসন্মান কৰাটো কেতিয়াও সমৰ্থনযোগ্য হ'ব নোৱাৰে। জাতীয় পতাকাক ভাৰতীয়সকলে সদায় সন্মান দি আহিছে। গতিকে আন্দোলনকাৰীৰ দৃষ্টিত এইখন এখন কেৱল গেৰুৱা, শুকুলা আৰু শ্যামল বৰণৰ কাপোৰ হ'ব নোৱাৰে। যদি কোনোবাই এই ত্ৰিৰংগাক কেৱল এখন খাদী কাপোৰ বুলি ভাবে তেনেহ'লে তেনে ব্যক্তি কেতিয়াও ক্ষমাৰ যোগ্য হ'ব নোৱাৰে। তদুপৰি দেশৰ সুৰক্ষাৰ বাবে দিনে-নিশাই অতন্দ্ৰ প্ৰহৰী হৈ থকা আৰক্ষী-নিৰাপত্তাৰক্ষীৰ ওপৰত দেশৰ জনগণে আন্দোলনৰ নামত আক্ৰমণ কৰাটোও গ্ৰহণযোগ্য নহয়। আন্দোলনকাৰীসকলে বিদ্ৰোহ কৰিলে বুলিয়ে ৰাজহুৱা সম্পত্তিৰ ক্ষতিসাধন কৰিব কিয়? তেওঁলোকক অধিকাৰ দিলে কোনে? তদুপৰি দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে কৃষি আইন সন্দৰ্ভত বিভিন্ন দিশ চালি-জাৰি চাবলৈ এখন কমিটি গঠন কৰি দিয়াৰ পাছতো আন্দোলনকাৰী কৃষকসকলে ২৬ জানুৱাৰীত হিংসাত্মক কাৰ্যকলাপত কিয় লিপ্ত হ'ল তাৰ উত্তৰ কৃষক সংগঠন আৰু নেতাসকলে দেশবাসীক দিব পাৰিবনে? কৃষক আন্দোলনৰ আঁৰত তৃতীয় শক্তিৰ হাত আছে নেকি তাৰহে তদন্ত হ'ব লাগে। নহ'লে এনেদৰে আন্দোলনকাৰীসকলে এদিন তৃতীয় শক্তিৰ সহায়ত দেশত বিভাজনৰ সৃষ্টি কৰিব। দেশৰ অখণ্ডতাৰ প্ৰতি আহি পৰিব চৰম ভাবুকি?

# সাফল্যৰ শীৰ্ষত উঠিও নিজৰ স্থিতিত অটল শিল্পী ঃ প্ৰভাত শৰ্মা

অসমৰ সংগীত জগতৰ এটি চিনাকি নাম প্ৰভাত শৰ্মা। সংগীতক জীৱনৰ আত্মা হিচাপে গণ্য কৰা এইগৰাকী শিল্পীয়ে কে'বাদশক ধৰি অসমৰ সংগীত জগতখনলৈ আগবঢ়োৱা বিশেষ অৱদানৰ বাবে চিৰদিন স্মৰণীয় হৈ থাকিব। বৰপেটাৰ এটা সংস্কৃতিৱান আৰু বিদ্বান পৰিয়ালত ৭ জুলাই, ২০৩৫ত জন্মগ্ৰহণ কৰা প্ৰভাত শৰ্মাই শৈশৱৰেপৰাই সংগীতৰ স'তে জড়িত হৈ পৰে। ব্যক্তি হিচাপে তেওঁ আছিল একেবাৰে সৰলৰেখাৰে গতি কৰা পথিক। এককথাত ক'ব পাৰি তেওঁ আছিল এগৰাকী মাটিৰ মানুহ। এইগৰাকী শিল্পীৰ স'তে চিনাকি হোৱাৰ সুযোগ পাইছিলো ভ্ৰাম্যমাণ থিয়েটাৰৰ কাম কৰোতে। তেওঁৰ সুযোগ্য কন্যা বিশিষ্ট সংগীত শিল্পী তৰালী শৰ্মাৰ স'তে সংগীতৰ জগতত চিনাকি হোৱা সূত্ৰে মাজে-সময়ে প্ৰভাত শৰ্মাক একেবাৰে ওচৰৰ পৰা লগ কৰাৰ সুযোগ পাইছিলো। কেতিয়াবা ভ্ৰাম্যমাণৰ গৃহত আৰু কেতিয়াবা অম্বিকাগিৰি নগৰৰ নিগাজিপামৰ ঘৰত। দেখা পালেই মানুহজনক কিবা আপোন আপোন লাগে। সহজ-সৰল মানুহ। অসমৰ সংগীতজগতখনলৈ ইমান অৱদান আগবঢ়াই যোৱাৰ পিছতো নাছিল কোনো ভেম, অহংকাৰ। সকলোকে সমান ব্যৱহাৰ কৰিছিল। দেখিলেই হাঁহিৰে সম্ভাষণ জনোৱা

শিল্পীগৰাকী কৰ্মক্ষেত্ৰত আছিল নিয়মানুৱৰ্তিতাৰে আগবঢ়া। যিকোনো বিষয় সহজভাৱে ব্যাখ্যা কৰিব পাৰিছিল শিল্পীগৰাকীয়ে। সংগীতৰ বিশাল ভাণ্ডাৰৰ গৰাকী হোৱাৰ পাছতো কোনোদিনেই অহংকাৰ কৰা নাছিল।

লোকসংগীতক শুদ্ধ আৰু শক্তিশালী ৰূপত নৱ প্ৰজন্মৰ মাজত উপস্থাপন কৰাৰ ক্ষেত্ৰত সদায় তেওঁ গুৰুত্ব প্ৰদান কৰি আহিছিল। বিশেষকৈ লোকগীত, বাঁহীৰ সুৰ আদি যাতে শুদ্ধ ৰূপত ৰাইজৰ মাজত দাঙি ধৰা হয় তাৰ বাবে তেওঁ সকলোকে উপদেশ দিছিল। পৰম্পৰাগত গীত আৰু সুৰ সংৰক্ষণৰ বাবে তেওঁ যি পদক্ষেপ গ্ৰহণ কৰিছিল তাৰ জ্বলন্ত উদাহৰণ 'পাঞ্চজন্য'। অসমৰ লোকসংগীতৰ প্ৰথমটো বেণ্ড আছিল পাঞ্চজন্য। নাম যেনে পদক্ষেপো তেনে। এই বেণ্ডটোৱে যেতিয়া মঞ্চত অনুষ্ঠান পৰিৱেশন কৰিবলৈ ওলায়, তেতিয়া দৰ্শক-শ্ৰোতাই অকপটে স্বীকাৰ কৰিবলৈ বাধ্য হয় তেওঁৰ সৃষ্টিৰ কথা। এইগৰাকী শিল্পীয়ে তেতিয়াই উপলব্ধি কৰিছিল যে অসমৰ লোকসংগীতৰো এটা বেণ্ড হ'ব পাৰে। বহুতো চিন্তা-চৰ্চাৰ পাছতহে তেওঁৰ এই বেণ্ডটোৱে এখোজ-দুখোজকৈ সাফল্যৰ দিশে অগ্ৰসৰ হ'বলৈ সক্ষম হৈছিল। এতিয়াও তেওঁৰ এই বেণ্ডটো দৰ্শক-শ্ৰোতাৰ মাজত সমানেই জনপ্ৰিয়। অৱশ্যে পৰৱৰ্তী সময়ত এই বেণ্ডটো ৰাইজৰ মাজত 'দেৱগান্ধাৰ' হিচাপেহে পৰিচিত হয়। লোকসংগীতৰ সুৰৰ মূৰ্ছনাৰে আধুনিক মঞ্চ কঁপোৱাৰ পৰিকল্পনা কৰা প্ৰভাত শৰ্মাই নামনি অসমৰ গীত-মাতৰ সুৰক শুদ্ধ ৰূপত সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা চলাইছিল।

চাকৰিৰ সমান্তৰালভাৱে লোকসংগীতৰ সাধক প্ৰভাত শৰ্মা আছিল প্ৰতিভাসম্পন্ন আৰু ইয়াৰ পূৰ্ণ বিকাশ কৰিব পৰা ব্যক্তি, তেনে ব্যক্তিৰ সমাজত কেতিয়াবাহে আৱিৰ্ভাৱ ঘটে। এটা প্ৰজন্ম ক্ৰমশঃ পশ্চিমীয়া সংগীতৰ প্ৰতি আকৰ্ষিত হ'বলৈ ধৰা সময়তে এনে এটা পদ্ধতি গ্ৰহণ কৰিছিল, যিয়ে নৱপ্ৰজন্মকো আকৰ্ষিত কৰে। তেওঁ বিশ্বাস কৰিছিল শুদ্ধ আৰু সঠিক ৰূপত উপস্থাপন কৰা যিকোনো সংগীতেই নৱপ্ৰজন্মক আকৰ্ষিত কৰিব পাৰে। বিজতৰীয়া সভ্যতা-সংস্কৃতিৰ প্ৰতি তেওঁ কেতিয়াও আগবঢ়া নাছিল। কেৱল সেয়াই নহয়, এনেধৰণৰ সংস্কৃতিক তেওঁ কেতিয়াও সমৰ্থন কৰা নাছিল বুলি ক'লেও অত্যুক্তি কৰা নহয়। হয়তো সেইবাবেই তেওঁৰ কন্যা তৰালী শৰ্মাৰ

দৰে শিল্পী এগৰাকী সংগীতপ্ৰেমী ৰাইজে লাভ কৰিছে। পিতৃৰ পদাংক অনুমান কৰি তেওঁৰ জীয়ৰীয়েও পৰম্পৰাগত সুৰ সংৰক্ষণত গুৰুত্ব প্ৰদান কৰিছে।

প্ৰভাত শৰ্মাক ভ্ৰাম্যমাণ থিয়েটাৰৰ ক্ষেত্ৰতো লগ পাইছিলো। বিশেষকৈ নৃত্য নাটিকাৰ সংগীত পৰিচালনাৰ ক্ষেত্ৰত তেওঁ আছিল নিখুঁত পৰিচালক। দৰ্শক ৰাইজৰ স্পন্দন তেওঁ উপলব্ধি কৰিব পাৰিছিল। দৰ্শকে বিচৰা ধৰণেই মঞ্চত সংগীত উপস্থাপন কৰিছিল। নৃত্যাচাৰ্য যতীন গোস্বামীৰ স'তে যুটি বান্ধি প্ৰভাত শৰ্মাই ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চৰ বাবে যিকেইখন নৃত্য নাটিকাত সংগীত পৰিচালনা কৰিছে আটাইকেইখন দৰ্শকে আঁকোৱালি লৈছিল। সাধাৰণতে আন নৃত্য নাটিকাৰ তুলনাত ভ্ৰাম্যমাণ থিয়েটাৰৰ নৃত্য-নাটিকাৰ গুৰুত্ব অধিক। কাৰণ নাটকখনৰ সমানেই গুৰুত্বপূৰ্ণ হ'ব লাগিব। আনকি কেইখনমান নৃত্য নাটিকা ইমানেই জনপ্ৰিয় হৈছিল যে সেইকেইখনে নাটকৰ সমানেই চৰ্চা লাভ কৰিছিল। আটাইতকৈ ডাঙৰ কথাটো আছিল এয়ে যে প্ৰভাত শৰ্মাই দৰ্শকৰ ৰুচিবোধ অনুসৰি সংগীতক বাস্তৱ ৰূপ দিলেও সুৰ-লয় কেতিয়াও বিকৃত কৰা নাছিল। সেইবাবে আজিও তেওঁ সমানেই সংগীত জগতৰ অন্যতম চৰ্চিত ব্যক্তি।

প্ৰভাত শৰ্মা আছিল এনে এগৰাকী ব্যক্তিত্বসম্পন্ন লোক— যিগৰাকীয়ে সকলোকে আকৰ্ষণ কৰিব পাৰিছিল। জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলোৱে তেওঁক মনত আশ্ৰয় দিছে। কাৰণ শিল্পী হিচাপে তেওঁৰ অন্তৰখন আছিল প্ৰশান্ত মহাসাগৰৰ দৰে বহল। এইগৰাকী শিল্পীয়ে পিছে আজিলৈকে যিমান স্বীকৃতি পাব লাগিছিল তাৰ অৰ্ধেকো নাপালে। যিগৰাকী ব্যক্তিয়ে জীৱনৰ বেছিভাগ সময় সংগীত সাধনাতে জড়িত হৈ থাকিল সেইগৰাকী ব্যক্তি প্ৰাপ্য সন্মানৰ পৰা বঞ্চিত হৈ থাকিল। উল্লেখ্য যে প্ৰভাত শৰ্মাই ২ মাৰ্চ, ২০২১ত ইহসংসাৰ ত্যাগ কৰে। তেওঁৰ সৃষ্টিৰাজি সংৰক্ষণ কৰিলে নিশ্চয় তেওঁলৈ সন্মান যচা হ'ব। সেইবাবে এইক্ষেত্ৰত সকলোৱে আগবাঢ়ি অহা উচিত।

# গুৰু-শিষ্যৰ মিলন প্ৰতিখন শিক্ষানুষ্ঠানতেই অনুষ্ঠিত হওক

ভাৰতীয় শিক্ষা ব্যৱস্থাত গুৰু-শিষ্যৰ সম্পৰ্ক মধুৰ। শিক্ষাৰ্থীসকলৰ বাবে গুৰু সময়ত পিতৃ-মাতৃ তথা অভিভাৱকৰ দৰে। প্ৰয়োজনত কঠোৰ শাস্তি আৰু সময়ত সন্তানৰ দৰে মৰম কৰে গুৰুৱে। ভক্তিভাব আৰু মৰমৰ মাজেৰে শিকণ প্ৰক্ৰিয়া আগবঢ়াৰ বাবে শিক্ষাৰ্থীসকলে সাফল্য অৰ্জন কৰে। গুৰুৰ আশীৰ্বাদ অবিহনে শিক্ষাৰ্থীসকলে জীৱনৰ গতিপথত খোজ পেলোৱাটো সম্ভৱ নহয়। তদুপৰি গুৰুৰ ঋণ শিষ্যই কেতিয়াও পৰিশোধ কৰিব নোৱাৰে। সেইবাবে যিগৰাকী গুৰুৰপৰা জ্ঞান আহৰণ কৰে সেইগৰাকী গুৰুৰ ওচৰত শিষ্য যিমানেই বিখ্যাত নহওক কিয়— শিক্ষাৰ্থীৰ দৰেই আচৰণ কৰে। আনকি জগত গুৰু হ'লেও শিষ্যই গুৰুক দেখাৰ লগে লগে প্ৰণাম জনায়। বহি থকা আসনৰ পৰা উঠি গুৰুৰ চৰণ স্পৰ্শ কৰে। আনকি নিজৰ আসনখনো গুৰুক বহিবলৈ এৰি দিয়ে। পৃথিৱীৰ আটাইতকৈ শক্তিশালী, ধনী, ঐশ্বৰ্য-বিভূতিৰ গৰাকী হ'লেও গুৰুৰ ওচৰত সদায় শিষ্য হৈয়ে থাকে।

গুৰুৰ প্ৰতি থকা ভক্তিভাব জীৱনৰ প্ৰতিটো ক্ষণতে মনত থাকে। সেইবাবে জীৱনৰ সোণালী জয়ন্তী বৰ্ষই গৰকাৰ পাছতো অধ্যয়ন কৰা বিদ্যালয়ৰ সন্মুখেদি গ'লে মানসপটত সজীৱ হৈ পৰে গুৰুসকলৰ ছবিখন। হয়তো সেইবাবেই সাত সাগৰ তেৰ নদী পাৰ হৈয়ো নিজৰ বিদ্যালয়খনৰ কোনো উৎসৱলৈ আহে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল। কেৱল সেয়াই নহয় অৱসৰপ্ৰাপ্ত শিক্ষকসকলৰ চৰণ চুই আশীৰ্বাদ ল'বলৈ বিদ্যালয়ত আয়োজন কৰে গুৰু-শিষ্যৰ মিলন আদি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ। এনেধৰণৰ অনুষ্ঠান সঁচাকৈয়ে সকলোৰে বাবে আকৰ্ষণীয়। বৰ্তমান অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে এনেধৰণৰ অনুষ্ঠান দেখাৰ পাছত তেওঁলোকৰ মনতো গুৰুৰ প্ৰতি ভক্তিভাব আৰু অধিক গভীৰ হৈ উঠে। বিখ্যাত ৰাজনীতিক, সাহিত্যিক, কোনো বিভাগৰ শীৰ্ষ বিষয়া, কোম্পানীৰ মালিক, ব্যৱসায়ী হৈয়ে নিজে এসময়ত অধ্যয়ন কৰা বিদ্যালয়খনত কেবাদশক পাছত খোজ পেলাই শিক্ষক-শিক্ষয়িত্ৰীৰ চৰণ ধুৱাই প্ৰণিপাত কৰা দৃশ্যই সকলোৰে মনত এনে এটি ভাব জাগ্ৰত কৰে যে গুৰুতকৈ এই জগতত আন কোনো শ্ৰেষ্ঠ হ'ব নোৱাৰে। পিতৃ-মাতৃয়ে আমাক জন্ম দিয়ে যদিও জীৱনৰ খলা-বমা পথত খোজ পেলাই কেনেদৰে সাফল্যৰ সেন্দূৰীয়া আলিত উপস্থিত হ'ব পাৰি তাৰেই পুথিগত আৰু ব্যৱহাৰিক জ্ঞান দিয়ে।

তলাবন্ধৰ সময়ত আৰম্ভ হোৱা অনলাইন শিক্ষা ব্যৱস্থাই ভাৰতত পৰম্পৰাগতভাৱে চলি অহা শিক্ষণ প্ৰক্ৰিয়াটোৰ ধাৰণা সলনি কৰিলে। শিক্ষকৰ পৰা বহু দূৰত থাকিও ঘৰতে শিক্ষা গ্ৰহণ কৰিব পৰা হ'ল। অৱশ্যে এই প্ৰক্ৰিয়াটো কিমান ফলপ্ৰসূ সেয়া সময়েহে উত্তৰ দিব। এনে শিক্ষাব্যৱস্থাৰ জৰিয়তে ক্ৰমাৎ গুৰু-শিষ্যৰ মাজত থকা সম্পৰ্কত কিছু পৰিমাণে হ'লেও ব্যাঘাত জন্মাইছে। কাৰণ গুৰুক সন্মুখত ৰাখি শিক্ষা গ্ৰহণ কৰাটো যিমান ফলপ্ৰসূ অনলাইন ব্যৱস্থাৰে সিমান সফল হোৱাটো সম্ভৱ নহয়। গতিকে গুৰু-শিষ্যৰ মাজত থকা সম্পৰ্ক পুনৰ পূৰ্বৰ দৰে কৰিবলৈ হ'লে গুৰু-শিষ্যৰ মিলন আদি সমাৰোহৰ প্ৰয়োজন কৰাৰ গুৰুত্ব আহি পৰিছে। শেহতীয়াভাৱে ৰাজ্যখনৰ বহুতো বিদ্যালয়ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ অনুষ্ঠিত হৈছে। আনকি পাঁচ-ছয় দশক পূৰ্বে বিদ্যালয় এৰা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে অৱসৰপ্ৰাপ্ত

আৰু কৰ্মৰত শিক্ষকসকলক সন্মান জনোৱাৰ উদ্দেশ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এয়া অনুকৰণীয়। শিক্ষকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ জ্যেষ্ঠসকলে প্ৰথমে আদৰ্শ দেখুৱাব লাগে।

সন্মান প্ৰদৰ্শন বিষয়টো কিছুমান পৰিৱেশ, ভয়-আনুগত্য আদিৰ ওপৰত নিৰ্ভৰ কৰে। য'ত ভয়-মৰম আদি নাথাকে তাত সন্মানো নাথাকে। দৰাচলতে সেইসকলক সন্মান কৰা হয়— যিসকলক ভয় কৰে, মনত থাকে এক আত্মিক মনোভাব। কাৰণ শিক্ষাগুৰু ঘৰৰ মানুহ নহ'লেও পৰিয়ালৰ সদস্যতকৈ বেছি শ্ৰদ্ধাভাব থাকে। শ্ৰদ্ধাভাব মনৰ পৰা সৃষ্টি হোৱা বিষয়। শিক্ষাগুৰুৱে কেতিয়াও নকয় তেওঁলোকক শ্ৰদ্ধা কৰক বুলি। তথাপি শিক্ষাৰ্থীয়ে শিক্ষাগুৰুক দেখিলেই চৰণ স্পৰ্শ কৰে। কেৱল সেয়াই নহয়, বিশ্ব বিখ্যাত ব্যক্তি হ'লেও তেওঁ গুৰুৰ কথা কৈ গৰ্ব অনুভৱ কৰে।

সময়ৰ গতিৰ লগে লগে এই সম্পৰ্কত যেন যতি পৰিবলৈ ধৰিছে। সামাজিক ক্ষেত্ৰত সৃষ্টি হোৱা কিছুমান অস্বাস্থ্যকৰ পৰিৱেশেই যেন লাহে লাহে এই সম্পৰ্কবোৰ দুৰ্বল কৰিবলৈ ধৰিছে। যিমানেই ইণ্টাৰনেট, ম'বাইল, সামাজিক মাধ্যমৰ মাজত সোমাই পৰিছে সিমানেই যেন গুৰু-শিষ্যৰ সম্পৰ্কবোৰৰ মাজত যতি পৰাৰ উপক্ৰম ঘটিছে। আমি গুৰুকুল আশ্ৰমৰ দৰে গুৰু-শিষ্যৰ সম্পৰ্ক ৰক্ষা কৰিব নোৱাৰিলেও এটি শক্তিশালী সম্পৰ্ক ৰক্ষা কৰিব পাৰো, যদিহে প্ৰতিখন শিক্ষানুষ্ঠানতে বছৰত এবাৰকৈ হ'লেও গুৰু-শিষ্যৰ মিলন আদি অনুষ্ঠানৰ আয়োজন কৰো।

# ২০২০ৰ নিৰাশাৰ মাজৰ সাফল্যবোৰ

চাওঁতে চাওঁতে আৰু এটা বৰ্ষৰ অন্ত পৰিল। বহুতো আশা বুকুত বান্ধি ২০১৯ৰ নিশা ১২ বজাত আৰম্ভ হৈছিল ২০২০ বৰ্ষ। আশাৰ হেঙুলীয়া কিৰণেৰে ইংৰাজী নৱবৰ্ষই সকলোৰে মন স্পৰ্শ কৰিছিল। পিছে দুমাহ নৌহওঁতেই আৰম্ভ হৈছিল অতিমাৰী ক'ৰোনাৰ সংহাৰী ৰূপ। তলাবন্ধই স্তব্ধ কৰিছিল উন্নয়নৰ গতিপথ। চৌদিশে নিৰাশাই গা কৰি উঠে। কিছুদিন মানুহৰ মনত নিৰাশাই গা কৰি উঠাৰ মাজতো ৰাজ্যখনত আশাৰ কিৰণ নকৰাকৈ থকা নাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সাহসিক পদক্ষেপ আৰু দৃঢ় মনোভাবৰ বাবে উন্নয়নৰ কাম-কাজত পুনৰ গতি আহিল। অসমতো ক'ৰোনাৰ আতংকৰ সমান্তৰালভাৱে কাম-কাজ চলি থাকিল। পথ নিৰ্মাণৰ পৰা আৰম্ভ কৰি কৃষিৰ উন্নয়নলৈকে সকলোখিনিয়ে হৈছে। বিগত বৰ্ষৰ নিৰাশাৰ মাজতো ৰাইজে আশাৰ ৰেঙনি দেখিছে। ই এক ইতিবাচক দিশ বুলি ক'ব পাৰি। এই কামসমূহ যদি দ্ৰুতগতিত সমাপ্ত নহ'লহেঁতেন তেনেহ'লে ৰাজ্যৰ উন্নয়নৰ গতি স্তব্ধ হৈ পৰিলহেঁতেন।

গুৱাহাটী মহানগৰীৰ যান-জঁটৰ সমস্যা সমাধানৰ বাবে কে'বাখনো উৰণীয়া সেতুৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ল। গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজত যাতায়াত উন্নত কৰিবলৈ নিৰ্মাণ হ'বলগীয়া দলঙৰ আধাৰশিলা স্থাপন হ'ল। মালিগাঁৱত উৰণীয়া সেতুৰ নিৰ্মাণ আৰম্ভ হোৱাত এটা দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ দিশত আগবাঢ়িছে। লাষ্টগেটত উৰণীয়া সেতুৰ আধাৰশিলা আৰু দ্ৰুতগতিত ইয়াৰ নিৰ্মাণকাৰ্য চলি থকাটো বিগত বৰ্ষত চৰকাৰৰ এক উল্লেখযোগ্য কাৰ্য বুলিয়েই ক'ব লাগিব। কাৰণ এইখন মহানগৰীত দিনক দিনে বৃদ্ধি পোৱা জনসংখ্যা আৰু যান-বাহনৰ সংখ্যাই কোলাহলপূৰ্ণ কৰিছে। কেতিয়াবা এক কিলোমিটাৰ পথ অতিক্ৰম কৰিবলৈ এঘণ্টাৰ প্ৰয়োজন হয়। প্ৰয়োজনীয় কাম থাকিলে সময়মতে গৈ নোপোৱাৰ ঘটনাও সংঘটিত হৈছে। তদুপৰি উক্ত উৰণীয়া সেতুখনৰ নিৰ্মাণ দ্ৰুতগতিত হোৱাটোৱে প্ৰমাণ কৰিছে 'আছাম ইজ দ্য লেণ্ড অৱ লাহে লাহে' নহয় বুলি। গণেশগুৰিত মুকলি কৰা উৰণীয়া সেতুখনে মহানগৰীৰ বুকুত সৃষ্টি হোৱা জটিল যান-জঁটৰ সমস্যা কিছুপৰিমাণে হ'লেও হ্ৰাস কৰিছে। তদুপৰি মহানগৰীৰ সৌন্দৰ্য বৰ্ধনৰ বাবে পদপথসমূহৰ উন্নয়নৰ কামো বিদায় দিবলৈ ওলোৱা বৰ্ষতে হৈছে। পূৰ্বৰ পদপথৰ তুলনাত আজি এইবোৰ আকৰ্ষণীয় হোৱাই নহয়, সুৰক্ষিত হৈছে। পদপথৰ কাষত ৰেলিং আদি নথকা বাবেই কে'বাজনেও প্ৰাণ হেৰুৱাবলগীয়া ঘটনা পূৰ্বতে সংঘটিত হৈছে। কৃত্ৰিম বানৰ সময়ত পদপথৰ পৰা পৰি প্ৰাণ হেৰুওৱা ঘটনাই বাতৰিৰ শিৰোনামো দখল কৰিছে। এতিয়া এনেদৰে দুয়োফালে বেৰ দিয়াৰ বাবে কিছুপৰিমাণে হ'লেও সুৰক্ষিত অনুভৱ হৈছে। মহানগৰীৰ উৰণীয়া সেতুৰ লগতে যোৰহাট চহৰতো যান-জঁটৰ সমস্যা আঁতৰ কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। আনহাতে, ৰাজ্যৰ কে'বাঠাইতো গুৰুত্বপূৰ্ণ পথত দলং নিৰ্মাণ হ'ল এই বৰ্ষতে। গতিকে তলাবন্ধৰ মাজতো এইবোৰ কাম সম্পন্ন হোৱা সত্ত্বেও বহুতেই গুৰুত্ব প্ৰদান কৰা নাই।

তলাবন্ধৰ সময়ত ৰাজ্যখনত কৃষি উৎপাদনত যথেষ্ট আগবাঢ়িছে। বিশেষকৈ শাক-পাচলি, ধান আদি উৎপাদনত সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। যিসকল লোকে কেতিয়াও খেতিপথাৰত ভৰি দি পোৱা নাছিল তেওঁলোকে খেতিয়কৰ ৰূপত অৱতীৰ্ণ হ'ল। ঘৰৰ বাবে প্ৰয়োজনীয় শাক-

পাচলিতো বাদেই— বজাৰত বিক্ৰীৰ বাবে উলিয়াই দিছে। তদুপৰি দীৰ্ঘদিন ধৰি ছন পৰি থকা মাটিডৰা সাৰুৱা হ'ল। আনহাতে আগতে বাৰীৰ যিবোৰ শাক-পাচলি খাবলৈ মন কৰা নাছিল সেইবোৰো এতিয়া খাদ্য-তালিকাত স্থান পালে। এয়া বিদায়ী বৰ্ষৰ ফল নহয়নে? গতিকে নিৰাশাৰ মাজতো এয়া আশাৰ চানেকি।

বিদায়ী বছৰটোত স্বাস্থ্য খণ্ডত বিশেষ সাফল্য নহ'লেও সমগ্ৰ বিশ্বতে ক'ভিড- ১৯ৰ ভয়াৱহ ৰূপৰ মাজতো ৰাজ্যখনত এতিয়া শংকাৰ ভাব আঁতৰিল। যিসময়ত দেশৰ কেবাখনো ৰাজ্যত ক'ভিড- ১৯ৰ সংক্ৰমণ ৰোধৰ বাবে পুনৰ তলাবন্ধ সদৃশ পৰিৱেশৰ সৃষ্টি কৰিবলগীয়া হৈছে, সেই সময়ত অসমত ক'ভিড কেন্দ্ৰসমূহ আঁতৰোৱা হৈছে। অৰ্থাৎ আক্ৰান্ত লোকৰ সংখ্যা হ্ৰাস পাইছে। এয়া সম্ভৱ হৈছে অসম চৰকাৰৰ স্বাস্থ্য বিভাগে গ্ৰহণ কৰা উপযুক্ত শক্তিশালী পদক্ষেপৰ বাবে।

২০২০ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাত অসমৰ কেবাজনো পৰীক্ষাৰ্থীয়ে উজলি উঠিবলৈ সক্ষম হৈছে। এয়া অসমৰ বাবে গৌৰৱৰ বিষয়।

# ট্ৰেন্সফৰ্মাৰৰ বেৰ আৰু বিদ্যুৎ বিভাগৰ পদক্ষেপ

এসময়ত উন্মুক্ত ট্ৰেন্সফৰ্মাৰৰ বাবে বহুতো লোকে অকালতে প্ৰাণ হেৰুৱাবলগীয়া হৈছিল। পশুধনৰ কিমান মৃত্যু হ'ল তাৰ হিচাপ নাই। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে মানুহৰ ঘৰত বিদ্যুৎ সংযোগ কৰাতেই নিজৰ দায়িত্ব সমাপ্ত কৰিছিল। ঘৰৰ বাহিৰতো যে বিদ্যুৎ সংযোগ আৰু বিজুলী যোগান ধৰা উৎসসমূহ মানুহ-জন্তুৰ সংস্পৰ্শ নোহোৱাকৈ ৰাখিব লাগে সেইক্ষেত্ৰত যেন গুৰুত্বই নাছিল। পাহাৰৰ দাঁতিত, ৰাজহুৱা স্থান, পথাৰৰ মাজত, বিদ্যালয়, চিকিৎসালয় আদিৰ সমীপতে স্থাপন কৰা ট্ৰেন্সফৰ্মাৰসমূহে কিমানৰ প্ৰাণ অকালতে কাঢ়ি নিলে তাৰ বিচাৰ কোনোবাই ৰাখিছে জানো?

আধুনিক জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে বিদ্যুৎ অপৰিহাৰ্য। কে'বাদশক আগলৈকে বিদ্যুৎ সংযোগ কৰা পৰিয়ালৰ সংখ্যা সীমিত আছিল। জনসংখ্যা বৃদ্ধিৰ লগে লগে বিদ্যুৎ সংযোগ কৰা লোকৰ সংখ্যাও বৃদ্ধি পালে। সেইবাবে বিদ্যুৎ যোগানৰ বাবে বিভিন্ন ঠাইত স্থাপন কৰা হ'ল ট্ৰেন্সফৰ্মাৰ। এই ট্ৰেন্সফৰ্মাৰৰ পৰা একো একোটা অঞ্চলত বিদ্যুৎ যোগান ধৰা হয়। ট্ৰেন্সফৰ্মাৰটোৰ বহন ক্ষমতাৰ ওপৰত ভিত্তি কৰি অঞ্চলটোত সংযোগ দিয়া

হয়। পিছে এই যন্ত্রটো যদি স্থাপন কৰা স্থানত ভালদৰে বেৰ আদি দিয়া নহয় তেনেহ'লে বিপদ ঘণীভূত হোৱাৰ আশংকা থাকে। এনেধৰণৰ বহুতো ঘটনা সংঘটিত হোৱাৰ পাছতো দীৰ্ঘদিন ধৰি গা-লৰা নাছিল অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ।

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পৰিৱৰ্তে এতিয়া হ'ল অসম শক্তি বিতৰণ কোম্পানী লিমিটেড। দীৰ্ঘদিন ধৰি পৰিষদৰ বিৰুদ্ধে থকা অভিযোগসমূহ এতিয়া আঁতৰ কৰিবলৈ গ্ৰহণ কৰা পদক্ষেপক ৰাইজে আদৰণি জনাইছে। শেহতীয়াভাৱে ট্ৰেন্সফৰ্মাৰসমূহৰ চাৰিওফালে আকৰ্ষণীয়কৈ ফেন্সিং দিয়াৰ বাবে বিপদৰ আশংকা বহু পৰিমাণে হ্ৰাস পাইছে। বিশেষকৈ মহানগৰীৰ পদপথৰ সংলগ্ন ট্ৰেন্সফৰ্মাৰৰ লগতে বিপজ্জনক তাঁৰ ওলমি থকা ঠাইসমূহ ফেন্সিং আদিৰে বেৰ দিয়াত যিকোনো মানুহে সহজে স্পৰ্শ কৰিব নোৱাৰে। তদুপৰি এইবোৰ সংস্পৰ্শলৈ সহজে আহিবও নোৱাৰে। সুন্দৰভাৱে ফেন্সিং দিয়া বাবে সৌন্দৰ্য বৰ্ধন হৈছে। এয়া অসম শক্তি কোম্পানী লিমিটেডৰ বাবে উপযুক্ত পদক্ষেপ বুলি আখ্যা দিব পাৰি। অসমৰ প্ৰতিটো অঞ্চলতে যদি এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰে তেনেহ'লে নিশ্চয় বহুতৰে প্ৰাণ ৰক্ষা পৰিব। তদুপৰি মানুহৰ মাজত বিশেষকৈ গ্ৰাহক ৰাইজে এনে পদক্ষেপত সন্তুষ্টি প্ৰদান কৰিব। সহযোগিতাও আগবঢ়াব। এনেধৰণৰ সহযোগিতাই এ পি ডি চি এলক আৰু এখোজ আগুৱাই যোৱাত সহায় হ'ব। পূৰ্বৰ তুলনাত মহানগৰীৰ বিপজ্জনকভাৱে ওলমি থকা বিদ্যুৎ পৰিবাহী তাঁৰসমূহ সুৰক্ষিতভাৱে সংযোগ কৰিছে। ফলত সৌন্দৰ্যও বৃদ্ধি পাইছে। এনেবোৰ পদক্ষেপে মহানগৰীখন আৰু অধিক মনোমুগ্ধকৰ কৰি তুলিব।

# নৱবৰ্ষই সলনি কৰক জীৱনৰ গতিপথ

প্ৰকৃতিৰ নিয়ম অৱধাৰিত। এই নিয়মৰ সলনি নহয়। জীৱশ্ৰেষ্ঠ মানৱ হিচাপে আমাৰহে সলনি হয় সকলো ক্ষেত্ৰতে। সময় গতিশীল। পল-অনুপল কৰি সময়ে গতি সলাই অৱধাৰিতভাৱে এটি বছৰে মেলানি মাগিবলৈ ওলাইছে। সময়ৰ জোখেৰে প্ৰত্যেক ব্যক্তিৰে জীৱনৰ আয়ুস এবছৰ কমি যাব। সময় কিমান নিষ্ঠুৰ আৰু গতিশীল তাৰেই বতৰা দি পাৰ কৰিব মানৱসৃষ্ট এটা বৰ্ষই। এই পৃথিৱীত যেতিয়া মানুহে খোজ পেলায়, তেতিয়া এক নিৰ্দিষ্ট সময়ৰ বাবেহে থাকে। পিছে মানুহৰ কামৰ সহায়ক হোৱাকৈ এদিন সৃষ্টি কৰিলে বৰ্ষ গণনা। নতুন বছৰ। পুৰণি বছৰক বিদায় দিয়াৰ উৎসৱ। ৩১ ডিচেম্বৰে যেন সেই কথাকেই সোঁৱৰাই দিয়ে। ইতিহাসে ঢুকি নোপোৱাৰ দিনৰে পৰাই মানুহে ঋতু পৰিৱৰ্তনৰ বিষয়ে সংকেত লাভ কৰি আহিছে। এই ঋতু পৰিৱৰ্তনৰ মাজেদিয়ে নতুন বছৰক আদৰিবলৈ পুৰণি বৰ্ষক বিদায় দিয়া হয়। অৰ্থাৎ ৩১ ডিচেম্বৰৰ নিশা পুৰণি বৰ্ষক বিদায় আৰু নৱবৰ্ষক আদৰি লয়। পিছে বিভিন্ন অঞ্চলত ঋতুৰ ওপৰত ভিত্তি কৰি নৱবৰ্ষক আদৰাৰ দিন ভিন্ন। যদিও পহিলা জানুৱাৰীক নতুন বছৰৰ প্ৰথম দিন হিচাপে চিহ্নিত কৰি অহা হৈছে পৃথিৱীৰ প্ৰতিটো অঞ্চলত ইয়াক ভিন্ন ৰূপত আদৰা হয়। অসমত ব'হাগৰ প্ৰথম দিনটোৰে নৱবৰ্ষক আদৰা হয়। দোমাহীৰ দ্বাৰা নৱবৰ্ষৰ আৰম্ভণিৰ সংকেত দিয়ে।

মানুহৰ বাবে প্ৰতিটো দিনেই নতুন। কাৰণ প্ৰতিটো প্ৰভাতী সূৰ্যই সকলোলৈ আশাৰ কিৰণ কঢ়িয়াই আনে। এটা দিনৰ প্ৰভাৱ আনটো দিনত নপৰিব পাৰে। তথাপি মানুহে নতুন বছৰৰ প্ৰথমটো দিনৰ অপেক্ষাতে থাকে। জানোচা এই বিশেষ দিনটোৱে বছৰটোৰ বাবে শুভবাৰ্তা কঢ়িয়াই আনে। এই দিনটোতে বহুতে সংকল্প লয়। পৰিকল্পনা কৰে জীৱন যুঁজৰ বাবে। বছৰটোৰ ভিতৰত নিৰ্দিষ্ট কাম কৰিবলৈ সংকল্প গ্ৰহণ কৰে। পৰিকল্পনা সফল হোৱাৰ

লক্ষ্যৰে এটা বৰ্ষক বিদায় দি আনটো বৰ্ষক আদৰি লয়। পুৰণি বৰ্ষ আৰু নতুন বছৰৰ ব্যৱধান মাত্ৰ এক ছেকেণ্ড। কাৰণ ইংৰাজী বৰ্ষ অনুযায়ী ৩১ ডিচেম্বৰৰ নিশা ১১ বাজি ৫৯ মিনিট পাৰ হোৱাৰ পাছত আৰম্ভ হয় নতুন বছৰক আদৰাৰ কাউণ্ট-ডাউণ্ট। ১১ বাজি ৫৯ মিনিট পাৰ হৈ ৫৯ ছেকেণ্ড পোৱাৰ লগে লগে ঘড়ীটোৱে সংকেত দিয়ে আনটো দিনৰ। অৰ্থাৎ ৩১ ডিচেম্বৰৰ নিশা ১২ বজাৰ লগে লগে আৰম্ভ হয় নতুন বৰ্ষ।

বিগত বৰ্ষটোৰ আৰম্ভণিৰে পৰাই মানুহে বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। নিজৰ সমস্যাৰ কথাটো বাদেই— বিশ্ববাসীয়ে সন্মুখীন হৈছে এক অজান ভাইৰাছৰ স'তে। ক'ভিড- ১৯ৰ আক্ৰমণে সকলোকে ত্ৰাসিত কৰিছে। দিক্-বিদিক হেৰুৱাই পেলাইছে কোটি কোটি লোকে। বহুতো লোকে জীৱন-জীৱিকাৰ পথো সলনি কৰিবলৈ বাধ্য হৈছে। চহৰৰ পৰা বহুতো লোক গাঁওমুখী হ'ল। উপায়ো নাই। বিশেষকৈ সৰু-সুৰা কাম তথা কোম্পানী আদিত কাম কৰা বহু লোকে চাকৰি হেৰুৱালে। দিক্-বিদিক নোহোৱা লোকসকলে দুবেলা দুমুঠি জোগাৰ কৰিব নোৱাৰি যিধৰণৰ পৰিস্থিতিৰ সৃষ্টি কৰি আহিছে তাৰ মাজতো একাংশই নতুন বছৰক আদৰাৰ নামত যিধৰণৰ আনন্দৰ বহিঃপ্ৰকাশ ঘটাইছে সেয়াই যেন অন্য এখন ছবিহে ফুটাই তুলিছে।

ক'ৰোনা-কালত নতুন বছৰক আদৰাৰ নামত আয়োজিত অনুষ্ঠানসমূহ সীমিত হোৱা উচিত। কাৰণ পেটৰ ভোকে নতুন বছৰ, পুৰণি বছৰ আদি একোকে চিনি নাপায়। তদুপৰি নতুন বছৰক আদৰাৰ নামত পাৰ্টি, ফটকা, আতচবাজী, সুৰাৰ নামত ব্যয় কৰা ধনৰাশি এইবাৰ প্ৰতিগৰাকী ব্যক্তিয়ে ক'ৰোনাত ক্ষতিগ্ৰস্ত লোকক সহায়ত আগবঢ়োৱাৰ নামত ব্যয় কৰক। যিহেতু প্ৰতিটো প্ৰভাত সকলোৰে বাবে নতুন দিন। সেইবাবে এটা বিশেষ দিনক আদৰাৰ নামত কোটি কোটি টকা ব্যয় কৰাৰ কোনো যুক্তি নাই। নতুন বছৰত সকলোৱে ভ্ৰাতৃত্ববোধৰ চানেকিৰে আগবাঢ়ি যোৱাৰ সংকল্প লওক। নিজৰ পৰিয়ালৰ লগতে সমাজ তথা দেশৰ উন্নতিৰ বাবে কিবা কৰাৰ সংকল্প লওক। একতা, ভ্ৰাতৃত্ববোধৰ চানেকিৰে আগবাঢ়ি যোৱাৰ সংকল্প সকলোৱেই লওক। দেশৰ নাগৰিকসকলৰ ওঁঠত হাঁহি বিৰিঙাবলৈ ৩১ ডিচেম্বৰত সংকল্প লওক— যাতে সমাজৰ সকলোলৈকে সুখ-শান্তি কঢ়িয়াই আনে। বছৰটোৰ প্ৰতিটো দিনৰ হেঙুলী কিৰণে প্ৰত্যেকৰে বাবে হাঁহি বিৰিঙাব পৰা সুখবোৰ কঢ়িয়াই আনে। আঁতৰি যাওক অমানিশাৰ কলীয়া ডাৱৰ। স্নিগ্ধ জোনাক নিশাৰ দৰে হওক সকলোৰে জীৱন। মধুময় হওক জীৱন।

# শীতৰ আনন্দ আৰু আমেজ ভৰা দিনবোৰ

শীতৰ আগমনৰ লগে লগে মৃদু বতাহজাকে যেতিয়া শৰীৰৰ বিভিন্ন অংশত স্পৰ্শ কৰে তেতিয়া কেনে অনুভূতিৰ সৃষ্টি হয় সেয়া ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। হাড় কঁপোৱা শীতত নিয়ৰৰ কণা গচকি গচকি খোজ কঢ়াৰ অভিজ্ঞতা সকলোৰে নহ'লেও যিসকলে এনে পৰিস্থিতিৰ সন্মুখীন হৈছে তেওঁলোকৰ বাবে অনুভূতি সুকীয়া। শীতৰ প্ৰকোপৰ পৰা হাত সাৰিবলৈ গৰম কাপোৰ পিন্ধাৰ পাছতো কেনেবাকৈ ঘৰৰ খিৰিকী মেলা থাকিলে সোমাই অহা বতাহজাকে শীত কিমান নিষ্ঠুৰ তাকেই কৈ যায়।

শীতৰ ৰ'দত বহি সূৰুয দেৱতাৰ উত্তাপ লোৱাৰ আনন্দও সুকীয়া। দুপৰীয়া ৰ'দত বহি গাত তেলৰ প্ৰলেপ সানি শীতৰ আনন্দ লোৱা সকলোৰে ভাগ্যত নঘটে। চোতালত বা পথাৰত ৰ'দত বহি লগ-সমনীয়াৰ স'তে মিলি ৰবাব টেঙা, জলফাই কলপাত কাটি নিমখ-জলকীয়া সানি যিজনে খোৱাৰ সৌভাগ্য অৰ্জন কৰা নাই তেওঁ কেতিয়াও শীতৰ প্ৰকৃতি উপলব্ধি কৰিব নোৱাৰে। লাভ কৰিব নোৱাৰে আনন্দ।

গাঁৱলীয়া সমাজখনৰ শীতৰ সময়ৰ ছবিখন এবাৰ কল্পনা কৰকচোন। নিশা মৰণা মৰাৰ শব্দই কৈ যায় কৃষকৰ মনৰ আনন্দৰ কথা। লখিমীক ভঁৰালত থ'বলৈ এইসময়ত কৃষকৰ ব্যস্ততাৰ অন্ত নাই। মূৰত পাগুৰি মাৰি গৰুৰ পিছে পিছে খেদি মৰণা মৰাৰ সৌভাগ্য সকলোৰে নঘটে। নিশা গৰুৰ গাড়ী বা ম'হৰ গাড়ীত সোণগুটি পামৰ পৰা ঘৰলৈ অনাৰ ছবিখন এবাৰ কল্পনা কৰকচোন। গৰুগাড়ীৰ পিছফালে এডাল বাঁহৰ লাঠী মাটিত চোঁচৰাই নি নিশা পথত গ'লে যি শব্দ হয় তাৰ প্ৰতিধ্বনিয়ে কৃষকসকলৰ মনত অপাৰ আনন্দৰ ঢৌ তোলে। এই শব্দ বহু দূৰলৈকে শুনিবলৈ পোৱা যায়। একেলগে আঠ-দহখন গৰুগাড়ীত ধান, মাহ আদি নিয়াৰ সময়ত ইয়াৰ পৰা ওলোৱা কেঁচা শইচৰ গোন্ধে সকলোৰে মনত সৃষ্টি কৰে মাটি, মানুহ আৰু শইচৰ মাজত থকা ত্ৰিকোণীয়া আকৰ্ষণ।

শীতৰ সময়ত সোণোৱালী হৈ পৰা পথাৰ লাহে লাহে উদং হ'বলৈ ধৰে। ধান পথাৰৰ পৰা দাই নিয়াৰ পাছত থিয় হৈ থকা নৰাবোৰো লাহে লাহে নিয়ৰৰ ভৰত পৰি যায়। আৰম্ভ হয় নৰা কাটি মেজি বনোৱা পৰ্বৰ। ছাত্ৰ-ছাত্ৰীসকলৰ বছৰেকীয়া পৰীক্ষা শেষ হোৱাৰ লগে লগে পথাৰৰ মাজত আৰম্ভ হয় মেজি, ভেলাঘৰ আদিৰ নিৰ্মাণৰ কাম। বিশেষকৈ যুৱকসকলে ভেলাঘৰ সাজি নিশা দপ্‌দপকৈ জ্বলাই জুইৰ চাৰিওফালে বহি লৈ আলু পোৱা, খানা খোৱাৰ আনন্দই সুকীয়া। দিনত মেজি সাজি সন্ধিয়া চুবুৰীয়াৰ বাৰীৰ পৰা আলু, শাক-পাচলি চুৰি কৰি আনি ভেলাঘৰত খানা বা ভোজ-ভাত খোৱাৰ কথাবোৰ এতিয়া ইতিহাসহে হ'ল। পথাৰৰ পৰা আহি ঘৰত গৰম পানীৰে হাত-ভৰি ধুই লোৱাৰ কথাবোৰ আজিও বহুতৰে মানসপটত সজীৱ হৈ আছে।

শীত মানেই চোতালত সৰুকৈ জুই ধৰি বেঙেনা, আলু পুৰি নিমখ-তেল সানি খোৱাৰ বতৰ। কাৰণ নতুনকৈ ওলোৱা আলু জুইত পুৰি খোৱাৰ যি আনন্দ সেয়া বেলেগত বিচাৰি পোৱা নাযায়। কিছুমানে মিঠা আলুও পুৰি খাইছিল। ইয়াৰ মাজে মাজে জলফাই টেঙাৰ সোৱাদ। বাঃ কি মজা!

এই সময়ত খেতিয়কৰ চোতাল অথবা বাটত খেৰৰ দ'ম বান্ধি থাকে। কেইদিনমান ৰ'দত শুকুওৱাৰ পাছত সেইবোৰ পুঁজি কৰি থোৱা হয়। তদুপৰি

চোতালত দ'ম কৰি মৰণাৰ বাবে ৰাখি থোৱা ধানৰ ডাঙৰি, মুঠি আদিৰ পৰা ওলোৱা ধানৰ গোন্ধে সকলোৰে নাকত ধৰে।

ন-খোৱা পৰ্বৰ বাবে এই সময়ত সকলোৱে প্ৰস্তুতি চলায়। ঢেঁকীত ধান খুন্দি বাৰীৰ পৰা ন-পাচলি আনি, পুখুৰীৰ মাছ আদিৰে সকলোৱে এসাঁজ ন-খোৱাৰ আনন্দ নোখোৱাজনে বুজি নাপাব। ন-খোৱা পৰ্বত অংশগ্ৰহণ কৰাসকলে নতুন নতুন আঞ্জাৰ সোৱাদ লয়। তদুপৰি সকলোৱে একেলগে এসাঁজ খোৱাৰো সুযোগ লাভ কৰে।

এতিয়া এই সকলোবোৰ সাধুকথাৰ দৰে হ'ল। আনহে নালাগে, চোতালত বহি ৰ'দৰ আমেজ লোৱাৰ বাবেই এটুকুৰা ঠাই নোহোৱা হ'ল। ৰ'দত বহি টেঙা খোৱাৰ কথাটো বাদেই, বহুতে পুৱাৰ আহাৰখিনিকে খাবলৈ আহৰি নাই। ন-খোৱা পৰ্ব চলি আছে যদিও ইয়াৰো যেন আধুনিক ৰহণ সানিছে। গৰুৰে পথাৰত মৰণা মৰাৰ দিন উকলিল। তাৰ ঠাইত এতিয়া যন্ত্ৰৰে মৰণা মৰা হয়। মৰণা মৰা যন্ত্ৰৰ বিকট শব্দই যেন লাহে লাহে সোণগুটি পথাৰৰ পৰা ভঁৰাললৈ চপোৱাৰ আনন্দ ম্লান কৰিছে। গৰুৰ গাড়ীত নিশা ধান ঘৰলৈ পামৰ পৰা কোনোৱে ননা হ'ল। ইয়াৰ পৰিৱৰ্তে ডাঙৰ ট্ৰাকে সেই ঠাই অধিকাৰ কৰিলে। এতিয়া এইবোৰ কথা বহুতৰ বাবে হৈ পৰিছে মাথোঁ মধুৰ স্মৃতি।

# ক'ৰোনা প্ৰতিৰোধৰ বাবে অধিক সতৰ্ক হ'ব লাগিব অসম

ক'ৰোনাকেন্দ্ৰিক তলাবন্ধ শিথিল হোৱাৰ পাছত প্ৰায়ভাগ লোকৰে মনৰ পৰা শংকা নোহোৱা হ'ল। অধিক আত্মবিশ্বাসী আৰু বেপৰোৱা মনোভাবৰ বাবে লাহে লাহে ক'ৰোনা ভাইৰাছৰ কম হোৱা আক্ৰমণ এতিয়া ভয়াৱহ ৰূপ ল'বলৈ ধৰিছে। মৃত্যুৰ হাৰ মাজতে যদিও হ্ৰাস পাইছিল এতিয়া একাংশ লোকৰ অসচেতনতাৰ বাবে ক'ভিডত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। দিল্লী, মহাৰাষ্ট্ৰ, গুজৰাটকে ধৰি কে'বাখনো ৰাজ্যত এতিয়া পুনৰ তলাবন্ধ দিবলগীয়া পৰিৱেশ এটিৰ সৃষ্টি হৈছে। তলাবন্ধৰ শিথিলতাই যেন মানুহক আক্ৰমণাত্মক কৰি তোলাহে ফুটি উঠিছে। প্ৰথম অৱস্থাত প্ৰতিগৰাকী ব্যক্তিয়ে ক'ৰোনাৰ আক্ৰমণক লৈ যিমান শংকিত আৰু সচেতন হৈছিল তলাবন্ধ পৰ্যায়ক্ৰমে শিথিল কৰাৰ লগে লগে মানুহৰ মনৰ পৰা যেন দুয়োটাই নোহোৱা হ'বলৈ ধৰিছে। সঘনাই হাত ধোৱাটো দূৰৰে কথা— মুখত এখন মাস্কো নলগোৱা হ'ল। এতিয়া মানুহক দেখিলে এনেকুৱা এটি মনোভাব হ'ব যেন হঠাতে ক'ভিড এই মুলুকৰ পৰা অন্তৰ্ধান হৈছে। এতিয়া যেন কাৰোৰে মৃত্যুলৈকো ভয় নাই।

ভাৰতৰ আন ৰাজ্যৰ তুলনাত অসমত এতিয়া আক্ৰান্তৰ সংখ্যা কম। যিসময়ত দিল্লী আদিত আক্ৰান্তৰ সংখ্যা হ্ৰাস পাইছিল। অৱশ্যে স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অক্লান্ত যুঁজাৰুৰ মানসিকতাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি এনে ৰোগত আক্ৰান্তৰ সংখ্যা হ্ৰাস কৰালে। বহিঃৰাজ্যৰ পৰা অহা ৰে'ল, উৰাজাহাজ, বাছ সেৱাযোগে অহা লোকসকলৰ স্বাস্থ্য পৰীক্ষাৰ পাছত আক্ৰান্ত হ'লে পৃথকীকৰণ কোঠাত ৰখাৰ ব্যৱস্থা কৰা হ'ল। কোৱাৰেণ্টাইন কেন্দ্ৰ অথবা ইচ্ছা কৰিলে নিজ গৃহতেই কোৱাৰেণ্টাইন হৈ থকাৰ ব্যৱস্থা কৰিলে। তদুপৰি আক্ৰান্ত লোকসকলেও সকলো নীতি-নিৰ্দেশনা মানি চলিবলৈ বাধ্য হৈছে স্বাস্থ্যমন্ত্ৰীৰ দৃঢ় পদক্ষেপৰ বাবে। নিৰ্দেশনা অমান্য কৰিব নোৱাৰা হৈছে। ৰে'ল

আৰু উৰাজাহাজেৰে অহা যাত্ৰীসকলৰ ওপৰত তীব্ৰ দৃষ্টি ৰখা হৈছে। এনে যাত্ৰীয়ে কোনো কাৰণতে ফাঁকি মাৰিব নোৱাৰে। সেইবাবে ভাৰতৰ আন ৰাজ্যৰ তুলনাত অসমত এই ৰোগত আক্ৰান্তৰ সংখ্যা এতিয়া বহুখিনি হ্ৰাস পাইছে। আন ৰাজ্যত ৰে'ল-বিমানত অহা যাত্ৰীৰ পৰীক্ষা শিথিল কৰা হৈছে। প্ৰথম অৱস্থাত দিল্লীয়ে ক'ৰোনা নিয়ন্ত্ৰণ কৰা, প্লাজমা থেৰাপি আদিৰ জৰিয়তে চিকিৎসা কৰাৰ বিষয়ে জয়ঢোল বজালে। দিল্লী চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক একাংশ মোদীবিৰোধী প্ৰচাৰকে এনেদৰে প্ৰচাৰ কৰিলে যেন দিল্লীৰ পৰা মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিয়ালে ক'ৰোনাক বিদায় দিলে। কেন্দ্ৰীয় চৰকাৰক প্ৰত্যাহ্বান জনাই দিল্লীৰ কেজৰিয়াল চৰকাৰে প্ৰচাৰ চলালেও সেইবোৰ যে ভুৱা আছিল তাৰ প্ৰমাণ শেহতীয়াভাৱে দেশৰ ৰাজধানী চহৰত দিনক দিনে বৃদ্ধি পোৱা ক'ভিড আক্ৰান্ত আৰু মৃত্যু হোৱা লোকৰ সংখ্যাই প্ৰমাণ কৰিছে। দিল্লী, মহাৰাষ্ট্ৰ চৰকাৰে কেন্দ্ৰৰ বিৰোধ কৰি ক'ভিডত আক্ৰান্তৰ সংখ্যা আৰু মৃত্যু হোৱাৰ সংখ্যা হ্ৰাস পোৱা বুলি দম্ভালি মাৰিলেও দুয়োখন ৰাজ্যৰ প্ৰকৃত ছবিখন এতিয়া ফুটি উঠিছে। গুজৰাটৰ ক্ষেত্ৰতো একেই ছবি ফুটি উঠিছে।

অসমত এতিয়া ক'ভিডত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যা যথেষ্টখিনি হ্ৰাস পাইছে। বিশেষকৈ বিগত এমাহত ৰাজ্যৰ লোকসকলে এইক্ষেত্ৰত কিছু পৰিমাণে হ'লেও স্বস্তিৰ নিশ্বাস পেলাবলৈ সক্ষম হৈছে। আক্ৰান্ত লোকৰ সংখ্যা হ্ৰাস পোৱাটো এক শুভ লক্ষণ বুলিয়ে ক'ব লাগিব। এতিয়া যিহেতু পৰিৱেশ কিছু স্বাভাৱিক হৈছে, সেয়েহে আক্ৰান্তৰ সংখ্যা যাতে বৃদ্ধি পাব নোৱাৰে তাৰ বাবে চৰকাৰে আৰু অধিক কঠোৰ পদক্ষেপ লোৱা উচিত। মুখত মাস্ক নিপিন্ধা লোকক জৰিমনা বিহাৰ নিৰ্দেশ চৰকাৰে দিছিল যদিও আৰক্ষী প্ৰশাসনৰ সোপাঢিলা অৱস্থাৰ বাবে প্ৰায়সকল লোকেই মাস্ক নিপিন্ধাকৈ ৰাজহুৱা স্থানত মুকলিভাৱে ঘূৰা ফুৰা কৰি আছে। আনকি বাছ উঠিলেও প্ৰায়সংখ্যক লোকৰে মুখত নাথাকে মাস্ক। চালক-কণ্ডাক্টৰ আদিয়ে ব্যৱহাৰ নকৰে মাস্ক। যিসকলে ব্যৱহাৰ কৰে এওঁলোকে থুঁতৰিত পিন্ধে। এতিয়া মাস্ক নিপিন্ধা লোকৰ বিৰুদ্ধে যদি আৰক্ষী প্ৰশাসন আদি সতৰ্ক নহয় তেনেহ'লে পুনৰ দিল্লী, মহাৰাষ্ট্ৰৰ দৰে পৰিস্থিতি হ'ব পাৰে অসমত। কাৰণ গৱেষকসকলে ইতিমধ্যে সতৰ্ক কৰি থৈছে যে শীতৰ সময়ত ক'ভিডৰ সংক্ৰমণ অধিক ভয়াৱহ হোৱাত আশংকা আছে।

# জালুকবাৰীৰ উৰণীয়া সেতুৰ অবৈধ পাৰ্কিং আৰু লেতেৰা পৰিৱেশ ঃ দায়ী কোন

জালুকবাৰী— অসমৰ এটি তেনেই চিনাকি নাম। কাৰণ গুৱাহাটী মহানগৰীত নামনি অসমৰ পৰা প্ৰৱেশ কৰিবলৈ এই ঠাইখিনি স্পৰ্শ কৰিবই লাগিব। বহুতো ইতিহাসৰ সাক্ষী জালুকবাৰী। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পাছত জালুকবাৰীয়ে লাভ কৰে আন এক পৰিচয়। সেইবাবে এই বৃহত্তৰ অঞ্চলটোৰ প্ৰতি সকলোৰে আছে অন্য এক আকৰ্ষণ। জালুকবাৰীৰ কৃষ্ণচূড়াৰ সৌন্দৰ্যৰ মাজত জ্ঞানৰ অন্বেষণ কৰা লোকসকলে উপলব্ধি কৰিব পাৰে ইয়াৰ প্ৰতি সকলো ব্যক্তিৰে কিয় থাকে আকৰ্ষণ। জালুকবাৰীয়ে এতিয়া সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সমাধিৰ গৌৰৱ কঢ়িয়াইছে। সেইবাবে চৰকাৰেও জালুকবাৰীৰ সৌন্দৰ্য বৃদ্ধিৰ বাবে সময়ে সময়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। শেহতীয়াভাৱে জালুকবাৰীত গঢ়ি উঠা আকৰ্ষণীয় উৰণীয়া সেতুৱে অধিক সৌন্দৰ্য বৃদ্ধি কৰিছে। নিশাৰ আলোকত এই উৰণীয়া সেতুখনে এই অঞ্চলটোক মনোমুগ্ধকৰ কৰি তোলে। উৰণীয়া সেতুখনেৰে নিতৌ পাৰ হয় হেজাৰ হেজাৰ সৰু-বৰ বাহন। উৰণীয়া সেতুখন পাৰ হওঁতে কোনোৱে

কাৰো ফালে চাবলৈ আহৰি নাই। উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্যিক চহৰখনৰ সিংহদ্বাৰ স্বৰূপ জালুকবাৰীৰ উৰণীয়া সেতুৰে পাৰ হোৱা বাণিজ্যিক বাহনসমূহে সেতুখনৰ ওপৰতে এতিয়া অবৈধভাৱে গঢ়িছে পাৰ্কিং আৰু বাছ আস্থান। অথচ উৰণীয়া সেতুখন সুৰক্ষিত কৰি ৰাখিবলৈ তাত দিনে-নিশাই আৰক্ষীকো নিয়োজিত কৰা হৈছে। উৰণীয়া সেতুখন সুৰক্ষিত হোৱাৰ লগতে সদায় যাতে পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকে সেইবাবে তাত আৰক্ষী নিয়োগ কৰা হৈছে। ইয়াৰ পাছতো কিন্তু এই সেতুখন এতিয়া কদৰ্যময় হৈ পৰিছে। উৰণীয়া সেতুতে গঢ়ি উঠিছে অবৈধ বাছ আস্থান। এই সকলোবোৰ ঘটনা যেন আৰক্ষী প্ৰশাসনৰ সন্মুখতেই সংঘটিত হৈ আছে। এইখন সেতুৰে নিতৌ পাৰ হয় জনপ্ৰতিনিধি। মন্ত্ৰী-বিধায়কৰ পৰা আৰম্ভ কৰি বিষয়ালৈকে সকলোৱে এইখন সেতুৰেই পাৰ হৈ আছে। ইয়াৰ পাছতো কোনো এগৰাকী জনপ্ৰতিনিধিৰেই দৃষ্টি নোহোৱাটো চিন্তনীয় বিষয়।

উৰণীয়া সেতুখন মুকলি হোৱাৰ সময়ত সকলোৱে আশা কৰিছিল যাত্ৰীবাহী যান-বাহনসমূহে ইয়াৰ ওপৰেদি কেৱল গন্তব্য স্থানলৈকেহে গতি কৰিব। সুন্দৰ হৈ থাকিব সেতু। সকলোৱে যান-জঁটৰ পৰাও মুক্ত হ'ব। পিছে সকলোৰে আশা এতিয়া ভংগ হ'ল। কাৰণ উৰণীয়া সেতুৰ ওপৰত যান-বাহনসমূহ অপ্ৰয়োজনীয়ভাৱে ৰখাই থয়। যাত্ৰী উঠাবলৈ বা নমাবলৈ বহুতো গাড়ীচালক-হেণ্ডিমেনে আৰক্ষী-প্ৰশাসনৰ নিয়ম নামানি অবৈধভাৱে যাত্ৰীবাহী গাড়ীসমূহ পাৰ্কিং কৰে। সেতুখনৰ ওপৰত গাড়ী আদি ৰখাই থোৱা মানে যাত্ৰীয়ে গন্তব্য স্থানলৈ গতি কৰিবলৈ তাত উপস্থিত হোৱাটো নিশ্চিত। মানুহ যিমানেই গোট খাই, উৰণীয়া সেতুৰ ওপৰত গাড়ী বেছি সময় ৰখাই বাবে যাত্ৰীসকলে গাড়ীৰ অপেক্ষাত থাকি তাতেই চানাৱালা, আপেল-কমলা আদি বিক্ৰী কৰোতাৰ পৰা বস্তু ল'বলৈ মন কৰে। ফলত কমলাৰ বাকলি, বাদামৰ পেলনীয়া, চানা খোৱা কাগজখন, পলিথিন আদিৰে ভৰি পৰে উৰণীয়া সেতুখন। কেৱল সেয়াই নহয়— ইয়াৰ ওপৰত ঠায়ে ঠায়ে তামোলৰ পিক এনেদৰে পৰি থাকে যেন কোনোবাই ৰঙা ৰংহে আঁকিছে। বিশেষকৈ ৰেলিং আদিত পিকাই থোৱা দৃশ্য দেখিলে মনত সঁচাকৈয়ে দুখ লাগে। আটাইতকৈ ডাঙৰ সমস্যাটো হ'ল উৰণীয়া সেতুৰ ওপৰত অবৈধভাৱে

পৰা পাৰ্কিং। দুই-এজন আৰক্ষীয়ে পাৰ্কিং আদি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা চলাই যদিও সেয়া পৰ্যাপ্ত বুলি ক'ব নোৱাৰি। এপাচি শাকত এটা জালুক দিয়াৰ দৰে কথা। যদিহে বেছিকৈ আৰক্ষী নিয়োগ কৰা হয়, তেনেহ'লে এনে ধৰণৰ সমস্যাৰ পৰা হাত সাৰিব পৰা যাব। সেতুৰ ওপৰত যাতে কোনো ধৰণৰ যান-বাহন ৰখাব নোৱাৰে তাৰ বাবে আৰক্ষী প্ৰশাসনে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা উচিত। নহ'লে ভৱিষ্যতে সুন্দৰ আৰু আকৰ্ষণীয় উৰণীয়া সেতুখন ডাষ্টবিনলৈ পৰ্যবসিত হ'ব।

দেশ-বিদেশৰ পৰ্যটকসকল সাধাৰণতে জালুকবাৰীৰ মাজেদিয়েই মহানগৰীত প্ৰৱেশ কৰে। যদিহে এই ঠাইখিনি মনোমুগ্ধকৰ হৈ থাকে তেনেহ'লে পৰ্যটকসকলেও অসম সম্পৰ্কত এটা ভাল মনোভাব লৈ যাব পাৰিব। সুধাকণ্ঠৰ সমাধিক্ষেত্ৰলৈ অহা লোকসকলৰো মনটো ভাল লাগিব। পৰিষ্কাৰ-পৰিচ্ছন্নতাই মানুহৰ মন প্ৰফুল্ল কৰে। ইয়াৰ বিপৰীতে লেতেৰা পৰিৱেশে মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। যান-জঁটে সকলোৰে সময় অপচয় কৰে। দিনটোৰ ভিতৰত সম্পাদন কৰিবলগীয়া কাম সময়মতে কৰিব নোৱাৰাৰ বাবে আনকি বহুতৰ জীৱনলৈ সংশয়ো নামি আহে। তদুপৰি স্বচ্ছ ভাৰত অভিযানৰ সময়তো যদি জালুকবাৰীৰ উৰণীয়া সেতুত অবৈধ পাৰ্কিঙে অস্বচ্ছ কৰি ৰাখে তাৰ বাবে কোন দায়ী হ'ব।

# প্ৰদূষণ প্ৰতিৰোধৰ বাবে সকলোৱে লওক সংকল্প

ভাৰতৰ ৰাজধানী চহৰ নতুন দিল্লীত দীপাৱলীৰ সময়ত হোৱা প্ৰদূষণে দেশবাসীক আকৌ এবাৰ ভবাই তুলিলে। ৰাজধানী চহৰ এখনতেই যদি জনসাধাৰণে শ্বাস-প্ৰশ্বাসত কষ্ট অনুভৱ কৰে, তেনেহ'লে আন চহৰসমূহৰ অৱস্থা কেনে হ'ব পাৰে সেয়া সহজেই অনুমেয়। অতি সম্প্ৰতি বিশ্বৰ প্ৰায়ভাগ দেশৰে চহৰ-নগৰ, মহানগৰ আদি প্ৰদূষণৰ কবলত পৰিছে। বিশেষকৈ বায়ু প্ৰদূষণে নাগৰিকসকলক শংকিত কৰিছে। যদিহে এনেদৰে প্ৰদূষণৰ মাত্ৰা বৃদ্ধি হৈ থাকে তেনেহ'লে ভৱিষ্যতে ই কেনে জটিল সমস্যাৰ সৃষ্টি কৰিব? চহৰ-নগৰ তথা মহানগৰসমূহৰ সম্প্ৰসাৰণৰ লগতে ঔদ্যোগিকৰণৰ বাবে এতিয়া সকলোতে প্ৰদূষণ হৈ পৰিছে প্ৰত্যাহ্বান। কেৱল দিল্লী চহৰেই নহয়, বিশ্বৰ আগশাৰীৰ মহানগৰ আদিতো সেই একেই সমস্যা। এনেধৰণৰ সমস্যাৰ বাবে প্ৰকৃতি দায়ী নহয়। মানৱ সমাজেই ভয়াৱহ প্ৰদূষণৰ বাবে দায়ী। এসময়ত নতুন দিল্লী আদিত নিমগছ ৰোপণৰ দ্বাৰা প্ৰদূষণ প্ৰতিৰোধ কৰিবলৈ পৰিকল্পনা কৰা হৈছিল। ৰূপায়ণো হৈছিল। পিছে মানুহ ইমানেই প্ৰদূষণকাৰী হৈ পৰিছে যে নিমগছ আদিৰেও এয়া প্ৰতিৰোধ কৰাটো অসম্ভৱ হৈছে। যদিও নতুন দিল্লীত প্ৰদূষণ বৃদ্ধি পাইছে, তথাপি বিশ্বৰ সৰ্বাধিক প্ৰদূষিত দেশৰ তালিকাত আছে চীন। চীনৰ ত্ৰিশ শতাংশই প্ৰদূষণৰ কবলত পৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰ দ্বিতীয় তালিকাত আৰু ভাৰতৰ তৃতীয়।

চহৰ বা মহানগৰৰ ভিতৰতেই হওক বা সমীপৰ্তী অঞ্চলসমূহত হোৱা ঔদ্যোগিকৰণৰ বাবে প্ৰদূষণৰ পৰিমাণো বৃদ্ধি হোৱা বুলি ক'ব পাৰি। সাধাৰণতে উদ্যোগসমূহ চহৰাঞ্চলৰ সমীপত গঢ়ি উঠে বাবে ইয়াৰ পৰিবহণ আৰু অন্যান্য সুবিধাৰ কাৰণে। ষ্টেচন বা চহৰ-মহানগৰৰ সমীপত বৃহৎ উদ্যোগসমূহ গঢ়ি উঠোতে প্ৰদূষণৰ কথা কোনোৱে ভাবি নাচায়। এতিয়া যদিও আমি প্ৰদূষণ প্ৰতিৰোধৰ কথা কৈ আছো, তথাপি এনে স্থানতে উদ্যোগ স্থাপনৰ বাবে অনুমতি প্ৰদান কৰি থকা হৈছে। উদ্যোগৰ দ্ৰুত উন্নয়ন হ'লে দেশৰ প্ৰগতি সম্ভৱ। যি দেশত উদ্যোগৰ সংখ্যা কম সেইবোৰ দেশৰ অৰ্থনৈতিক উন্নয়নৰ হাৰ মন্থৰ। উদ্যোগত শ্ৰমিকৰ প্ৰয়োজন। দেশৰ নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত সেইবাবে যিকোনো উদ্যোগে বিশেষ ভূমিকা গ্ৰহণ কৰে বুলি কোৱা হয়। বেইজিঙত অলিম্পিক অনুষ্ঠিত কৰাৰ সময়ত সকলোৱে শংকিত হৈছিল প্ৰদূষণক লৈ। যদিও চীনে অতি সম্প্ৰতি এছিয়াৰে নহয়, বিশ্বৰ ঔদ্যোগিক ক্ষেত্ৰত উন্নত দেশৰ শীৰ্ষ তিনিটা স্থানৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হৈছে, তথাপি প্ৰদূষণ প্ৰতিৰোধৰ বেলিকা একেবাৰে ব্যৰ্থ। প্ৰদূষণৰ বাবে কিমান লোকৰ জীৱন বিপন্ন হৈছে সেই ছবিখন চীনে প্ৰকাশ নকৰে বাবে বিশ্ববাসীয়ে কমিউনিষ্ট দেশখনৰ স্পষ্ট ছবিখন লাভ কৰিব নোৱাৰে।

ভাৰতত উৎসৱৰ সময়ত প্ৰদূষণ বেছি হোৱাৰ মূলতে হ'ল আতচবাজী, ফটকা আদিৰ পৰা নিৰ্গত হোৱা প্ৰচুৰ পৰিমাণৰ ধোঁৱা। দীপাৱলীৰ সময়ত আৰু সাধাৰণতে এনে প্ৰদূষণৰ প্ৰকোপ বেছি। সকলোৱে কম-বেছি পৰিমাণে আনন্দতে ফটকা ফুটোৱাৰ লগতে আতচবাজী প্ৰদৰ্শন কৰে। এনে আনন্দৰ মাজতেই ওলোৱা ধোঁৱা আৰু গেছৰ পৰা প্ৰদূষিত হয় ভূমি আৰু বায়ু। ফটকা আৰু আতচবাজীৰ অতিৰিক্ত ৰাসায়নিক দ্ৰব্যসমূহ য'ত পৰি থাকে সেইডোখৰ ভূমি লাহে লাহে আনকি খেতিৰ বাবে অনুপযোগী হৈ পৰে। আনহাতে, এনেবোৰ ভূমিত যিবোৰ উৎপাদন হয় সেইবোৰ যেতিয়া খাদ্যৰ মাধ্যমত শৰীৰত প্ৰৱেশ কৰে, তেতিয়া ই বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি কৰে। বিশেষকৈ এনে কিছুমান ৰোগৰ সৃষ্টি কৰে যিবোৰে জীৱনৰ প্ৰতি আশংকা বৃদ্ধি কৰে। এনেবোৰ কথা ভাবিবলৈ আজি কাৰোৱে আহৰি নাই। সকলোৱে কেৱল নিজক লৈয়েই ব্যস্ত। আধুনিক জীৱন যাপনত ৰাষ্ট্ৰ নিৰ্মাণতকৈ

প্ৰায়ভাগ লোকেই ব্যক্তিগত স্বাৰ্থ পূৰণৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা দেখা যায়। পিছে এনে লোকে কেতিয়াও ভাবি নাচাই যে সুস্থ নাগৰিক অবিহনে কোনোৱে এখন ভাৰসাম্য সমাজ গঢ়িব নোৱাৰে। এখন সুস্থ সমাজ তথা দেশ গঢ়িবলৈ দেশখনৰ নাগৰিকসকলৰ লগতে সমাজখনো সুস্থ হ'ব লাগিব। এফালে দেশৰ আৰ্থিক উন্নয়নৰ কথা কৈ আনফালে ঔদ্যোগিকৰণৰ নামত ৰাষ্ট্ৰৰ বনাঞ্চল ধ্বংস কৰিলে নহ'ব। পঞ্চতাৰকাযুক্ত হোটেল নিৰ্মাণ কৰিলে অৰ্থনৈতিকভাৱে লাভান্বিত হ'লেও বনাঞ্চল ধ্বংস কৰিলে প্ৰকৃতিৰ ভাৰসাম্য নিশ্চয় বিনষ্ট হ'ব। আমি ফটকাও ফুটাব লাগিব। আতচবাজী প্ৰদৰ্শন কৰিবও লাগিব। সমান্তৰালভাৱে প্ৰাকৃতিক ভাৰসাম্য যাতে বিনষ্ট নহয় সেই ক্ষেত্ৰতো সমানেই হ'ব লাগিব সতৰ্ক।

প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ লগতে প্ৰদূষণমুক্ত হৈ থাকিবলৈ শ্ল'গান দিলেই সমস্যাৰ সমাধান নহ'ব। ইয়াৰ বাবে লাগিব প্ৰত্যেকৰে সহযোগিতা আৰু এটি মুকলি মন। নিজৰ লগতে দেশৰ ভৱিষ্যৎ প্ৰজন্মৰ সুৰক্ষাৰ বাবে সমাজৰ প্ৰতিগৰাকী ব্যক্তিয়ে ভাবিব লাগিব। প্ৰত্যেকেই বছৰত এজোপা হ'লেও গছ ৰোপণ কৰাৰ সংকল্প গ্ৰহণ কৰিলে সুফল পোৱা যাব। আনক বৃক্ষৰোপণৰ বাবে উপদেশ দি নিজে যদি বন ধ্বংসযজ্ঞত নামি পৰে তেনেহ'লে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাটো সম্ভৱ হ'ব জানো? প্ৰকৃতি অবিহনে কোনেও জীয়াই থকাটো সম্ভৱ নহয়।

# মূল পথত ৰিক্সা চলাচল কিয়

গুৱাহাটী মহানগৰীৰ যান-জঁটৰ সমস্যাই আজি ভয়াৱহ ৰূপ ধাৰণ কৰিছে। মূল পথসমূহ বহল কৰাৰ উপৰি কেবাঠাইতো উৰণীয়া সেতু নিৰ্মাণ কৰা হ'ল। যিমানেই উৰণীয়া সেতু নিৰ্মাণ কৰা হৈছে সিমানেই যান-জঁটৰ সমস্যা যেন দুগুণলৈহে বৃদ্ধি পাইছে। আনকি কেতিয়াবা পাঁচ কিলোমিটাৰ পথ চিটিবাছত যাওঁতে এক-ডেৰ ঘণ্টাৰ প্ৰয়োজন হয়। বিশেষ জৰুৰী কামত যোৱা লোকৰ এনে কাৰণত হয়তো নিজৰ কামকে কৰিব নোৱাৰি। বিপদ-আপদ হ'লে কেনেধৰণৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হ'ব পাৰে এবাৰ ভাবি চাওকচোন। যান-জঁটৰ বাবে কেতিয়াবা ৰোগীয়ে চিকিৎসকৰ ওচৰ পোৱালৈকে চিকিৎসকে ঘৰলৈকে গমন কৰাৰো বহুত উদাহৰণ পোৱা যায়। ছাত্ৰ-ছাত্ৰীসকলেও চিটিবাছ আদিত গ'লে একেধৰণৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈ আহিছে। দিনক দিনে গাড়ী-মটৰৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। আনকি একে একোটা পৰিয়ালৰে প্ৰতিজন সদস্যই গাড়ী ব্যৱহাৰ কৰে। ফলত এনেদৰে বৃদ্ধি পোৱা বাহনসমূহে কিছু পৰিমাণে হ'লেও যান-জঁটত অৰিহণা যোগাইছে। মহানগৰীত পঞ্চাশ শতাংশ সৰু যান-বাহন, মটৰ চাইকেল, স্কুটি আদি অপ্ৰয়োজনীয়ভাৱে চলাচল কৰে। এইবোৰ নিয়ন্ত্ৰণ কৰাটোও সম্ভৱ নহয়। কাৰণ কোন ব্যক্তি কামত ওলাই গৈছে, কোনে ধিতিঙালি কোবাবলৈ পথত বাহন চলাইছে সেয়া পৰীক্ষা কৰাটো কাৰো বাবে সম্ভৱ নহয়। তদুপৰি পথত গাড়ী চলাচল কৰাৰ সকলোৰে অধিকাৰ আছে। এই অধিকাৰ কোনোৰে খৰ্ব কৰিব নোৱাৰে। পিছে আৰক্ষী-প্ৰশাসনে নিয়ন্ত্ৰণ কৰিব পাৰে। পৰিকল্পিতভাৱে এনে সমস্যা সমাধানৰ গত্যন্তৰ নাই।

এইবোৰ সমস্যাৰ সৃষ্টিৰ আন এক কাৰণ হ'ল মূল পথত ৰিক্সা আদি চলাচলৰ বাবে অনুমতি প্ৰদান কৰাটো। যিহেতু মূল পথত চিটিবাছ আদি চলাচল

কৰেই, সেয়েহে ইয়াত ৰিক্সাৰ বিশেষ প্ৰয়োজন নাই। সেইবাবে ৰিক্সাসমূহ কেৱল উপ-পথত ব্যৱহাৰৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষই অনুমতি প্ৰদান কৰা উচিত। মহানগৰীৰ অতি ব্যস্ত অঞ্চলসমূহৰ মূল পথৰ কাষত বিশৃংখলভাৱে ৰাখি থোৱা হয় সেয়া সকলোৰে জ্ঞাত। জীৱিকাৰ অন্যতম সম্বল ৰিক্সাচালকসকলে দিনটো ৰিক্সাখন নচলালেও পৰিয়ালক পোহপাল দিব নোৱাৰে। গতিকে তেওঁলোক পেটৰ ভাতমুঠিৰ বাবে ৰিক্সা চলাচলৰ বাবে নিৰ্দিষ্ট পথ আৰু অঞ্চল কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰিলে 'সাপো মৰিল লাঠীও নাভাঙিল'ৰ দৰে হ'ব। সাধাৰণতে উপ-পথসমূহতহে যাতায়াতত ৰাইজে দুৰ্ভোগ ভোগে। কাৰণ এনে উপ-পথত চিটিবাছ আদি চলাচলৰ অনুমতি প্ৰদান কৰাটোও অসম্ভৱ। গতিকে সেইবোৰ অঞ্চলতহে ৰিক্সা চলাচলৰ অনুমতি সংশ্লিষ্ট কৰ্তৃপক্ষই প্ৰদান কৰক। নহ'লে মূল পথত ৰিক্সাৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই থাকিলে যান-জঁটৰ সমস্যাই এনে ৰূপ ল'ব যে এক কিলোমিটাৰ পথ চিটিবাছ আদিৰে যাবলৈ হ'লে এঘণ্টা সময়ৰ প্ৰয়োজন হ'ব। এবছৰমান পূৰ্বে বাংলাদেশলৈ যাওঁতে ঢাকা চহৰত যেনেধৰণৰ যান-জঁট প্ৰত্যক্ষ কৰিছিলো সেয়া কল্পনাতীত। ঢাকা চহৰত গাড়ীৰ সমানেই ৰিক্সা চলে। তিনি চকীয়া ৰিক্সাখনে যেনিতেনি প্ৰৱেশ কৰি এক বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰাৰ ফলত দুই কিলোমিটাৰ পথ যাওঁতে আমাৰ গাড়ীখনৰ দুঘণ্টা সময়ৰ প্ৰয়োজন হৈছিল। গতিকে ভৱিষ্যতে যাতে মহানগৰীৰ যান-জঁটৰ সমস্যা আৰু অধিক ভয়াৱহ হ'ব নোৱাৰে তাৰ বাবে ৰিক্সা আদি চলাচলৰ ক্ষেত্ৰত প্ৰশাসন কঠোৰ হ'ব লাগিব। মূল পথৰ বাহিৰে আন উপ-পথসমূহতহে চলাচলৰ অনুমতি প্ৰদান কৰক। নহ'লে চাৰিওফালে উৰণীয়া সেতুৰ প্ৰয়োজন হ'ব। ইমানবোৰ এনে সেতু নিৰ্মাণ কৰাটো সম্ভৱ হ'ব জানো? কাৰণ উৰণীয়া সেতু নিৰ্মাণৰ বাবেও ভূমিৰ প্ৰয়োজন। য'তে ত'তে উৰণীয়া সেতু নিৰ্মাণ কৰিবলগীয়া হ'লে বহু লোক গৃহহীন হোৱাৰ লগতে বহুতো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ হৈ পৰিব। তেতিয়া বহুতো পৰিয়ালৰ চৌকা নজ্বলিব। আদাবাৰী, ফাঁচীবজাৰ, পাণবজাৰ, শিলপুখুৰী, উলুবাৰী, চেৰাপভাটি, গণেশগুৰি, চানমাৰি, ছয়মাইল আদি ঠাইত মূল পথত চলাচল কৰা ৰিক্সাসমূহে কেনেধৰণৰ সমস্যাৰ সৃষ্টি কৰি আহিছে সেয়া সকলোৱে প্ৰত্যক্ষ কৰিছে। সময় থাকোতেই সতৰ্ক হওক সংশ্লিষ্ট কৰ্তৃপক্ষ। কাৰণ এনেদৰে চলি থাকিলে এসময়ত নিয়ন্ত্ৰণ কৰাটো প্ৰশাসনৰ বাবেও সম্ভৱ নহ'ব।

# কিয় অদ্বিতীয় ভ্ৰাম্যমাণ থিয়েটাৰ

ভ্ৰাম্যমাণ থিয়েটাৰ অসমীয়া সংস্কৃতিৰ আত্মা। গৌৰৱোজ্জ্বল স্বৰ্ণজয়ন্তীয়ে গৰকা ভ্ৰাম্যমাণ থিয়েটাৰ কেৱল অসমৰেই নহয়— বিশ্বৰ একক আৰু অনন্য। কাৰণ ৰংগমঞ্চৰ ইতিহাসৰ পৃষ্ঠা লুটিয়াই চালে অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰে প্ৰদৰ্শন কৰা নাটকৰ দৰে দ্বিতীয়টো অনুষ্ঠানৰ তথ্য পোৱা নাযায়। গ্ৰীকসকলে ৰংগমঞ্চত নাট প্ৰদৰ্শন কৰিলেও সেয়া কেৱল স্থায়ী মঞ্চতহে সম্ভৱ হৈছে। ইউৰোপ, আমেৰিকা আদিত ৰংগমঞ্চৰ ইতিহাস বিচাৰি পোৱা যায় যদিও ভ্ৰাম্যমাণ থিয়েটাৰৰ দৰে বৈশিষ্ট্য পাবলৈ নাই। তিনিদিন বা চাৰিদিন এটা নাট্যদলে নাট প্ৰদৰ্শনৰ বাবে এঠাইৰ পৰা আন এঠাইলৈ যোৱাৰ পৰিকল্পনা বিশ্বৰ ভিতৰত প্ৰথম সূত্ৰপাত ঘটিছে একমাত্ৰ অসমৰ বুকুত। ভ্ৰাম্যমাণ থিয়েটাৰৰ পৰিকল্পনা কৰাসকলৰ প্ৰায়ভাগেই এই পৃথিৱীৰ পৰা বিদায় লৈছে। এনে ধাৰণাৰ যিগৰাকী ব্যক্তিৰ মন-মগজুত সৃষ্টি হৈছিল পৰৱৰ্তী সময়ত সেয়াই এক নতুন বিপ্লৱৰ সূচনা কৰিছিল এইখন অসমৰ বুকুত। বহুতো পৰীক্ষা-নিৰীক্ষা তথা শত শত লোকৰ অশেষ কষ্ট-ত্যাগ স্বীকাৰৰ ফলত ভ্ৰাম্যমাণ থিয়েটাৰ আজিৰ এই ৰূপত বিশ্ববাসীৰ ওচৰত থিয় দিব পাৰিছে। বিশ্ববাসীৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে অসমৰ ভ্ৰাম্যমাণ

নাট্যগোষ্ঠী বা থিয়েটাৰ। ভ্ৰাম্যমাণ থিয়েটাৰেই হ'ল অসমৰ এনে এটি অঘোষিত উদ্যোগ— য'ত হাজাৰজনে কৰ্মসংস্থাপনৰ লগতে ৰাইজক আমোদ দিবলৈ সক্ষম হৈছে।

১৯৬৩ চন। অসমবাসীৰ বাবে এই বৰ্ষটো আছিল হেজাৰ হেজাৰ পৰিয়ালৰ জীৱন-জীৱিকাৰ সন্ধান দিয়াৰ উৎস বিচাৰি পোৱা এক শুভ ক্ষণ। পাঠশালা নগৰত এই বৰ্ষতেই জন্মলাভ কৰিছিল ভ্ৰাম্যমাণ থিয়েটাৰে। সেই বৰ্ষত জন্মলাভ কৰা ভ্ৰাম্যমাণ থিয়েটাৰে আজি এই পৰ্যায়ত উপনীত হৈছেহি। ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক অচ্যুত লহকৰে যি বাট দেখুৱাই গ'ল আজি সেই পথেদিয়েই খোজ পেলাই বহুতে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। বহুতো অভিনেতা-অভিনেত্ৰীয়ে এক সুকীয়া স্থান লাভ কৰিছে। ষাঠিৰ দশকৰ পৰাই ভ্ৰাম্যমাণ থিয়েটাৰে অসমৰ পৰিৱেশ্য শিল্পীসকলৰ অন্ন-বস্ত্ৰ আৰু বাসস্থানৰ বাবে যথেষ্ট কৰা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সেই সময়ত কোনোৱে হয়তো সপোনতো ভবা নাছিল যে ভ্ৰাম্যমাণ থিয়েটাৰে এদিন বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে 'চিহ্নযাত্ৰা'ৰ জৰিয়তে অসমৰ বুকুত সিঁচি থৈ যোৱা নাটকৰ বীজ এদিন পৰিৱৰ্তন আৰু উপযুক্ত চিন্তা-চৰ্চাৰে যি ৰূপত উপস্থাপন কৰিবলৈ সক্ষম হ'ল সেয়া একক আৰু অনন্য। যদিও ভ্ৰাম্যমাণ থিয়েটাৰৰ ধাৰণা '৬০ৰ দশকত সূত্ৰপাত হৈছিল, তথাপি এনে ধাৰণাও এদিনতেই কাৰো মনলৈ অহা নাছিল। ভাওনা, যাত্ৰাপাৰ্টি আদিৰ ধাৰণাৰ পৰাই ভ্ৰাম্যমাণ থিয়েটাৰৰ সৃষ্টি হোৱা বুলি ক'লেও ভুল কৰা নহ'ব। যেতিয়া যাত্ৰাপাৰ্টি উপভোগ কৰিবলৈ ঘণ্টাৰ পিছত ঘণ্টা ধৰি দৰ্শকে অপেক্ষা কৰি আছিল, তেতিয়া হয়তো উপলব্ধি হৈছিল এই প্ৰক্ৰিয়াটোক বাণিজ্যিকীকৰণৰ দ্বাৰা অসমৰ বুকুত নাট্যধাৰাটোক এক সুৰীয়া ৰূপত প্ৰতিষ্ঠা কৰাটো। ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক অচ্যুত লহকৰে যিহেতু নিজেই যাত্ৰাপাৰ্টিৰ স'তে ওতপ্ৰোতভাৱে জড়িত আছিল, সেইবাবে ভ্ৰাম্যমাণৰ ধাৰণা এটিৰ মনত সৃষ্টি হোৱাটো অস্বাভাৱিক বিষয় নাছিল। তেওঁ দৰ্শকৰ মনৰ কথা বুজিব পাৰিছিল। সেইবাবে ১৯৬৩ চনৰ কোনো এটি শুভ দিনত এইগৰাকী মহান ব্যক্তিৰ নিৰলস প্ৰচেষ্টাতে জন্মলাভ কৰিছিল ভ্ৰাম্যমাণ থিয়েটাৰে।

ভ্ৰাম্যমাণৰ মঞ্চত অসমীয়া মৌলিক নাট প্ৰদৰ্শনৰ ধাৰাও থিয়েটাৰৰ

জন্মৰ লগে লগে অধিক দ্ৰুত হৈ পৰিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে ত্ৰিশৰ দশকত অসমীয়া মৌলিক নাটকৰ সংখ্যা বৰ বেছি নাছিল। সেইবাবে ভ্ৰাম্যমাণ নাট্যমঞ্চসমূহত অনূদিত নাটসমূহহে বেছিকৈ মঞ্চস্থ হোৱাৰ তথ্য পোৱা যায়। অৱশ্যে সেই সময়ত ভ্ৰাম্যমাণ মঞ্চসমূহত কৰা অভিনয় তথা কলা-কৌশল সীমিত আছিল। যেতিয়া নটৰাজ থিয়েটাৰৰ মঞ্চৰ বাবে নাটকৰ প্ৰয়োজন হ'ল তেতিয়াৰ পৰা লাহে লাহে নতুন নতুন নাট্যকাৰেও প্ৰতিষ্ঠা লাভ কৰিবলৈ ধৰিলে। ভ্ৰাম্যমাণ থিয়েটাৰৰ সংখ্যা বৃদ্ধিৰ লগে লগে ইয়াৰ গতিয়ে যেন অধিক প্ৰাণ পালে। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় হ'ল এই নাটকসমূহে ৰক্ষণশীল সমাজত ঘৰৰ চাৰি বেৰৰ মাজত সীমাবদ্ধ থকা অসমীয়া নাৰীসকলক ৰংগমঞ্চত প্ৰতিষ্ঠিত হোৱাৰ সুযোগ প্ৰদান কৰিছিল।

ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্ম সন্দৰ্ভত অচ্যুত লহকৰে কৰা মন্তব্যৰ পৰাই সহজে অনুমান কৰিব পাৰি যে যাত্ৰা দল আৰু অপেৰাসমূহৰ দোষ-ত্ৰুটিসমূহ আঁতৰাই পৰীক্ষামূলকভাৱে ৰূপ দিয়া হৈছিল ভ্ৰাম্যমাণ থিয়েটাৰক। তদুপৰি নটৰাজ অপেৰাই পূৰ্ণপৰ্যায়ৰ ভ্ৰাম্যমাণ থিয়েটাৰলৈকে পৰ্যবসিত হোৱাৰ পূৰ্বে অচ্যুত লহকৰে যাত্ৰা দল আৰু অপেৰাৰ বিভিন্ন দিশ সূক্ষ্মভাৱে বিশ্লেষণ কৰিছিল। দৰাচলতে তেওঁ ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্ম দিয়াৰ পূৰ্বে যাত্ৰাপাৰ্টিৰ অথবা অপেৰা আদি সন্দৰ্ভত গৱেষণা কৰিছিল। এই গৱেষণাৰ ফলতে জন্ম হৈছিল ভ্ৰাম্যমাণ থিয়েটাৰৰ। এই প্ৰসংগত অচ্যুত লহকৰে লিখিছিল— 'বিভিন্ন কাৰণত মই সিদ্ধান্তত উপনীত হ'লো যে যাত্ৰাবিলাক আচলতে ভ্ৰাম্যমাণ। এইবোৰ য'লৈকে ইচ্ছা ত'লৈকে যায়। গাঁৱৰ বিবাহ, ভোজসভা আদিত যাত্ৰাপাৰ্টিবোৰ অপৰিহাৰ্য। মই কলিকতাত থকাৰ সময়তে হওক বা ইয়াত থাকোতে বিভিন্ন ৰংগমঞ্চৰ নাটক চাই ফুৰিছিলো। গুৱাহাটীৰ ভাস্কৰ মঞ্চ, তেজপুৰৰ বাণমঞ্চ আদিৰ নাট চাই ভাবিছিলো যে অপেৰাতকৈ থিয়েটাৰ অনেক বেছি উন্নত। থিয়েটাৰবোৰত ছোৱালীয়ে ছোৱালীৰ অভিনয় কৰে। গতিকে এটা কথা মনলৈ বাৰে বাৰে আহিবলৈ ধৰিলে— অপেৰা বা যাত্ৰা যেনেদৰে ভ্ৰাম্যমাণ তেনেদৰে থিয়েটাৰকো ভ্ৰাম্যমাণ কৰিব নোৱাৰিনে? তেতিয়ালৈকে অসমত কলিকতা, বোম্বে আদিৰ লেখীয়াকৈ থিয়েটাৰ আৰম্ভ আৰম্ভ হোৱা নাছিল। মই প্ৰথমবাৰৰ বাবে এনেকুৱা থিয়েটাৰ খুলি ভ্ৰাম্যমাণৰ

ৰূপ দিব খুজিলো।' এয়াই আছিল ভ্ৰাম্যমাণ থিয়েটাৰৰ সূত্ৰপাতৰ চিন্তা-চৰ্চা। ১৯৬৩ চনত পাঠশালাৰ দুগৰাকী ব্যক্তি অচ্যুত লহকৰ আৰু সদা লহকৰে ইতিহাসৰ সোণোৱালী পৃষ্ঠাত খোদিত কৰিছিল ভ্ৰাম্যমাণ থিয়েটাৰক। সদা লহকৰে প্ৰযোজনা কৰা নটৰাজ অপেৰাত জ্যেষ্ঠ ভ্ৰাতৃ অচ্যুত লহকৰে। 'নটৰাজ থিয়েটাৰ' নাম দিয়াৰ লগে লগে অসমত আৰম্ভ হ'ল ৰংগমঞ্চৰ আধুনিকীকৰণ। পৃথিৱীৰ আন ক'তো বিচাৰি নোপোৱা ভ্ৰাম্যমাণ থিয়েটাৰ সন্দৰ্ভত বঙালী নাট্যযোদ্ধা শম্ভু মিত্ৰ আৰু উৎপল দত্তই একমুখে স্বীকাৰ কৰিলে— 'অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ লেখীয়া নাট্যানুষ্ঠান পৃথিৱীৰ আন ক'তো বিচাৰি পাবলৈ নাই।' নটৰাজ থিয়েটাৰৰ জন্ম কাৰ্যতঃ বজালী অঞ্চলৰ বাবে আছিল এক যুগান্তকাৰী ঘটনা। দুৰ্দান্ত সাহসী আৰু নতুনত্বৰ প্ৰতি সদা আগ্ৰহী অচ্যুত লহকৰে প্ৰথমবাৰলৈ ভ্ৰাম্যমাণ থিয়েটাৰক অসমৰ বাহিৰলৈ নি ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজলিবলৈ সক্ষম হৈছিল। তদুপৰি থিয়েটাৰৰ লগতে চিনেমাৰ কাৰিকৰী দিশৰো যে সংযোজন ঘটাব পাৰি অচ্যুত লহকৰে উপলব্ধি কৰিছিল। সেয়েহে দুয়োটাৰ সংমিশ্ৰণত জন্ম দিছিল নটৰাজ চিনে থিয়েটাৰ। অচ্যুত লহকৰৰ উদ্যোগত নটৰাজ চিনে থিয়েটাৰৰ জয় জয়-ময় ময় চলি থকাৰ সময়তে পূৰ্বৰ নটৰাজ অপেৰাৰ প্ৰতিষ্ঠাতা সদা লহকৰে আৰম্ভ কৰে আৰাধনা থিয়েটাৰৰ। অতি কম দিনৰ ভিতৰতে এই দলটোৱে দৰ্শকৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিছিল। আনকি আৰাধনা থিয়েটাৰে ৰাষ্ট্ৰপতিৰ বঁটাও লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৭৬ চনত ৰতন লহকৰে কহিনুৰ থিয়েটাৰৰ জন্ম দিয়ে। ১৯৮১ চনত কৃষ্ণ ৰয়ে প্ৰযোজনা কৰা আৱাহন থিয়েটাৰে ভ্ৰাম্যমাণৰ কাৰিকৰী দিশলৈ আমূল পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল। নটৰাজ থিয়েটাৰে 'সতী বেউলা'ৰ জৰিয়তে নাট্যধাৰাৰ গতি দ্ৰুত কৰাৰ পাছত কহিনুৰ আৰু আৱাহন থিয়েটাৰৰ মঞ্চতো দৰ্শকে কাৰিকৰী দিশৰ চমৎকাৰিতা প্ৰত্যক্ষ কৰিবলৈ সক্ষম হৈছিল। ৰামায়ণ, মহাভাৰত, ভগৱান শ্ৰীকৃষ্ণ, টাইটানিক, লেডী ডায়েনা, জুৰাচিক পাৰ্ক আদিৰ উপৰিও 'ইলিয়াড', 'ওডিচী' আদিৰ দৰে ব্যয়বহুল নাটক দৰ্শকৰ বাবে আগ বঢ়াইছিল। পৰৱৰ্তী সময়ত ভ্ৰাম্যমাণ থিয়েটাৰত সংযোজিত হ'ল অনিৰ্বাণ থিয়েটাৰ, মুন থিয়েটাৰ, সুৰদেৱী থিয়েটাৰ, ইন্দ্ৰাণী থিয়েটাৰ, অসম ষ্টাৰ থিয়েটাৰ, মুকুন্দ থিয়েটাৰ,

ৰংঘৰ থিয়েটাৰ, ইন্দ্ৰধনু থিয়েটাৰ, মঞ্চৰূপা থিয়েটাৰ, পল্লৱী থিয়েটাৰ, দেৱদাসী থিয়েটাৰ, বিষ্ণুজ্যোতি থিয়েটাৰ, উদয়ন থিয়েটাৰ, ৰাধিকা দেৱী থিয়েটাৰ, অপৰূপা থিয়েটাৰ, হেঙুল থিয়েটাৰ, অনিৰ্বাণ থিয়েটাৰ, শ্ৰীমন্ত শংকৰদেৱ থিয়েটাৰ, মনালিছা থিয়েটাৰ, ৰূপালীম থিয়েটাৰ, ৰূপাঞ্জলী থিয়েটাৰ, সূৰ্য থিয়েটাৰ, বৰদৈচিলা থিয়েটাৰ, থিয়েটাৰ ভাগ্যদেৱী, শকুন্তলা থিয়েটাৰ, ৰাজতিলক থিয়েটাৰ, ৰাজমুকুট থিয়েটাৰ, জ্যোতিৰূপা থিয়েটাৰ, সুৰদেৱী থিয়েটাৰ, আশীৰ্বাদ থিয়েটাৰ, প্ৰাগজ্যোতিকা থিয়েটাৰ, বীণাপাণি থিয়েটাৰ, ব্ৰহ্মপুত্ৰ থিয়েটাৰ, ৰূপালীম থিয়েটাৰ, ৰূপাঞ্জলী থিয়েটাৰ, ৰূপকোঁৱৰ থিয়েটাৰ আদি। ইয়াৰ ভিতৰত কেবাখনো থিয়েটাৰে প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰি আদবাটতে যাত্ৰা সামৰিবলগীয়া হৈছে।

ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটকৰ এক সুকীয়া আসন আছে। নাটকৰ স্বকীয়তাৰ বাবে আজিও দৰ্শকে বহুতো নাটকৰ নাম কোৱাত খোকোজা নালাগে। নাট্যকাৰসকলে সদায় দৰ্শকৰ উপযোগী হোৱাকৈ নাটক ৰচনা কৰি আহিছে, নটৰাজ থিয়েটাৰত প্ৰথম প্ৰদৰ্শিত হোৱা নাটকেইখন হ'ল— ভোগজৰা, হাইদৰ আলী আদি। ভ্ৰাম্যমাণ থিয়েটাৰে অসমবাসীৰ বাবে আগবঢ়োৱা উল্লেখযোগ্য নাটক হ'ল— ৰামায়ণ, মহাভাৰত, অথেলো, ইলিয়াড-ওডিচী, পৃথিৱীৰ প্ৰেম, কবৰ আৰু কংকাল, নয়নমণি, দস্যুৰাণী ফুলনদেৱী, কনকলতা, কুশল কোঁৱৰ, নাগিনীৰ অমৃত দংশন, অন্ধকূপ, স্নেহবন্ধন, ক্লিওপেট্ৰা, স্বৰ্ণজয়ন্তী, অমৃত, সম্ৰাট, জীৱন ড্ৰাইভাৰ, নীলকণ্ঠ, মমতা, অপৰাজিতা, ছহিদ, কালশত্ৰু, সূৰ্য কলংক, নবীন মাষ্টৰ, শ'ৰাগুৰিৰ চাপৰি, দুলিয়াজান, এজাক কাউৰীৰ কোলাহল, দধীচি, মিলন-মালা, মহাত্মা, ৰত্নাকৰ, অজগৰ, প্ৰভাতী পখীৰ গান, ডকাইত, ভগৱান শ্ৰীকৃষ্ণ, টাইটানিক, লেডী ডায়েনা, পাণ্ডুলিপি, হাত, লাজ, অলংকাৰ, আশীৰ্বান, অসীমত যাৰ হেৰাল সীমা, সুৰংগৰ শেষত, হেমলেট, মাটিৰ গাড়ী, বাঘজাল, বিষ্ণু ৰাভা, ইডিপাচ, পবিত্ৰ পাপী, মৃত্যুঞ্জয়, পাতাল ভৈৰবী, ডায়িনীৰ প্ৰেম, বৈৰী বন্ধু, মাজনিশাৰ চিঞৰ, মোৰ আই মাহীআই, অনুৰাধাৰ দেশ, শতাব্দী, কাৰেঙৰ লিগিৰী, মুখ্যমন্ত্ৰী, দখল, স্নেহবন্ধন, মামা-ভাগিন, দৰা হ'ব কোন, এ কে-৫৬, তেজে ধোৱা গামোচা, বিস্ফোৰণ, অধিনায়ক, দীনবন্ধু, ৰামধেনু, শিমলু-

চন্দন, নাচ ময়ূৰী নাচ, ভুল নুবুজিবা ভূপেনদা, নবীন মাষ্টৰ, কাবুলীৱালা, জয়মতী, কালাপাহাৰ, মহাৰাণী, মহুৱা সুন্দৰী, দস্যুৰাণী ফুলনদেৱী, অভিনেত্ৰী, মা, ডাঃ বেজবৰুৱা, পাকিস্তানী প্ৰেয়সী, পম্পীয়েৰ প্ৰলয়, ফাঁচীকাঠত ৰাজখোৱা, কনৌজ কুঁৱৰী, গধূলি, প্ৰতিবিম্ব, তাম্ৰপালী, দিগাম্বৰ, শুভ সংবাদ, বিষকুম্ভ, বৃন্দাবন, স্বৰ্গৰ দুৱাৰ, জন্মভূমি, পৰমানন্দ, সমুদ্ৰ মন্থন, বৰ্ণমালা, ৰম্যভূমি, অৰণ্যত গধূলি, ৰামধেনু, মই মাৰ ছোৱালী, সম্ৰাজ্ঞী, মেৰী কম ইত্যাদি।

### ভ্ৰাম্যমাণত নাটকৰ ধাৰাৰ পৰিৱৰ্তন কিয়

ভ্ৰাম্যমাণ থিয়েটাৰত দৰ্শকক আওকাণ কৰি কেতিয়াও এখোজ আগুৱাই যোৱাটো সম্ভৱ নহয়। তদুপৰি দৰ্শক অবিহনেও নাট মঞ্চস্থ কৰাটো অসম্ভৱ। দৰাচলতে ভ্ৰাম্যমাণ আৰু দৰ্শক হ'ল এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এটাক বাদ দি আনটোৰ মূল্যায়ন কৰিব নোৱাৰি। সেইবাবে ভ্ৰাম্যমাণ নাট্যগোষ্ঠীসমূহে নাট নিৰ্বাচন কৰোতে সদায় প্ৰথমে দৰ্শকৰ ৰুচিবোধৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। দৰ্শকৰ ৰুচিবোধৰ ওপৰত গুৰুত্ব নিদি ৰচনা কৰা নাটকে কেতিয়াও সাফল্য অৰ্জন বা জনপ্ৰিয় হ'ব নোৱাৰে। নাটক এখন এটা বৰ্ষত যিমানেই জনপ্ৰিয় হয় সিমানেই নাট্যগোষ্ঠীটোৰ হাতলৈ আহে প্ৰচুৰ ধন।

দৰ্শকৰ ৰুচিবোধ সময়ৰ পৰিৱৰ্তনৰ লগে লগে সলনি হোৱাটো স্বাভাৱিক বিষয়। সইবাবে ১৯৬৩ চনত প্ৰথমবাৰৰ বাবে ভ্ৰাম্যমাণ থিয়েটাৰে অসমৰ বুকুত প্ৰদৰ্শন কৰা নাট আৰু অতিসম্প্ৰতি প্ৰদৰ্শিত নাটকৰ মাজত আকাশ-পাতাল পাৰ্থক্য বিচাৰি পোৱা যাব। ইয়াৰ বাবে প্ৰধানকৈ দায়ী কিন্তু দৰ্শকৰ ৰুচিবোধ। সময়ৰ পৰিৱৰ্তনৰ লগে লগে দৰ্শকৰ ৰুচিবোধৰ পৰিৱৰ্তন হোৱাটো স্বাভাৱিক বিষয়। নাট্যকাৰসকলেও সেইবাবে সদায় দৰ্শকৰ ৰুচিবোধৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। ভ্ৰাম্যমাণৰ জন্মৰ সময়ত মঞ্চত যি কৌশল তথা আলোকসজ্জা কৰা হৈছিল এতিয়া সেইবোৰ দৰ্শকে গ্ৰহণ কৰিব জানো? আজিৰ এই ডিজিটেল যুগত ৰংগমঞ্চতো ইয়াৰ প্ৰয়োগ হ'বই লাগিব। কাৰণ অত্যাধুনিক কৌশল আদিৰ প্ৰয়োগ তথা পৰীক্ষা-নিৰীক্ষা অবিহনে অতিসম্প্ৰতি ভ্ৰাম্যমাণে দ্ৰুতগতিত আগ বাঢ়ি যাব নোৱাৰে।

## কোনে নিয়ন্ত্ৰণ কৰে ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক

ভ্ৰাম্যমাণ থিয়েটাৰৰ মূল চালিকা শক্তিয়েই হ'ল দৰ্শক। যিমানেই ভ্ৰাম্যমাণৰ প্ৰেক্ষাগৃহলৈ দৰ্শকৰ সোঁত বয় সিমানেই নাট্যদলটোৰ স'তে জড়িত প্ৰতিগৰাকী শিল্পী, কলা-কুশলীৰ মুখত হাঁহি বিৰিঙি উঠে। কাৰণ দৰ্শকৰ পৰা সংগ্ৰহ কৰা ধনেৰেই চলে ভ্ৰাম্যমাণ নাট্যগোষ্ঠী। এককথাত ক'বলৈ গ'লে দৰ্শক অবিহনে ভ্ৰাম্যমাণ থিয়েটাৰ গুৰুত্বহীন। শূন্য প্ৰেক্ষাগৃহত নাট প্ৰদৰ্শন কৰাটো কিমান যন্ত্ৰণাময় সেয়া ভুক্তভোগীৰ বাহিৰে আনে উপলব্ধি কৰিব নোৱাৰে। ৰংগমঞ্চৰ সন্মুখত যিমানেই দৰ্শকৰ ভিৰ বয়, সিমানেই কলা-কুশলীৰ পৰা আৰম্ভ কৰি অভিনেতা-অভিনেত্ৰীলৈ সকলো উৎফুল্লিত হৈ পৰে। অভিনয়ো হৈ পৰে জীৱন্ত। এইখিনিতে উল্লেখ কৰিব লাগিব যে দৰ্শকে যিমানেই চিঞৰ-বাখৰ নকৰক কিয়— অভিনেতা-অভিনেত্ৰীৰ বাবে পিছে সেয়াই প্ৰেৰণাৰ উৎস। প্ৰেক্ষাগৃহত থকা গেলাৰীৰ পৰা যদি বিকট চিঞৰ শুনা নাযায়, তেনেহ'লে ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চত যেন ইয়াৰ জোকাৰণিয়েই নুঠে। ৰংগমঞ্চ আৰু দৰ্শকৰ মাজত থকা আত্মিক সম্পৰ্কৰ বাবেই যেন এনে চিঞৰ-বাখৰ শুনিবলৈ পোৱা যায়। দৰ্শকে বিচৰাটো যদি ৰংগমঞ্চত প্ৰতিফলিত নহয়, তেতিয়াও যেন দৰ্শকে ক্ষোভৰ বহিঃপ্ৰকাশ ঘটায় চিঞৰ-বাখৰৰ মাধ্যমেদি। শূন্য প্ৰেক্ষাগৃহৰে ভ্ৰাম্যমাণ থিয়েটাৰ জীয়াই থাকিব নোৱাৰে। যিমানেই দৰ্শকৰ শুকান হাত চাপৰি পৰে, সিমানেই সকলোৰে মুখত হাঁহি বিৰিঙি উঠে।

# গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভক আক্ৰমণ আৰু একাংশৰ উল্লাস

ৰিপাব্লিক টিভিৰ মুখ্য সম্পাদক অৰ্ণৱ গোস্বামীক মুম্বাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছত দেশজুৰি ইয়াৰ প্ৰতিক্ৰিয়া হৈছে। কাৰণ এয়া গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভক আঘাত কৰাৰ জ্বলন্ত উদাহৰণ। বিগত কেবামাহ ধৰি মুম্বাই আৰক্ষীৰ নিদ্ৰাহৰণ কৰা অসম সন্তান অৰ্ণৱ গোস্বামীক অৱশেষত আৰক্ষীয়ে পুৰণি গোচৰ এটিত গ্ৰেপ্তাৰ কৰিলে। আইনৰ উৰ্ধ্বত কোনো নহয়। এইফালৰ পৰা বিশ্লেষণ কৰি ক'ব পাৰিলে যদিহে জ্যেষ্ঠ সাংবাদিকজনে সঁচাকৈয়ে কোনো অপৰাধ কৰিছে তেনেহ'লে তেওঁক দেশৰ আইন অনুযায়ী শাস্তি দিয়ক। কঠোৰৰ পৰা কঠোৰতম শাস্তি দিলেও ক'বলগীয়া নাই। পিছে দুবছৰ পূৰ্বে বন্ধ হোৱা গোচৰ এটাক লৈ মুম্বাই আৰক্ষী হঠাৎ সাংবাদিকজনৰ বিৰুদ্ধে সৰৱ হৈ উঠিল কিয়? এই কাৰ্যই এটা কথা প্ৰমাণ কৰিলে যে মুম্বাই আৰক্ষীৰ আক্ৰোশৰ বলি হ'ল গোস্বামী। শেহতীয়াভাৱে অভিনেতা সুশান্ত সিং ৰাজপুতৰ আত্মহত্যাৰ আঁৰৰ লোকসকলৰ লগতে পালঘৰ কাণ্ড আদিত অধিক আক্ৰমণাত্মক হোৱা বাবে মহাৰাষ্ট্ৰ চৰকাৰৰ মূৰৰ কামোৰণি হৈ পৰে

অৰ্ণৱ। চৰকাৰৰ লক্ষ্য যিকোনো প্ৰকাৰে ৰিপাব্লিক টিভি বন্ধ কৰাৰ লগতে অৰ্ণৱক গ্ৰেপ্তাৰ কৰি কাৰাগাৰৰ এন্ধাৰ কোঠাত নিক্ষেপ কৰাটো। শেহতীয়াকৈ মুম্বাই আৰক্ষী আৰু মহাৰাষ্ট্ৰ চৰকাৰে কেনেবাকৈ অৰ্ণৱ গোস্বামীক কাৰাগাৰত বন্দিত্বৰ জীৱন কটাবলৈ বাধ্য কৰাব পাৰে তাৰ বাবে উঠি-পৰি লাগিয়ে অৰ্ণৱক গ্ৰেপ্তাৰ কৰিলে।

এজন স্থপতিবিদক আত্মহত্যা কৰিবলৈ বাধ্য কৰোৱাৰ অভিযোগত জ্যেষ্ঠ সাংবাদিকজনক গ্ৰেপ্তাৰ কৰা বুলি মুম্বাই আৰক্ষীয়ে উল্লেখ কৰিলেও স্বাভাৱিকতে সকলোৰে মনত এটি প্ৰশ্ন উদয় হৈছে— দুবছৰে উক্ত গোচৰটো কিয় পুনৰ মুকলি কৰা হোৱা নাছিল। তাৰ মানে মুম্বাই আৰক্ষীও দুৰ্নীতি-অনিয়মত জড়িত। মুম্বাই আৰক্ষী আৰু চৰকাৰৰ বিৰুদ্ধে ৰিপাব্লিক টিভি সৰৱ হোৱাৰ পাছতহে উক্ত গোচৰটো কিয় পুনৰ বিচাৰৰ বাবে মুকলি কৰা হ'ল। তদুপৰি ভুক্তভোগী পৰিয়ালৰ ক্ষেত্ৰতো সন্দেহ থাকি যোৱাৰ থল আছে। তেওঁলোকে কিয় দুবছৰৰ পাছত উক্ত গোচৰটো পুনৰ বিচাৰৰ বাবে আবেদন জনালে? চৰকাৰ বা মুম্বাই আৰক্ষীৰ প্ৰৰোচনাত পুনৰ আগ বাঢ়ি অহা নাইতো? এতিয়া সকলোৰে মনত এনেধৰণৰ প্ৰশ্ন উদয় হয় মনত।

শেহতীয়া ঘটনাই এটা কথা স্পষ্ট কৰিছে যে অৰ্ণৱক আৰক্ষীয়ে চৰকাৰৰ প্ৰৰোচনাত আক্ৰোশমূলক তথা প্ৰতিশোধৰ দাবাগ্নিত জ্বলি গ্ৰেপ্তাৰ কৰিছে। তদুপৰি ৰাষ্ট্ৰীয় টিভি চেনেল এটাৰ জ্যেষ্ঠ সাংবাদিক এগৰাকীক যিদৰে মাজনিশা শোৱাপাটীৰ পৰা গ্ৰেপ্তাৰ কৰিলে সেয়া ৰহস্যজনক। তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ যিমানসংখ্যক আৰক্ষী নিয়োগ কৰা হৈছিল সাধাৰণতে কোনো দাগী অপৰাধী অথবা দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰিবলৈ যোৱাৰ সময়তহে নিয়োগ কৰা দেখা যায়। তেওঁক এনেদৰে গ্ৰেপ্তাৰ কৰাৰ কাৰণ কি হ'ব পাৰে? অৰ্ণৱ গোস্বামী স্থপতিবিদজনৰ আত্মহত্যাৰ বাবে দায়ী হয় নে নহয় সেয়া বিচাৰ কৰিবলৈ আদালত আছে। আৰক্ষী সদলবলে নগ'লেও অৰ্ণৱ গোস্বামীয়ে নিশ্চয় পলায়ন নকৰিলেহেঁতেন। এনে কাৰ্যই সংবাদ মাধ্যমক হেয় প্ৰতিপন্ন কৰিছে। কাৰণ গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভক যদি এনেদৰে আক্ৰমণৰ লক্ষ্য হিচাপে বাছি লোৱা হয় তেনেহ'লে ভৱিষ্যতে পৰিস্থিতি আৰু অধিক জটিল হৈ পৰিব। তদুপৰি শেহতীয়া কাৰ্যই এটা কথা স্পষ্ট কৰিছে যে

ৰাষ্ট্ৰীয় সংবাদ মাধ্যম এতিয়া আৰু একগোট হৈ থকা নাই। আনকি অৰ্ণৱ গোস্বামীক গ্ৰেপ্তাৰ কৰাত একাংশ জ্যেষ্ঠ সাংবাদিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংবাদ মাধ্যমে উৎফুল্লিত হৈছে। আনকি ঠাট্টা-মস্কৰাও আৰম্ভ কৰিছে। এতিয়া চৰকাৰ-আৰক্ষীতকৈ সংবাদ মাধ্যম নিজেই নিজৰ শত্ৰু হৈ পৰিছে। ঈৰ্ষা, বিদ্বেষৰ যেন মুকলিভাৱে প্ৰতিফলিত হৈছে। আনকি একাংশ সংবাদ মাধ্যমে দিনটোৰ ভিতৰত এটা টিভি চেনেলে আন এটা টিভি চেনেলৰ দোষ খোঁচৰাতে ব্যস্ত হৈছে। ইমানতে সীমাবদ্ধ নাথাকি সাংবাদিকেই সাংবাদিকৰ শত্ৰুতা কৰা হৈছে। যদি অৰ্ণৱ গোস্বামীয়ে কাৰোবাৰ হৈ পক্ষপাতিত্বমূলকভাৱে ৰিপাব্লিক টিভি ব্যৱহাৰ কৰাৰ অভিযোগ উঠিছে তেনেহ'লে অৰ্ণৱৰ বিৰুদ্ধে অপপ্ৰচাৰ আৰু কুৎসা ৰচনা কৰা টিভি চেনেলসমূহে কাৰ হৈ কাম কৰিছে। কোনে চলাইছে চেনেল? অৰ্ণৱ গোস্বামী নিৰপেক্ষ নহয় বুলি উঠা অভিযোগ যদি সঁচা বুলি মানি লওঁ তেনেহ'লে দেশৰ শীৰ্ষ সাংবাদিক দুই-এগৰাকীয়ে যি আচৰণ প্ৰদৰ্শন কৰিছে তাত জানো নিৰপেক্ষতা বজাই ৰখা হৈছে? তেওঁলোক নিৰপেক্ষ জানো? যদি নহয় তেওঁলোকেও মনত ৰখা উচিত ওপৰলৈ থুৱালে নিজৰ গাতেই পৰে।

সংবাদ মাধ্যমত সমাজৰ লগতে দেশৰ প্ৰতিটো সমস্যা প্ৰতিফলিত হয়। নিৰপেক্ষভাৱে সংবাদ পৰিৱেশন কৰাটো সংবাদ মাধ্যমৰ ধৰ্ম। সেইবাবে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি আখ্যা দিয়া হয়। তাকে নকৰি যদি ইয়াক ব্যক্তিগত লাভালাভৰ বাবে ব্যৱহাৰ কৰা হয়, তেনেহ'লে ৰাইজৰ মাজত নিৰপেক্ষ আৰু নিৰ্ভীকতাৰ বিশ্বাস বৰ্তি থাকিব জানো? পক্ষপাতিত্ব যদি কোনোবাই কৰিছে সেই সংবাদ মাধ্যমে বৈদ্যুতিন বা ছপা মাধ্যমক ৰাইজে বৰ্জন কৰক। কোনোবাই যদি দোষ, অপৰাধ কৰিছে তেনেহ'লে দেশৰ আইনৰ অধীনত বিচাৰ হওক। শাস্তি পাওক। পিছে তেনে কৰিবলৈ যাওঁতে একাংশ সংবাদ মাধ্যমে নিজকে নিৰপেক্ষ আৰু নিৰ্ভীক বুলি প্ৰচাৰ কৰিবলৈ আন একাংশ সংবাদ মাধ্যম বা সাংবাদিকৰ বিৰুদ্ধে অপপ্ৰচাৰ চলোৱাটোৱে ৰাইজৰ মাজত চৰ্চা হৈছে। অৰ্ণৱ গোস্বামীক গ্ৰেপ্তাৰ কৰাৰ পাছত একাংশ সংবাদ মাধ্যম আৰু জ্যেষ্ঠ সাংবাদিক উৎফুল্লিত হৈ মুকলিভাৱে উল্লাস প্ৰদৰ্শন কৰাটো গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ বাবে অশনি সংকেত নহয় জানো?

# ফটকাবিহীন দীপাৱলীৰ আনন্দ লওক

পোহৰৰ উৎসৱ দীপাৱলীক লৈ এতিয়া সকলোৰে মাজত চলিছে চৰ্চা। কাৰণ ক'ৰোনা আতংকৰ মাজত দীপাৱলীৰ আনন্দ সকলোৱে ল'ব পাৰিব নে নোৱাৰে তাকে লৈ চিন্তান্বিত। আনন্দ কৰিম বুলি ভাবিও থমকি ৰ'বলগীয়া হৈছে। পিছে ক'ৰোনা হ'লেও আমি উৎসৱ-পাৰ্বণ আদি পালন কৰিবই লাগিব। নহ'লে জীৱনটো একেবাৰে নিৰস হৈ পৰিব। এনে আতংকৰ মাজতেই আহিছে দীপাৱলী। সাধাৰণতে দীপাৱলী বুলিলে চৌদিশে পোহৰৰ লগতে ফটকাৰ শব্দ। কোনোবাই যদি মাটিত ফটকা ফুটাইছে আন কিছুমানে আকৌ আকাশত ৰঙীন পোহৰৰ লগতে শব্দৰ বিস্ফোৰণ ঘটায়। এইবোৰ যিমানেই ফুটে আৰু আতচবাজী যিমানেই প্ৰদৰ্শন কৰা হয় সিমানেই বায়ু আৰু শব্দ প্ৰদূষণ হ'বলৈ ধৰে। আনকি বহুতৰ শ্বাস-প্ৰশ্বাসৰ লগতে হৃদৰোগ আদিৰ সমস্যায়ো গা কৰি উঠে। সি যি নহওক, মানুহে পৰিৱেশ আৰু পৰিস্থিতি চাইহে কাম কৰিব লাগে। এতিয়া যিহেতু চৌদিশে এক আতংকময় পৰিৱেশৰ সৃষ্টি হৈ আছে, সেয়েহে সকলোৱে সতৰ্ক হৈ দীপাৱলীৰ আনন্দ লোৱা উচিত।

এইবাৰ সকলোৱে ফটকাবিহীন দীপাৱলী পালন কৰিবলৈ সংকল্পবদ্ধ হওক। প্ৰদীপৰ আলোকেৰে চৌদিশ বিয়পাই তোলক। আলোকিত হওক ৰাজ্যৰ প্ৰতিটো অঞ্চল। তমসাদেৱীক এৰাতিৰ বাবে হ'লেও বিদায় দিয়ক। এই আলোকতে যেন সমাজৰ পৰা মষিমূৰ হয় দুষ্কৃতিকাৰী। অপসংস্কৃতি আঁতৰি যাওক। সকলোৱে মিলাপ্ৰীতিৰে একেখন আকাশৰ তলতে বসবাস কৰাৰ সংকল্প লওক। আতংকৰ মাজতো যে মানুহে মিলাপ্ৰীতিৰে বাস কৰাৰ লগতে আত্মবিশ্বাসী হৈ থাকিব পাৰে তাৰে উদাহৰণ দেখাওক। আনন্দ লাভৰ বাবে ফটকা ফুটোৱাটো জৰুৰী নহয়। তদুপৰি দীপাৱলীত প্ৰদীপ প্ৰজ্বলিত কৰাৰহে পৰম্পৰা আছে। মানুহে আনন্দৰ বহিঃপ্ৰকাশ ঘটাবলৈ সময়ৰ পৰিৱৰ্তনৰ লগে

লগে ফটকা, আতচবাজী আদি প্ৰদৰ্শন কৰিবলৈ ধৰিলে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ মানসিকতাৰো সলনি হ'বলৈ ধৰাত ফটকা, আতচবাজী আদিৰ ধাৰণাও সলনি হ'ল। এইবোৰ অধিক আকৰ্ষণীয় কৰিবলৈ বিভিন্ন ঠাইত স্থাপিত হ'ল আতচবাজী প্ৰস্তুত কৰা কাৰখানা। কিছুমানত অতি নিম্নমানৰ ফটকা প্ৰস্তুত কৰাৰ বাবে বিভিন্ন ঠাইত দুৰ্ঘটনাও সংঘটিত হোৱাৰ উদাহৰণ আছে। মানুহে ফটকাৰ শব্দ শুনিলে ভয়-আনন্দ হয়তো দুয়োটাই লাভ কৰে। আতচবাজীৰ চমকত মন পুলকিত হয়। পিছে এইবোৰৰ ব্যৱহাৰ যিমানেই বৃদ্ধি পালে সিমানেই প্ৰদূষণৰ প্ৰকোপো বৃদ্ধি পাইছে। দীপাৱলীৰ দুই-তিনি দিনমান আগৰেপৰাই ফটকা আদি ফুটোৱা আৰম্ভ হয়। গোটেই প্ৰক্ৰিয়াটো এসপ্তাহমান জুৰি থাকে। সেইকেইদিন ফটকা-আতচবাজী আদিৰ পৰা নিৰ্গত ধোঁৱাৰ লগতে ৰাসায়নিক দ্ৰব্য, ইয়াৰ অৱশিষ্ট অংশ আদিয়ে বায়ু, স্থল আদি প্ৰদূষিত কৰে। যিবোৰ অৱশিষ্ট থাকি যায় সেইবোৰৰ পৰা ভৱিষ্যতে মাটি আদিৰ ক্ষতিসাধন বেছিকৈ হোৱাৰ আশংকা থাকে। আনকি কৃষিভূমি আদিত যদি কেনেবাকৈ এইবোৰ পৰি যায় বা জমা কৰি ৰাখে তেনেহ'লে সেই ভূমিডোখৰৰ উৰ্বৰা শক্তি নোহোৱা হ'ব। পৰোক্ষভাৱে সেই কৃষিভূমিৰ গৰাকীৰ ওপৰতো নিশ্চয় প্ৰভাৱ নপৰাকৈ নাথাকে।

ফটকা, আতচবাজীৰ নামত এটা উৎসৱৰ সময়ত কিমান কোটি কোটি টকা ব্যয় সেয়া কোনোবাই হিচাপ কৰি চাইনে বাৰু? নিশ্চয় নাপায়। মাত্ৰ কেইটামান শব্দ অথবা আতচবাজীৰ বাবে এদিনতে কোটি কোটি টকা ব্যয় কৰাৰ যুক্তি নাই। বৰং সেইখিনি ধনেৰে নিজাকৈ কিবা এটা কৰাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰিব লাগে। সেইধৰণেৰে যদি পুষ্টিকৰ খাদ্য, মিঠাই আদি ক্ৰয় কৰি এদিনৰ বাবে হ'লেও দুখীয়া মানুহৰ মাজত বিতৰণ কৰি দিয়া হয় তেনেহ'লে উপকাৰ সাধন হ'ব। পুষ্টিকৰ খাদ্য আৰু মিঠাই বিতৰণ কৰিও সকলোৰে উৎসৱৰ আনন্দ লাভ কৰিব পাৰে। ফটকাৰ শব্দ, আতচবাজীৰ বাহাৰতকৈ এনেবোৰ কাৰ্যৰ দ্বাৰাহে ভগৱানৰো আশীৰ্বাদ লাভ কৰিব পাৰি। আমি এনেহেন সংকটৰ সময়ত যদি বাহ্যিকতা বাদ দি আন্তৰিকতাৰে উৎসৱ-পাৰ্বণ আদি পালন কৰে। তেনেহ'লে অৰ্থৰ অপচয় ৰোধ হ'ব। এতিয়া প্ৰতিগৰাকী ব্যক্তিয়ে ভৱিষ্যতৰ কথা ভাবিবৰ সময় হৈছে। কাৰণ শক্তিশালী বৰ্তমানৰ ওপৰতহে সুন্দৰ ভৱিষ্যতৰ বীজ নিৰ্ভৰ কৰে। বীজ যিমানেহে ভাল হয় সিমানেই ফলো উন্নতমানৰ হয়।

# গেৰেজৰ গাড়ী পথৰ ওপৰত কিয় থয় ?

ৰাজ্যখনৰ বিভিন্ন ঠাইলৈ গ'লে ৰাস্তাৰ কাষত থকা গেৰেজবোৰত গাড়ী মেৰামতি কৰি থকা দৃশ্য সকলোৱে প্ৰত্যক্ষ কৰে। এয়া তেনেই স্বাভাৱিক ঘটনা আৰু সাধাৰণ দৃশ্য। পিছে গেৰেজসমূহৰ ভঙা-ছিঙা গাড়ী, বাহন আদি নিজৰ চৌহদত নাৰাখি পথৰ কাষত ৰখাই বা পদপথত ভাল কৰি থকা বিষয়টোৱেহে সকলোৰে চকু কপালত তোলে। কাৰণ প্ৰায়ভাগ গেৰেজেই পথৰ সংলগ্ন হোৱা বাবে কৌশলপূৰ্ণভাৱে পথৰ ওপৰতে দখল কৰি নিজৰ কাৰ্য সিদ্ধি কৰে। পথচাৰীৰ বা ৰাইজৰ কিবা সমস্যাৰ সৃষ্টি হৈছে নেকি সেই লৈ তেওঁলোকৰ চিন্তা নাই। কেৱল নিজৰ বাবেহে যেন পথৰ কাষবোৰ যেন নিজৰহে সম্পত্তি। সৰু সৰু চহৰৰ লগতে গুৱাহাটী মহানগৰীৰ পদপথ, পথ সংলগ্ন ঠাইত এনেধৰণৰ দৃশ্য তেনেই সুলভ। কিছুমান ঠাইত পদপথতে গেৰেজ। পদপথত গেৰেজৰ মেকানিকে গাড়ী আদি মেৰামতি কৰি থকা দেখিলে মনত এনে এটি ভাবৰ সৃষ্টি হয় যে সেয়া গেৰেজৰ গৰাকীৰহে নিজা পৈতৃক সম্পত্তি। কোনোবাই কিবা ক'লেও তাৰেলৈকো ভ্ৰূক্ষেপ নাই। পথৰ কাষত মেৰামতিৰ বাবে থৈ দিয়া গাড়ী-বাহন আদিৰ বাবে দুৰ্ঘটনাও সংঘটিত নোহোৱাকৈ থকা নাই।

গেৰেজ নাথাকিলেও কিছুমান লোকে পদপথত বা পথ সংলগ্ন ভূমিত গাড়ীবোৰ মেৰামতিৰ বাবে যধে-মধে ৰখাৰ উপৰি ঠাইখিনি লেতেৰা কৰে। কিছুমান পদপথত পেট্ৰ'ল-ডিজেলৰ দাগ বহি ঠাইখিনি পিছল হৈছে। সেইফালেদি পাৰ হোৱাৰ লগে লগে কাপোৰত তেলৰ দাগ লাগি যায়। পদপথেৰে যোৱা মানুহে এইবোৰত পৰি হাত-ভৰি ভাঙি যোৱাৰ ফলত আনকি দীৰ্ঘদিন কোনো চিকিৎসালয়ত চিকিৎসাধীন হ'বলগীয়া পৰিস্থিতিৰো সৃষ্টি হৈছে। বিদেশত হ'লে

এনে কৰা লোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিলেহেঁতেন। তদুপৰি এনে লোকৰ আনকি চহৰাঞ্চলত গাড়ী মেৰামতি কৰাৰ অনুজ্ঞাপত্ৰকে বাতিল কৰিলেহেঁতেন। পিছে আমাৰ দেশত এয়া সম্ভৱ নহয়। কাৰণ এনেধৰণৰ লোকক কিছু কিছু ক্ষেত্ৰত আইন, প্ৰশাসন আদিয়েও ঢুকি নাপায়।

পদপথ আদিত গেৰেজ, গাড়ী মেৰামতি আদি কৰাটোৱে মহানগৰীৰ সৌন্দৰ্যবধনত কিছু পৰিমাণে হ'লেও প্ৰভাৱ পেলায়। পদপথেই হওক বা পথ সংলগ্ন ভূমিতেই নহওক কিয় ভালদৰে ৰখাটো সকলোৰে কৰ্তব্য। তদুপৰি গেৰেজ আদিৰেও বহুতে জীৱন নিৰ্বাহ কৰি আছে। আনহাতে, গাড়ী আদি মেৰামতি কৰাৰ ক্ষেত্ৰতো গেৰেজ আদিৰ গুৰুত্ব অপৰিসীম সেইবাবে সকলোকে এইবোৰ স্থাপন আৰু পৰিচালনা কৰোতে গুৰুত্ব প্ৰদান কৰা উচিত। পদপথ আৰু পথ সংলগ্ন ঠাইত যাতে নিৰ্দিষ্ট দূৰত্ব অতিক্ৰমি গেৰেজ আদি নিৰ্মাণ কৰিব নোৱাৰে তাৰ বাবে সংশ্লিষ্ট কৰ্তব্যত থকা বিষয়া, বিভাগ আদিয়ে কঠোৰ স্থিতি গ্ৰহণ কৰিবই লাগিব।

মহানগৰী বা নগৰ-চহৰত প্ৰচুৰ পৰিমাণে ভূমি কাৰোৰে নাথাকে। বিশেষকৈ পথ সংলগ্ন ভূমি আদি পাবলৈ টান। আনহাতে গেৰেজ আদি যেতিয়া একেবাৰে পথতেই সংলগ্ন কৰি নিৰ্মাণ কৰা হয়, তেতিয়া সমীপত থকা ব্যৱসায়িক প্ৰতিষ্ঠান আদিৰো সৌন্দৰ্য ম্লান হয়। প্ৰভাৱ দুয়োটাতে পৰে। যেতিয়া বাহিৰৰ পৰা অসমলৈ পৰ্যটকৰ আগমন ঘটে তেতিয়া ৰাস্তাৰ কাষত এইবোৰ প্ৰত্যক্ষ কৰিলে মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি নোহোৱাকৈ থাকিব  জানো ? নিশ্চয় নাথাকে। পৰ্যটকসকলৰ অসমৰ বিষয়ে থকা ধাৰণাও সলনি হ'ব। ব্যৱসায় আদিতো যে অসমীয়া লোকসকল শৃংখলিত নহয়, তাৰেই প্ৰমাণ দাঙি ধৰে।

সংশ্লিষ্ট প্ৰশাসনে পথৰ সমীপত থকা পদপথত যাতে নিজ ইচ্ছামতে গেৰেজ আদি নিৰ্মাণ কৰিব নোৱাৰে তাৰ বাবে কঠোৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ মহানগৰীৰ পদপথ বেদখল কৰি থকা লোকসকলৰ বিৰুদ্ধে প্ৰশাসনে ব্যৱস্থা কৰা উচিত। পথৰ কাষতে ভঙা-ছিঙা গাড়ীসমূহ যাতে থৈ সৌন্দৰ্য লাঘৰ কৰিব নোৱাৰে তাৰ বাবে প্ৰতিগৰাকী ব্যৱসায়ীলৈ কঠোৰ নিৰ্দেশনা জাৰি কৰিলেও নিশ্চয় সুফল লাভ কৰিব পাৰিব। নহ'লে পদপথ বা পথ সংলগ্ন ভূমিত অবৈধ-বৈধ গেৰেজ আদি নিৰ্মাণ কৰি মহানগৰীৰ সৌন্দৰ্য ম্লান কৰিব। তদুপৰি পৰিৱেশ প্ৰদূষণো নিশ্চয় বৃদ্ধি কৰিব।

# অসমত সুৰাপায়ী মহিলাৰ সংখ্যা বৃদ্ধিয়ে কঢ়িয়াইছে বিপদৰ আগজাননী

অসমত সুৰাৰ অবাধ প্ৰচলনে বহুতো লোকৰ জীৱন ধ্বংস কৰাৰ লগতে প্ৰায়সংখ্যক মদ্যপায়ীৰ পাৰিবাৰিক জীৱনত আৰম্ভ হৈছে সংঘাত। সুৰাৰ ৰাগীত ডুব গৈ নৱ প্ৰজন্ম আজি পংগুসদৃশ। জীৱনৰ সোণোৱালী সময়ছোৱা নিচাৰ মাজত ডুব গৈ থকাৰ বাবে এটি অন্ধকাৰ ভৱিষ্যৎ সন্মুখত লৈ খোজ কাঢ়িবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। শেহতীয়াভাৱে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে প্ৰকাশ কৰা তথ্যই অসমবাসীৰ চকু কপালত তুলিছে। দেশৰ ভিতৰতে সুৰা সেৱনকাৰীৰ তালিকাত শীৰ্ষস্থান দখল কৰিছে। এই তথ্যই আগন্তুক সময়ত অসমবাসীৰ বাবে এক বিপদৰ সংকেত কঢ়িয়ায়। পুৰুষ-মহিলাৰ ক্ষেত্ৰত অসমে শীৰ্ষস্থান দখল কৰিলেও ইয়াকে লৈ অসমবাসীয়ে গৌৰৱ কৰিব পৰা নাই। কাৰণ এই শীৰ্ষস্থানে দেশবাসীৰ ওচৰত লজ্জানত কৰিছে অসমবাসীক। আটাইতকৈ চিন্তনীয় বিষয় হৈছে মহিলা সুৰাপায়ীৰ সংখ্যা বৃদ্ধি পোৱাটো। দেশৰ ভিতৰতে পুৰুষ-মহিলাৰ ক্ষেত্ৰত সুৰাপানৰ তালিকাত শীৰ্ষস্থান দখল কৰাটোৱে প্ৰমাণ কৰিছে শেহতীয়াভাৱে ৰাজ্যখনৰ একাংশ লোকে কোন দিশে গতি কৰিছে। মদ্যপান কোনো নতুন বিষয় নহয় যদিও মহিলাৰ সংখ্যা বৃদ্ধি পোৱাটোৱে সকলোৰে চকু কপালত তুলিছে। আধুনিক জীৱন-যাপনৰ নামত আজিৰ মহিলাই ঘৰৰ চাৰি বেৰাৰ মাজৰ পৰা বাৰ বা পানশালাৰ চাৰি বেৰাৰ মাজত আবদ্ধ। নিশা দুপৰলৈ

ঘৰৰ কথা নাভাবি পাৰ্টি-পানশালাত ব্যস্ত হোৱা মহিলাৰ সংখ্যা বৃদ্ধি পোৱাত পাৰিবাৰিক অশান্তি বাঢ়িছে। ইয়াৰ পৰোক্ষ প্ৰভাৱ পৰিছে পৰিয়ালৰ আন সদস্যৰ লগতে সন্তানৰ ওপৰত।

অসমত সৰ্বভাৰতীয় হিচাপত ৫৯.৪ শতাংশ লোকে মদ্যপান কৰে। ইয়াৰ পাছত স্থান লাভ কৰিছে মিজোৰাম (৫৬.৮ শতাংশ) আৰু মেঘালয় (৫৪.৬ শতাংশ)। ইয়াৰ বিপৰীতে ঝাৰখণ্ডত ১১ শতাংশ পুৰুষে মদ্যপান কৰে। সবাতোকৈ চিন্তনীয় বিষয়টো হ'ল— পুৰুষৰ ক্ষেত্ৰত শীৰ্ষস্থান দখল কৰা প্ৰথম তিনিখন ৰাজ্যই হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ। কে'বাদশক আগলৈকে উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকল এইক্ষেত্ৰত পিছপৰি আছিল। বিহাৰ আদি ৰাজ্যত মাদক দ্ৰব্যৰ বাবে সৰ্বাধিক অপৰাধজনিত ঘটনা সংঘটিত হৈছিল। পিছে নীতিশ কুমাৰে শসনভাৰ গ্ৰহণৰ পাছতে কে'বা কিলোমিটাৰজোৰা মানৱ শৃংখলেৰে মাদকদ্ৰব্যৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছিল। কেৱল সেয়াই নহয়— মাদকদ্ৰব্যৰ বিৰুদ্ধে মানৱ শৃংখল কাৰ্যসূচীৰে দেশবাসীৰ দৃষ্টিও আকৰ্ষণ কৰিছিল। এতিয়া বিহাৰত ৩৬ শতাংশ পুৰুষেহে মদ্যপান কৰে। ইয়াৰ বিপৰীতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যত অভাৱনীয়ভাৱে সুৰাপায়ীৰ সংখ্যা বৃদ্ধি পাইছে। ১৫ৰ পৰা ৫৪ বছৰৰ ভিতৰৰ লোকৰ সংখ্যাই শীৰ্ষস্থান দখল কৰাটো চিন্তনীয় বিষয় হৈ পৰিছে। কাৰণ এই বয়সৰ লোকসকল হ'ল উৎপাদনক্ষম। জীৱনৰ এই সময়ছোৱাত প্ৰতিগৰাকী ব্যক্তি সৰ্বাধিক কাৰ্যক্ষম হৈ থাকে। যদি এই বয়সৰ লোকসকলে দিনটোৰ বেছিভাগ সময় সুৰাৰ ৰাগীত মতলীয়া হৈ থাকে, তেনেহ'লে কাৰ্যক্ষমতা নিশ্চয় হ্ৰাস পাব। এইখিনিতে উল্লেখ কৰিব লাগিব যে কোনো এখন দেশ বা ৰাজ্যৰ সৰ্বাংগীণ উন্নতি নিৰ্ভৰ কৰে যুৱশক্তিৰ ওপৰত। পিছে এই যুৱশক্তিয়েই যদি নিচাগ্ৰস্ত হৈ থাকে তেনেহ'লে ৰাজ্যখনৰ সকলো দিশতে উন্নয়নত ব্যাঘাত নজন্মিবনে? সুৰাই যুৱশক্তিক পংগু কৰাৰ বাহিৰে আন একো উপকাৰ সাধন কৰা নাই। যুৱ প্ৰজন্মক যদি এনে অভ্যাসৰ পৰা আঁতৰ কৰিব পৰা নাযায়, তেনেহ'লে অসমৰ ভৱিষ্যৎ অন্ধকাৰ হ'ব। প্ৰতিগৰাকী পিতৃ-মাতৃৰ উপৰি অভিভাৱকে সন্তানক সৰুৰে পৰাই সংস্কাৰৰ শিক্ষা দিলে নিশ্চয় এনে ধৰণৰ অভ্যাস গঢ়ি তোলাৰ পৰা যুৱপ্ৰজন্মক আঁতৰত ৰখাটো সম্ভৱ হ'ব। আজিকালি পিতৃ-মাতৃৰ লগতে

অভিভাৱকে সন্তানক অবাধে ঘূৰা-ফুৰা, নিশা দুপৰলৈকে স্ফূৰ্তি কৰা, পাৰ্টি আদিত মিলা-মিছা কৰিবলৈ অনুমতি দিয়ে। ‘আজিৰ প্ৰজন্ম’ক দোহাই দি তেওঁলোকক মুকলি মনেৰে এনে কৰিবলৈ দিয়াৰ ফলত নৈতিকতাৰ স্খলন হৈছে। বৃদ্ধি পাইছে অপৰাধপ্ৰৱণতা। ঘৰৰ চাৰি বেৰাৰ মাজতে আবদ্ধ নাথাকি সামাজিক ক্ষেত্ৰতো প্ৰভাৱ পৰিছে। সুৰা ক্ৰয় কৰিবলৈ টকা নাপাই পিতৃ-মাতৃৰ স’তে কাজিয়াত লিপ্ত হোৱা, ৰাস্তা-ঘাটে উৎপাত কৰা, চুৰিকাৰ্যত লিপ্ত হোৱাৰ দৰে ঘটনা সঘনাই সংঘটিত হ’বলৈ ধৰিছে। এয়া ভৱিষ্যৎ প্ৰজন্মৰ বাবে অশুভ লক্ষণ। সুৰাৰ ৰাগীত কোনে কি কৰে তাৰ ঠিকনা নাই। এইবোৰ বিষয় সকলোৱে ভাবিবৰ সময় আহি পৰিছে। জোঁৰ পুৰি হাত পোৱাৰ পাছতো যদি আমি সচেতন নহওঁ তেনেহ’লে ভৱিষ্যৎ প্ৰজন্মই আমাক প্ৰশ্ন কৰিলে উত্তৰ দিব পাৰিম জানো?

অসমত কেৱল পুৰুষেই নহয়— মহিলা সুৰাপায়ীৰ সংখ্যাও বৃদ্ধি পাইছে। অসমত ২৬.৩ শতাংশ মহিলাই সুৰাপান কৰে। ইয়াৰে ১৫-৪৯ বছৰৰ মহিলাৰ সংখ্যা হ’ল ৪৪.৮ শতাংশ। এয়াও চিন্তনীয় বিষয়। কে’বাদশক আগলৈকে অসমীয়া সমাজত মহিলাসকলে মুকলিভাৱে মাদকদ্ৰব্য সেৱন কৰাৰ ছবিখন কোনেও কল্পনা কৰিব পৰা নাছিল। মাদকদ্ৰব্যতো বাদেই— চাহেই একেলগে খোৱা নাছিল। এতিয়া পিছে ছবিখন ওলোটা হৈছে। চহৰাঞ্চলত একাংশ মহিলাই সুৰা বিপণীৰ পৰা লজ্জাবোধ নকৰাকৈয়ে দিন দুপৰতে মদৰ বটল হাতত লৈ আহে। একাংশ মহিলাৰ সুৰাৰ অভ্যাসে সোণৰ সংসাৰত জুই জ্বলোৱাৰ ঘটনাও সংঘটিত হৈছে। পাৰ্টি আদিৰ কথা বাদেই— বহুতো মহিলাই নিজৰ ঘৰতে স্বামী তথা সন্তানৰ লগত একেলগে বহি সুৰা সেৱন কৰে। নিজৰ লগতে পৰিয়ালটোক সমাজত অত্যাধুনিক সজাবলৈ গৈ গঢ়ি তোলা এনে অভ্যাসে পিছে ভৱিষ্যৎ অন্ধকাৰৰ দিশেহে ঠেলি দিছে। সময় থাকোতে ভৱিষ্যৎ সুৰক্ষিত কৰাৰ কথা চিন্তা কৰক।

# ৰাজহুৱা সম্পত্তি ধ্বংস আৰু লেতেৰা কৰাৰ মানসিকতা পৰিহাৰ কৰক

সামাজিক প্ৰাণী হিচাপে প্ৰতিগৰাকী ব্যক্তিয়ে সমাজখন সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰিবই লাগিব। এয়া সকলোৰে কৰ্তব্য। যিহেতু ব্যক্তিৰ সমষ্টিয়েই সমাজ, সেইবাবে প্ৰতিগৰাকী ব্যক্তিয়ে সমাজৰ প্ৰতিটো ক্ষেত্ৰতে চকু দিলেহে সমাজখন সুন্দৰভাৱে পৰিচালিত হ'ব। পিছে সমাজৰ একাংশ অবিবেচক লোকৰ বাবে সু-সভ্য সমাজখনে লজ্জাবোধ কৰিবলগীয়া হয়। একাংশ লোকৰ অভদ্ৰ মনোবৃত্তিৰ বাবে আন লোকসকলে লাজ পাবলগীয়া হয়। এনেধৰণৰ কৰ্মকাণ্ডৰে প্ৰতিফলন ঘটিল গণেশগুৰিৰ উৰণীয়া সেতুৰ নৱনিৰ্মিত অংশত। কিছুদিন পূৰ্বে মুকলি হোৱা গণেশগুৰিৰ নৱনিৰ্মিত উৰণীয়া সেতুৰ ওপৰত কোনো ভদ্ৰলোকে (?) তামোল খাই পিক পেলাই থৈ যায়। যিজন ব্যক্তিয়ে উৰণীয়া সেতুত স-গৌৰৱে পিক পেলাই থৈ গ'ল তেওঁ হয়তো এবাৰো ভাবি চোৱা নাই— ক'ত এনে দুষ্কাৰ্য কৰিছে। অসমীয়া জাতিৰ গৌৰৱ অংকন কৰা অংশতেই কোনো ভদ্ৰলোকে (?) পিক পেলাই যোৱাৰ পাছত এই বিষয়টো সামাজিক মাধ্যমত ভাইৰেল হৈ পৰে। যি সভ্যতা-সংস্কৃতিক লৈ আমি সকলোৱে গৌৰৱবোধ কৰো তাৰ অংকিত

ৰূপতো পিছে একাংশ কাণ্ডজ্ঞানহীন লোকে থু, পিক পেলোৱাৰ পাছত সেই গৌৰৱক যে অপমান কৰা হয় সেয়া হয়তো সপোনতো ভাবি নাচায়। এয়া জানো সভ্য সমাজৰ ভদ্ৰলোকৰ কাম। নিশ্চয় নহয়। কোনো বিবেকৱান লোকে এনে কাম কৰিব নোৱাৰে।

ৰাজহুৱা সম্পত্তিত সকলোৰে অধিকাৰ আছে। সমাজৰ প্ৰতিটো স্তৰৰ লোকে সমভাৱে এক অধিকাৰ উপভোগ কৰিব পাৰে। সেইবাবে এজন ব্যক্তিৰ কাণ্ডজ্ঞানহীন কাৰ্যই যাতে সমাজৰ আন লোকসকলক অধিকাৰ ভোগ কৰাৰ পৰা বিৰত কৰিব নোৱাৰে তাৰ বাবে সকলোৰে সূক্ষ্ম কথা বা বিষয়সমূহত গুৰুত্ব প্ৰদান কৰা উচিত। ৰাজহুৱা স্থানত পিক, থুই, খেকাৰ, জাবৰ-জোঁথৰৰ লগতে আন অপ্ৰয়োজনীয় বস্তু-বাহানি পেলোৱাটো ভদ্ৰ ব্যক্তিৰ পৰিচায়ক নহয়। পথটো পৰিষ্কাৰ হৈ থাকিলে সমাজৰ আন দহজন লোকৰ লগতে নিজেও খোজ কঢ়াত সমস্যাৰ সৃষ্টি নহ'ব।

আমি সদায় পৰ্যটনৰ বিষয়ে চিঞৰি আছো। অসমত পৰ্যটকৰ বাবে সমলৰ অভাৱ নাই। পিছে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত— 'সকলো আছিল, সকলো আছে, নুগুণো নলওঁ গম।...' থকাখিনিৰো সদ্ব্যৱহাৰ কৰিব পৰা নাই। অসমৰ সম্পদৰাজিৰ আজিও উপযুক্ত ব্যৱহাৰ কৰিব পৰা নাই বুলি চিঞৰি আছো যদিও ইয়াৰ কাৰণসমূহ কেতিয়াবা বিশ্লেষণ কৰিছো জানো? নিশ্চয় কৰা নাই। নিজৰ নিজৰ অঞ্চলসমূহত থকা সম্পদৰাজি বিচাৰি উলিয়াই ইয়াৰ উপযুক্ত প্ৰচাৰ কৰিব পাৰিছো জানো? নিজকে কোনোৱে প্ৰশ্ন কৰা নাই বাবে সমাধান সূত্ৰও আধৰুৱা হৈ আছে। প্ৰত্যেকেই কেৱল নিজৰ ঘৰখনহে ভালদৰে ৰাখিব চেষ্টা কৰে বাবে সদায় পৰিষ্কাৰ হৈ থাকে। পিছে এনে লোকেই আকৌ ঘৰৰ ওচৰৰ ৰাজহুৱা ঠাই বা ৰাজহুৱা অনুষ্ঠানত জাবৰ-জোঁথৰ পেলায়। ৰাস্তাত তামোলৰ পিক পেলায়। কিছুমানে এনেদৰে তামোলৰ পিক পেলায়, যেন তেওঁলোক একো একোজন শিল্পীহে। তুলিকাৰে ছবি আঁকিব নোৱাৰি পিক পেলায়েই মনোৰথ পূৰণ কৰিছে। বিগত বৰ্ষত অসমলৈ জাপানৰ প্ৰধানমন্ত্ৰীৰ আগমনক লৈ গুৱাহাটী মহানগৰীখন এনেদৰে সজাই-পৰাই তোলা হৈছিল যে মহানগৰীখনে যেন হঠাতে প্ৰাণ পাই উঠিছিল। পিছে ৰাস্তা-ঘাটত ক'লা-বগা ৰং সনাৰ দুই-তিনিদিনমানৰ পিছতেই পথ-

বিভাজক আৰু পদপথত একাংশ লোকে এনেদৰে তামোলৰ পিক পেলাইছিল যে অৱশেষত সেয়া ঢাকিবৰ বাবে প্লাষ্টিক আদি ব্যৱহাৰ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছিল। অৱশ্যে নাগৰিকত্ব (সংশোধিত) আইন সন্দৰ্ভত চলা প্ৰবল আন্দোলনৰ বাবে জাপানৰ প্ৰধানমন্ত্ৰীৰ ভ্ৰমণসূচী বাতিল কৰা হৈছিল। বিদেশী পৰ্যটকে আহি যদি এনেবোৰ দৃশ্য প্ৰত্যক্ষ কৰে তেনেহ'লে অসমীয়া লোকৰ প্ৰকৃতি সম্পৰ্কে মনত কেনেধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব সেয়া আমি কেতিয়াবা ভাবি চাইছো জানো? অসমৰ ঐতিহ্য বহন কৰা মঠ-মন্দিৰ, ৰজাদিনীয়া কীৰ্তিচিহ্ন আদি সংৰক্ষণৰ বাবে চৰকাৰে পদক্ষেপ লৈছে। পিছে সকলোবোৰ চৰকাৰে অনবৰতে চাই থকাও সম্ভৱ নহয়। যদিহে দেশ বা ৰাজ্যৰ সম্পদসমূহ ভালদৰে ৰখা বা সংৰক্ষণত ৰাইজে সহায়-সহযোগিতা আগ বঢ়াই, তেনেহ'লে সংৰক্ষণ আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাটো অতিকে গুৰুত্বপূৰ্ণ বিষয়। চৰকাৰ বা সংশ্লিষ্ট কৰ্তৃপক্ষই আইন প্ৰয়োগ কৰিলেই যে এইবোৰ নোহোৱা হ'ব তেনে নহয়। ইয়াৰ বাবে লাগিব গণ সচেতনতা। যি ঠাইত 'ন' পাৰ্কিং' লিখা থাকিলে তাত পাৰ্কিং কৰা লোকো আমাৰ সমাজত কম নহয়। ডাষ্টবিনত পেলোৱাৰ পৰিৱৰ্তে ডাষ্টবিনটোৰ কাষতে জাবৰ-জোঁথৰ পেলোৱা লোকৰ সংখ্যাও কম নহয়। এনেবোৰ অভ্যাসৰ যেতিয়ালৈকে পৰিৱৰ্তন নহয়, তেতিয়ালৈকে ৰাজহুৱা স্থানবোৰ কিছুমান লোকৰ বাবে 'পিকদানি' হৈয়ে থাকিব।

# অসম-মিজোৰামৰ সীমা সমস্যা

বিগত কে'বাদশক ধৰি অসম-নাগালেণ্ড আৰু অসম-অৰুণাচল সীমাক লৈ ৰাজ্য কেইখনৰ মাজত বিবাদ চলি থকাৰ মাজতে শেহতীয়াভাৱে অসম-মিজোৰামৰ মাজতো সীমা বিবাদৰ সৃষ্টি হৈছে। অসমৰ ভূমিত এতিয়া মিজোৰাম চৰকাৰৰ শেনচকু পৰিছে। বিগত সময়ছোৱাত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভিতৰত মিজোৰামক অতি শান্তিপ্ৰিয় ৰাজ্য হিচাপে আখ্যা দিয়া হৈছিল যদিও এতিয়া মিজোৰামৰো প্ৰকৃতি সলনি হ'ল। হঠাতে সীমা বিবাদক লৈ সৰৱ হৈ মিজোৰাম। অসমৰ চাৰিসীমাত থকা ৰাজ্যকেইখনে বিগত সময়ছোৱাত সীমান্তৱৰ্তী অঞ্চলসমূহত বিভিন্ন ধৰণে অশান্তিৰ বীজ সিঁচিছে। কেতিয়াবা যদি নগাই অসমৰ বনাঞ্চল ধ্বংস কৰি নিশাটোৰ ভিতৰতে গাঁও সাজিছে, আন কেতিয়াবা আকৌ অসমৰ লোকক ভয়-ভাবুকিৰে অসমৰ সীমাৰ ভূমিৰ পৰা খেদি পঠিয়াই বেদখল কৰিছে। কেতিয়াবা আকৌ অসমৰ ভূমিতেই অৰুণাচলী আৰু নগাই ৰক্তাক্ত পৰিস্থিতিৰ সৃষ্টি কৰিছে। বনগাঁৱৰ লোকৰ ওপৰত আক্ৰমণ চলাই খেদি পঠিয়াইছে। এনেধৰণৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে নিৰপেক্ষ নিৰাপত্তাৰক্ষী নিয়োগ কৰাৰ পাছতো নিৰ্বিঘ্নে নগা-অৰুণাচলীয়ে অসমীয়াৰ ওপৰত অত্যাচাৰ চলোৱাৰ বাতৰিয়ে সংবাদ মাধ্যমত স্থান পাইছে। শেহতীয়াভাৱে মিজোৰামে অসমৰ ভূমি বেদখল কৰিবলৈ চলোৱা চেষ্টাক লৈ বিগত কেবাদিনো ধৰি অসম-মিজোৰাম সীমান্তত উত্তেজনা অব্যাহত থকাত বিষয়টোৱে জনসাধাৰণক উদ্বিগ্ন কৰি তুলিছে।

সাধাৰণতে সীমামূৰীয়া যিকোনো অঞ্চল বা বিষয় সদায় বিতৰ্কিত হয়। কাৰণ কিছুমান ঠাই কোনখন ৰাজ্য বা দেশত অন্তৰ্ভুক্ত সেয়া নিশ্চয়কৈ কোৱা কঠিন। যেতিয়া দুটা পৰিয়ালৰ মাজত সদ্ভাৱৰ অভাৱ হয় তেতিয়া সময়সাপেক্ষে পৰিস্থিতিয়ে এনে ৰূপ ধাৰণ কৰে যে দুটা ফৈদৰ মৃত্যু হোৱাৰ

ঘটনাও সংঘটিত হৈছে। দশক দশক ধৰি চুবুৰীয়াৰ মাজত ভূমি বিবাদ চলি থাকে। আদালতৰ মজিয়াত মীমাংসা হোৱালৈ বহু বছৰৰ প্ৰয়োজন হয়। কেতিয়াবা অভিযোগকাৰীৰ মৃত্যু হোৱাৰ বহু বছৰ পাছতহে ফলাফল ওলায়। এনে পৰিস্থিতিত যদি আমি আন্তঃৰাজ্যিক সীমান্তৰ সমস্যা বিশ্লেষণ কৰো, তেনেহ'লে এটা কথা স্পষ্ট হৈ পৰে যে সীমান্তৰ সমস্যা থকাটো অস্বাভাৱিক নহয়। কাৰণ প্ৰায়ক্ষেত্ৰতেই সীমান্তৰ ভূমিসমূহ বিবদমান হৈ থাকে। ভাৰত-পাকিস্তান, ভাৰত-চীন, ভাৰত-ভূটান, ভাৰত-বাংলাদেশৰ সীমান্তত থকা বহু হেক্টৰ ভূমিৰ প্ৰকৃত গৰাকী দেশ কোনখন সেয়া নিশ্চিত হোৱা নাই। যুগ যুগ ধৰি এনে সমস্যা সমাধানৰ চেষ্টা চলালেও সমাধান হোৱা নাই। আন্তৰ্জাতিক মঞ্চত অৰ্থাৎ ৰাষ্ট্ৰসংঘৰ মজিয়াতো উত্থাপিত হৈছে। এখন দেশে আনখন দেশে ভূমি বেদখল কৰি থকাৰহে অভিযোগ উত্থাপন কৰি আহিছে। শেহতীয়াভাৱে চীন আৰু নেপালে ভাৰতৰ সীমান্তৰ ভূমি নিজৰ মানচিত্ৰত অন্তৰ্ভুক্ত কৰাক লৈ তুমুল প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ভাৰতে দুয়োখন দেশৰ এনে কাৰ্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰাই নহয়— সীমান্তত নিৰাপত্তা ব্যৱস্থাও শক্তিশালী কৰিছে। প্ৰয়োজনত যুদ্ধৰ বাবেও সাজু ভাৰত। পিছে এনেধৰণৰ সমৰসজ্জা আন্তঃৰাজ্যিক ক্ষেত্ৰত সম্ভৱ নহয়। কাৰণ দেশৰ ভিতৰতে যুদ্ধ কৰা মানে দেশৰ নাগৰিক, সম্পদ ধ্বংস আৰু অৰ্থৰ অপচয় কৰাৰ বাহিৰে আন একে নহয়। সেইবাবে দুখন ৰাজ্যৰ মাজত সীমা বিবাদ মীমাংসাৰ বাবে শান্তিপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। অসম-মিজোৰামৰ মাজত সীমান্তৰ সমস্যা সমাধানৰ পদক্ষেপ হিচাপে দুয়োখন ৰাজ্যৰ মাজত আলোচনা আৰম্ভ হৈছে। এইক্ষেত্ৰত কেন্দ্ৰয়ো পদক্ষেপ গ্ৰহণ কৰিছে। দুয়োখন ৰাজ্যৰ সীমা বিবাদক লৈ যাতে তৃতীয়পক্ষই সুযোগ গ্ৰহণ কৰি দেশৰ ক্ষতিসাধন কৰিব নোৱাৰে, তাৰ বাবে কঠোৰ পদক্ষেপ ইতিমধ্যে কেন্দ্ৰই গ্ৰহণ কৰিছে। এনে বিবদমান অঞ্চলত দুয়োখন ৰাজ্যৰ দুই কিলোমিটাৰ দূৰত্বৰ ভূমিত যদি বসবাসবিহীন অঞ্চল হিচাপে ঘোষণা কৰে, তেনেহ'লে ভৱিষ্যতে তৎক্ষণাৎ সমস্যাৰ সমাধান নহ'ব। ওচৰা-উচৰিকৈ মানুহ নাথাকিলে সংঘাতৰ শংকা নাথাকে।

# অকৃতজ্ঞতা জীৱনৰ মাপকাঠি নহয়

কৃতজ্ঞতা হ'ল মানুহৰ ভূষণ। এই পৃথিৱীত সদায় কৃতজ্ঞ লোকসকলেহে সমাদৰ লাভ কৰে। অকৃতজ্ঞসকলক সমাজৰ প্ৰতিটো স্তৰতে লেই-লেই ছেই-ছেই কৰে। কোনো সু-ৰুচিসম্পন্ন লোকৰ স'তে সু-সম্পৰ্ক ৰক্ষা কৰিব নোৱাৰে। অকৃতজ্ঞ লোকৰ বাবে প্ৰতিটো পৰিয়ালতে দুৱাৰ বন্ধ। ইয়াৰ বিপৰীতে কৃতজ্ঞতা প্ৰকাশ কৰা লোকসকলক সকলোৱে আদৰ-সাদৰ কৰে। কৃতজ্ঞতাৰ ৰূপ স্থায়ী। এনে লোকে সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ মনত সাঁচ বহুৱাব পাৰে। এই লোকসকলক বিপদে-আপদে সকলোৱে সহায়ৰ হাত আগ বঢ়ায়। নিশা দুপৰতো সহায়ৰ হাত আগ বঢ়োৱা লোকৰ অভাৱ নাই। কৃতজ্ঞতাই প্ৰতিগৰাকী ব্যক্তিকে জাকত জিলিকা কৰে।

আমি দৈনন্দিন কাৰ্য সম্পাদন কৰোতে সদায় নতুন নতুন অভিজ্ঞতাৰ সন্মুখীন হওঁ। হোৱাটো স্বাভাৱিক প্ৰক্ৰিয়া। দিনটোৰ ভিতৰত যিমান কাম কৰো সকলোবোৰ মনত নাথাকে। এদিন বা দুদিন থাকিলেও পাছত এইবোৰ পাহৰণিৰ গৰ্ভত বিলীন হয়। পিছে দিনটোৰ ভিতৰত এটা বা দুটা এনেধৰণৰ কাম কৰা হয়— যিয়ে মনত গভীৰ ৰেখাপাত কৰে। সেয়া চিৰদিন মনত থাকে। এইবোৰ আপোনা-আপুনিয়ে মানসপটত সজীৱ হৈ ৰয়। ঠিক একেদৰে

দৈনন্দিন জীৱনত লগ পোৱা সকলোবোৰ মানুহৰ কথা মনত নাথাকে। সাধাৰণতে মনত থাকে সেইসকল ব্যক্তিক— যিসকলে সহায়ৰ হাত আগ বঢ়ায়। তদুপৰি সকলোৱে মনত ৰাখে— সেইসকল সুবিধাবাদী ব্যক্তিক যিসকলক আখ্যা দিয়া হয় 'অকৃতজ্ঞ' বুলি। সাধাৰণতে সুবিধাবাদীৰ ক্ষেত্ৰতহে এনে ধৰণৰ শব্দৰ প্ৰয়োগ কৰা হয়। সমাজত সাধাৰণতে দুইধৰণৰ লোক পোৱা যায়— পৰোপকাৰী আৰু সুবিধাবাদী। এই পৃথিৱীত শান্ত-শিষ্ট হৈ থাকিলে বহুতেই ভাবে তেওঁ পৃথিৱীৰ আওভাও একো বুজি নাপায়। তুচ্ছ-তাচ্ছিল্য জ্ঞান কৰে। এনেদৰে ভাবিয়ে সুবিধা ল'বলৈ সুযোগ বিচাৰি থাকে যদিও এসময়ত তেওঁৰ স্বৰূপটো ওলাই পৰে। অসমীয়াত এষাৰি প্ৰবচন আছে— 'মিছা কথাৰ ঠেং চুটি'। এদিন-দুদিন কোনোবাই ফাঁকি মাৰি বা মিছা কথা কৈ থাকিব পাৰে। মিছা কথা কওঁতে কওঁতে সেয়া স্বভাৱত পৰিণত হয়। মিছাৰ বেছিকৈ আশ্ৰয় লোৱা লোকসকল অকৃতজ্ঞ। এনে লোকে সুযোগ পালেই পিছফালৰ পৰা ছুৰী মাৰে। তদুপৰি অকৃতজ্ঞসকলে কোনো এগৰাকী ব্যক্তিৰ সৰলতাক দুৰ্বলতা বুলি ভাবে। পিছে অকৃতজ্ঞসকলে নিজেই নাজানে যে তেওঁ নিজৰেই ক্ষতিসাধন কৰি আছে।

মানুহে কেতিয়াবা পৰিস্থিতিৰ দাস হৈ কোনো কাম কৰিব পাৰে। তাৰ অৰ্থ এইটো নহয় যে তেওঁ প্ৰতিটো মুহূৰ্ততে তেনে কাম কৰিব। যিসকলে সচেতন লোক তেওঁলোকে পৰিস্থিতিৰ দাস হৈ কাম কৰিলেও পৰৱৰ্তী সময়ত অনুশোচনাত দগ্ধ হয়। আনকি নিজে নিজৰ ভুল ৰাজহুৱাভাৱে স্বীকাৰ কৰে। কেৱল সেয়াই নহয় তেনে কামৰ বাবে ক্ষমা প্ৰাৰ্থনাও বিচাৰে। ভৱিষ্যতে তেনে কামৰ পুনৰাবৃত্তি নকৰাৰ সংকল্পও গ্ৰহণ কৰে। পিছে যিসকল অকৃতজ্ঞ— তেওঁলোকে কেতিয়াও কৃতকৰ্মৰ বাবে অনুতপ্ত নহয়।

সাধাৰণতে অকৃতজ্ঞ লোকসকলে লজ্জাবোধ নকৰে। বৰং কাৰোবাৰ পৰা লাভ কৰা উপকাৰৰ কথা আনৰ আগত অস্বীকাৰহে কৰে। বিশেষকৈ টকা-পইচা আদি ধাৰলৈ নিয়া লোকৰ স্বভাৱ এনে হয়। ধাৰ ল'লে সময়ত ওভোতাই দিয়াৰ পৰিৱৰ্তে বিভিন্ন অজুহাত দেখুৱাই পলায়নবাদী মানসিকতাহে প্ৰকাশ কৰে। তদুপৰি ধাৰ দিয়া ব্যক্তিগৰাকীৰ পৰা যিমান সম্ভৱ সিমান আঁতৰি থাকিবলৈ অজুহাত বিচাৰি থাকে। ধাৰে নিয়া ধন ওভোতাই দিয়াৰ

পৰিৱৰ্তে বদনাম কৰিবলৈহে ধৰে। আন এচাম থাকে যে যেতিয়া একেবাৰে দুখীয়া হৈ থাকে তেতিয়া তেনে পৰিস্থিতিৰ পৰা উদ্ধাৰ পাবলৈ যিসকলে সহায়-সহযোগিতা আগ বঢ়াই তেওঁলোকক পাছত পাহৰি যায়। আনকি সহায়-সহযোগিতাৰ কথাও বহুতে অস্বীকাৰ কৰি ওলোটাই বদনামহে দিয়ে। অৰ্থৰ অভাৱত পঢ়া-শুনা কৰিব নোৱাৰাৰ সময়ত যদি কোনোবাই সহায় কৰে সেইজন ব্যক্তিয়ে পঢ়া-শুনা কৰি ডাঙৰ মানুহ হোৱাৰ পাছত শলাগ নোলোৱা লোকৰ সংখ্যাও কম নহ'ব। অৱশ্যে ইয়াৰ ভিতৰত কমসংখ্যকেহে পৰৱৰ্তী সময়ত কৃতজ্ঞতা প্ৰকাশ কৰে। আনকি মুকলিমূৰীয়াকৈ আনৰ পৰা লাভ কৰা সহায়-সহযোগিতাৰ বিষয়ে প্ৰকাশ কৰে।

কৃতজ্ঞতাই মানুহৰ ব্যক্তিত্বৰ বহিঃপ্ৰকাশ ঘটায়। তেওঁৰ মানসিকতা কেনেধৰণৰ সেয়া ফুটাই তোলে। অকৃতজ্ঞ লোকসকল কেতিয়াও বহিৰ্মুখী হ'ব নোৱাৰে। স্বাৰ্থপৰতাই যেন তেওঁলোকৰ বাবে সৰ্বস্ব। ভৱিষ্যতে যে বিপদত পৰিব পাৰে সেয়া ভাবি নাপায়। এনেধৰণৰ লোকৰ পৰা সকলোৱে আঁতৰি থকাটোৱে মংগলজনক। নহ'লে খাল খান্দি ঘঁৰিয়াল মতাৰ দৰে অৱস্থা হ'ব।

# নতুন পৰিৱেশৰ মাজতে বিদ্যালয়ত পুনৰ পাঠদান ঃ এক ইতিবাচক চিন্তা

এতিয়া তলাবন্ধৰ অৱসান। ক'ৰোনা অতিমাৰীৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে বিশ্বৰ আন দেশৰ লগতে অসমতো দীৰ্ঘদিন ধৰি চলা তলাবন্ধই সকলোৰে জীৱন আমুৰাইছে। ঘৰৰ মাজতে আবদ্ধ থাকি জীৱনটো অতিবাহিত কৰাটো একপ্ৰকাৰ সকলোৰে বাবে হৈ পৰিছে প্ৰত্যাহ্বান। কাৰোবাৰ সময় কেনেদৰে অতিবাহিত কৰিব তাৰ প্ৰত্যাহ্বান। আন একাংশৰ বাবে জীৱন সংগ্ৰামত এসাঁজ অন্নৰ ব্যৱস্থা কৰাটোৱে প্ৰত্যাহ্বান হৈ পৰিছে। ক'ৰোনা আতংকই সকলোকে শংকিত কৰিলেও সময় যোৱাৰ লগে লগে সকলোৱে সময়ৰ স'তে খোজ মিলাবলৈ মানসিকভাৱে সাজু হৈছে। দীৰ্ঘদিনীয়া তলাবন্ধৰ পাছত এতিয়া সকলো পৰিস্থিতি স্বাভাৱিক নহ'লেও সামাজিক গতি, দেশৰ প্ৰগতি আৰু অৰ্থনৈতিক ক্ষেত্ৰত যাতে ধাৰা ধ্বংসপ্ৰায় নহয় তাৰ বাবে আনলক প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ক'ৰোনাৰ প্ৰতিষেধক বজাৰত উপলব্ধ হোৱা নাই যদিও দীৰ্ঘদিনীয়া সময়ৰ বাবে মানুহে ঘৰৰ ভিতৰত আবদ্ধ হৈ থকাটো সম্ভৱ নহয়। সেইবাবে এতিয়া প্ৰায়সংখ্যক লোকেই ঘৰৰ বাহিৰলৈ ওলাবলৈ আৰম্ভ কৰিছে। ঘৰৰ ভিতৰত ইমান দিন আবদ্ধ হৈ থকা ছাত্ৰ-ছাত্ৰীসকলেও লাহে লাহে বিদ্যালয়লৈ যাব পৰা হৈছে। সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী নহ'লেও উচ্চ শ্ৰেণীৰ শিক্ষাৰ্থীসকলে শ্ৰেণীকোঠাত নিয়ম-নীতিৰ মাজেৰে বহিব পৰা অৱস্থা এটাৰ সৃষ্টি হৈছে। এয়া শিক্ষাৰ্থীৰ বাবে ইতিবাচক দিশ।

ছাত্ৰ-ছাত্ৰীসকল দেশৰ সম্পদ। এই মানৱ সম্পদৰ ব্যৱহাৰ উপযুক্তভাৱে কৰাটো সকলোৰে কৰ্তব্য। যদিহে ছাত্ৰ-ছাত্ৰীসকলক উপযুক্তভাৱে শিক্ষা দিয়া হয়, তেনেহ'লে দেশ এখন প্ৰগতিৰ পথত আগ বাঢ়ি যোৱাত সহায় হ'ব। যিখন দেশৰ ছাত্ৰ-ছাত্ৰীসকলক উপযুক্তভাৱে শিক্ষিত কৰি তোলা হয়, সেইখন দেশত প্ৰতিটো ক্ষেত্ৰতে উন্নতি সম্ভৱ। সেইবাবে দীৰ্ঘসময় কৰি বিদ্যালয় আদি বন্ধ ৰখাটো সম্ভৱ নহয়। ক'ৰোনাৰ আতংকৰ মাজতে বিদ্যালয়ত পাঠদান আৰম্ভ

হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে মানসিক অৱসাদৰ পৰাও মুক্তি পাব। দীৰ্ঘদিন ধৰি বিদ্যালয়ৰ পৰা আঁতৰি থাকিবলগীয়া হোৱা বাবে মানসিক সমস্যাৰো সৃষ্টি নোহোৱাকৈ থকা নাই। বিদ্যালয়, মহাবিদ্যালয় দীৰ্ঘদিন ধৰি বন্ধ থকাৰ ফলত ম'বাইল ফোন, ইণ্টাৰনেটত সামাজিক মাধ্যমত ব্যস্ত থকা বাবে বহুতৰ শিক্ষা লাভত ব্যাঘাত জন্মিছে। আনকি কিছুমানে কিতাপ মেলিবলৈকে মন নকৰা হৈছিল। তদুপৰি পিতৃ-মাতৃৰ লগতে অভিভাৱকসকলে সন্তানক নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰতো সমস্যাৰ সৃষ্টি নোহোৱাকৈ থকা নাছিল। কিছুমানে পুৱাৰ পৰাই ফেচবুক আদিত ব্যস্ত হৈ থাকি আন কোনো কামেই কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰিছিল। বহুতৰ আকৌ ম'বাইলত ব্যস্ত থকা 'নিচা'ৰ দৰে হৈ পৰাত নৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীৰ বাবে হৈ পৰিছিল অভিশাপস্বৰূপ।

বিদ্যালয়-মহাবিদ্যালয়ত পাঠদান চলিলে সকলো ছাত্ৰ-ছাত্ৰীয়ে ব্যস্ত থাকিবলগীয়া হয়। কোনোবাই যদি ঘৰতো নপঢ়ে তেনেহ'লে বিদ্যালয়-মহাবিদ্যালয়লৈ যাবলৈ বাধ্য। কাৰণ উপস্থিতিৰ হাৰ কম হ'লে পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰাৰ ভয়তে অন্ততঃ উপস্থিত থাকিবলৈ বাধ্য হৈ পৰে। তলাবন্ধৰ সময়ছোৱাত ঘৰতে থকাৰ ফলত নিজৰ ভৱিষ্যতক লৈ সন্দিহান হৈ পৰিছিল। বিদ্যালয় খোলাৰ লগে লগে অন্ততঃ বন্ধু-বান্ধৱীসকলক লগ পোৱাৰ পাছত মানসিকভাৱে কিছু পৰিমাণে হ'লেও শক্তি লাভ কৰিবলৈ সক্ষম হৈছে। তদুপৰি বিদ্যালয়ত পাঠদান অবিহনে ঘৰত সকলো জ্ঞান আয়ত্ত কৰাটো প্ৰায়সংখ্যক ছাত্ৰ-ছাত্ৰীৰ বাবে সম্ভৱ নহয়। তদুপৰি ঘৰুৱা পৰিৱেত শিক্ষা লাভ কৰা আৰু বিদ্যালয়ত শিক্ষা গ্ৰহণৰ মাজত সদায় আকাশ-পাতাল পাৰ্থক্য থাকে।

এতিয়া ছাত্ৰ-ছাত্ৰীসকলে পাঠ গ্ৰহণৰ পৰা আৰম্ভ কৰি বিদ্যালয়ত প্ৰৱেশ তথা থকা সময়ছোৱাত কিছুমান নীতি-নিয়মত চলিবলৈ বাধ্য। যিবোৰ পূৰ্বে কেতিয়াও বিদ্যালয়ত থকা সময়ত অনুভৱ কৰা নাছিল তেনেধৰণৰ বিষয়ৰ স'তে পৰিচয় হ'বলৈ বাধ্য। নতুন পৰিৱেশৰ মাজত থাকিলে অধ্যয়ন কৰিব লাগিব। অৱশ্যে এনেধৰণৰ পৰিৱেশৰ স'তে সম্পূৰ্ণৰূপে মিলিবলৈ হ'লে আৰু কিছু সময়ৰ প্ৰয়োজন হ'ব। ক'ৰোনাৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে সকলোৱে নিয়ম-নীতি পালন কৰিবলৈ বাধ্য। নহ'লে সকলোৰে বাবে বিপদ। নিজৰ লগতে দেশৰ লোকসকলৰ সুৰক্ষাৰ স্বাৰ্থত সকলোৱে সঘনাই হাত ধোৱা বা ছেনিটাইজাৰ ব্যৱহাৰ কৰা, সামাজিক দূৰত্ব যিমানদূৰ সম্ভৱ মানি চলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত।

# অসহিষ্ণুতা বৃদ্ধিৰ আঁৰত সামাজিক মাধ্যম

পৃথিৱীখন আজি অসহিষ্ণু লোকেৰে ভৰি পৰিছে। এয়া কোনো এটা অঞ্চলবিশেষৰ সমস্যা নহয়। ঘৰখনৰ পৰা আৰম্ভ কৰি আন্তৰ্জাতিক প্ৰেক্ষাপটলৈকে এতিয়া মুকলিকৈ ফুটি উঠিছে অসহিষ্ণুতাৰ ৰূপ। ক্ৰমাৎ ভয়াৱহ ৰূপ ধাৰণ কৰা অসহিষ্ণুতাৰ ফলত এতিয়া সামান্য কথাতে মানৱ সমাজক লজ্জানত কথাৰ আঁত বিচাৰিলে অসহিষ্ণুতাৰ ছবিখনেই স্পষ্ট ৰূপত প্ৰকট হয়। আন্তৰ্জাতিক প্ৰেক্ষাপট অথবা ৰাষ্ট্ৰ পৰিধিৰ কথা বাদ দি যদি আমি প্ৰতিগৰাকী ব্যক্তিয়ে নিজৰ ঘৰখনতেই বিষয়টো সূক্ষ্মভাৱে বিশ্লেষণ কৰো তেনেহ'লে প্ৰায়ভাগ ক্ষেত্ৰতে সমস্যাৰ সৃষ্টিৰ মূলতেই হ'ল অসহিষ্ণুতা। পিতৃ-মাতৃৰ কথাত গুৰুত্ব নিদিয়া সন্তানৰ প্ৰকৃতি যদি সূক্ষ্ম দৃষ্টিকোণেৰে বিশ্লেষণ কৰা হয়, তেনেহ'লে ইয়াৰ বাবে দায়ী কোন সেয়া স্পষ্ট হৈ পৰিব। আজিৰ সমাজৰ প্ৰতিটো স্তৰতে অসহিষ্ণুতাই এনেদৰে গ্ৰাস কৰিবলৈ ধৰিছে যে ইয়াৰ পৰা পৰিত্ৰাণ অসম্ভৱ হৈ পৰিছে। সেইবাবে প্ৰতিগৰাকী পিতৃ-মাতৃয়ে সন্তানক নিজৰ আয়ত্তৰ পৰিধিৰ মাজতো ৰাখিব নোৱাৰা হৈছে। সৰু সৰু কথাতে পিতৃ-মাতৃৰ বিৰুদ্ধে বিদ্ৰোহ কৰাই নহয়— কেতিয়াবা জীৱনৰ চৰম সিদ্ধান্তও গ্ৰহণ কৰিছে। আনক দেখি যদি নিজেও সেয়া অনুসৰণ কৰাৰ মানসিকতাই গঢ় লৈ উঠে তেনেহ'লে তেওঁলোকে নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰা হয়।

পৃথিৱীৰ প্ৰতিটো অঞ্চলতে অতি সম্প্ৰতি অসহিষ্ণুতাৰ মানসিকতাই এনেদৰে গঢ় লৈ উঠিছে যে সকলোৱে কেৱল নিজৰ স্বাৰ্থ সিদ্ধিটোহে মুখ্য বিষয় বুলি ভাবে। অসহিষ্ণুতাৰ আগত যেন আজি মানৱতা হেৰাই গৈছে। মানুহে মানুহৰ বাবে এবাৰো নাভাবে। এগৰাকী ব্যক্তিয়ে কৰা ভুলৰ পৰিণতি কি হ'ব পাৰে সেয়া কোনোবাই ভাবি চাইছেনে? এখন দেশ, এটা জাতি ধ্বংস হ'ব পাৰে। বিশ্বৰ প্ৰতিগৰাকী ব্যক্তিয়ে যেতিয়া 'মই'ৰ পৰা 'আমি' চিন্তা-ভাবনা কৰিবলৈ এৰি দিবলৈ ধৰিছে দৰাচলতে তেতিয়াৰে পৰাই মানুহৰ সহনশীলতা গুণ হ্ৰাস পাইছে। এখন দেশৰ এগৰাকী নেতাই দেখুওৱা অসহিষ্ণুতা চৰিত্ৰই দেশখনৰ জনগণক ইয়াৰ পৰিণতি ভোগ কৰিবলৈ আগুৱাই দিছে। এসময়ত বিশ্বযুদ্ধৰ সূত্ৰপাত হৈছিল এনে কাৰণতে। 'আমি' মানৱ জাতি শব্দটো যেতিয়াৰে পৰাই 'মই'লৈ পৰ্যবসিত হ'বলৈ ধৰিলে তেতিয়াৰে পৰাই বিশ্বত অশান্তিৰ ৰাজত্ব হ'ল। প্ৰথম বিশ্বযুদ্ধৰ সময়ত যদি ইউৰোপ, আমেৰিকা দেশসমূহে সংযত হোৱাহেঁতেন 'হিৰোশ্বিমা'-'নাগাছাকি'ৰ দৰে ভয়াবহ দৃশ্যৰ সন্মুখীন হ'বলগীয়া নহ'লহেঁতেন। চীনৰ অসহিষ্ণুতাৰ বাবে আজি বিশ্ববাসীয়ে ইয়াৰ ফল ভোগ কৰিছে।

এতিয়া পৃথিৱীখনত 'জোৰ যাৰ মুলুক তাৰ' নীতিহে প্ৰযোজ্য হৈছে। শিক্ষাক্ষেত্ৰৰ পৰা আৰম্ভ কৰি কৰ্মক্ষেত্ৰলৈকে সকলোতে প্ৰায়সংখ্যক লোকে সহনশীলতা গুণ হেৰুৱাইছে। আগতে গুৰু-শিষ্যৰ সম্পৰ্ক মধুৰ আছিল। এতিয়া পিছে সৰু সৰু কথাতে শিক্ষাগুৰুক অপমান কৰাৰ মানসিকতাই গা কৰি উঠিছে। ফ্ৰান্সত এজন শিক্ষকে এটা ধৰ্মক প্ৰচাৰক কাৰ্টুন ছবি এখন প্ৰকাশ কৰা বাবে কোনো অজ্ঞাত লোকে ৰাজপথতে হত্যা কৰে শিক্ষকজনক। ধৰ্মীয় অনুভূতিত আঘাত কৰা বাবে এনেদৰে এজন লোকক হত্যা কৰা কথাটোৱে কি সূচাইছে? ইয়াৰ প্ৰভাৱ কৰ্মক্ষেত্ৰতো নপৰাকৈ থকা নাই। সৰু সৰু কথাতে মাৰপিটৰ উপৰি হত্যাকাণ্ডও সংঘটিত হৈছে। একেলগে কাম কৰা সহকৰ্মীয়ে এনে কিছু কাম কৰে যে ভাবিয়েই আচৰিত লাগে— মানুহেও পশুতুল্য কাম কৰিব পাৰেনে? মানৱ জাতিৰ ঘৃণনীয় কৰ্ম-কাণ্ড দেখি আনকি প্ৰকৃতিও স্তব্ধ হৈছে।

কিয় আজিৰ পৃথিৱীখনত কোনোৱে কাৰোৰে কথা নুশুনা-নুবুজা অৱস্থা

এটিৰ সৃষ্টি হ'বলৈ পালে সেই কথা কোনোবাই ভাবি চাইছেনে? নিশ্চয় নাই চোৱা। আধুনিক সভ্যতাৰে সুশিক্ষিত পৃথিৱীখনৰ মানুহবোৰ আত্মকেন্দ্ৰিক হৈ পৰিছে। পৃথিৱীত যেন নিজৰ বাহিৰে আন কোনো মানুহ নায়েই। সকলোখিনি নিজকেই লাগে। আপোনপেটীয়া মনোভাবে যিমানেই গঢ় লৈ উঠিছে সিমানেই এনেধৰণৰ সমস্যাই গা কৰিছে।

কোনো এটা ঘটনাৰ প্ৰকৃত স্বৰূপ বা প্ৰকৃত কাৰণ নজনাকৈয়ে আজিকালি প্ৰায়সংখ্যক লোকেই ফেচবুক, ইউটিউব, টুইটাৰ, ইন্‌ষ্টাগ্ৰাম, হোৱাটছএপ আদিত আপলোড কৰে। এনেধৰণৰ ঘটনাৰ প্ৰভাৱ সমাজত কেনেকুৱা হ'ব পাৰে সেইবোৰ চিন্তা নকৰাকৈয়ে হোৱাই-নোহোৱাই সকলোবোৰ সামাজিক মাধ্যমত প্ৰচাৰ চলায়। এইখিনিতে উল্লেখ কৰাৰ প্ৰয়োজন যে যেতিয়া কোনো এগৰাকী ব্যক্তিয়ে এটা ঘটনাৰ বিষয়ে লিখি অথবা যিকোনো ফটো সামাজিক মাধ্যমত প্ৰচাৰ কৰে তাৰ পূৰ্বে তেওঁ প্ৰকৃত সত্যটো জানি লোৱা উচিত। আজিকালি ভুৱা বাতৰি বা ঘটনা, ফটো আদিৰে ভৰি পৰিছে সামাজিক মাধ্যম। নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে সামাজিক মাধ্যমত যিকোনো অশুদ্ধ তথ্য প্ৰচাৰ কৰাটো একপ্ৰকাৰ অপৰাধ। এনে অপৰাধত লিপ্ত হোৱা লোকৰ সংখ্যাই এতিয়া অধিক। সামাজিক মাধ্যম ব্যৱহাৰ কৰা লোকসকলেও সেইবোৰৰ সত্যাসত্য বিচাৰ নকৰাকৈ মানি লোৱাৰ ফলত সমাজত অপৰাধ বৃদ্ধি পাইছে। সৰু সৰু কথাতে বিক্ষোভ, যুদ্ধ, প্ৰতিবাদ, হত্যা, প্ৰতিশোধৰ ঘটনা সংঘটিত হ'বলৈ ধৰিছে। এয়া মানৱ সমাজৰ বাবে শুভ লক্ষণ নহয়। সকলোৱে সামাজিক দায়বদ্ধ হৈ সংযত হোৱা উচিত।

# স্বাস্থ্যসন্মত কৰ্মপদ্ধতি আৰু মানসিকতাৰ পৰিৱৰ্তন

প্ৰতিগৰাকী ব্যক্তিৰ স্বাস্থ্য ৰক্ষাৰ বিষয়টো জড়িত হৈ থাকে তেওঁৰ খাদ্যাভ্যাস, কৰ্মপদ্ধতি আৰু সামাজিক পৰিৱেশ। কৰ্মপদ্ধতি এই কাৰণে গুৰুত্বপূৰ্ণ যে শাৰীৰিক-মানসিক চৰ্চা ইয়াৰ স'তেই সাঙোৰ খাই পৰে। এজন কৃষকৰ কৰ্মপদ্ধতি, খাদ্যাভ্যাস আৰু সামাজিক স্থিতিৰ সকলো ধৰণৰ প্ৰভাৱ পৰে তেওঁৰ স্বাস্থ্যৰ ওপৰত। পুৱা উঠিয়ে পথাৰলৈ যাবলৈকে নিশা সোনকালে শোৱাপাটীত উঠিবই লাগিব। এনে কৰাৰ ফলত তেওঁ দুটা বিষয় স্পষ্ট হৈ পৰে। প্ৰথমতে তেওঁ বিছনালৈ সোনকালে যোৱাৰ অভ্যাস। দ্বিতীয়তে, সময়মতে খাদ্য গ্ৰহণৰ লগতে পুৱাই বিছনা ত্যাগ কৰাটো। দিনটো কঠোৰ পৰিশ্ৰম কৰাৰ ফলত তেওঁৰ শৰীৰত অতিৰিক্ত চৰ্বি জমা হোৱাৰ আশংকা নাথাকে। তদুপৰি টোপনিও ভাল হ'ব। এজন ব্যক্তি সুস্থ হৈ থাকিবলৈ হ'লে উপযুক্তভাৱে সঠিক সময়ত খাদ্য গ্ৰহণ আৰু টোপনি ভাল হ'বই লাগিব। আজিকালি প্ৰায়ভাগ লোকেই নিদ্ৰাহীনতাত ভুগিছে। তদুপৰি সময়ত টোপনি

নোযোৱাৰ লততে উচ্ছৃংখল জীৱন যাপন কৰাটো নৱ প্ৰজন্মৰ অভ্যাসত পৰিণত হৈছে। পুৱা শুই উঠি দিনটোৰ বাবে কাৰ্যক্ৰমণিকা প্ৰস্তুত কৰিব নোৱৰিলে নিৰ্দিষ্ট সময়ৰ ভিতৰত সকলো কাম সম্পন্ন কৰাটো সম্ভৱ নহ'ব। সময়মতে সকলো কাম সম্পন্ন হ'লেও টেনচনৰ সৃষ্টি নহয়। তদুপৰি পথাৰত কঠোৰ পৰিশ্ৰম কৰাৰ বাবে যি খাদ্য গ্ৰহণ কৰে সেয়া সহজেই হজমো হয়। কৃষিকৰ্মৰ স'তে জড়িত লোকসকলৰ দোকমোকালিতে বিছনা ত্যাগ কৰাৰ অভ্যাস থাকে বাবে প্ৰাতঃভ্ৰমণৰো প্ৰয়োজন নাই। পুৱাৰ সতেজ বায়ু সেৱনৰ ফলত শৰীৰেও সতেজভাৱে অংগ-প্ৰত্যংগৰ দ্বাৰা কাৰ্য সম্পাদন কৰাব পাৰে। তদুপৰি পথাৰত কাম কৰাৰ ফলত শৰীৰৰ প্ৰতিটো অংগ-প্ৰত্যংগৰে সঞ্চালন হ'ব পৰাৰ শক্তি লাভ কৰে। এনে অভ্যাস আৰু কৰ্মপদ্ধতিৰ পৰা মানুহে যিমানেই আঁতৰি আহিবলৈ ধৰি বিলাসী জীৱন যাপন কৰিবলৈ ধৰিলে সিমানেই শৰীৰটো বিভিন্ন ৰোগৰ উৎস হৈ পৰিল। মহিলাসকলৰ ক্ষেত্ৰতো একেই ধৰণৰ ছবি এখন ফুটি উঠে। আগতে প্ৰায়সংখ্যক পৰিয়ালতে ঢেঁকীৰ ব্যৱহাৰ হৈছিল। মহিলাসকলে ধান বানিবলৈ ঢেঁকী ব্যৱহাৰ কৰিছিল। এগৰাকী মহিলাই যেতিয়া ঢেঁকীৰ এটা মূৰত ভৰিখন দি ঢেঁকৰটো দাঙি দিয়ে তেতিয়া এই প্ৰক্ৰিয়াটোত শৰীৰৰ প্ৰায়ভাগ অংগ-প্ৰত্যংগত ইয়াৰ পৰোক্ষ প্ৰভাৱ পৰে। ঢেঁকী দিয়াৰ সময়ত শৰীৰত এটা জোকাৰণিৰ সৃষ্টি হয়। দিনটোৰ ভিতৰত যদি এবাৰ ঢেঁকী দিয়ে, তেনেহ'লে আন কঠোৰ পৰিশ্ৰম নকৰিলেও হয়। তদুপৰি ঢেঁকীত বনা চাউল (অকাৰী)ত শৰীৰৰ বাবে প্ৰয়োজনীয় উপাদান থাকে। আজিৰ 'ব্ৰাউন ৰাইচ'ৰ ধাৰণা আগতেই আমাৰ সমাজত প্ৰচলিত হৈছিল। এয়া যে স্বাস্থ্যসন্মত খাদ্য সেয়া চিকিৎসা বিজ্ঞানৰ অগ্ৰগতিৰ পূৰ্বেই সমাজৰ লোকসকলে উপলব্ধি কৰিব পাৰিছিল। তদুপৰি 'জাত' (দুটুকুৰা বহল ওজন থকা শিল —য'ত এটা ডাঙৰ বিন্ধা থাকে। ডাঙৰ বিন্ধাটোত মচুৰ, ৰহৰ দাইল ভৰাই দি আনটো মূৰত থকা সৰু বিন্ধাত মাৰি এডাল লগাই ঘূৰাই থকা হয়) আদিৰ ব্যৱহাৰ কৰাৰ ফলত খাদ্যবস্তু ৰন্ধাৰ বাবে উপযোগী কৰাৰ লগতে শাৰীৰিক পৰিশ্ৰমো হৈছিল। শৰীৰৰ অতিৰিক্ত চৰ্বি আদি তেনে কাম কৰোতে ব্যয় হৈছিল। তদুপৰি সৰ্বশৰীৰত একধৰণৰ কম্পন সৃষ্টিৰ ফলত অংগ-প্ৰত্যংগসমূহ উত্তেজিত

হোৱাত ৰক্ত সঞ্চালনো স্বাভাৱিক হৈছিল। এনে ধৰণৰ কাম কৰাত স্বাস্থ্যসন্মত খাদ্যৰ যোগাৰ হোৱাৰ লগতে ৰক্ত সঞ্চালন, ৰক্তচাপ আদি স্বাভাৱিক অৱস্থাত থকাত ৰোগে সহজে বাহ ল'বলৈ সুযোগ পোৱা নাছিল। শৰ্কৰা আদিও স্বাভাৱিকভাৱে নিঃসৰণ হৈছিল। মহিলাসকলে বোৱাৰীপুৱাতে বিছনা ত্যাগ কৰি নিজৰ কামত লাগিছিল। অৰ্থাৎ পুৱাৰে পৰাই আৰম্ভ হৈছিল ব্যৱসায় আদি। খাদ্য প্ৰস্তুত কৰাৰ পূৰ্বে গা-পা ধুই প্ৰাৰ্থনা কৰাৰ অভ্যাসো আছিল। পুৱাই প্ৰাৰ্থনা কৰাৰ ফলত মনত প্ৰশান্তিৰ ভাব জাগ্ৰত হৈছিল। সেইবাবে খং আদি নিয়ন্ত্ৰণৰ লগতে বিভিন্ন সমস্যা সমাধানৰ বাবেও মানসিকভাৱে প্ৰস্তুত হ'ব পাৰিছিল। দমকলৰ পৰা পানী সংগ্ৰহ কৰোতে দমকল মাৰিলে একপ্ৰকাৰ ব্যায়ামো হয়। আজিকালি পিছে এনেধৰণৰ অভ্যাস নোহোৱাই হ'ল। ফলত বিভিন্ন ধৰণৰ ৰোগে গা কৰি উঠিবলৈ ধৰিলে।

স্বাস্থ্যসন্মত কৰ্মপদ্ধতি আৰু খাদ্য প্ৰস্তুতৰ দ্বাৰা প্ৰায়সংখ্যক লোকেই এটা সুস্থ জীৱন যাপন কৰিছিল। অতীতৰে পৰা চলি অহা পৰম্পৰাগত পদ্ধতি তথা স্বাস্থ্য ৰক্ষাৰ উপায়সমূহৰ আজিও মূল্য আছে। পিছে আদৰ কৰোতাৰহে অভাৱ।

# কৰ্মক্ষেত্ৰত পোছাক আৰু ব্যক্তিত্ব

আচাৰ-ব্যৱহাৰ, পোছাক-পৰিচ্ছদে এজন লোকৰ ব্যক্তিত্ব প্ৰকাশ কৰে। দুয়োটা বিষয়ে ব্যক্তি এজনৰ ব্যক্তিত্ব প্ৰকাশৰ ক্ষেত্ৰত দাপোণসদৃশ। ইয়াৰ প্ৰভাৱ সামাজিক ক্ষেত্ৰখনৰ লগতে কৰ্মক্ষেত্ৰতো সমানেই পৰে। কোনো এগৰাকী কৰ্মচাৰীয়ে যেতিয়া পদমৰ্যাদা অনুসৰি কাৰ্য সম্পাদনৰ লগতে পোছাক-পৰিচ্ছদৰ উপৰি আচাৰ-ব্যৱহাৰ প্ৰদৰ্শন কৰে তেতিয়া তেওঁৰ প্ৰতি সকলোৰে শ্ৰদ্ধা থাকে। কোনো এগৰাকী ব্যক্তিয়ে আনক প্ৰভাৱান্বিত কৰিবলৈ এইবোৰ দিশতে সমানেই গুৰুত্ব প্ৰদৰ্শন কৰিব লাগিব। বিশেষকৈ ৰাজহুৱা অথবা চৰকাৰী আৰু ব্যক্তিগত প্ৰতিষ্ঠানত কাম কৰা লোকৰ বাবে এয়া গুৰুত্বপূৰ্ণ বিষয়। পোছাকে মানুহৰ সৌন্দৰ্য বৃদ্ধিৰ লগতে কৰ্মক্ষেত্ৰত পদমৰ্যাদা প্ৰকাশ আৰু প্ৰতিটো বিষয়তে শৃংখলিত হোৱাৰ ছবিখনো ফুটাই তোলে।

এগৰাকী শিক্ষক বা শিক্ষয়িত্ৰীক ছাত্ৰ-ছাত্ৰীৰ লগতে সমাজৰ আন দহজন ব্যক্তিয়ে সন্মান কৰে। কাৰণ সমাজৰ প্ৰায়সংখ্যক ব্যক্তিয়ে শিক্ষাগুৰুৰ পৰা লাভ কৰা শিক্ষাৰে প্ৰতিষ্ঠা লাভ কৰে। হয়তো সেইবাবেই শিক্ষাগুৰুক

দেখাৰ লগে লগে সকলোৱে আসনৰ পৰা থিয় হৈ সেৱা জনায়। গতিকে এনে এগৰাকী সন্মানীয় ব্যক্তিয়ে পোছাক পৰিধানৰ ক্ষেত্ৰত নিশ্চয় সতৰ্ক হ'ব লাগিব। সমাজৰ দহজনৰ লগতে ছাত্ৰ-ছাত্ৰীয়ে আকৰ্ষিত তথা শ্ৰদ্ধাশীল হ'বলৈ পোছাকত শালীনতা থাকিবই লাগিব। সাধাৰণ পোছাকেৰেও আকৰ্ষিত কৰিব পাৰি। পোছাকযোৰ দামী হ'ব লাগিব বুলি কোনো কথা নাই। মাৰ্জিত পোছাকে সকলোকে আকৰ্ষিত কৰে। গতিকে শিক্ষক-শিক্ষয়িত্ৰীয়ে তেনে পোছাক পৰিধান কৰিলে গাম্ভীৰ্যতাও বৃদ্ধি পায়। তাকে নকৰি যদি এনে কিছু পোছাক পিন্ধে— যিয়ে শালীনতা চেৰাই যায় তাৰ দ্বাৰা অন্য লোকৰ মনত নিশ্চয় বিৰূপ প্ৰতিক্ৰিয়া হ'ব।

ৰাজহুৱা কাম-কাজত জড়িত লোকে পদমৰ্যাদা অনুসৰি পোছাক পৰিধান নকৰিলে কেতিয়াবা মৰ্যাদা হানি হোৱাৰো আশংকা থাকে। কোনো এটা বিভাগ অথবা অনুষ্ঠানৰ মুৰব্বীয়ে যদি পদমৰ্যাদা অনুসৰি পোছাকযোৰ নিপিন্ধে, তেনেহ'লে কিছু পৰিমাণে হ'লেও পদমৰ্যাদা নিশ্চয় হানি হ'ব। আনকি বিভাগ বা অনুষ্ঠানটোৰ প্ৰতি থকা সম্ভাৰতো প্ৰভাৱ পৰিব পাৰে। কাপোৰযোৰ যে লাখ টকীয়া হ'ব লাগিব তেনে কথা নাই। এযোৰ সাধাৰণ পোছাকো যদি উপযুক্তভাৱে পৰিধান কৰে, তেনেহ'লে ই আনৰ দৃষ্টিত আকৰ্ষণীয় হৈ উঠে।

সমাজৰ মুখিয়াল, জিলা, ৰাজ্য আৰু দেশ এখনৰ মুৰব্বীয়ে যদি লেতেৰা তথা আকৰ্ষণহীন পোছাক পৰিধান কৰি প্ৰতিনিধিত্ব কৰে, তেনেহ'লে সমাজ বা দেশখনৰ প্ৰতি আন লোকৰ মনোভাব কেনে হ'ব পাৰে সেয়া সহজেই অনুমেয়। যদিও পোছাক এযোৰ এগৰাকী ব্যক্তি ভদ্ৰ হয় নে নহয় সেয়া প্ৰকাশ নকৰে তথা পোছাকযোৰৰ দ্বাৰা সমাজ বা দেশখনৰ সভ্যতা-সংস্কৃতি তথা আচাৰ, ৰীতি-নীতি আদি প্ৰতিফলিত কৰে। সাধাৰণতে কোনো এজন ভিক্ষাৰীয়ে কেনে পোছাক পিন্ধে সেয়া কাৰো বিচাৰ্য বিষয় নহয়। পিছে ভিক্ষাৰীগৰাকীয়ে যদি কেতিয়াবা উচ্চ আসনত ঘটনাক্ৰমে বহিবলৈ সুযোগ পায়, তেতিয়া তেওঁৰ পোছাকযোৰো তেনেদৰে থাকিলে আনৰ মনত নিশ্চয় বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব। ঘটনাক্ৰমে এজন সাধাৰণ লোকে অভিনেতা, ৰাষ্ট্ৰনেতা তথা খেলুৱৈ হোৱাৰ উদাহৰণ বহুতো আছে।

কোনো এটা ৰাজহুৱা অনুষ্ঠান বা বিভাগৰ কৰ্মচাৰীয়ে কেনেধৰণৰ পোছাক পৰিধান কৰিব লাগে, সেই বিষয়ত নিৰ্দিষ্ট নীতি-নিৰ্দেশনা থাকিলে তাত পোছাক-পৰিচ্ছদতো শৃংখলাবদ্ধতাৰ ছবিখন ফুটি উঠে। সাধাৰণতে 'ইউনিফৰ্ম' থকা বিভাগ বা অনুষ্ঠানৰ চাকৰিয়াল বা ইয়াৰ স'তে জড়িত লোকসকলৰ পোছাকযোৰ দেখিলেই বুজিব পাৰি কঠোৰ নীতি-নিৰ্দেশনাৰ কথা। সেনাৰ শীৰ্ষ বিষয়াই পৰিধান কৰা পোছাকযোৰৰ পৰা আৰম্ভ কৰি হাবিলদাৰে পিন্ধা পোছাকযোৰত এই বাহিনীটোৰ পোছাক পৰিধানৰ ক্ষেত্ৰতো কিমান সচেতনতা অৱলম্বন কৰিবলগীয়া হয় সেয়া সহজেই ফুটি উঠে। যেতিয়া কোনো এটা বিভাগৰ বা অনুষ্ঠানৰ মুৰব্বীক লগ ধৰিবলৈ যোৱা হয়, তেতিয়া প্ৰথম দৰ্শনতেই তেওঁৰ প্ৰতি মনোভাব গঢ়ি উঠে। সেইবাবে কোৱা হয়— First impression in the last impression. কেতিয়াবা কোনো এটা কাম সিদ্ধি হোৱাৰ ক্ষেত্ৰতো পোছাকযোৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। এজন অভিনেতা বা অভিনেত্ৰীৰ পোছাকযোৰো কোটি কোটি দৰ্শকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে। হয়তো সেইবাবেই অভিনেতা-অভিনেত্ৰীয়ে পৰিধান কৰে আকৰ্ষণীয় পোছাক।